● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

*জীৱনটো তেনেই চুটি। গতিকে আমি ইয়াৰ প্ৰতিটো মুহূৰ্তকে সন্মান জনাই আগবঢ়া উচিত।*

অৰহান পামুক
*তুৰ্কীৰ ঔপন্যাসিক*



৭ ইউৰোপত পৰ্যটকৰ বাবে খোল খাব ২০ খন দেশৰ দুৱাৰ
১৩ নেতৃত্ব লাভ কৰি আপ্লুত শিখৰ ধৱন
৪ সোঁৱৰণ ঃ ডঃ লক্ষ্মীনন্দন বৰা
এটি আড্ডাৰ সৃষ্টিশীলতা আৰু অন্যান্য

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৪২তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২৮ জেঠ ১৪২৮ ভাস্কৰাব্দ ১২ জুন ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 12 June 2021 মূল্য ঃ ৭.০০ টকা

মন্ত্ৰীবৰ্গৰ কাম-কাজৰ খতিয়ান ল'লে প্ৰধানমন্ত্ৰীয়ে ■ অমিত শ্বাহ-নড্ডাৰে আলোচনা ■ ২৩টাকৈ দপ্তৰ সালসলনিৰ পূৰ্ণ সম্ভাৱনা

## সোণোৱাল-সিন্ধিয়াৰ অন্তৰ্ভুক্তিৰে মোদী মন্ত্ৰীসভাৰ সালসলনি আসন্ন



■ মানস বন্দ্যোপাধ্যায়
**নতুন দিল্লী, ১১ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মন্ত্ৰীসভা সালসলনি তথা সম্প্ৰসাৰণৰ কুচকাৱাজ আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি নিৰ্দিষ্ট একাংশ মন্ত্ৰণালয়ৰ পাৰদৰ্শিতাৰ পৰ্যালোচনাৰ বাবে একাধিক বৈঠকত মিলিত হোৱাক কেন্দ্ৰ কৰি এই চৰ্চা *১০ পৃষ্ঠাত চাওক*

## নাগপুৰত আৰ এছ এছৰ মুৰব্বীক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জুন ঃ** মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হোৱাৰ পাছত আজি নাগপুৰত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰধান মোহন ভগৱতক সৌজন্যমূলক সাক্ষাৎ কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব *১০ পৃষ্ঠাত চাওক*

দেশত প্ৰাণ হেৰুৱালে কমেও ২,১০০ আক্ৰান্তই ■ ভয়াৱহ সংক্ৰমণৰ পৰিসংখ্যা প্ৰকাশ

মহাৰাষ্ট্ৰতে সৰ্বাধিক ৬০৯জন ৰোগীৰ মৃত্যু ■ মধুমেহ ৰোগত আক্ৰান্তৰ বাবে অতি বিপজ্জনক

## তিনি সপ্তাহত ১৫০ শতাংশ বৃদ্ধি 'ব্লেক ফাংগাছ'

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১১ জুন ঃ** ক'ভিড আক্ৰান্তৰ মাজত ভয়াৱহৰূপে বৃদ্ধি পাইছে 'ব্লেক ফাংগাছ' অৰ্থাৎ কৃষ্ণ ভেঁকুৰৰ সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি, বিগত তিনি সপ্তাহত ভাৰতত এই মাৰাত্মক ভেঁকুৰজনিত সংক্ৰমণ ১৫০ শতাংশ বৃদ্ধি পাইছে। এতিয়ালৈকে দেশজুৰি ক'ভিডত সুস্থ হৈ উঠা ৩১,২১৬ জন



লোক 'ব্লেক ফাংগাছ'ত আক্ৰান্ত হৈছে আৰু এইসকল লোকৰ ২,১০৯ জনৰ ইতিমধ্যে মৃত্যু হৈছে। ক'ভিডৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৰ সময়ত দেশজুৰি ভেঁকুৰজনিত এই ৰোগে ক'ভিড আক্ৰান্তৰ মাজত এক নতুন আতংকৰ সৃষ্টি কৰিছে। ৰোগীৰ সংখ্যা বৃদ্ধিৰ ফলত দেশত এই ভাইৰাছত আক্ৰান্ত লোকৰ চিকিৎসাত ব্যৱহাৰ কৰিবলৈ 'এম্প'টেৰিচিন-বি' *১০ পৃষ্ঠাত চাওক*

■ কৰ'নাসৃষ্ট পৰিৱেশত বিধ্বস্ত ছবি প্ৰদৰ্শনৰ ব্যৱসায় ■ গুৱাহাটীৰেই সাতটা ছবিগৃহ চিৰদিনলৈ বন্ধ ■ এইবাৰ বিবাহ ভৱনৰ বাবে সাজু হৈছে অপ্সৰা-শ্বপিং মল হ'ব বন্দনা

# তলা ওলমিল কমেও ১৫টা ছবিগৃহত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জুন ঃ** কে'বা দশকজোৰা বৰ্ণিল ইতিহাস সামৰি মৃত্যুৰ ক্ষণ গণিছে ৰাজ্যৰ ছবিগৃহসমূহে। ক'ভিডসৃষ্ট পৰিৱেশৰ ফলত বিগত বৰ্ষৰ মাৰ্চৰ পৰা উদ্যোগটো সম্পূৰ্ণ বন্ধ হৈ থকাৰ পাছত উপাৰ্জনহীনতাত ভুগি ইতিমধ্যে কে'বাটাও ছবিগৃহ চিৰদিনৰ বাবে বন্ধ হৈ পৰিছে। ইতিমধ্যে ৰাজ্যৰ কমেও ১৫ টা ছবিগৃহ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে আৰু আন কে'বাটাও ছবিগৃহ বন্ধ হোৱাৰ দিশত অগ্ৰসৰ হৈছে। ইয়াৰে মহানগৰীৰ একালৰ অতি জনপ্ৰিয় অপ্সৰা, উৰ্বশী, মেঘদূত, অৰুণা, ছিলভাৰ স্ক্ৰীণ, বিজুলী ছবিগৃহ ইতিমধ্যে সম্পূৰ্ণৰূপে বন্ধ কৰাৰ পাছত শেহতীয়াকৈ বন্দনা ছবিগৃহও চিৰদিনলৈ বন্ধ হৈ পৰিল। উল্লেখ্য যে ৰাজ্যৰ এই ছবিগৃহসমূহ বিগত প্ৰায় সাত দশক জুৰি ছবিজগতৰ বহু *১০ পৃষ্ঠাত চাওক*





*মন্ত্ৰী নহয়, কৃষকৰূপে হাল বাবলৈ পথাৰত নামিত কৃষিমন্ত্ৰী অতুল বৰা, গোলাঘাটত শুকুৰবাৰে।*

চুবুৰীয়া ৰাজ্যৰ বেদখলৰ তথ্য নাই

## ড্ৰোণৰ সহায়ত বেদখল নিৰীক্ষণৰ প্ৰক্ৰিয়া আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জুন ঃ** অসমৰ লগত থকা চুবুৰীয়া ৰাজ্যৰ সীমা বিবাদৰ মাজতে নগালেণ্ড সীমান্তত ড্ৰোণৰ জৰিয়তে বেদখল নিৰীক্ষণৰ পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিছে। তাৰ প্ৰথম *১০ পৃষ্ঠাত চাওক*

কৃষিভূমিত ট্ৰেক্টৰেৰে হাল বোৱাত ব্যস্ত মন্ত্ৰী

## কৃষি মন্ত্ৰীৰূপে নহয়, কৃষকৰ ৰূপত পথাৰত অতুল বৰা

**বিশেষ সংবাদদাতা**
**গোলাঘাট, ১১ জুন ঃ** মন্ত্ৰীৰূপে নহয় কৃষকৰূপে গোলাঘাটৰ খেতিপথাৰত ব্যস্ত কৃষিমন্ত্ৰী অতুল বৰা। ধানৰ বীজ সিঁচিবৰ বাবে গোলাঘাট জিলাৰ দ-বৰাহি গাঁৱৰ নিজৰ *১০ পৃষ্ঠাত চাওক*

■ ৪০ প্ৰতিষ্ঠানৰ পৰা ২৬ লাখ মহিলাৰ ১২,৫০০ কোটি টকাৰ ঋণ ■ সময়সীমা ২০২০ৰ ৩১ ডিচেম্বৰ ■ দুটাতকৈ অধিক প্ৰতিষ্ঠানৰ পৰা ঋণ গ্ৰহণ কৰাসকলে লাভ নকৰে ৰেহাই

## ঋণ ৰেহাইৰ বাবে চৰ্ত আৰোপ চৰকাৰৰ

■ মুখ্যমন্ত্ৰীয়ে গঠন কৰা বিশেষ সমিতিৰ ঘোষণা ■ ৰিজাৰ্ভ বেংকৰ নিৰ্দেশনাৰ আধাৰত ৰেহাইৰ নীতি ■ প্ৰথম দৃষ্টিতে দুই লক্ষাধিকে ৰেহাই নোপোৱাটো স্পষ্ট

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জুন ঃ** নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লোৱা ৰাজ্যৰ মহিলাসকলক ঋণ ৰেহাইৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে। ইয়াৰ বাবে চৰকাৰে শেহতীয়াভাৱে এক নীতি প্ৰস্তুত কৰি তুলিছে। নিৰ্দিষ্ট চৰ্তৰ ভিত্তিতহে ঋণ ৰেহাই দিয়া হ'ব। ফলস্বৰূপে এই চৰ্ত অনুসৰি প্ৰাথমিক হিচাপত দুই লক্ষাধিক মহিলা ঋণ ৰেহাইৰ



বাবে বিবেচনা নোহোৱাটো স্পষ্ট হৈছে। কাৰণ এইসকল মহিলা চৰকাৰৰ চৰ্তৰ আওতাত নপৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই মন্ত্ৰী অশোক সিংঘালৰ অধ্যক্ষতাত গঠন কৰা সমিতিখনে আজি প্ৰকাশ কৰা তথ্যতে এই কথা ওলাই পৰে। জনতা ভৱনত এক সংবাদমেলত সিংঘালে কয় যে মুখ্যমন্ত্ৰী আৰু তেওঁলোকৰ সমিতিৰ লক্ষ্য হ'ল অধিকৰ পৰা অধিকতৰ দুখীয়া মহিলাক সকাহ দিয়া; কিন্তু সেই সকাহ পাবলৈ কেইটামান *১০ পৃষ্ঠাত চাওক*

আৰু বহুত আহিব ■ যোগদান অনুষ্ঠানত ঘোষণা মুখ্যমন্ত্ৰী মমতাৰ

## বিজেপিক হতভম্ব কৰি তৃণমূললৈ পুত্ৰসহ উভতিল জ্যেষ্ঠ নেতা মুকুল

■ নিউজ ব্যুৰ'
**কলকাতা, ১১ জুন ঃ** পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ একালৰ সোঁহাতস্বৰূপ মুকুল ৰায়ে বিজেপি ত্যাগ কৰি পুনৰ তৃণমূল কংগ্ৰেছলৈ প্ৰত্যাৱৰ্তন কৰিলে। বিজেপিৰ ৰাষ্ট্ৰীয় উপ-সভাপতি ৰায়ক দললৈ আদৰণি জনাই মমতাই কয় যে ঘৰৰ ল'ৰা ঘৰলৈ উভতিল। প্ৰায় চাৰে তিনি বছৰ পূৰ্বে বিজেপিত যোগদান কৰা ৰায়ে পুত্ৰ প্ৰাক্তন বিধায়ক শুভ্ৰাংশুসহ আজি তৃণমূল ভৱনত দলীয় *১০ পৃষ্ঠাত চাওক*



## ক'ভিডত প্ৰাণ হেৰুৱালে ২৯ জনে, নতুনকৈ সংক্ৰমিত হ'ল ৩,৬৬৬জন

যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত ৬৭জন আক্ৰান্ত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১১ জুন ঃ** জটিল ৰূপ ধাৰণ কৰা ক'ভিডৰ সংক্ৰমণ দুদিন পূৰ্বে কিছু হ্ৰাস পালেও কালি পুনৰ সংক্ৰমণৰ হাৰ বৃদ্ধি পোৱাৰ সমান্তৰালকৈ আজিও ৰাজ্যত ৩,৬৬৬ জন লোক নতুনকৈ আক্ৰান্ত হয়। আজি ১,৬৯,৫২৮ জন লোকৰ কৰ'না পৰীক্ষা কৰা হয়। সেই অনুসৰি আক্ৰান্তৰ হাৰ ২.১৬ শতাংশ। ইফালে, আক্ৰান্তসকলৰ *আঠ পৃষ্ঠাত চাওক*

সুদূৰ বাংগালুৰুত ব্যৱসায়ীক প্ৰবঞ্চনা ■ গোচৰ ৰুজু ভুক্তভোগীৰ

## ক'ভিড সামগ্ৰী যোগানৰ ঠিকাৰ নামত চিত্ৰ নিৰ্মাতাই সৰকালে ৪৮ লাখ

■ নিউজ ব্যুৰ'
**বাংগালুৰু, ১১ জুন ঃ** ক'ভিডৰ নামত ৰাজ্যৰ এজন বিতৰ্কিত ব্যৱসায়ী আৰু চলচ্চিত্ৰ নিৰ্মাতাই সুদূৰ বাংগালুৰুত ঠগ-প্ৰৱঞ্চনাৰে অসমৰ নাম লজ্জানত কৰাৰ অভিযোগ উত্থাপন হৈছে। অভিযুক্তজন হৈছে নিপন ঢলুৱা। উত্থাপিত অভিযোগ অনুসৰি বাংগালুৰুৰ বিদ্যাৰায়ণপুৰা অঞ্চলৰ চিকিৎসা সামগ্ৰী প্ৰস্তুত কৰা এটা প্ৰতিষ্ঠানৰ সঞ্চালক ভেংকটেশ পাই (৩৯)ৰ পৰা জালিয়াতিৰে ঢলুৱাই বৃহৎ পৰিমাণৰ ধন আত্মসাৎ কৰে। যোৱা এপ্ৰিলত এই ঘটনাৰ সূত্ৰপাত হয়। আৰক্ষীৰ ওচৰত পাইয়ে দাখিল কৰা অভিযোগ অনুসৰি এপ্ৰিলত অসমৰ এজন লোকে অনলাইনৰ জৰিয়তে নিজকে নিপন ঢলুৱা বুলি পৰিচয় দিয়াৰ লগতে এজন চলচ্চিত্ৰ প্ৰযোজক *১০ পৃষ্ঠাত চাওক*



## এইবাৰ অলপ কষ্ট খালেও লাহৰীঘাটৰ বান-খহনীয়া নিৰ্মূলৰ আশ্বাস মন্ত্ৰী পীযুষৰ

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁৱৰ, ১১ জুন ঃ** 'এতিয়া মথাউৰি নিৰ্মাণৰ সময় নহয়। সেয়ে এইবাৰ পানীত লাহৰীঘাটৰ ৰাইজে অলপ *আঠ পৃষ্ঠাত চাওক*

বুঢ়ীগাং নৈত উদ্ধাৰ হাত-ভৰি বন্ধা মৃতদেহ

## নিশা ঘৰৰ পৰা ফোন কৰি মাতি নি যুৱকক হত্যা

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ১১ জুন ঃ** নিশা ঘৰৰ পৰা ফোন কৰি মাতি নিয়া এজন যুৱকৰ হাত-ভৰি বন্ধা অৱস্থাত বস্তাৰ ভিতৰত মৃতদেহ বুঢ়ীগাং নৈত উদ্ধাৰ হোৱাৰ ঘটনাই জোঁকাৰণিৰ সৃষ্টি *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৫° |
| ডিব্ৰুগড় | ৩৭° | ২৫° |
| দিল্লী | ৩৯° | ২৮° |
| কলকাতা | ৩৫° | ২৬° |
| মুম্বাই | ৩১° | ২৬° |
| চেন্নাই | ৩৬° | ২৭° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২১° | ১৮° |

*১১ জুন, ২০২১*

চেঙা তেল



*কৰ'নাৰ কাৰণে সময় মতে কাম শেষ কৰিব নোৱাৰিলো বুলি ছাৰক অজুহাত দিলেই সাৰি যাম!*

সামাজিক দূৰত্ব ভংগই নহয়, নাই মাস্ক ঃ দৰাক আৰক্ষীৰ সোধপোছ

## তেজপুৰত সান্ধ্য আইন ভংগ কৰি শতাধিকৰ উপস্থিতিৰে বিবাহ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১১ জুন ঃ** কৰ'নাৰ সংক্ৰমণে জটিল ৰূপ ধাৰণ কৰাৰ সময়তে তেজপুৰত আজি অনুষ্ঠিত এখন বিয়াত শতাধিক লোকৰ সমাগমৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তেজপুৰ জাহাজঘাটত অৱস্থিত দুটা দুৰ্গা মন্দিৰৰ প্ৰথমটোত আজি বিয়লি চাৰি বজাৰ পৰা আৰম্ভ হয় এখন বিয়া। স্থানীয় ৰামজি বাৰ্মা আৰু পূজা বাৰ্মাৰ মাজত অনুষ্ঠিত বিয়াত কৰ'না *১০ পৃষ্ঠাত চাওক*



■ মহাৰাষ্ট্ৰত ২৪ ঘণ্টাত ১৯১৫ জনৰ মৃত্যু

## দেশত পুনৰ মৃতৰ সংখ্যা চাৰে তিনি হেজাৰলৈ বৃদ্ধি



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১১ জুন ঃ** দেশত কৰ'নাৰ দৈনিক আক্ৰান্তৰ সংখ্যা বিগত দুদিনৰ তুলনাত সামান্য হ্ৰাস পালেও ৯০ হেজাৰৰ ঊৰ্ধ্বতে আছে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিডত আক্ৰান্ত হ'ল ৯১ হেজাৰ ৭০২ জন *১০ পৃষ্ঠাত চাওক*

## সান্ধ্য আইন ভংগকাৰীৰ আক্ৰমণৰ বলি স্বয়ং আৰক্ষী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১১ জুন ঃ** ক'ভিডৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ৰাজ্যত সান্ধ্য আইন বলৱৎ থকাৰ সময়তে চাইক্লিং, খোজ কঢ়াৰ নামত একাংশ লোকে *১০ পৃষ্ঠাত চাওক*

■ সৰ্বকালৰ সৰ্বাধিক গ'লদাতা হোৱাৰ সুযোগ ৰোণাল্ডোলৈ ■ অভিজ্ঞ দল বেলজিয়াম

## ইউৰ' কাপত সৰ্বাধিক খেলুৱৈ চেল্‌ছি-চিটীৰ




■ কনিষ্ঠতম খেলুৱৈ পোলেণ্ডৰ কেছপাৰ ক'লাউস্কি

■ নিউজ ব্যুৰ'
**ছেইণ্ট পিটাৰ্ছবাৰ্গ, ১১ জুন ঃ** কাইলৈ ইউৰ' কাপৰ অভিযান আৰম্ভ কৰিব বিশ্বৰ এক নম্বৰ ৰেংকিংপ্ৰাপ্ত দল বেলজিয়ামে। ছেইণ্ট পিটাৰ্ছবাগত ঘৰুৱা দল ৰাছিয়াৰ বিপক্ষে বেলজিয়ামে গ্ৰুপৰ প্ৰথম খেলত অৱতীৰ্ণ হ'ব। ইডেন হেজাৰ্ড, কেভিন ডি' ব্ৰুয়েন আদি একাধিক তাৰকা খেলুৱৈৰে সমৃদ্ধ বেলজিয়ামেই হৈছে আজিৰে পৰা আৰম্ভ হোৱা ইউৰ' কাপ ফুটবলৰ সবাতোকৈ অভিজ্ঞ খেলুৱৈৰ দল। বেলজিয়াম দলত থকা ২৬জন খেলুৱৈয়ে মিলি এই পৰ্যন্ত ১,৩৩৮খন আন্তৰ্জাতিক মেচ খেলিছে। প্ৰশিক্ষক ৰবাৰ্টো মাৰ্টিনেজৰ এই অভিজ্ঞ দলটোৰ *১০ পৃষ্ঠাত চাওক*





দৈনিক অগ্ৰদূত
গুৱাহাটী, ১২ জুন, ২০২১ শনিবাৰ পৃষ্ঠা তিনি

# চাৰিদুৱাৰত ভুৱা চিকিৎসক গ্ৰেপ্তাৰ

## শোণিতপুৰত উৎখাত আঠ বিছনাযুক্ত চিকিৎসালয়

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১১ জুন ঃ** আঠখন বিছনাযুক্ত চিকিৎসালয় স্থাপন আৰু বৃহৎ ফাৰ্মাচীসহ ৰোগীক চিকিৎসা প্ৰদান কৰি গৈছিল এজন ভুৱা চিকিৎসকে। সৰ্বসাধাৰণৰ অজ্ঞতা আৰু প্ৰশাসনৰ নিস্পৃহতাৰ সুযোগ লৈ শোণিতপুৰৰ এক ভিতৰুৱা অঞ্চলত যোৱা প্ৰায় ডেৰ বছৰে এজন ভুৱা চিকিৎসকে আঠখন বিছনাযুক্ত এখন চিকিৎসালয় চলাই গৈছিল। আজি চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়া আৰু চাৰিদুৱাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত দিনৰ প্ৰায় এক বজাত চলা অভিযানত চিকিৎসালয়খন ছয় পৃষ্ঠাত চাওক




## মঙলদৈ অসামৰিক চিকিৎসালয়ত পৰীক্ষাৰ নামত অনিয়ম

# ক'ভিড পৰীক্ষাক লৈ ৰোগীৰ অভিভাৱক-চিকিৎসকৰ অভিযোগ-প্ৰতি অভিযোগ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১১ জুন ঃ** মঙলদৈ অসামৰিক চিকিৎসালয়ত এগৰাকী ৰোগীৰ অভিভাৱক আৰু চিকিৎসালয়খনৰ এগৰাকী চিকিৎসকৰ মাজত চলা অভিযোগ আৰু প্ৰতি অভিযোগে এতিয়া সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। তথ্য মতে, মঙলদৈ চহৰৰ নিকটৱৰ্তী শইকীয়াপাৰাৰ এগৰাকী মহিলাই ১৩ দিনৰ পাছত হোম কোৱাৰেণ্টাইনত থকা নিজৰ স্বামীৰ ৰেপিড টেষ্ট কৰিবলৈ মঙলদৈ অসামৰিক চিকিৎসালয়লৈ লৈ আহে। সেই অনুসৰি যাৱতীয় পৰীক্ষা সম্পন্ন কৰাৰ পাছত ফলাফল নিগেটিভ আহে। এই সন্দৰ্ভত যাৱতীয় পৰামৰ্শ গ্ৰহণৰ বাবে মহিলাগৰাকী চিকিৎসক ডাঃ ধৰ্মেন্দ্ৰ চহৰীয়াৰ ওচৰলৈ যায়। তেতিয়া চিকিৎসক ডাঃ চহৰীয়াই কে'বাটাও পৰীক্ষা কৰাব লাগিব বুলি জনায়। মহিলাগৰাকীয়ে কৰা অভিযোগ অনুসৰি চিকিৎসকজনে হেনো সকলো পৰীক্ষাৰ্থী চিকিৎসালয়ৰ বাহিৰত কৰিবলৈ পৰামৰ্শ দিয়ে। সেই অনুসৰি চিকিৎসকজনৰ সন্মুখত থকা এজন যুৱকে মহিলাগৰাকীৰ হাতৰ পৰা নিদানপত্ৰখন লৈ চিকিৎসালয়ৰ সন্মুখৰ এখন ফাৰ্মাচীলৈ ছয় পৃষ্ঠাত চাওক

# পাতিদৰঙৰ পথাৰৰ খালত নিৰুদ্দিষ্ট দুই যুৱকৰ অৰ্ধগলিত মৃতদেহ





**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ১১ জুন ঃ** দৰং জিলাৰ পাথৰিঘাট আৰক্ষী চকীৰ অন্তৰ্গত দেওমৰনৈৰ নিকটৱৰ্তী পাতিদৰঙৰ পথাৰত আজি পুৱা দুজনকৈ যুৱকৰ অৰ্ধগলিত মৃতদেহ উদ্ধাৰ হয়। পুৱা গাঁওখনৰ লৰাচুবুৰিৰ উত্তৰ দিশে থকা অংগনৱাড়ী কেন্দ্ৰৰ ওচৰৰ খেতিপথাৰলৈ যাওঁতে দুজন লোকে পথাৰৰ এটা খালত মৃতদেহ দুটা ওপঙি থকা প্ৰত্যক্ষ কৰে। লগে লগে স্থানীয় ৰাইজক অৱগত কৰাত অঞ্চলটোত হুৱাদুৱাৰ সৃষ্টি হয়। ছয় পৃষ্ঠাত চাওক

# খাৰুপেটীয়াত জালনোট প্ৰস্তুত কৰা যন্ত্ৰ-কাগজসহ চাৰিজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ১১ জুন ঃ** দৰঙৰ খাৰুপেটীয়া থানাৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই জালনোট বনোৱা মেচিনসহ চাৰিজন লোকক আটক কৰে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, এক বিশেষ সূত্ৰে জানিব পাৰি আৰক্ষীৰ দল এটা বাৰৈপাৰা গাঁৱত তালাচী চলোৱাত এঘৰৰ পৰা জালনোট বনোৱা মেচিন, জালনোট বনোৱা কাগজ জব্দ কৰে। তাৰ পাছতে উক্ত গৃহত তালাচী চলোৱাত এই কাৰ্যৰ লগত জড়িত থকাৰ অভিযোগত বান্দিয়া গাঁৱৰ আলী হুছেইন, আমিনুল ইছলাম, ইনামূল হক আৰু ৰাহুল আলীক আটক কৰে। পাছত চাৰিওজনৰ বিৰুদ্ধে গোচৰ এটা পঞ্জীয়ন কৰি আজি আদালতলৈ প্ৰেৰণ কৰে। আটাইকৈ সোধ-পোছ কৰাৰ অন্তত এই বৃহৎ চক্ৰটোৰ জাল কে'বাখনো জিলাত বিস্তৃত হৈ পৰিছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

# খাৰুপেটীয়াত আৰক্ষীৰ জালত পৰিল চাৰি ডকাইত

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ১১ জুন ঃ** দৰঙৰ খাৰুপেটীয়া থানাৰ আৰক্ষীয়ে যোৱা নিশা নগৰখনৰ পৰা চাৰিজনকৈ কুখ্যাত ডকাইতক গ্ৰেপ্তাৰ কৰে। যোৱা নিশা টহলদাৰী আৰক্ষীৰ দলটোৱে নগৰত প্ৰৱেশ কৰি এল্ট' বাহন এখনৰ ওপৰত সন্দেহ ওপজে আৰু লগে লগে বাহনখনৰ পিছা কৰে। গাড়ীত থকা ডকাইতকেইজনেও ঘটনাটো উপলব্ধি কৰি পলাবলৈ চেষ্টা চলায়। পাছত আৰক্ষীয়ে বাহনসহ চাৰিজন ডকাইতক গ্ৰেপ্তাৰ কৰে যদিও আন এজন ডকাইতে আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰিবলৈ সক্ষম হয়। দলটোৰ পৰা তলাভঙাৰ অস্ত্ৰও জব্দ কৰে আৰক্ষীয়ে। ধৃত ডকাইতকেইজন হ'ল দুই নম্বৰ শ্যামপুৰ গাঁৱৰ মিচকিন আলী (২৫), ছয় পৃষ্ঠাত চাওক

## গোলাঘাটত নাগৰিক সমাজৰে গোলাঘাটৰ উপায়ুক্তৰ মত বিনিময় সভা

# জিলা কাৰাগাৰৰ ভিতৰতো ড্ৰাগছ

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ১১ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত নতুন চৰকাৰ গঠনৰ লগে লগে সমগ্ৰ ৰাজ্যখনতে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান তুংগত উঠিছে। কিন্তু গোলাঘাট জিলাত বৰ্তমানেও ড্ৰাগছৰ অবাধ প্ৰচলন অব্যাহত থকাত জিলা উপায়ুক্তৰ স'তে আজি হোৱা এক মত বিনিময় অনুষ্ঠানত গোলাঘাটৰ নাগৰিক সমাজে গভীৰ উদ্বেগ প্ৰকাশ কৰে। উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙৰ অধ্যক্ষতাত গোলাঘাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত উক্ত সভাত আনকি গোলাঘাট জিলা কাৰাগাৰৰ ভিতৰতো গোপনে ড্ৰাগছৰ ৰমৰমীয়া বেহা গঢ় লৈ উঠিছে বুলি অভিযোগ উত্থাপিত হয়। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি তথা বিশিষ্ট ব্যক্তিৰ অংশগ্ৰহণেৰে অনুষ্ঠিত সভাত গোলাঘাট উকীল সন্থাৰ সাধাৰণ সম্পাদক, জ্যেষ্ঠ অধিবক্তা দুৰ্গাপ্ৰসাদ জয়ছোৱালে অভিযোগ কৰি কয় যে গোলাঘাটত ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ বহুতক নিক্ষেপ কৰিলেও তদন্তকাৰী আৰক্ষীয়ে ফৰেনচিক লেব'ৰেটৰীৰ প্ৰতিবেদনৰ দোহাই দি অভিযোগনামা দখিল নকৰাৰ বাবে আজি পৰ্যন্ত ছয় পৃষ্ঠাত চাওক




মূল্যবৃদ্ধিৰ বিৰুদ্ধে নগাঁৱত কংগ্ৰেছৰ প্ৰতিবাদ, শুকুৰবাৰে।

# লক্ষীগঞ্জত ফুলদানিত পৰিণত খোৱাপানী যোগান আঁচনি



**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ১১ জুন ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিলাসীপাৰা উপ-সংমণ্ডলৰ অধীনস্থ লক্ষীগঞ্জৰ বিশুদ্ধ খোৱাপানী যোগান আঁচনিখন বিগত ৩৫ বছৰে পৰিত্যক্ত অৱস্থাত আছে। সম্প্ৰতি বন-জংঘলে আৱৰি ধৰি ফুলদানিত পৰিণত হৈছে লাখ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা আঁচনিখন। ফলত বিশুদ্ধ খোৱাপানী যোগানৰ পৰা বঞ্চিত হৈছে অঞ্চলটোৰ প্ৰায় ১০ গাঁৱৰ জনসাধাৰণ। ১৯৮৫ তে স্থাপন কৰা খোৱাপানী যোগান আঁচনিখন এবছৰ পাছতে বিকল হৈ পৰে। তাৰ পাছতে আজিলৈ আঁচনি মুকলি কৰাত গুৰুত্ব আৰোপ কৰা নাই বিভাগীয় কৰ্তৃপক্ষৰ লগতে কোনো এখন চৰকাৰে। আঁচনিখন পুনৰ মুকলি কৰিবলৈ স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ আবেদন-নিবেদন কৰিও কোনো সুফল পোৱা নাই। যাৰ বাবে অঞ্চলবাসীয়ে নৈ, খাল, বিলৰ পানী খাবলগীয়া হোৱাত বিভিন্ন ৰোগত আক্ৰান্ত হৈ পৰিছে বুলি অভিযোগ তুলিছে ৰাইজে। সেয়ে আঁচনিখন পুনৰ মুকলি কৰিবলৈ স্থানীয় বিধায়কৰ লগতে নৱ গঠিত চৰকাৰখনক ৰাইজে আবেদন জনাইছে।

# ডবকাত মুমূৰ্ষু অৱস্থাত উদ্ধাৰ হোৱা যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১১ জুন ঃ** হোজাই জিলাৰ ডবকা আৰক্ষী থানাৰ অন্তৰ্গত ভেলৌগুৰিত মুমূৰ্ষু অৱস্থাত উদ্ধাৰ হোৱা যুৱকৰ মৃত্যুক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰেমজনিত কাৰণত প্ৰেমিকাৰ পৰিয়ালে পৰিকল্পিতভাৱে হত্যা কৰাৰ সন্দেহ কৰিছে যুৱকজনৰ পৰিয়ালে। ছয় পৃষ্ঠাত চাওক

# আঠ মাহ পাছত চিকিৎসালয়ত মুকলি প্ৰসূতিৰ অস্ত্ৰোপচাৰ

## বৰপেটাৰোডত উপায়ুক্তৰে আলোচনা চিকিৎসকৰ



**অগ্ৰদূত বাৰ্তা**

**বৰপেটাৰোড, ১১ জুন ঃ** বৰপেটা জিলাৰ উপায়ুক্ত তেজপ্ৰসাদ ভূষালৰ তৎপৰতাৰ বাবে আজিৰে পৰা বৰপেটাৰোড চিকিৎসালয়খনৰ প্ৰসূতি অস্ত্ৰোপচাৰ কক্ষ মুকলি কৰা হয়। যাৰ বাবে সাময়িক সকাহ লাভ কৰিব দুখীয়া প্ৰসূতিয়ে। উল্লেখ্য বিগত বৰ্ষৰ ১৭ অক্টোবৰত বৰপেটাৰোডৰ যোশীহাটী হাতীজানাৰ আজমিনা খানম (২২), সৰভোগৰ পাপৰি কলিতা (২২) আৰু মইনামাতাৰ অনুৰাধা শৰ্মা (২৩) নামৰ তিনিগৰাকী প্ৰসূতিৰ অস্ত্ৰোপচাৰৰ পাছতে মুখেৰে ফেন ওলোৱাৰ উপৰি ডিঙিত বিষ অনুভৱ কৰিছিল। তিনিওগৰাকী প্ৰসূতিক তেতিয়া ততাতৈয়াকৈ বৰপেটাস্থিত ফখৰুদ্দিন আলী আহমেদ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছিল যদিও আদবাটতে প্ৰসূতি কেইগৰাকীৰ মৃত্যু হয়। সেই সময়ত ছয় পৃষ্ঠাত চাওক

# বিজয়নগৰৰ উপৰহালীত নিষিদ্ধ কফ ছিৰাপসহ ধৃত এক



**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ১১ জুন ঃ** দক্ষিণ কামৰূপৰ উপৰহালী চ'কত যোৱা নিশা বিজয়নগৰ আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ কফ ছিৰাপৰ বটল জব্দ কৰে। উপৰহালীস্থিত আৰ বি মেডিকেল নামৰ ফাৰ্মাচীখনত যোৱা নিশা বিজয়নগৰ আৰক্ষী চকীৰ আৰক্ষীয়ে অভিযান চলায়। অভিযানৰ সময়ত ফাৰ্মাচীখনত নিষিদ্ধ কফ ছিৰাপৰ বটল নোপোৱাত লগে লগে ফাৰ্মাচীখনৰ স্বত্বাধিকাৰী পংকজ কুমাৰ দাসে নিচেই ছয় পৃষ্ঠাত চাওক

## মৰিগাঁৱত অভিভাৱক মন্ত্ৰী-স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত

# ৩০ জুনৰ ভিতৰত ১৯ খন বিছনাযুক্ত মৰিগাঁৱৰ আই চি ইউ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ নিৰ্দেশ

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১১ জুন ঃ** অহা ৩০ জুনৰ ভিতৰত মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ আই চি ইউ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিছে স্বাস্থ্যমন্ত্ৰী তথা মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই। জিলাখনৰ অভিভাৱক মন্ত্ৰীৰূপে দায়িত্ব লোৱাৰ পাছত আজি প্ৰথমবাৰলৈ জিলাখনৰ উন্নয়নমূলক কাম-কাজসমূহৰ খতিয়ান ল'বলৈ উপস্থিত হয় মৰিগাঁৱত। জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা আৰু মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীক লগত লৈ মৰিগাঁও অসামৰিক চিকিৎসালয়খন পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ আন্তঃগাঁথনি আৰু ১৯ খন বিছনাযুক্ত প্ৰথম মহলা নিৰ্মাণ কাৰ্য আৰু ৰোগীসকলৰ স্বাস্থ্যৰ বুজ লয়। পৰিদৰ্শনৰ অন্তত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত বিভিন্ন বিভাগৰ বিষয়াসকলৰ স'তে এক পৰ্যালোচনা সভাত মিলিত হয়। সভাৰ আৰম্ভণিতে উপায়ুক্ত সীমাৰেখা ভূঞাই ক'ভিড-১৯ আৰু বানপানী নিয়ন্ত্ৰণৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত অৱগত কৰে। আনহাতে, সভাত ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰি স্বাস্থ্য মন্ত্ৰীজনে ক'ভিড ৰোগীৰ ক্ষেত্ৰত হোম আইছ'লেছনৰ সলনি প্ৰতিষ্ঠানভিত্তিক আইছ'লেছনত গুৰুত্ব দিবলৈ নিৰ্দেশ দিয়ে। সংক্ৰমণৰ ছয় পৃষ্ঠাত চাওক



# কোকৰাঝাৰত নলা-নৰ্দমাত জাবৰৰ দ'ম-বেদখলৰে সৃষ্টি কৰিছে কৃত্ৰিম বানপানী

## জিলা উপায়ুক্তৰ পৰিভ্ৰমণ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১১ জুন ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰত চৌদিশে কৃত্ৰিম বানপানীৰ সমস্যাই নগৰবাসীক প্ৰতিবছৰে বাৰিষাত জ্বলা-কলা খুওৱাৰ পৰিপ্ৰেক্ষিতত কোকৰাঝাৰ জিলা উপায়ুক্ত মেঘা নিধি দাহালে আজি চহৰৰ অলি গলি পৰিভ্ৰমণ কৰি নলা-নৰ্দমাসমূহৰ কাৰ্যক্ষমতাৰ বুজ লয়। উল্লেখ্য যে উপায়ুক্ত দাহালে আজি কোকৰাঝাৰ পৌৰসভাৰ পৌৰপতি প্ৰতিভা ব্ৰহ্মসহ বিষয়া-কৰ্মচাৰীৰ স'তে কোকৰাঝাৰ চহৰৰ উপৰি নাৰাবাৰী, শান্তিনগৰ, সুভাষপল্লী, পাথৰঘাট আৰু ডিমলগাঁৱৰ বিস্তীৰ্ণ অঞ্চলত পৰিভ্ৰমণ কৰি ৰাস্তাৰ দাঁতিত থকা নলা-নৰ্দমা আৰু চহৰৰ পদপথত থকা নলাবোৰত পানী নিৰ্গত হয় ছয় পৃষ্ঠাত চাওক

# বিটিআৰত আঁচনিৰ পৰ্যালোচনা অতিৰিক্ত মুখ্য সচিবৰ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১১ জুন ঃ** অসম চৰকাৰৰ অতিৰিক্ত মুখ্যসচিব এছ আব্বাচিয়ে আজি চিৰাং জিলা ভ্ৰমণ কৰে। চিৰাং ভ্ৰমণৰ সময়ত জিলা উপায়ুক্তৰ কাৰ্যালয়ত আয়োজিত এক আঁচনি ৰূপায়ণ পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে বিটিআৰৰ চাৰিওখন জিলাৰ জনস্বাস্থ্য কাৰিকৰি আৰু জলসম্পদ বিভাগৰ বিষয়াৰ লগত। উক্ত সভাত বিটিচিৰ মুখ্য সচিব শান্তনু পি গোটমাৰৰ লগতে চিৰাং, ছয় পৃষ্ঠাত চাওক

## হাতে হাতে লাঠি লৈ মদাহী, জুৱাৰী, ড্ৰাগছ বাল্য বিবাহৰ বিৰুদ্ধে নয়াপাৰাৰ মহিলা সমাজ



# গাঁৱক নিচামুক্ত কৰিবলৈ আঠ বছৰে মহিলাৰ নিশ্ছিদ্ৰ পহৰা

**আলোপতি, ১১ জুন ঃ** সমগ্ৰ ৰাজ্যতে আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযানক তীব্ৰ কৰি তুলি বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰিছে বহুসংখ্যক সৰবৰাহকাৰীক। অসম আৰক্ষীৰ এনে অভিযানৰ বিপৰীতে নিজৰ গাঁওখনক নিচামুক্ত কৰিবলৈ গোৱালপাৰা জিলাৰ শিমলীতোলা আৰক্ষী চকীৰ অন্তৰ্গত নয়াপাৰা গাঁৱৰ একাংশ মহিলাই নীৰৱে চলাই গৈছে অভিযান। গাঁওখনৰ প্ৰায় ২৫গৰাকী মহিলাই নিজ গাঁও নয়াপাৰাক নিচামুক্ত গাঁও হিচাপে গঢ়ি তুলিবলৈ আজিৰ পৰা প্ৰায় আঠ বছৰ পূৰ্বে তুলি লৈছিল একো একোডাল লাঠি। সন্ধিয়া হ'লেই গাঁওখনত মদাহীৰ উৎপাত, জুৱাৰী, নিচাজাতীয় দ্ৰব্য সেৱনকাৰীৰ আড্ডাই বিনষ্ট কৰিছিল সামাজিক পৰিৱেশ। ঘৰুৱা অশান্তিৰ লগতে বৃদ্ধি পাইছিল পাৰিবাৰিক কন্দলে। তদুপৰি মদাহী, জুৱাৰীৰ অতপালিত গাঁওখনত শিক্ষাৰ্থীৰ শৈক্ষিক পৰিৱেশো বিনষ্ট হৈছিল। ক্ৰমান্বয়ে স্কুল-কলেজৰ ছাত্ৰয়ো নিচাজাতীয় দ্ৰব্য সেৱন কৰাৰ আৰম্ভ কৰিছিল। গাঁওখনৰ এনে পৰিৱেশত বৰকৈ ভাৱাক্ৰান্ত হৈ পৰিছে গাঁওখনৰ মহিলা সমাজ। নিজৰ পৰিয়ালৰ লগতে গাঁওখনক নিচামুক্ত কৰিবলৈ সংকল্প গাঁৱৰ একাংশ মহিলাই আৰম্ভ কৰিছিল মদ বিৰোধী অভিযান। হাতে হাতে লাঠি লৈ গাঁওখনৰ প্ৰায় ২৫জনীয়া এটা মহিলাৰ দৰে সন্ধিয়াৰ পৰা নিশা ১০/১১ বজালৈ নিশ্ছিদ্ৰ পহৰাৰ ব্যৱস্থা কৰি মদ, ভাং, জুৱা, বাল্য বিবাহ আদিৰ বিৰুদ্ধে নিৰৱচ্ছিন্নভাৱে ছয় পৃষ্ঠাত চাওক

# চাংসাৰিত ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনাত থিতাতে নিহত চাইকেল আৰোহী

**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি, ১১ জুন ঃ** কামৰূপ জিলাৰ চাংসাৰিত আজি সন্ধিয়া সংঘটিত এক পথ দুৰ্ঘটনাত এজন চাইকেল আৰোহী থিতাতে নিহত হয়। সন্ধিয়া প্ৰায় ছবজাত চাংসাৰিৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন ট্ৰাকে এজন চাইকেল আৰোহীক মহটিয়াই লৈ যায়। চাংসাৰি আৰক্ষী থানাৰ অন্তৰ্গত বনমাঝা গাঁৱৰ ভূপেন কলিতাই চৌকীগেটৰ এটা কোম্পানীত কাম কৰাৰ উদ্দেশ্যে চাইকেলেৰে গৈ আছিল। চাংসাৰিত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰিবলৈ ছয় পৃষ্ঠাত চাওক

ওঁম শান্তি



স্বৰ্গীয় ৰেইছমোডি নুনীছা

*আজি ১২ জুন, ইং ২০২১ তাৰিখে আপোনাৰ ৫০তম বাৰ্ষিক মৃত্যু তিথিৰ দিনা আমি আটায়ে অশ্ৰুসিক্ত নয়নেৰে আপোনাক সোঁৱৰিছো। আপোনাৰ আদৰ্শ আমাৰ বাবে সদায় স্মৰণীয় হৈ ৰ'ব। আপুনি যতেই আছে শান্তিত থাকক তাৰেই কামনাৰে বিধাতাৰ ওচৰত প্ৰাৰ্থনা জনাইছো।*

*শোকসন্তপ্ত পৰিয়ালবৰ্গৰ হৈ —
সমূহ পুত্ৰ-বোৱাৰী, জী-জোঁৱাই,
নাতি-নাতিনী, অন্য ককাই-ভাই
আৰু বাই-ভনীসকল।*

দৈনিক অগ্রদূত
গুৱাহাটী শনিবাৰ ২৮ জেঠ ১৪২৮ ভাস্কৰাব্দ ১২ জুন ২০২১

## পৰীক্ষাৰ ল'ৰা-ধেমালি

কৰ'না পৰিস্থিতিত অসমৰ শিক্ষাৰ্থী সমাজে সবাতোকৈ অনিশ্চয়তাৰ মাজত দিন অতিবাহিত কৰিব লগা হৈছে। বিশেষকৈ দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাক লৈ চৰম বিভ্ৰান্তিৰ সন্মুখীন হৈছে। এইবাৰ মেট্ৰিক আৰু দ্বাদশৰ পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব নে সেয়া আজিকোপতি স্পষ্ট হোৱা নাই। প্ৰথমে চৰকাৰে ঘোষণা কৰিছিল যে পৰীক্ষা পলমকৈ হ'লেও অনুষ্ঠিত হ'ব আৰু পৰীক্ষাৰ্থীয়ে প্ৰস্তুতি অব্যাহত ৰাখক। কোনো কাৰণতে অসমত পৰীক্ষা বাতিল কৰা নহয় বুলিও ৰাজ্য চৰকাৰে বাৰম্বাৰ কৈছিল। ইয়াৰ পাছতে নতুন চৰকাৰ গঠনৰ পাছত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰে যে অহা পহিলা আগষ্টৰ পৰা ১৫ আগষ্টৰ ভিতৰত মেট্ৰিক পৰীক্ষা অনুষ্ঠিত কৰা হ'ব আৰু ছাত্ৰ-ছাত্ৰীয়ে তিনিটা বিষয়ত পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। লগতে এই কথাও কোৱা হৈছিল যে যি বিষয়ত পৰীক্ষাৰ্থীয়ে সৰ্বাধিক নম্বৰ লাভ কৰিব, বাকী বিষয়কেইটাতো সম নম্বৰ দিয়া হ'ব। শিক্ষামন্ত্ৰীৰ এই ঘোষণাৰ দুদিন পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলত ক'লে যে আগষ্টত নহয়, ১৫-২০ জুলাইৰ ভিতৰতে ৰাজ্যত মেট্ৰিক পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। এই পৰীক্ষা বস্তুনিষ্ঠ প্ৰশ্ন পদ্ধতিৰ হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে। কিন্তু একেখন সংবাদমেলতে মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যত যদিহে পহিলা জুলাইত কৰ'নাৰ সংক্ৰমণৰ হাৰ দুই শতাংশৰ অধিক হয়, তেন্তে মেট্ৰিক পৰীক্ষা অনুষ্ঠিত কৰা নহ'ব। অৰ্থাৎ মেট্ৰিক অনুষ্ঠিত হ'ব নে নাই সেয়া এতিয়াও নিশ্চিত নহয়। কৰ'নাৰ সংক্ৰমণৰ হ্ৰাস-বৃদ্ধিতহে এই পৰীক্ষা অনুষ্ঠিতকৰণৰ বিষয়টো নিৰ্ভৰ কৰিব। কিন্তু প্ৰশ্ন হ'ল— পৰীক্ষা অনুষ্ঠিত কৰাক লৈ শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে এইদৰে পৰস্পৰ বিৰোধী স্থিতি গ্ৰহণ কৰিছে কিয়? পৰীক্ষাৰ সন্দৰ্ভত ক'ভিড পৰিস্থিতিত এক সুনিৰ্দিষ্ট আৰু স্পষ্ট সিদ্ধান্ত চৰকাৰে এই পৰ্যন্ত ল'ব নোৱৰাৰ কাৰণ কি?

এই কথা সকলোৱে জ্ঞাত যে চি বি এছ ইসহ একাধিক ব'ৰ্ডৰ লগতে দেশৰ কে'বাখনো ৰাজ্যই ইতিমধ্যে ক'ভিড কালত পৰীক্ষা বাতিলৰ সিদ্ধান্ত লৈছে। এই ক্ষেত্ৰত সংশ্লিষ্ট ব'ৰ্ডসমূহে পূৰ্বৰ পৰীক্ষাত ছাত্ৰই লাভ কৰা নম্বৰৰ আধাৰত ফলাফল ঘোষণা কৰিবলৈ সিদ্ধান্ত লৈছে; কিন্তু অসমত মাধ্যমিক শিক্ষা সংসদ (ছেবা)ৰ অধীনত পৰীক্ষা বাতিলৰ সিদ্ধান্ত লোৱাটো বৰ সহজ নহ'ব। কিয়নো চি বি এছ ইৰ লেখীয়াকৈ ছেবাৰ শিক্ষানুষ্ঠানত বৰ্ষজুৰি ছাত্ৰৰ শ্ৰেণী পৰীক্ষা অনুষ্ঠিত কৰাৰ পদ্ধতি এতিয়াও বাধ্যতামূলক নহয়। ফলত শ্ৰেণী পৰীক্ষাৰ পূৰ্বৰ নম্বৰৰ আধাৰত মেট্ৰিকত ছাত্ৰ-ছাত্ৰীৰ নম্বৰ মূল্যায়ন কৰাটো বহু শিক্ষানুষ্ঠানৰ বাবে সম্ভৱ নহ'ব। এনে পৰিস্থিতিতে মেট্ৰিক পৰীক্ষা অনুষ্ঠিত কৰাটো জৰুৰী; কিন্তু সমস্যাটো হ'ল কৰ'নাৰ সংক্ৰমণ। ক'ভিড পৰিস্থিতিত পৰীক্ষা পাতি ছাত্ৰৰ জীৱনক লৈ হেতালি খেলাটো কোনোপধ্যে কাম্য নহয়। একে সময়তে ৰাজ্যৰ এইসকল শিক্ষাৰ্থীৰ শৈক্ষিক জীৱনৰো ক্ষতি হ'বলৈ দিব নোৱাৰি। এনে পৰিস্থিতিত চৰকাৰে ৰাজ্যৰ ছাত্ৰ সমাজৰ শাৰীৰিক আৰু শৈক্ষিক ক্ষতি অবিহনে সমস্যা সমাধানৰ এক বাস্তৱসন্মত পথ বিচাৰি উলিওৱা অতি জৰুৰী; কিন্তু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰ দিশহাৰা হোৱাটোহে অসমবাসীয়ে প্ৰত্যক্ষ কৰিছে। চৰকাৰে আজি যদি ঘোষণা কৰে পৰীক্ষা হ'ব, এদিন পাছত আকৌ একেখন চৰকাৰে কয় যে ক'ভিডৰ সংক্ৰমণ হ্ৰাস পালেহে পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। পৰীক্ষা অনুষ্ঠিত কৰাক লৈ চৰকাৰে খেলি অহা এই ল'ৰা-ধেমালিয়ে ছাত্ৰ সমাজক চৰম বিভ্ৰান্ত কৰিছে। মেট্ৰিকৰ দৰে শৈক্ষিক জীৱনৰ প্ৰথমটো গুৰুত্বপূৰ্ণ পৰীক্ষাৰ বাবে নিজক প্ৰস্তুত কৰাটো কিমান প্ৰত্যাহ্বানমূলক সেয়া পৰীক্ষাৰ্থীয়েহে অনুভৱ কৰে। চৰকাৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ সন্দৰ্ভত সঘনে স্থিতি সলনি কৰি অহাত এইসকল শিক্ষাৰ্থী মানসিকভাৱে জৰ্জৰিত হোৱা নাই নে?

কৰ'নাৰ সংক্ৰমণ বিগত ডেৰ বছৰে অব্যাহত আছে আৰু কেতিয়ালৈকে থাকিব সেয়া কাৰো জ্ঞাত নহয়। যদিহে চৰকাৰে সংক্ৰমণ আঁতৰিলেহে পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছে, তেন্তে পৰীক্ষাৰ তাৰিখ ঘোষণাৰে ছাত্ৰ-ছাত্ৰীক বিভ্ৰান্ত কৰাৰ পৰিৱৰ্তে ঘোষণা কৰা উচিত হ'ব যে ৰাজ্যত ক'ভিডৰ সংক্ৰমণ দুই শতাংশ হ'লেহে পৰীক্ষা পতা হ'ব। যেতিয়া সংক্ৰমণ উক্ত সংখ্যালৈ নামিব, তেতিয়া ন্যূনতম ১৫ দিনৰ সময় দি পৰীক্ষাৰ দিন-বাৰ ঘোষণা কৰক। পৰীক্ষা অনুষ্ঠিত কৰাৰ বিকল্প মাধ্যমৰ কথাও চৰকাৰে বিশেষজ্ঞৰে আলোচনা কৰিব পাৰিব। কৰ'নাৰ সংক্ৰমণ দীঘলীয়া হোৱাৰ ফলত যদি এইসকল শিক্ষাৰ্থীয়ে শৈক্ষিক বৰ্ষ এটা হেৰুৱাব লগা হয়, তেনে পৰিস্থিতিত তেওঁলোকক পৰৱৰ্তী বৰ্ষত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ দিয়াৰ লগতে বয়সৰ ক্ষেত্ৰত এবছৰ ৰেহাই দিলে ক'ভিডে কৰা ক্ষতি কিছু সীমিত হ'ব বুলি আশা কৰিব পাৰি।

## খোলা মঞ্চ

### দিছপুৰীয়া নতুন চৰকাৰখনে কিবোৰ বিষয়ত গুৰুত্ব দিয়া উচিত?



**অসমখন** ভিন্ন জাতি, জনগোষ্ঠীৰে ভৰপূৰ। সেয়েহে প্ৰতিটো জাতি-জনগোষ্ঠীক সমমৰ্যাদা দিয়াত চৰকাৰে কৃপণালি কৰিব নালাগিব। বিশ্বায়নে আজি মানৱ জাতিক বহু ক্ষেত্ৰত একত্ৰিত কৰি আহিছে। সেয়েহে আমি এখন শ্ৰেণীহীন সমাজহে বিচাৰো। সম্প্ৰতি সমাজত দুই শ্ৰেণীৰ ব্যক্তিহে দেখা যায়। ধনী আৰু দুখীয়া। সেয়েহে দুখীয়া শ্ৰেণীটোক কেনে ধৰণে ধনীৰ শ্ৰেণীলৈ নিব পাৰি সেই কথাহে নতুন চৰকাৰখনে চিন্তা কৰাৰ প্ৰয়োজন। আৰু তেতিয়াহে আমি এখন বিকশিত ৰাজ্যত পৰিণত হ'ব পাৰিম। চৰকাৰে গৰিবক সহায় কৰাৰ বাবে বহু আঁচনি প্ৰস্তুত কৰি ইয়াৰে বহু আঁচনি পূৰ্বৰ চৰকাৰে ৰূপায়ণো কৰিছে। অত সহায়ৰ পিছতো কিন্তু দুখীয়া শ্ৰেণীৰ শতাংশৰ হাৰ কমা দেখা নাই। প্ৰায় প্ৰতিটো ক্ষেত্ৰতে চৰকাৰে সহায়হে কৰিবলগীয়া হৈ আছে। সেয়েহে আমি ক'ব বিচাৰো যে গৰিব শ্ৰেণীক আঁচনিৰে সহায় কৰাৰ পৰিৱৰ্তে প্ৰতিটো গৰিব পৰিয়ালৰ কৰ্মঠ ব্যক্তিক কৰ্ম দিয়াৰহে ব্যৱস্থা কৰিব লাগে। যাৰ ফলত চৰকাৰো লাভান্বিত হ'ব আৰু পৰিয়ালটোও আৰ্থিকভাৱে স্বচ্ছল হ'ব। সমস্যাবহুল অসমৰ বহুকেইটা জ্বলন্ত সমস্যাই অসমক ভাৰাক্ৰান্ত কৰি আহিছে। সেয়েহে জ্বলন্ত সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত নতুন চৰকাৰখন অগ্ৰসৰ হওক। আমি কৰ্মঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাব বিচাৰিছো যে অসমৰ বহুকেইটা দীৰ্ঘদিনীয়া সমস্যা সজীৱ হৈ আছে। আমি আশা কৰো সেই সমস্যাসমূহৰ স্থায়ী সমাধান উলিয়াই অন্ততঃ ৮০ শতাংশ সমস্যাহীন অসম হিচাপে গঢ় দিয়াৰ চেষ্টা কৰক। সেই সমস্যাসমূহৰ ভিতৰত বানপানী, নিবনুৱা, দৰিদ্ৰ দূৰীকৰণ, বহিৰাগতৰ আবিৰ্ভাৱ, বিদেশী বহিষ্কাৰ, কৃষি আদি। সততে শুনা যায় যে কংগ্ৰেছ আৰু অগপ চৰকাৰৰ দিনত বহুতে অবৈধভাৱে নিযুক্তি লাভ কৰি এচামে চাকৰি কৰি আছে আৰু এচাম বঞ্চিত হৈ আছে। এই ক্ষেত্ৰতো নতুন চৰকাৰখনে এটা ইতিবাচক দৃষ্টিভংগী ৰাখিব লাগে। আকৌ কওঁ যে চৰকাৰী কাৰ্যালয়ৰ চাকৰিকেইটাৰে নিবনুৱা সমস্যা সম্ভৱ নহয়। এই ক্ষেত্ৰত চৰকাৰে বৃহৎ আৰু ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। আকৌ আমি আমদানিৰ পৰিৱৰ্তে ৰপ্তানিৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিব লাগিব। ইয়াৰ জৰিয়তে নিবনুৱা সমস্যা লাঘৱ কৰিব পৰা যাব। মুখ্যমন্ত্ৰীক আবেদন জনাব বিচাৰো যে প্ৰতিটো বিধানসভা সমষ্টিত প্ৰতিগৰাকী বিধায়কৰ বাবে কাৰ্যালয় স্থাপনৰ ব্যৱস্থা কৰিব লাগে। আকৌ আমি নতুন চৰকাৰখনক আবেদন জনাব বিচাৰো যে অসমখনক প্ৰদূষণ মুক্ত অসম হিচাপে গঢ় দিয়াৰ চেষ্টা কৰক। নতুন চৰকাৰখনে উল্লিখিত কাৰ্যসমূহত অধিক গুৰুত্ব দিলে মুখ্যমন্ত্ৰীয়ে ভবা অসমখন পাবলৈ আমি বহুদিন অপেক্ষা কৰিব নালাগিব।

**দিলীপ বৰ্মন,** লেখক

ফোন : ৯১০১৭৫৮০১৫

# সোঁৱৰণ : ড° লক্ষ্মীনন্দন বৰা

## এটি আড্ডাৰ সৃষ্টিশীলতা আৰু অন্যান্য





**বিক্ষিপ্ত চিন্তা**

**ড° জয়কান্ত শৰ্মা**

'গৰীয়সী'ৰ শাৰদীয় সংখ্যাৰ (২০১৫) বাবে গল্প এটা দিবলৈ গৈছিলো। ড° লক্ষ্মীনন্দন বৰা নিজৰ কোঠাতে আছিল। মোক দেখিয়েই আদৰ-সাদৰ কৰি বহুৱালে আৰু সহৃদয়তাৰে কথা পাতিবলৈ ধৰিলে। সৰলতা তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য, সেইটো সকলোৱে জানে। সেইদিনাও পূৰ্বৰ দৰেই তেওঁ ক'লে, আপুনি গল্প লিখাত অধিক গুৰুত্ব দিব, সৃষ্টিশীলতাৰ মাধুৰ্যই সুকীয়া। অৱশ্যে আপোনাৰ প্ৰবন্ধবোৰো মূল্যবান। মাজে সময়ে 'গৰীয়সী'লৈ দুই এটা পঠাবচোন।

ড° লক্ষ্মীনন্দন বৰাই মুকলিমূৰীয়াকৈ কথা পাতে; মানুহজনৰ গপ-ভেম নাই; সেইটো সকলোৱে জানে। সেইদিনা মোক সুধিলে, আজিকালি গধূলি ক'ত বহে? এতিয়াতো বুলুৰ দোকানৰ আড্ডাটো নাই! মই হাঁহি মাৰি ক'লো,—গধূলি ক'লৈকো নাযাওঁ, ঘৰতে থাকো। মোৰ উত্তৰ শুনি তেওঁ হাঁহিলে আৰু ক'লে,— কিন্তু আপুনি স্বীকাৰ কৰিব লাগিব, জীৱনত আড্ডাৰো প্ৰয়োজন আছে; আৰু বুলুৰ দোকানৰ আড্ডাটো বন্ধ হোৱাটো বৰ বেয়া কথা হ'ল।

বুলুৰ দোকান মানে বৈদ্যনাথ শৰ্মাৰ 'স্কলাৰ্চ চেণ্টাৰ' নামৰ কিতাপৰ দোকানখন। গণেশগুৰিৰ দিছপুৰ কলেজ পথত অৱস্থিত দোকানখনত আমি সন্ধিয়া বহো, আড্ডা দিওঁ। আড্ডাৰ স্থায়ী সদস্য বুলিবলৈ আমি সাতজন আছিলো, গুৱাহাটী কলেজৰ উপাধ্যক্ষ ড° খনীন্দ্ৰ চন্দ্ৰ শৰ্মা, অধিবক্তা ধ্ৰুৱ শংকৰ ভট্টাচাৰ্য (প্ৰয়াত), চৰকাৰী বিষয়া উপেন ডেকা আৰু নাৰায়ণ কলিতা, বেংকৰ বিষয়া জগদীশ তালুকদাৰ, পূৰ্বদেশ মুদ্ৰণৰ প্ৰণৱ শৰ্মা আৰু মই। স্বাভাৱিকতে আড্ডাৰ বিষয়বস্তু আছিল বহুৰঙী, ভিন ভিন স্বাদৰ সাময়িক প্ৰসংগ। গধূলি সময়ত কিতাপৰ দোকানত ভিৰ নাথাকে, এতেকে বুলুৱে মাজে মাজে চাহৰ অৰ্ডাৰ দি থাকে, আৰু আমাৰ আড্ডা চলি থাকে। তাতে প্ৰায়েই উপস্থিত হৈছিলহি বৰেণ্য সাহিত্যিক ড° লক্ষ্মীনন্দন বৰা। তেওঁক মই 'ছাৰ' নুবুলি 'দাদা' বুলি মাতিছিলো, তেওঁৰ আত্মীয়তাৰ স'তে সম্বোধনটো খাপ খোৱাকৈ।

দাদাই নিয়মিতভাৱে সান্ধ্য ভ্ৰমণ কৰিছিল; সান্ধ্য ভ্ৰমণৰ পৰা ঘূৰি আহোতে 'স্কলাৰ্চ চেণ্টাৰ'ত সোমায় আৰু মহলা মাৰে। পিছে তিনিকুৰিতকৈ অধিক সংখ্যক গল্প সংকলন-উপন্যাসৰ স্ৰষ্টা সাহিত্যিকগৰাকীৰ কথাৰ মহলা যে আমাৰ বাবে কিমান মূল্যবান আছিল, সেয়া সহজে অনুমেয়। তেওঁ আধা ঘণ্টামান আড্ডাত বহে; কেতিয়াবা চাহ খায়, কেতিয়াবা নাখায়। আনৰ কথা মনোযোগেৰে শুনে; পৰচৰ্চা কেতিয়াও নকৰে, কিন্তু বিভিন্ন প্ৰসংগ উত্থাপন কৰে, পৰিস্থিতিৰ বিশ্লেষণ-মূল্যায়নো কৰে। আমাৰ বাবে সেইবোৰ আছিল বৰ মূল্যবান খোৰাক।

মোৰ বাবে তাৎপৰ্যপূৰ্ণ দিনটো আছিল ১৯৯৯ৰ শিক্ষক দিৱস। আড্ডাত খনীন (দেৱ) আৰু মই 'শিক্ষক দিৱস'ৰ ওলগ গ্ৰহণ কৰি চাহ-মিঠাই হাতত লৈ বহিছোহে মাথোন, ড° লক্ষ্মীনন্দন বৰা উপস্থিত। দোকানত সোমোৱাৰ পূৰ্বেই মোৰ ফালে চাই উৎফুল্লিত হৈ ক'লে,— আজি 'দৈনিক অগ্ৰদূত'ত প্ৰকাশ পোৱা আপোনাৰ গল্পটো পঢ়িলো দেই, বৰ সুন্দৰ হৈছে। মোৰ মুখলৈ চাই আড্ডাৰ সদস্যসকল হতবাক; মই তেওঁলোকক তেতিয়ালৈ কথাটো কোৱাই নাছিলো। সেইটো বুজি দাদাই ডাঙৰ ডাঙৰকৈ ক'লে,— আজি এওঁ চাহ খুৱাব লাগিব, ইমান সুন্দৰ গল্প লিখিছে। বাৰু, এতিয়ালৈ আপোনাৰ কিমানটা গল্প প্ৰকাশ পালে? যেতিয়া মই ক'লো, সেইদিনা প্ৰকাশ পোৱা 'অগ্নি মাষ্টৰৰ পুৰস্কাৰ' মোৰ জীৱনৰ প্ৰথম গল্প আৰু সেইটোও আশ্ৰফ আলী ছাৰে মোক একান্ত ব্যক্তিগতভাৱে কোৱা সঁচা কাহিনী এটাৰ ওপৰত আধাৰিত। তেতিয়া দাদা জাঁপ মাৰি উঠিল,— 'আৰে, সেইটোতো লেখকৰ প্ৰথম গল্প বুলি ধৰিবই নোৱাৰি; এগৰাকী অভিজ্ঞ গল্পকাৰৰ সৃষ্টি যেনহে লাগে। মই কওঁ, আপুনি এতিয়া গল্প লিখাতে মনোনিবেশ কৰা উচিত।'

'গঙা চিলনীৰ পাখি', 'পাতাল ভৈৰৱী', 'যাকেৰি নাহিকে উপাম' আদিৰ দৰে কালজয়ী গ্ৰন্থৰ ৰচয়িতাই মোৰ দৰে সাধাৰণ লেখক এজনৰ প্ৰথম গল্পটোক এনেদৰে স্বীকৃতি দিয়াত মনে মনে এক বুজাব নোৱৰা শিহৰণ অনুভৱ কৰিলো; তাৰ মাজত আছিল অপৰিসীম প্ৰেৰণা। পিছে বৌদ্ধিক অনুশীলনত উৎসাহ যোগোৱাটো ড° লক্ষ্মীনন্দন বৰাৰ বৈশিষ্ট্য আছিল। কথা প্ৰসংগত এদিন ক'লে,— অসমৰ ছাত্ৰ-ছাত্ৰীয়ে গুৰু দুজনাৰ বিষয়ে ভালদৰে জানিব লাগে। মই প্ৰস্তাৱ দিছিলো, দ্ৰুত পাঠৰ ৰূপত শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ বিষয়ে পঢ়িবলৈ দিয়া হওক, তাৰ বাবে উপযোগী হোৱাকৈ দুখন কিতাপো লিখিছিলো। কিন্তু প্ৰস্তাৱটো গ্ৰাহ্য নোহোৱাত পুথি দুখনো অপ্ৰকাশিত হৈ পৰি ৰ'ল।

আমি ক'লো, পাঠ্যক্ৰমত অন্তৰ্ভুক্ত নহ'লেও কিতাপ প্ৰকাশ পাব লাগে, তেতিয়া অন্ততঃ 'বাহিৰা কিতাপ' হিচাপেই সচেতন অভিভাৱকে সন্তানক পঢ়িবলৈ ক'ব পাৰিব। তেওঁ আমাৰ দৃষ্টিভংগী শলাগিলে আৰু মূৰকত 'স্কলাৰ্চ চেণ্টাৰ'ৰ পৰাই বুলুৱে প্ৰকাশ কৰি উলিয়ালে ড° লক্ষ্মীনন্দন বৰাৰ 'শংকৰদেৱ এটি মহাজীৱন' আৰু 'মহাপুৰুষ মাধৱদেৱ' নামৰ পুথি দুখন। লক্ষ্যণীয় যে তেওঁৰ লক্ষ্মীনাথ বেজবৰুৱাৰ বিষয়ে লিখা পুথিখনো 'স্কলাৰ্চ চেণ্টাৰ'ত অপ্ৰকাশিত হৈ পৰি আছে। মন কৰিবলগীয়া যে বুলুৱে গৌৰীশংকৰ ভট্টাচাৰ্যৰ 'প্ৰেমতকৈও তীব্ৰ' নামৰ উপন্যাসখনৰ উপৰি মোৰ 'নীতি-অনীতিৰ প্ৰশ্ন' প্ৰবন্ধ সংকলনটোও প্ৰকাশ কৰিছিল। 'স্কলাৰ্চ চেণ্টাৰে' প্ৰকাশকৰূপে আত্মপ্ৰকাশ কৰাৰ আঁৰত ড° লক্ষ্মীনন্দন বৰাৰ যথেষ্ট উদগনি আছিল, সেইটো বুজিবলৈ এইখিনিয়েই যথেষ্ট।

২০১৩ৰ নৱেম্বৰৰ শেষ ভাগ; পত্নীৰ চিকিৎসা কৰোৱাবলৈ ভেলোৰলৈ গৈছো। এদিন সন্ধিয়া ন মান বজাত দাদাৰ পৰা ফোন পালো,— ক'ত আছে, কি কৰিছে? মই যথাযথ উত্তৰ দিলো। সুধিলে ঘূৰি আহিব কেতিয়া? আপোনাৰ পৰা যিকোনো প্ৰকাৰে এটা প্ৰবন্ধ লাগে 'লোকপাল আইন' সম্বন্ধে। চৰকাৰে আন্নাৰ দাবী মানি ল'লে, এতেকে বিষয়টো এতিয়া সণ্ডালনি হ'ব লাগে। আপুনিহে ভালকৈ লিখিব পাৰিব বুলি ভাবো। মই উত্তৰ দিলো, দাদা, ডিচেম্বৰৰ চাৰি তাৰিখেহে গৈ পাম, গতিকে মোৰ দ্বাৰা সম্ভৱ নহ'ব। তেওঁ দৃঢ়তাৰে ক'লে,— 'কিয় নহ'ব? আপুনি প্ৰবন্ধটো ১০ ডিচেম্বৰৰ ভিতৰত দিলেই হ'ব; এইটো প্ৰবন্ধ আনক লিখিবলৈ মই নকওঁ। অগত্যা 'হ'ব' বুলি ক'লো। তেওঁৰ সেয়া অনুৰোধ নাছিল, প্ৰকাৰান্তৰে আদেশ আছিল। ড° লক্ষ্মীনন্দন বৰাৰ আদেশ অমান্য কৰাৰ ধৃষ্টতা মোৰ নাই। আৰু এদিনৰ কথা। নিশা ১০ বাজিছে; ড° লক্ষ্মীনন্দন বৰাই মোক ফোনত সুধিছে, বাৰু, আপুনি কওকচোন, ডায়েবিটিছ থকা মানুহে আঙুৰ খাব নোৱাৰে, কিন্তু কমলা খাব পাৰে; এইটো হ'ব পাৰে নেকি? মই ক'লো,— মই নাজানো দাদা; মই অন্ততঃ নাখাওঁ আৰু মোক ডাক্তৰে খাবলৈও কোৱা নাই। সেইটো বুজিছো; মোকো ডাক্তৰে কোৱা নাই, বন্ধু এজনেহে কৈছে। তেওঁ বোলে নিতৌ অলপ সুমথিৰাৰ ৰস খায়। ইয়াৰ আঁৰত কিবা কেমিষ্ট্ৰি আছে নেকি? মনে মনে প্ৰমাদ গণিলো। হে ভগৱান, এতিয়া মই কি কৰো? এই স্বনামধন্য পৰিৱেশ বিজ্ঞানীগৰাকীক নিমিষতে মই ৰসায়ন বুজাবলগীয়া হ'ল! তথাপি মৰসাহ কৰি ব্যাখ্যা এটা দিবলৈ চেষ্টা কৰিলো। দাদা, আমাৰ শৰীৰত শৰ্কৰা হিচাপে গ্লুকোজহে ব্যৱহৃত হয়; কিন্তু সুমথিৰাৰ ৰসৰ প্ৰায় এশ শতাংশই ফ্ৰুক্টোজ। অৱশ্যে ফ্ৰুক্টোজক গ্লুকোজলৈ ৰূপান্তৰিত কৰাৰ ক্ৰিয়াবিধি শৰীৰত চলিয়েই থাকে; তৎসত্ত্বেও পোনপটীয়াকৈ ফ্ৰুক্টোজ ব্যৱহৃত নহয় বাবে অলপ সুমথিৰাৰ ৰস খাবলৈ কোনোবাই হয়তো ক'ব পাৰে। মই তেনেকৈয়ে বুজিছোঁ। মোৰ কথা শুনি তেওঁ সন্তুষ্ট হ'ল আৰু ৰগৰ কৰিবলৈ ক'লে,— মই এনেয়ে নিশা ১০ বজাত আপোনালৈ ফোন কৰা নাই; মই জানো, আপুনিহে মোক কেমিষ্ট্ৰি বুজাব পাৰিব। ড° লক্ষ্মীনন্দন বৰাৰ ৰসিকতাৰ তুলনা নাই।

**তিনিকুৰিতকৈ অধিক সংখ্যক গল্প সংকলন-উপন্যাসৰ স্ৰষ্টা সাহিত্যিকগৰাকীৰ কথাৰ মহলা যে আমাৰ বাবে কিমান মূল্যবান আছিল, সেয়া সহজে অনুমেয়। তেওঁ আধা ঘণ্টামান আড্ডাত বহে; কেতিয়াবা চাহ খায়, কেতিয়াবা নাখায়। আনৰ কথা মনোযোগেৰে শুনে; পৰচৰ্চা কেতিয়াও নকৰে, কিন্তু বিভিন্ন প্ৰসংগ উত্থাপন কৰে, পৰিস্থিতিৰ বিশ্লেষণ-মূল্যায়নো কৰে। আমাৰ বাবে সেইবোৰ আছিল বৰ মূল্যবান খোৰাক**

বিগত কেইটামান বছৰত কেতবোৰ সামাজিক সমস্যা সম্পৰ্কে মত বিনিময় কৰিবলৈ আমি মাজে সময়ে 'অগ্ৰদূত ভৱন'ত মিলিত হৈছিলো; 'সাহিত্য ভাৰতী', 'সচেতন মঞ্চ, অসম', আৰু 'সম্প্ৰীতি মঞ্চ, অসম'ৰ সৌজন্যত কে'বাখনো সভা অনুষ্ঠিত হৈছিল। আটাইবোৰৰে উদ্যোক্তা আছিল শ্ৰদ্ধেয় কনকসেন ডেকা। প্ৰায়বোৰতে ড° লক্ষ্মীনন্দন বৰা উপস্থিত আছিল আৰু গঠনমূলক পৰামৰ্শ দিছিল। তেওঁৰ দৃষ্টিভংগী আছিল সদায়েই ইতিবাচক। ২০১৮ৰ ১৫ জুলাইত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ড° বাণীকান্ত কাকতি সভাগৃহত নাগৰিকত্ব (সংশোধনী) বিধেয়ক, ২০১৬ৰ পৰ্যালোচনা শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হৈছিল; তাতো ড° লক্ষ্মীনন্দন বৰাৰ যোগদান আছিল তাৎপৰ্যপূৰ্ণ।

'সাহিত্য ভাৰতী'ৰ সৌজন্যত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত উক্ত আলোচনাচক্ৰৰ আয়োজক সমিতিৰ সভাপতি আছিল কনকসেন ডেকা। উল্লেখযোগ্য যে বৰাক উপত্যকাকে ধৰি অসমৰ কেউখন জিলাৰ পৰা আহি আলোচনাচক্ৰত যোগদান কৰা অংশগ্ৰহণকাৰীৰ সংখ্যা আছিল ২৪৭; তেওঁলোকৰ মাজত যথেষ্ট সংখ্যক শিক্ষাবিদ, অধিবক্তা, অধ্যাপক, সাংবাদিক, শিক্ষক আদি ভিন ভিন বৃত্তিধাৰী লোক উপস্থিত আছিল। তদুপৰি বিধেয়কখনৰ সন্দৰ্ভত বিশ্লেষণ আগবঢ়াবলৈ সমল ব্যক্তিৰূপে যোগদান কৰিছিল অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা, অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড° নিৰ্মল কুমাৰ চৌধুৰী আৰু সৰ্বোচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা সংবিধান বিশেষজ্ঞ ৰবীন্দ্ৰ কুমাৰ ৰায়জাদা। বন্তি প্ৰজ্বলনেৰে ড° লক্ষ্মীনন্দন বৰাই আলোচনাচক্ৰখনৰ শুভ আৰম্ভণি কৰিছিল।

এই প্ৰসংগতে ড° লক্ষ্মীনন্দন বৰাৰ স'তে কেইটামান আৱেগিক মুহূৰ্তৰ স্মৃতি মোৰ মনত আজিও সজীৱ হৈ আছে। সেই সময়ত তেওঁৰ শৰীৰ অলপ দুৰ্বল আছিল। সভাগৃহত উপস্থিত হৈয়েই মোক কৈছিল, আপুনি মোৰ ওচৰত বহিবচোন। মই বহিছিলো। তেতিয়া ক'লে, মঞ্চলৈ উঠি যাবৰ পৰত আপুনি মোক অলপ সহায় কৰিবলগীয়া হ'ব পাৰে। সেই মতেই মোৰ কান্ধত হাতখন থৈ তেওঁ মঞ্চলৈ উঠি গ'ল, বন্তি প্ৰজ্বলন কৰিলে আৰু চমু ভাষণত ক'লে যে বিধেয়কখনৰ প্ৰসংগত ভিন্নজনৰ ভিন্ন মত প্ৰকাশ পোৱাৰ পৰিপ্ৰেক্ষিতত বিষয়টোৰ বস্তুনিষ্ঠ আলোচনাৰ বাবে আলোচনাচক্ৰখনৰ আয়োজন কৰাটো সজ প্ৰচেষ্টা হৈছে। মঞ্চৰ পৰা নমাৰ সময়তো দাদাই মোৰ কান্ধত ধৰি নামি আহিছিল। কান্ধত তেওঁৰ হাতৰ পৰশ আজিও যেন অনুভৱ কৰো।

দুমাহমান পূৰ্বে দেৱই (ড° খনীন্দ্ৰ চন্দ্ৰ শৰ্মা) মোক ফোন কৰি ক'লে,— দাদা, ড° লক্ষ্মীনন্দন বৰাৰ ফোন নম্বৰটো দিবচোন, তেওঁৰ স'তে কথা পাতিবলৈ মন গৈ আছে। পাছত এদিন দেৱই ক'লে,— দাদা, সিদিনা মোৰ স'তে তেওঁ ইমান আন্তৰিকতাৰে কথা পাতিলে যে তেওঁ আমাৰ সেই আড্ডাটোত বহি থকা যেন মোৰ অনুভৱ হ'ল। আৰু আচৰিত কথাটো কি জানে? তেওঁ ক'লে, আমাৰ আড্ডাটো বন্ধ হোৱাটো বৰ বেয়া কথা হ'ল, বুলুৱে বাৰু দোকানখন বন্ধ কৰিলে কিয়? দেৱৰ কথা শুনি ভাব হ'ল, হয়তো আড্ডাৰ স্মৃতি আমাৰ দৰেই তেৰোঁ সযতনে সাঁচি ৰাখিছিল।

সি যিয়েই নহওক, অনন্য প্ৰতিভাৰে ড° লক্ষ্মীনন্দন বৰাই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গ'ল; উজ্জ্বল জ্যোতিষ্কৰ দৰে তেওঁৰ নাম চিৰদিন জিলিকি থাকিব।

ফোন : ৯৪৩৫৫-৫৪২০৫

# দেশৰ পাঁচ শ্ৰেষ্ঠ ৰাজ্যৰ তালিকাত অসম

## আলফা নেতৃত্বই ভাবে নেকি যে অসম স্বাধীন হোৱাৰ পাছত অসমৰ বান আৰু খহনীয়া সমস্যা এটা মাহতেই নোহোৱা হৈ যাব



**ৰণজীৱ দাস**

ভাৰতৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ তালিকাত অসমৰ স্থান নিশ্চিত কৰিবলৈ লোৱা প্ৰশংসনীয় ৰাজনৈতিক প্ৰয়াস বিজেপি চৰকাৰৰ বাবে কিমান সহজসাধ্য হয়, সেই কথা নিৰ্ভৰ কৰিব চৰকাৰখনৰ আত্মোৎসৰ্গ মনোভাব আৰু ই প্ৰাধান্য দিয়া কৰ্মপঞ্জীৰ দস্তাবেজখন। প্ৰথমেই স্থান পোৱা উচিত— এখন বানমুক্ত, খহনীয়ামুক্ত আৰু আন্দোলন মুক্ত অসম নিৰ্মাণৰ এক নিস্বাৰ্থ পৰিকল্পনা; এই কাৰণেই যে যেতিয়ালৈকে অসম বানমুক্ত আৰু খহনীয়ামুক্ত হ'ব নোৱাৰে, তেতিয়ালৈকে অসমী আইৰ লাখ লাখ পৰিয়াল স্বাধিকাৰবঞ্চিত হৈয়েই থাকিব। প্ৰতিজন খহনীয়াগ্ৰস্ত খেতিয়কৰ চকুত ঋণগ্ৰস্ততাৰ চকুলো আৰু ডিঙিত পৰাধীনতাৰ গোলামি ওলমিয়েই থাকিব। অসমৰ উৰ্বৰা কৃষিভূমি বাৰ মাহে কেতিয়াও শস্য-শ্যামলা হৈ নাথাকিব। অসম বান আৰু খহনীয়ামুক্ত হ'ব পাৰিলেই অসমৰ হেজাৰ-বিজাৰ বানে ধোৱা গাঁৱত হেজাৰ হেজাৰ মৎস্য উৎপাদনৰ ফাৰ্ম গঢ় লৈ উঠাৰ বাবে এক নতুন পৰিৱেশ সৃষ্টি কৰি অসম দেশৰ এক নম্বৰ মৎস্য উৎপাদনকাৰী ৰাজ্যৰূপে পৰিগণিত হ'বলৈ বৰ বেছি সময়ৰ প্ৰয়োজন নহ'ব।

অসম বানমুক্ত আৰু খহনীয়ামুক্ত হোৱাৰ স্বাৰ্থত প্ৰয়োজন সাপেক্ষে আই আই টিৰ বিশেষজ্ঞক লগত লৈ মহাবাহুক অধিক বহনক্ষম কৰি তুলিবলৈ ব্ৰহ্মপুত্ৰৰ সমান্তৰালকৈ লুইতৰ দুয়োপাৰে লুইততকৈ কিছু গভীৰ দুখন 'ন-লুইত' বা 'সৰু-লুইত' খান্দি অসমক বানমুক্ত আৰু খহনীয়ামুক্ত কৰাৰ এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিব পৰা যায়। চীনাসকলে যদি দক্ষিণ-তিব্বত অঞ্চলত থকা ব্ৰহ্মপুত্ৰৰ উৎসথলী য়াৰলুং চাংপোৰ পানী এহেজাৰ কিলোমিটাৰ দীঘলীয়া টানেলেৰে বোৱাই চীনৰ পশ্চিমাঞ্চলৰ চিনজিয়াং প্ৰদেশৰ মৰুময় টাকালামাকন্ অঞ্চললৈ লৈ যোৱাৰ প্ৰস্তুতি চলাব পাৰে, ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ৰাষ্ট্ৰীয় ঘাইপথৰ সম-প্ৰস্থৰ পাঁচশ কিলোমিটাৰ দীঘলীয়া দুখন 'সৰু-লুইত' খান্দি অসমক বানমুক্ত আৰু খহনীয়ামুক্ত কৰাৰ এক প্ৰচেষ্টা কিয় ফলৱতী কৰিব নোৱাৰিব? এই ক্ষেত্ৰত অসম চৰকাৰে বিস্তাৰিত প্ৰকল্প প্ৰতিবেদন দাখিল কৰিলে ভাৰত চৰকাৰে নিশ্চয় আশাব্যঞ্জক সঁহাৰি জনাব। উত্তৰ প্ৰদেশ চৰকাৰে যোগী আদিত্যনাথৰ পৃষ্ঠপোষকতাত আৰু ৰাজ্যখনৰ জলসিঞ্চন বিভাগৰ অভিযন্তাসকলৰ তদাৰকীত ঘাগ্ৰা নৈৰ ভয়ংকৰ খহনীয়া ৰোধৰ বাবে বাৰাবাংকি আৰু গোন্দা অঞ্চলত এখন 'কাটাৰ-চাকচন ড্ৰেজাৰ' আৰু আঠখন 'এম্ফিবিয়ান এক্সকেভেটৰেৰে' মাত্ৰ পাঁচ মাহৰ ভিতৰত ১৩ লাখ ঘন মিটাৰ নদীৰ পলস কাটি ঘাগ্ৰা নৈৰ গতিপথ সলনি কৰি কৃষিভূমিৰ শস্যৰ লগতে ধনজন আৰু পশুধনৰ ক্ষয়-ক্ষতি ৰোধত অভাৱনীয় সফলতা অৰ্জন কৰিলে। অসম চৰকাৰেও অনতিবিলম্বে 'ড্ৰেজিং কৰ্প'ৰেচন অৱ আছাম' নামেৰে এটা নতুন বিভাগ সৃষ্টি কৰি সেইটো জলসম্পদ বিভাগৰ অধীনত এনে এক পৰ্যায়লৈ উন্নীত কৰিব লাগে যাতে খহনীয়া বৰ্ধক নৈ-উপনৈসমূহ এফালৰ পৰা ড্ৰেজিং কৰি যথেষ্ট পৰিমাণৰ বাৰিষাৰ পানী বোৱাই লৈ যাব পৰাত সক্ষম হয়। এই কথা নিশ্চিত যে ড্ৰেজিং কৰ্প'ৰেচন অৱ আছামৰ উপস্থিতিত বৰ্তমানে অসমৰ জলসম্পদ বিভাগৰ প্ৰচলিত প্ৰথা অনুসৰি বাৰিষাৰ আগে আগে পাতিবলৈ লোৱা মথাউৰি নিৰ্মাণ, ভগা মথাউৰি নিৰ্মাণ, ম্যাদ উকলা মথাউৰি পুনঃৰ্নিৰ্মাণ আদিৰ দৰে উৎসৱ-পাৰ্বণবোৰ বন্ধ হোৱাত অভূতপূৰ্ব বৰঙণি আগবঢ়াব। ঘৰৰ বাৰীৰ পুখুৰী খন্দা মাটিৰে ঘৰৰ ভেটি নিৰ্মাণ কৰি লোৱাৰ লেখীয়াকৈ বৰলুইতৰ দুয়োপাৰে 'সৰু-লুইত' খন্দা মাটি এনে ঠাইত এনেদৰে ৰখা হওক যাতে ভূতপূৰ্ব মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰস্তাৱিত বৰলুইতৰ দুয়োপাৰে দুটা অত্যাধুনিক এক্সপ্ৰেছ হাইৱে অতি সহজে নিৰ্মাণ কৰি উলিয়াব পৰা যায়। কিন্তু এই কথা নিশ্চিত কৰিব লাগিব যে এই কামত যাতে অসমৰ নিবনুৱা জড়িত হয় আৰু এক অক্টোবৰৰ পৰা ৩১ মাৰ্চলৈ কাম চলাই আহিব লগা পাঁচটা বছৰত এই কাম সমাধা কৰা হয়।

দ্বিতীয়তে, নতুন চৰকাৰে শাসনলৈ আহিয়েই আলফালৈ যি আলোচনাৰ প্ৰস্তাৱ আগবঢ়াইছে, তাত অসমৰ গৰিষ্ঠ সংখ্যক লোকেই নাক কোঁচাইছে। কাৰণ জনমানসত আলফা নেতৃত্ব কেৱল হত্যা, হিংসা, অপহৰণ, ধনদাবী, বোমা বিস্ফোৰণ আদিৰে খবৰ কাগজৰ ঠাই দখল কৰি নিজৰ অস্তিত্ব বজাই ৰাখিব বিচৰা এচাম সন্দেহজনক ব্যৱসায়ী-বুদ্ধিজীৱীৰ বাহিৰে অইন একো নহয়। সন্দেহজনক আখ্যা দিয়াৰ কাৰণ এইটোৱেই যে প্ৰায় চাৰিটা দশক সংগঠনক নেতৃত্ব দি, দেশ-বিদেশ ভ্ৰমি এই কথাত তেওঁলোকৰ দ্বিমত নিশ্চয় নাই যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদৰ প্ৰবল দাবীদাৰ ভাৰতবৰ্ষ ইমানেই শক্তিশালী যে কাশ্মীৰ উপত্যকাত বিচ্ছিন্নতাবাদে যিমানেই গা কৰি নুঠক কিয়, পাকিস্তানী সৈন্যৰ প্ৰত্যক্ষ সহায় আৰু চীনা সৈন্যৰ পৃষ্ঠপোষকতা একলগ হ'লেও কাশ্মীৰ উপত্যকাৰ এক ইঞ্চি ভূমি ভাৰতৰ পৰা বিচ্ছিন্ন কৰাটো সম্ভৱ নহ'ব বুলি ক'লেও একো বঢ়াই কোৱা নহ'ব।

তথাপি যুক্তিৰ খাতিৰত অসমে ভাৰতৰ পৰা স্বাধীনতা লাভ কৰিলে বুলি ধৰি ল'লেও, ভৌগোলিক বাধ্য-বাধকতাই হওক বা সমুদ্ৰ বন্দৰৰ অভাৱতেই হওক, ভাৰত তথা বিশ্বৰ বজাৰত জেগা দখল কৰিবলৈ অসমে সদায় নগালেণ্ড-মিজোৰাম বা ম্যানমাৰ-বাংলাদেশৰ পৰাধীনতা মানি চলিবই লাগিব। তেনেস্থলত, পূজা-বিহু, যাজ-যজ্ঞ, ৰাস-হোলী, শংকৰ উৎসৱ, নাম-প্ৰসংগ, শিৱৰাত্ৰী বিশ্বাসী অসমীয়াই এই দাসত্ব মানি লোৱাৰ পৰিৱৰ্তে ভাৰতৰ অংগৰাজ্য হৈ থকাটোৱে শ্ৰেয় বুলি গণতান্ত্ৰিক পৰম্পৰা ৰক্ষা কৰি নিজৰ মতামত ব্যক্ত কৰি থাকিব। যিহেতু আলফাৰ নেতৃত্বৰ হাতত সাৰ্বভৌম অসম গঢ়াৰ বাহিৰে অইন কোনো বিকল্প কাৰ্যসূচী নাই, হিমন্ত বিশ্ব শৰ্মা চৰকাৰে অহা পাঁচটা বছৰ আলফাৰ লগত নিষ্ফল আলোচনা-বিলোচনা চলাই মূল্যবান সময় নষ্ট কৰাৰ পৰিৱৰ্তে ২০ হেজাৰ কোটি টকা খৰচ কৰি হ'লেও পাঁচশ কিলোমিটাৰ দীঘলীয়া দুখন 'সৰু-লুইত' বৰলুইতৰ দুয়োপাৰে খান্দি অসমক বানমুক্ত আৰু খহনীয়ামুক্ত কৰাৰ এক আলোড়নকাৰী প্ৰচেষ্টা ফলৱতী কৰা কাৰ্যতহে অধিক মনোনিবেশ কৰা প্ৰয়োজন।

এই কথা আলফা নেতৃবৰ্গৰ অনস্বীকাৰ্য যে গৰিষ্ঠ সংখ্যক নকৈ ভৰ্তি কৰা আলফা সদস্য স্কুল বা কলেজ ড্ৰপ আউট। বুদ্ধিমত্তাৰ সীমাবদ্ধতাৰ বাবেই হওক বা দৰিদ্ৰ্য-পৰিবেষ্টিত অৱস্থাৰ বাবেই হওক, যিসকলক আলফাৰ ন-সৈনিকৰূপে নিয়োজিত কৰা হৈছে, সেইসকলক আলফা নেতৃত্বই এটা ভয়ংকৰ প্ৰৱঞ্চনা কৰিছে। সেইটো হৈছে— সীমিত জ্ঞানৰ সুবিধা বুজি প্ৰকৃত সত্যৰ পৰা ন-সৈনিকসকলক বহু নিলগত ৰাখি তেওঁলোকক স্বাধীন অসমৰ অলীক সপোন দেখুৱাই তেওঁলোকৰ সোণালী ভৱিষ্যৎ কাঢ়ি নি থানবান কৰি বিশ্বৰ অন্যতম শক্তিশালী সৈন্যবাহিনীৰ বিৰুদ্ধে তেওঁলোকক নিশ্চিত মৃত্যুৰ স'তে যুঁজত নমাইছে কেৱল ৰাষ্ট্ৰনেতা হোৱাৰ লালসাত। আলফা নেতৃত্বই ভাবে নেকি যে অসম স্বাধীন হোৱাৰ পাছত অসমৰ বান আৰু খহনীয়া সমস্যা এটা মাহতেই নোহোৱা হৈ যাব? নে অসম স্বাধীন হোৱাৰ ছমাহৰ ভিতৰত অসম বানমুক্ত আৰু খহনীয়ামুক্ত হৈ উঠিব? আৰু যদি এবছৰৰ ভিতৰত নোৱাৰে, কেই বছৰৰ অপেক্ষাৰ পাছত আলফা নেতৃত্বই অসমক বান আৰু খহনীয়াৰ পৰা স্বাধীনতা দিব পাৰিব? আলফা নেতৃত্বই সকলো ছল-চাতুৰি বাদ দি শুদ্ধ অন্তঃকৰণেৰে নিজেই নিজকে প্ৰশ্ন কৰক— আজিৰ প্ৰেক্ষাপটত অসমৰ বান-খহনীয়া বিধ্বস্ত ৰাইজক স্বাধীন সাৰ্বভৌম অসমৰ নে এখন বানমুক্ত আৰু খহনীয়ামুক্ত অসমৰ বেছি প্ৰয়োজন? আলফা নেতৃত্বই মনত ৰখা উচিত যে কেৱল অস্থায়ী আৰু সস্তীয়া জনপ্ৰিয়তাৰ বাবে অ' এন জি চি আৰু অইলত ৯৫ শতাংশ চাকৰি অসমীয়া যুৱক-যুৱতীৰ বাবে সংৰক্ষণ দাবী কৰা বা মদ খাই মাতলামি কৰা বাবে ৰাজহুৱা স্থানত বেত্ৰাঘাত কৰা বা কাণত ধৰি আঁঠু কঢ়াই ৰখা বা অসমীয়াকে অসমত ধনদাবী বা অ'ত-ত'ত দুই-চাৰিটা অপহৰণ, হত্যা বা বোমা বিস্ফোৰণ আদিৰে ভৰা স্বাধীন সাৰ্বভৌম অসমে অসমীয়া ডেকা-গাভৰু, ভাই-ককাই বা আই-বোপাইৰ দুখ-দুৰ্দশা দূৰ কৰা দূৰৰ কথা; বান-খহনীয়া বিধ্বস্ত ঋণগ্ৰস্ত খেতিয়কসকলক ঋণমুক্ত কৰিবলৈকো সমৰ্থবান নহ'ব।

তৃতীয়তে, অসমৰ প্ৰতিখন বিদ্যালয়তে উদ্যান-কৃষিত শ্ৰমদানৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা অতি প্ৰয়োজনীয়। প্ৰতিখন বিদ্যালয়তে সপ্তাহত তিনি-চাৰি ঘণ্টা উদ্যান-কৃষিত শ্ৰমদানৰ নামত খৰচ কৰি ব্যৱহাৰিক জ্ঞানৰ উপৰি বিদ্যালয়সমূহৰ বাট-পথৰ পৰা আৰম্ভ কৰি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় ঘাইপথ পৰ্যন্ত বহু ঠাই ফলে-ফুলে জাতিষ্কাৰ কৰি ৰখাৰ এক অভিনৱ পন্থা হ'ব। তদুপৰি স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলক যাতে কোনো দল-সংগঠনে আন্দোলনত ব্যৱহাৰ কৰিব নোৱাৰে তাৰ বাবে বিধানসভাত এখন বিধেয়ক উত্থাপন কৰি আইন প্ৰণয়ন কৰাটো নিতান্ত আৱশ্যকীয়।

কিছুদিন আগৰ পৰা এটা নতুন ধাৰা দেখা গৈছে যে অসমৰ যুৱ প্ৰজন্মই মৎস্য পালন, গাহৰি পালন, ব্ৰইলাৰ ফাৰ্ম আদিৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। এনে প্ৰেৰণাদায়ক মুহূৰ্তত হৰিষত বিষাদ জাপি দিয়াদি শংকৰ সংঘৰ দৰে অনুষ্ঠানে মৎস্য পালন, গাহৰিপালন, ব্ৰইলাৰ ফাৰ্ম আদিৰ জৰিয়তে স্বাৱলম্বী হোৱা যুৱকসকলক তথা তেওঁলোকৰ পৰিয়ালবৰ্গক এঘৰীয়া কৰাৰ আক্ৰোশমূলক ষড়যন্ত্ৰ অসমৰ যুৱ প্ৰজন্মৰ আত্মনিৰ্ভৰ হোৱাৰ সংকল্পৰ প্ৰতি ভাবুকিস্বৰূপ। শংকৰ সংঘৰ এনে মানসিকতা প্ৰকৃততে ধৰ্মধ্বজী আৰু ধৰ্মচিন্তাৰ নামত এক প্ৰহসন। অসমক মাছ-কণী, হাঁহ-কুকুৰা, গাহৰি-ছাগলী ৰপ্তানিকাৰী ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত কোনো দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে এঘৰীয়া কৰা কাৰ্য আইনবিৰুদ্ধ বুলি বিবেচনা কৰি এখন নতুন আইন প্ৰণয়ন কৰা অত্যন্ত আৱশ্যকীয়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে গুৱাহাটীৰ জুৰোডৰ পৰা ভৰলুমুখ পৰ্যন্ত প্ৰায় চাৰে ছয় কিলোমিটাৰ দীঘলীয়া ভৰলু নৈ ড্ৰেজাৰেৰে খান্দি তিনি গুণ দ কৰি ভৰলু নৈৰ ওপৰে ওপৰে চাৰে ছয় কিলোমিটাৰ দীঘলীয়া এখন ফ্লাইঅভাৰ নিৰ্মাণ কৰিলে দুটা ডাঙৰ সমস্যাৰ সমাধান হ'ব। প্ৰথমেই, ভৰলুৰ পানী জমা ৰাখিব পৰা ক্ষমতা তিনিগুণ বৃদ্ধি হ'ব। ফলস্বৰূপে, গুৱাহাটীৰ কৃত্ৰিম বানপানীৰ সমস্যা বহু পৰিমাণে লাঘৱ কৰিব পৰা যাব। দ্বিতীয়তে, জুৰোডৰ পৰা ভৰলুমুখলৈ যাতায়াতৰ বাবে এটা প্ৰদূষণমুক্ত নতুন পথৰ সৃষ্টি হ'ব। ইয়াৰ লগতে গুৱাহাটী মেট্ৰ' ৰেল চলাচল আৰম্ভ হ'লে দিল্লী, মুম্বাই, চেন্নাই, বাংগালুৰুৰ পাছতেই হয়তো গুৱাহাটীয়ে স্থান পাব।

ফোন : ৯৪৩৫১৯৬০৯৬

# অখিল গগৈ বোলে মানসিক ৰোগী ?

## যি বুজিছো
### কৈলাশ চন্দ্ৰ শৰ্মা





**নৱ-নিৰ্বাচিত** বিধায়ক অখিল গগৈ মানসিক ৰোগৰ চিকিৎসা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চলি থকা বুলি অলপতে মুখ্যমন্ত্ৰীয়ে অসম বিধানসভাত উল্লেখ কৰিছিল। এন আই এ (নিয়া)ৰ এটা গোচৰৰ সংক্ৰান্তত অখিল গগৈক ২০১৯ৰ ডিচেম্বৰত গ্ৰেপ্তাৰ কৰি জেলত ৰাখিছিল যদিও ২০২০ৰ জুলাইৰ পৰা এতিয়ালৈকে অৰ্থাৎ বিগত ১০ মাহ ধৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত আছে। বন্দীক আদালতৰ নিৰ্দেশ অনুযায়ী জেলত ৰখা হয়। সেয়েহে বন্দী হাস্পতালত থাকিলেও জেলত থকা বুলিয়েই ধৰা হয়। জেলৰ পৰা বন্দী হাস্পতাল পাবলৈ দুটা ৰাস্তা থাকে। ক) বেমাৰ বুলি আদালতক আবেদন কৰি। খ) প্ৰভাৱশালী বন্দী হ'লে জৰুৰী চিকিৎসাৰ প্ৰয়োজনীয়তা দেখুৱাই আদালতৰ অনুমতি অবিহনেই পুলিচে বন্দীক হাস্পতাললৈ প্ৰেৰণ কৰিব পাৰে যদিও সময়ত আদালতক জনোৱাটো বাধ্যতামূলক। এবাৰ হাস্পতাল পালে তাৰ পৰা উভতি অহা-নহাটো চৰকাৰৰ আশীৰ্বাদৰ ওপৰত নিৰ্ভৰশীল যদিহে চিকিৎসালয়খন চৰকাৰী হয়। হাস্পতাল কৰ্তৃপক্ষই বন্দী ৰোগীজন সুস্থ বুলি নোকোৱালৈকে জেললৈ উভতি আহিব নালাগে।

বন্দীজনৰ ইমানদিনে কি চিকিৎসা কৰি আছে বুলি আদালতে নিজাববীয়াকৈ হস্পক্ষেপ কৰিবলৈ নাযায়, কিয়নো এইটো আদালতৰ দায়িত্বৰ অন্তৰ্গত নহয়। ইয়াৰ উপৰি আদালত কেতিয়াও কাৰো প্ৰতি সন্দেহবাদী নহয়। অৱশ্যে কোনোবাই আদালতক বিষয়টো দৃষ্টিগোচৰ কৰিলেও হাস্পতাল কৰ্তৃপক্ষই সময়ত কি ক'ব, সেইটো ঠিক-ঠাক কৰি ৰাখে। অখিল গগৈৰ বিৰুদ্ধে চৰকাৰে অভিযোগ দি এতিয়া চৰকাৰেই হাস্পতালত খুৱাই-বোৱাই ৰাখিছে যেতিয়া আমিবোৰে চাই থকাৰ গত্যন্তৰ নাই। অৱশ্যে কোনোবা ব্যক্তিৰ এজাহাৰৰ ভিত্তিত বন্দী হোৱা লোকক এনেদৰে জেলৰ পৰিৱৰ্তে হাস্পতালত ৰখাত অসুবিধা আছে, কিয়নো অভিযোগ দিয়াজনে এইবোৰ দেখি বহি নাথাকে। সেই কাৰণে কোৱা হয়, ব্যক্তিয়ে দিয়া অভিযোগতকৈ চৰকাৰে দিয়া অভিযোগৰ মুখামুখি হোৱাত সুবিধা আছে। এনেদৰে হাস্পতালত থাকিয়েই অখিল গগৈ ৰাইজৰ দলৰ সভাপতি নিৰ্বাচিত হৈছিল। সভাপতি হিচাপে হাস্পতালতেই বিভিন্নজনৰ লগত নিৰ্বাচনী বৈঠক, আলোচনা ইত্যাদি সকলো কৰি যাব পৰাটোৰ পৰা এইটো স্পষ্ট হৈছে যে মিয়া-বিবিৰ মাজত কিবা বুজাবুজি নাথাকিলে এইবোৰ সম্ভৱ নহয়। সময়ত হাস্পতালত থাকিয়েই অখিল গগৈ নিৰ্বাচনত অৱতীৰ্ণ হ'ল, জয়লাভ কৰিলে। জয়লাভৰ বাতৰি পাই হাস্পতালতে মিঠাই বিলালে, শপত গ্ৰহণ নকৰোতেই আহল-বহল বিধায়ক আৱাস দখলৰ পৰা আৰম্ভ কৰি সকলো কাম কোনো অসুবিধা নোহোৱাকৈ হাস্পতালত থাকিয়েই কৰিবলৈ সক্ষম হৈছিল। এনেদৰে নিৰ্দিষ্ট দিনত আদালতৰ অনুমতি সাপেক্ষে অখিল গগৈয়ে ডিঙিত গামোচা, ভৰিত হাৱাই ছেণ্ডেল পিন্ধি বিপ্লৱীৰ বেশত মাও চে টুংঙৰ ফটোৰ সন্মুখত হস্তমুঠি লাল চালাম জনাই শপত গ্ৰহণৰ উদ্দেশ্যে বিধানসভালৈ ওলাল। ছজন পুলিচ কৰ্মী, পাঁচজন হৃদ-পুষ্ট চিকিৎসা কৰ্মীসহ দুই কিলোমিটাৰ ৰাস্তা পুৰণি বাছত উঠিবলৈ অধিক গগৈ অসন্মত হ'ল। 'একো নাথাকোতেই কোনোদিনে চিটিবাছত উঠি নাপালো, এতিয়া বিধায়ক হৈ কিয় ভঙা গাড়ীত উঠিম' বুলি তৰ্জন-গৰ্জন কৰিলে। শেষত যেনিবা হাস্পতালৰ পৰা ৰিলিজ দিয়া হ'ব বুলি ধমক দিয়াত উপায় নাপাই বাছত উঠিবলৈ সন্মত হ'ল। আগদিনাই চিকিৎসা কৰ্মী আৰু পুলিচকেইজনক বুজাই দিয়া হৈছিল যে কেমেৰা থকা সাংবাদিক দেখিলে বেমাৰীৰ বেমাৰ উক দিয়ে, গতিকে জনতা ভৱনৰে বিধানসভালৈ যাব পৰা লুংলুঙীয়া পথটোৰে বিধানসভাত প্ৰৱেশ কৰিব যাতে আধা ৰাস্তাতে বেমাৰীৰ বেমাৰটোৱে দেখা নিদিয়ে। পৰিকল্পনা অনুযায়ী অগ্ৰসৰ হৈ বিধানসভাৰ পিছফালৰ গেটখন পাওঁতে গেষ্ট্ৰিক বেমাৰীক ভজা-পোৱা খাবলৈ মানা কৰিলেও তেনে খাদ্যতে চকু পৰাৰ দৰে অখিলেও সাংবাদিকক নেদেখি তেওঁক কিয় চোৰ-ডকাইতৰ দৰে মূল গেটৰ পৰিৱৰ্তে পিছফালেৰে আনিব বুলি হুলস্থুল কৰিলে। কিহৰ হুলস্থুল বুলি আঁতৰত থকা সাংবাদিক, বিধানসভাৰ কৰ্মচাৰী, পালি-প্ৰহৰীয়াসকলে কি হৈছে বুলি আগবাঢ়ি আহি অখিলক দেখি 'অখিল আহিছে', 'অখিল আহিছে' বুলি দৌৰাদৌৰি কৰি গোটেইখন ৰজনজনাই দিলে। লগত অহা চিকিসা কৰ্মীসকলে বেমাৰটো বেছিকৈ নুঠক বুলি ঠেলি-হেঁচি সদনত সুমুৱাই দি স্বস্তিৰ নিশ্বাস এৰিলে। অখিল গগৈয়ে সদনত সোমাই তেওঁক কিয় পুলিচে ঠেলি-হেঁচি আনিব বুলি অধ্যক্ষৰ ওচৰত অভিযোগ দিবলৈ আৰম্ভ কৰোতে বিজেপিৰ বিধায়কসকলেও এওঁকতো বেমাৰী যেন লগা নাই, এওঁৰ কি বেমাৰ হৈছে বুলি কথাৰ কটাকটি কৰি থাকোতে অধ্যক্ষই সকলোকে শপত গ্ৰহণ নকৰাকৈ কথা কোৱাটো উচিত নহয় বুলি নিজৰ নিজৰ আসনত বহিবলৈ ক'লে। অখিল গগৈ কৰ্মী মানুহ, বহুদিনৰ পাছত বাহিৰলৈ ওলাইছে, গতিকে নিজৰ আসনত বহাৰ পৰিৱৰ্তে সকলোৰে ওচৰলৈ গৈ মাত বোল কৰা আৰম্ভ কৰিলে। ৰঞ্জিত দাসৰ ওচৰলৈ গৈ ক'লে, 'টিভিত গালি-গালাজ কৰি থাকো যদিও এতিয়া একেখন সদনৰ সদস্য হ'লো যেতিয়া বেয়া ভাৱ নাৰাখিব।' মুখ্যমন্ত্ৰীৰ লগত বোলে কটনত পঢ়া দিনৰে শত্ৰু যদিও এতিয়া একেখন সদনৰ সদস্য হোৱা বাবে কাণে কাণে ক'লে, 'মই মোৰ নাটক কৰিলো এতিয়া আপোনাৰ ফালৰ পৰা কৰিব নহ'লে মানুহে চৰকাৰৰ লগত বুজাবুজি কৰি জেলৰ পৰিৱৰ্তে হাস্পতালত থকা বুলি কৈ ফুৰিছে।' এনেদৰে এটা সময়ত অখিল গগৈ সহ সকলো সদস্যই শপত ল'লে। শাসক দলে বিধান সভাৰ সকলো সদস্যৰ সহযোগ বিচাৰিলে, বিৰোধীয়ে সহযোগিতাৰ আশ্বাস দিলে। অখিল গগৈয়ে বাকী দুদিনৰ কাৰ্যসূচীতো অংশগ্ৰহণৰ ইচ্ছা প্ৰকাশ কৰি অধ্যক্ষৰ অনুমতি বিচাৰিলে। শিৱসাগৰৰ দৰে নিচিনা সন্মানীয় সমষ্টিৰ জনপ্ৰতিনিধিৰ জ্ঞানৰ নমুনা, আদালতৰ অনুমতি লৈ অহা ব্যক্তিয়ে অধ্যক্ষক অনুৰোধ কৰে যেন কোনোবা নাথাকিলে বিধানসভাই অচল হৈ যাব। অখিল গগৈৰ অনুৰোধৰ বিৰোধিতা কৰি মুখ্যমন্ত্ৰীয় ক'লে যে অখিল গগৈৰ মানসিক সমস্যাৰ সম্পৰ্কত চিকিৎসা চলি আছে গতিকে অসুস্থ ব্যক্তিক অনুমতি দিয়াটো উচিত নহ'ব। মুখ্যমন্ত্ৰীৰ বক্তব্যৰ বহুতে বিৰোধিতা কৰিছে যদিও কোনোৱে অখিল গগৈক মানসিক ৰোগী নহয় বুলি নক'লে। ক। কংগ্ৰেছে মুখ্যমন্ত্ৰীৰ বক্তব্যৰ বিৰোধিতা কৰি এনেধৰণৰ ৰাজহুৱা বক্তব্য দুৰ্ভাগ্যজনক বুলি কৈছে খ। অখিল গগৈৰ ৰাজনৈতিক উপদেষ্টা ডঃ হীৰেন গোহাঁইয়ে ক'লে, কম-বেছি পৰিমাণে সকলোৱেই মানসিক ৰোগী, গতিকে এইটো একো অস্বাভাৱিক বক্তব্য নহয়। গ। অখিল গগৈৰ সমৰ্থকসকলে কৈছে, মুখ্যমন্ত্ৰীৰ বক্তব্যই মানসিক ৰোগী সম্পৰ্কত থকা আইনৰ বিভিন্ন ধাৰা ভংগ কৰিছে। বক্তব্যটো বিধান সভাত কৰিছে যেতিয়া আদালতৰ হস্তক্ষেপ সম্ভৱ নহয়। সেয়েহে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিধানসভাত বিশেষাধিকাৰ ভংগৰ অভিযোগ উত্থাপন কৰা হ'ব। কিন্তু এওঁলোকৰ বক্তব্যতো অখিল গগৈ যে মানসিক ৰোগী নহয় সেইটো এবাৰো নক'লে।

অখিলপন্থীসকলে মুখ্যমন্ত্ৰীৰ আক্ৰমণাত্মক বক্তব্যত ছেদেলি-ভেদেলি হৈ ৰক্ষণাত্মক স্থিতি ল'বলৈ বাধ্য হৈছে। এওঁলোকে অখিল গগৈ মানসিক ৰোগী নহয় বুলি ক'বলৈ অসুবিধা পাইছে, কিয়নো মানসিক ৰোগী নহয় যদি ৰোগ কি সেইটো ক'ব লাগিব। ৰোগী নহয় বুলি ক'লেও জেললৈ যাব লাগিব। অখিলপন্থীসকলৰ বৰ্তমান স্থিতি এটা উদাহৰণ দিলে অধিক স্পষ্ট হ'ব। চাৰি বছৰৰ আগৰ কথা। মোৰ চুবুৰীয়া এঘৰৰ ছোৱালী এজনীয়ে উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। পৰীক্ষাৰ ফলাফল ওলোৱাৰ তিনিদিনমান পাছত এদিন সন্ধিয়া পৰিবাৰৰ স'তে পৰীক্ষাৰ ফলাফলৰ খা-খবৰ ল'বলৈ গ'লো। গৈ ছোৱালীৰ মাকক পালো। মাকে ক'লে ছোৱালী ৰুমৰ পৰা ওলোৱা নাই, কাকো মাত-বোল কৰা নাই। পৰিৱেশটো দেখি অনুমান হ'ল— ফলাফলক লৈ ঘৰখন সুখী নহয়। ইফালে, ফলাফল কি সেইটো নজনাকৈ সান্ত্বনা দিয়া আৰম্ভ কৰিলো। কথাৰ মাজতে ফলাফলৰ বিষয়ে সোধোতে মাকে উত্তেজিত হৈ ক'বলৈ ধৰিলে, চি বি এছ ই স্কুলত পঢ়াব লাগিছিল। কাউন্সিলৰ ৰিজাল্ট ইমান পলম কৰিলে যে এতিয়া দিল্লী বিশ্ববিদ্যালয়ৰ কলেজসমূহত নামভৰ্তিৰ সময় পাৰ হৈ গ'ল। বাংগালুৰু আৰু জয়পুৰৰ দুখন ভাল কলেজত আবেদন কৰিছিল যদিও এতিয়ালৈকে বাপেকটো আজি তিনিদিন হ'ল ঘৰ আহি পোৱা নাই। এওঁৰ এতিয়া ছোৱালীৰ ভৱিষ্যতকৈ চাকৰিটোহে ডাঙৰ হৈছে। এখন পেপাৰত পাঠ্যক্ৰমৰ বাহিৰত প্ৰশ্ন কাটিছিল যদিও সেই সময়ত দুই নম্বৰ দিব বুলি কৈছিল; কিন্তু এতিয়া নিদিলে। ইফালে পৰিবাৰৰ ইংগিত পাই ফলাফলৰ কথা উলিয়াবলৈ বাদ দি দিল্লী, বাংগালুৰুৰ গুণ গাই কাউন্সিলৰ বিপক্ষে কোৱা আৰম্ভ কৰাত মাকৰ মুখত পানী অহা যেন অনুভৱ কৰিলো। এনে ধৰণে চাহ-পানীৰ সোৱাদ লৈ ৪০ মিনিটমান বহিলো যদিও পৰীক্ষাৰ ফলাফল কি আছিল উলিয়াব নোৱৰাৰ দৰে অখিল গগৈৰ বেমাৰ কি সেইটো আজিলৈ স্পষ্ট নহ'ল।

এতিয়া চোৱা যাওক, The Mental Health Care Act 2017 অনুযায়ী মুখ্যমন্ত্ৰীয়ে উক্ত আইনৰ কোনটো ধাৰা ভংগ কৰিছে।

প্ৰথম, মুখ্যমন্ত্ৰীয়ে অখিল গগৈৰ মানসিক ৰোগৰ চিকিৎসা চলি থকা বুলিহে কৈছে। মানসিক ৰোগী বুলি কোৱা নাই। মানসিক ৰোগৰ চিকিৎসা এটা জটিল প্ৰক্ৰিয়া। অন্যান্য বেমাৰ যিদৰে যন্ত্ৰৰ দ্বাৰা চিনাক্ত কৰি চিকিৎসা কৰা হয়, কিন্তু মানসিক ৰোগৰ চিনাক্তকৰণ যন্ত্ৰ ওলোৱা নাই। ফলত চিকিৎসকে চিকিৎসা কৰি কৰি এটা সময়ত এওঁ জেললৈ যাব লাগিব বুলিহে মানসিক ৰোগত আক্ৰান্ত হোৱা বুলি ক'লে আচৰিত হ'ব লগা একো নাথাকিব। দ্বিতীয়তে, মুখ্যমন্ত্ৰীয়ে মানসিক ৰোগী বুলি ক'লেও একো অপৰাধ কৰা নাই, কিয়নো চৰকাৰী চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত থকা ৰোগী এজনৰ চিকিৎসাৰ প্ৰয়োজনত মানসিক ৰোগী বুলি কোৱাত বাধৰ নাই। সদনলৈ অহাৰ পৰিৱৰ্তে চিকিৎসা ভালদৰে কৰাৰ কথা ক'লে চিকিৎসাৰ প্ৰয়োজনত কোৱা নহ'ব নেকি? তৃতীয়তে, এজন ব্যক্তিয়ে কি প্ৰসংগত এটা কথা কয় বা কৰে, সেইটো যথেষ্ট গুৰুত্বপূৰ্ণ। অসুস্থ ব্যক্তি এজন যিহেতু সদনলৈ আহিব বিচাৰিছে, গতিকে তেওঁক বাধা দিয়াটো সদনৰ নেতা হিচাপে মুখ্যমন্ত্ৰীৰ দায়িত্ব; গতিকে কি অসুখত ভুগি আছে সেইটো কোৱাত বাধা নাই। মানুহ মাৰিও যদি প্ৰমাণ কৰিব পৰা যায় যে আত্মৰক্ষাৰ বাবেহে মৰা হৈছে, তেতিয়া শাস্তিৰ পৰা ৰেহাই পোৱাৰ সম্ভাৱনা নথকা নহয়। চতুৰ্থতে, মানসিক ৰোগী এজনে তেওঁৰ বেমাৰ গোপনীয় কৰাৰ স্বাধীনতা আছে। ইয়াৰ অৰ্থ এইটো নহয় যে আনেও তেওঁৰ বেমাৰ ৰাজহুৱা কৰাত বাধা আছে। উদাহৰণস্বৰূপে, এজন মানসিক ৰোগীয়ে এজনী ছোৱালীক বিয়া কৰোৱাৰ উদ্দেশ্যে তেওঁৰ বেমাৰ গোপন কৰি ছোৱালীৰ অভিভাৱকৰ লগত কথা-বাৰ্তা পাতিছে। এনেতে এজন ব্যক্তি যিয়ে ল'ৰাজন মানসিক ৰোগী বুলি জানে তেওঁ ছোৱালীৰ ঘৰত বিষয়টো অৱগত কৰাত বিয়া বাতিল হ'ল। এই কথাত ক্ষুব্ধ হৈ ল'ৰা পক্ষই উক্ত ব্যক্তিজনৰ বিৰুদ্ধে গোপনীয়তা ভংগ কৰা বুলি দোষাৰোপ কৰিব নোৱাৰে। তেনেদৰে ছোৱালী পক্ষইও ল'ৰাজনে বেমাৰ গোপন কৰি বিয়া কৰাব আহিছিল বুলি ল'ৰাজনক দোষাৰোপ কৰিব নোৱাৰে, কিয়নো মানসিক ৰোগীয়ে বেমাৰ গোপন কৰাৰ স্বাধীনতা আছে। অৱশ্যে ল'ৰাজন মানসিক ৰোগী বুলি মিছাতে অভিযোগ কৰিলে নিঃসন্দেহে দোষাৰোপ কৰিব পৰা যাব। মুখ্যমন্ত্ৰীৰ বা চৰকাৰৰ ভাল কামত মানুহে সমৰ্থন নকৰে, কিয়নো এইটো কৰিলে চৰকাৰী স্তাৱক বুলি ভবাৰ সম্ভাৱনা থকা কাৰণে কোনেও চৰকাৰৰ উচিত কথাত মাত নিদিয়ে। ইয়াৰ বিপৰীতে দিনত চৰকাৰৰ সমালোচনা কৰাসকলেও বন্ধ কোঠাত মুখ্যমন্ত্ৰীৰ লগত কলেজীয়া শত্ৰু বুলি কৈও কাণে কাণে কথা পাতিলেও মানুহে জেললৈ যাব নোখোজা বিপ্লৱী বুলি ক'বলৈ টান পায়।

*লেখক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা, ফোন ঃ ৬০০১৬৭৫২২৩*

# সীমা সুৰক্ষা চৰকাৰৰ প্ৰথম পদক্ষেপ হোৱা উচিত

### যুগব্ৰতা দত্ত

**অসমৰ** ৰাইজে বহু দশক জুৰি বিচাৰি অহা এজন সাহসী, কৰ্মমুখী, পৰিশ্ৰমী মুখ্যমন্ত্ৰীৰূপে ডং হিমন্ত বিশ্ব শৰ্মাক অন্ততঃ পালে বুলি স্বস্তিৰে উশাহ ল'লে। স্বাধীনতাৰ পাছৰে পৰা অসমৰ কোনোজন স্বনামধন্য মুখ্যমন্ত্ৰীৰ পৃষ্ঠপোষকতাত অসম ৰাজ্যৰ সীমা নিৰ্ধাৰণ নহ'ল। বিদেশী ৰাষ্ট্ৰৰ লগত থকা সীমাৰ সমস্যাতো সমাধান নহ'লেই যোৱা ৭০-৭৫ বছৰত আনকি সীমামূৰীয়া যিবোৰ ৰাজ্য অসমৰ অন্তৰ্ভুক্ত আছিল পাছলৈ পাৰ্বত্য জিলাবোৰে নিজ নিজ অস্তিত্বৰ বাবে অসমৰ লগত নাথাকি স্বতন্ত্ৰীয়া ৰাজ্য বিচাৰি আন্দোলন কৰাৰ মূৰত ভাৰত চৰকাৰে তেওঁলোকক অসমৰ পৰা পৃথক কৰি নিজ নিজ ৰাজ্য দি অসমৰ লগত সংঘাতবোৰ আঁতৰালে। কিন্তু দেখা গ'ল নিজ নিজ ৰাজ্য পায়ো মিজোৰাম, নগালেণ্ড, মেঘালয়, অৰুণাচল আদি ৰাজ্যৰ নাগৰিক আৰু প্ৰশাসনে সীমামূৰীয়া অসমৰ গাঁওবোৰৰ মানুহক নানান অত্যাচাৰ কৰি অসমৰ মাটি দুশ-তিনিশ মিটাৰকৈ দখল কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

ডং শৰ্মাৰেই এই সমস্যাটো স্থায়ীভাৱে সমাধান কৰাৰ বাবে অহা পাঁচ বছৰত উদ্যোগ ল'ব লাগে। অসমৰ বৰ্তমান ক'ভিড-১৯ৰ সংক্ৰমণত জুৰুলা হোৱা ৰাইজক তেওঁ বিগত দিনবোৰত যেনেদৰে হিচাপে এই ক্ষেত্ৰত অসমৰ ৰাইজক সকাহ দিয়াৰ বাবে যি আন্তৰিকতাৰে দিন-ৰাতি নোহোৱাকৈ সেৱা আগবঢ়াইছিল, চিকিৎসাকৰ্মীসকলক সৰ্বতোপ্ৰকাৰে সহায় কৰিছিল সেয়া অসমৰ প্ৰতিজন ব্যক্তিয়ে স্বীকাৰ কৰিব। মুখ্যমন্ত্ৰী ডং শৰ্মাৰ চিন্তা তৎপৰতা আৰু কৰ্মোদ্যমে তেওঁৰ সতীৰ্থ আনবোৰ মন্ত্ৰীকো নিশ্চয় প্ৰভাৱান্বিত কৰিব। যদি তেওঁৰ সতীৰ্থ মন্ত্ৰী মণ্ডলীৰ কোনো মন্ত্ৰীৰ অকৰ্মন্যতা আৰু সোৰোপা স্বভাৱ পৰিলক্ষিত হয় তেন্তে মুখ্যমন্ত্ৰীয়ে তৎকালে তেনে মন্ত্ৰীৰ ওপৰত ব্যৱস্থা নিশ্চয় গ্ৰহণ কৰিব। বিগত দিনবোৰত দেখা যোৱা বহু অকৰ্মন্য মন্ত্ৰী বিধায়কক কোনো ধৰণৰ অনুশাসন প্ৰদৰ্শন কৰিব নোৱাৰা বাবেই বহুকেইজনমন্ত্ৰী গংগাটোপ হৈ ৰাইজক প্ৰৱঞ্চনাহে কৰা পৰিলক্ষিত হৈছে। কেৱল মন্ত্ৰী পদ লৈ মন্ত্ৰীৰ সা-সুবিধা গ্ৰহণ কৰি চৰকাৰী ধন অপচয় কৰি ৰাজহুৱা কোনো দৃষ্টান্তমূলক কাম কৰিব নোৱাৰা, বৰ বৰ কথাহে কেৱল কোৱা মন্ত্ৰীক বৰ্তমানৰ ডং হিমন্ত বিশ্ব শৰ্মাই কোনো কাৰণতে প্ৰাধান্য দিয়া উচিত নহ'ব। যি মন্ত্ৰীয়ে তেওঁৰ বিভাগৰ কামবোৰ সুচাৰুৰূপে ৰাইজৰ সহায়ক হোৱাকৈ কৰিব পাৰে আৰু ৰাইজক সকাহ দিব পাৰে তেনে মন্ত্ৰীক তেওঁ বছৰত পুৰস্কৃত কৰক। কিন্তু ৰাইজৰ কাম নকৰা সমষ্টিত অন্ততঃ চাৰি পাঁচ বাৰ পদাৰ্পন নকৰা ৰাইজৰ অভাৱ অভিযোগৰ খবৰ নৰখা বিধায়ক আৰু মন্ত্ৰীক ডং শৰ্মাই অন্ততঃ লেগাম লগাব পাৰিব বুলি আমি বিশ্বাস কৰো।

দেশৰ ৰাইজৰ ধন দুৰ্নীতিৰে চান কাঢ়ি খোৱাজন প্ৰতিনিধি আৰু দালালসকলে যাতে একো কাম নকৰি কেৱল দালালগিৰিৰে লাখ লাখ টকা আত্মসাৎ কৰিব নোৱাৰে তাৰ প্ৰতিও মুখ্যমন্ত্ৰী আৰু তেওঁৰ পদানুসৰণ কৰা মন্ত্ৰীসকলৰ দৃষ্টি থাকিব লাগিব। প্ৰতি বছৰে বানপানীৰ নামত খৰচ হোৱা টকাবোৰ যাতে স্থায়ী ব্যৱস্থাৰ বাবেহে খৰচ হয় সেই কথা চৰকাৰে নজৰত ৰাখিব লাগিব। বানপানীৰ পৰা পৰিত্ৰাণ পাবৰ বাবে স্থায়ীভাৱে কংক্ৰীটৰ চাংঘৰ বানপানী অধ্যুষিত অঞ্চলবোৰত সাজিবলৈ গাঁৱৰ খিলঞ্জীয়া লোকসকলক চৰকাৰে সাহায্য আগবঢ়ালে বানপানীৰ কবলৰ পৰা মানুহখিনিৰ পশুধন লগতে নিজৰো জীৱন ৰক্ষা কৰিব পাৰে হয়তো। খেতি পথাৰৰ ক্ষতি কমাবলৈ নদীবান্ধবোৰ স্থায়ীভাৱে মজবুটকৈ সাজি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ওপৰঞ্চি খাটি কাম কৰা মানুহবোৰে চৰকাৰী টকা আত্মসাৎ নকৰিবলৈ চৰকাৰে এই ওপৰঞ্চি খটা মানুহবোৰক দেখা দেখিকৈ ওপৰঞ্চি মাচুল দিয়াৰ ব্যৱস্থা কৰিলে হয়তো চোৰাং কাৰবাৰবোৰ বন্ধ হ'ব। যিমানে কাম কৰিব সিমানে টকা পাব এই নীতি চৰকাৰে প্ৰচলন কৰিলে দুৰ্নীতি কমিব।

মুখ্যমন্ত্ৰীয়ে তেওঁৰ মন্ত্ৰীসভাৰ সকলো মন্ত্ৰী আৰু দলীয় বিধায়কসকলক নিঃস্বাৰ্থভাৱে দেশৰ বাবে কাম কৰাৰ উদ্বুদ্ধ কৰাওক। পৰিয়াল পৰিজন, বন্ধু-বান্ধৱ আৰু তেওঁলোকৰ আগে-পিছে ঘূৰি ফুৰাসকলক কেৱল সন্তুষ্ট কৰি অসমৰ চুকে-কোণে নিকাৰ ভুঞ্জি থকা খিলঞ্জীয়া মানুহক অহা পাঁচ বছৰত কেৱল অসন্তুষ্টি দিলে ভৱিষ্যতলৈ তেওঁলোকৰ বাবে বেয়া দিন আহিব বুলি শংকা কৰো। যিবোৰে অনুষ্ঠানে কেৱল চৰকাৰৰ বিৰোধিতাৰহে নেতৃত্ব ল'ব বিচাৰে তেনে অনুষ্ঠানৰ বক্তব্য আৰু ছবি প্ৰচাৰ মাধ্যমযোগে প্ৰচাৰ কৰাৰ ক্ষেত্ৰত কিছু সংযত বাধা আৰোপৰ ব্যৱস্থা কৰিব লাগে।

বহু বিদ্ৰোহী বা বিপ্লৱী নেতাই নিজৰ প্ৰভুত্ব দেখুৱাবলৈ কঢ়া কঢ়া শব্দৰে চিঞৰ-বাখৰ কৰি কেমেৰাৰ আগত মুখখন দেখুৱাই নিজক জাহিৰ কৰিব বিচৰাও ৰাইজৰ দৃষ্টিগোচৰ হয়। বাৰে বাৰে প্ৰচাৰ মাধ্যমৰ কেমেৰা দেখিলে তেওঁলোকৰ বাক্যবান ৰূঢ় আৰু অশালীন হোৱা দেখা যায়। এইবোৰ নেতাই এনে প্ৰচাৰবোৰ ৰাইজক দেখুৱাবলৈ লজ্জাবোধ কৰিবলৈ শিকা উচিত। চৰকাৰী পক্ষৰ মন্ত্ৰী-বিধায়কসকলেও ভদ্ৰ কথা-বতৰাৰে নিজৰ সন্মান ৰক্ষা কৰা আৱশ্যক বুলি ভাবোঁ বহুতে মন্ত্ৰিত্ব পাই বা বিধায়ক হৈ নিজকে ৰজা জ্ঞান কৰি আনক অসন্মানিত কৰি বক্তব্য ৰাখে যিবোৰ বক্তব্যই তেওঁৰ নিজৰহে সন্মান লাঘৱ কৰে। সেয়ে অহংকাৰ মইমত্ত ভাব ত্যাগ কৰি দেশৰ সমস্যাসমূহ সমাধান কৰিবলৈ মুখ্যমন্ত্ৰীৰ লগত সমানে অগ্ৰসৰ হ'লে দেশ আৰু জাতি উপকৃত নিশ্চয় হ'ব। দেশৰ, ৰাজ্যৰ সীমা সম্পৰ্কত সদায় চৰকাৰ সচেতন থকাটো আমাৰ কাম্য।

সীমাৰ মাটি দখল কৰিবলৈ অহা আন ৰাজ্যৰ মানুহক কঠোৰ পদক্ষেপ লৈ চৰকাৰে খেদি পঠিওৱাৰ লগতে ৰাজ্যৰ চাৰিওফালৰ সীমাৰ কটকটীয়া দেৱাল সুৰক্ষা কৰক চিৰদিনলৈ। প্ৰয়োজন হ'লে সীমাৰ চাৰিওফালে বহল নলা খান্দি পথৰুদ্ধ কৰক। সীমা অঞ্চলৰ গাঁওবোৰৰ আৰক্ষী চকী বঢ়োৱাৰ ব্যৱস্থা কৰক চৰকাৰে।

*ফোন ঃ ৯৭০৬৭৮২৭৭৬*



# কটন গৌৰৱ নে অসম গৌৰৱ ?
## কটন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা আৰু মাণিক চন্দ্ৰ বৰুৱা

### ডং অৰূপ কুমাৰ হাজৰিকা








**কটন** কলেজৰ প্ৰতিষ্ঠাৰ দিন আছিল ১৯০১ ৰ ২৭ মে'। এই প্ৰতিষ্ঠা দিৱসৰ দিনা ছাৰ হেনৰী কটনে এটি দীঘলীয়া ভাষণ দিছিল। এই ভাষণৰ মূল বক্তব্য আছিল— মাণিক চন্দ্ৰ বৰুৱা আৰু কটন কলেজ। অসমৰ বুৰঞ্জীৰ সেই উল্লেখযোগ্য দিনটোৰ উদ্বোধনী সভাত কবি ৰঘুনাথ চৌধাৰীয়ে গান গাইছিল আৰু হাৰম'নিয়াম বজাইছিল নবীন চন্দ্ৰ বৰদলৈয়ে। এটি মনোৰম দৃশ্য।

অসমৰ শিক্ষা-দীক্ষাৰ বিস্তৃতিত আৰু জাতীয় জাগৰণত কটন কলেজৰ অৱদান অদ্বিতীয়। আজি এই কলেজ বিশ্ববিদ্যালয় হ'ল— কিন্তু এই সকলোৰে মূলতে আছিল দূৰদৃষ্টিসম্পন্ন মাণিক চন্দ্ৰ বৰুৱা। ক'বলৈ গ'লে জনমত গঠন আৰু শিক্ষা বিস্তাৰ মাণিক চন্দ্ৰৰ ৰাজনৈতিক আঁচনিৰ অপৰিহাৰ্য অংগ আছিল।

কটন কলেজ স্থাপন হোৱাৰ ১২১ বছৰত ভৰি দিলে কটন বিশ্ববিদ্যালয় হোৱাও চাৰিবছৰ পাৰ হ'ল। তাৰ আগত কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয় ২০১২ তে ঘোষিত হোৱাৰ পাছত পাঁচটা বছৰত বহু নাটকীয় পৰিঘটনা হ'ল। যিয়েই নহওক কটনে পৰিচয় সলালে— কটন কলেজ কটন বিশ্ববিদ্যালয় হ'ল। বহুতো মেধাৱী ল'ৰা-ছোৱালী কটনত অধ্যয়নৰত। প্ৰায় ৫০ শতাংশ বা তাতোকৈ অধিক ছাত্ৰ ইংৰাজী মাধ্যমৰ পৰা অহা। তেওঁলোকে হয়তো মাণিক চন্দ্ৰ বৰুৱানো কোন আছিল প্ৰায়ে নাজানেই। ইয়াৰ প্ৰমাণ মই নোপোৱা নহয়। এদিন উচ্চতৰ মাধ্যমিকৰ শ্ৰেণী লৈ থকা অৱস্থাতে হঠাৎ সুধিছিলো— তোমালোকে মাণিক চন্দ্ৰ বৰুৱাৰ নাম শুনিছানে? পিছে আলপিন এটা পৰিলে শব্দ হোৱা অৱস্থা হৈছিল। সেয়েহে ভাবিলো কটন কলেজৰ প্ৰতিষ্ঠাপক মাণিক চন্দ্ৰ বৰুৱাৰ বিষয়ে ৰাইজৰ লগতে নতুন প্ৰজন্মকো অৱগত কৰো।

মাণিক চন্দ্ৰ বৰুৱাৰ প্ৰথম জীৱনী লেখক ছাত্ৰ তিনিজনে কিতাপত এঠাইত মন্তব্য কৰিছিল— 'তেওঁ কৰ্মক্ষেত্ৰত সোমাবৰে পৰা মৃত্যুৰ সময়লৈকে অসমৰ উন্নতিৰ অৰ্থে এনে একো কাম নাই য'ত মাণিক চন্দ্ৰ বৰুৱাৰ সংশ্ৰৱ নাছিল। আজি অসমত যি লোক মত আৰু ৰাজনীতিৰ আন্দোলন, শিক্ষাৰ বিষয়ত যি ভাবিব নোৱাৰা উন্নতি হৈছে, সেই সকলোবোৰ বৰুৱাৰ প্ৰায় ৩৫ বছৰ ব্যাপী উদ্যোগ আৰু সাধনাৰ ফল। সেয়েহে বৰুৱাৰ জীৱনীৰ আলোচনা কৰা মানে অসমৰ উন্নতিৰ বুৰঞ্জীৰ আলোচনা বুলি ক'লে বেছি কোৱা নহ'ব। অসমৰ বিবিধ প্ৰকাৰৰ উন্নতিৰ লগত জড়িত এই পুৰুষজনৰ জন্ম হৈছিল নগাঁৱত, ১৮৫১ৰ চাৰি ছেপ্টেম্বৰত। মাণিক চন্দ্ৰ বৰুৱাই ১৮৬৮ ত সেই সময়ৰ এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি গুৱাহাটীতে এফ এ পঢ়ে। সেই সময়ৰ ১৮৮৯ত গুৱাহাটী ক্লাব নামেৰে এখন সভা প্ৰতিষ্ঠা হৈছিল। এই সভাৰ লক্ষ্য আছিল ছাত্ৰৰ চৰিত্ৰ গঠন, অধ্যয়নৰ প্ৰতি মনোযোগ বঢ়োৱা, ৰচনা আৰু বক্তৃতাৰ অভ্যাস কৰোৱা। এই সভাৰ উজ্জ্বল ৰত্ন আছিল সুবক্তা জগন্নাথ বৰুৱা। মাণিক চন্দ্ৰ আৰু জগন্নাথ বৰুৱাৰ দৰে ছাত্ৰক ইংৰাজী ভাষাত ব্যুৎপত্তি লাভ কৰিবলৈ সুযোগ দিছিল। এই ব্যুৎপত্তি পাছলৈ জাতীয় উন্নতিৰ সহায়ক হৈছিলগৈ।

জগন্নাথ বৰুৱা আৰু মাণিক চন্দ্ৰ দুয়ো এফ এ পৰীক্ষাত প্ৰতিযোগিতামূলক জলপানি লাভ কৰি প্ৰেছিডেন্সি কলেজত নাম লিখেগৈ। কলিকতা তেতিয়া ভাৰতৰ ৰাজধানী আৰু শিক্ষা-সংস্কৃতি, ৰাজনৈতিক কেন্দ্ৰৰ সাৰুৱা ভূমি। এই পৰিৱেশত অসমীয়া চিন্তাশীল ছাত্ৰৰ মন আন্দোলিত নোহোৱাকৈ নাথাকিল। স্বদেশৰ উন্নতিৰ হকে জগন্নাথ বৰুৱা আৰু মাণিক চন্দ্ৰ অলপ দিনৰ ভিতৰতে কেনে সজাগ হৈ উঠিল তাৰ প্ৰমাণ ওলাল। সেই সময়ত গৱৰ্ণৰ জেনেৰেলক সাক্ষাৎ লাভ দুষ্কৰ কাৰ্য, বিশেষকৈ ছাত্ৰৰ কাৰণে। মাণিক চন্দ্ৰ আৰু জগন্নাথে 'হিন্দু পেট্ৰিয়ট' কাকতৰ সম্পাদক প্ৰখ্যাত ৰাজনীতিজ্ঞ কৃষ্ণ দাস পালৰ সহায় লৈ গৱৰ্ণৰ জেনেৰেল লৰ্ড নৰ্থব্ৰুকক সাক্ষাৎ কৰি পাছ পৰি থকা অসমৰ প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰৰ অৰ্থে ৰেললাইনৰ যে আৱশ্যক, এই কথালৈ তেওঁৰ মনোযোগ আকৰ্ষণ কৰে। এনে দুঃসাহসে মাণিক চন্দ্ৰ আৰু জগন্নাথৰ ভৱিষ্যত দেশহিতৈষী জীৱনৰ যেন সূচনাহে কৰিলে। এই ঘটনাৰ দুবছৰৰ পাছতে নৰ্থ ব্ৰুক চিলেটৰ পৰা শ্বিলঙেদি গুৱাহাটীলৈ অসম ভ্ৰমণ কৰিবলৈ আহিছিল। তাৰ সোঁৱৰণ স্বৰূপে শুক্লেশ্বৰ ঘাটত নৰ্থব্ৰুক তোৰণ সাজি উলিওৱা হৈছিল। সেই সময়ত অসমৰ চৌপাশে হাবি-জংঘল, জনসংখ্যা, কম, খেতিৰ অৱস্থা ভাল নহয়, ঠায়ে ঠায়ে চন পৰি থকা অঞ্চলবোৰত চাহ বাগিচা পতাৰ চেষ্টা চলিছিল। দেশৰ স্কুল আৰু কাছাৰীত বাংলা ভাষাৰ খদম্দম্; তাৰ উপৰি অসমৰ শাসন বংগদেশৰ লগত সাঙোৰ খোৱা। মুঠৰ ওপৰত অসমৰ অৱস্থা নাজল-নাথল। মানৰ আক্ৰমণত জুৰুলা হৈ ভালকৈ গা টঙাব নোৱাৰা অসমে পাছলৈ যেন মাণিক চন্দ্ৰ বৰুৱাৰ চিকিৎসাতহে সবল ৰূপ ল'লে। অৱশ্যে শিক্ষা সাং কৰিয়েই বৰুৱাই দেশৰ সেৱাত মন দিয়া নাছিল। পিতৃৰ মৃত্যুৰ পাছত তেওঁ প্ৰথমতে স্বাধীন জীৱিকাৰ কথাহে চিন্তা কৰিছিল আৰু সেইমতেই আগবাঢ়িছিল। এই স্বাধীন জীৱিকাৰ অন্বেষণেও একপ্ৰকাৰে তেওঁৰ ভৱিষ্যত কৰ্মপন্থাৰ সংকেত দিয়ে।

এতিয়া আমি আচল কথালৈ আহো— সেয়া হ'ল কটন কলেজৰ প্ৰতিষ্ঠাত মাণিক চন্দ্ৰ বৰুৱাৰ ভূমিকা।

১৮৭৩ ৰ ১৯ এপ্ৰিলৰ এক আইনমতে অসমৰ স্কুল আৰু কাছাৰীত বাংলাৰ ঠাইত অসমীয়া ভাষা চলিবলৈ হুকুম হয়। ১৮৭৪ত দেশখনো বংগৰ পৰা ফালি আনি এজন চীফ কমিছনাৰৰ তলত স্থাপন কৰা হয়। সেই সময়ত অসম অতি পিছ পৰা। অসমত জনমত বুলিবলৈ একোৱেই নাছিল। দেশৰ উন্নতিত জনমতৰ মূল্য অসীম, কিন্তু বাতৰি কাকতৰ সহায় নল'লে জনমত গঢ়া সহজ নহয়। তাৰ উপৰি ইয়াৰ জৰিয়তে সুখ-দুখ প্ৰকাশ কৰিব পাৰি। বাতৰি কাকত হ'ল ৰাইজৰ চকুৰ পানী, মুখৰ হাঁহি। মাণিক চন্দ্ৰ বৰুৱাই ১৮৮২ত 'আসাম নিউজ' নামে 'সাতদিনীয়া বাতৰি কাকত' স্থাপন কৰি অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাক সেই কাকতৰ সম্পাদনাৰ দায়িত্ব দিছিল। তেওঁ ধনেৰে সহায় কৰাৰ উপৰি কাকতখনত লিখিছিলো। কাকতখন যাতে নিয়মীয়াকৈ ওলায়, তাৰ অৰ্থে 'আসাম প্ৰিন্টিং কৰ্প'ৰেছন' নাম দি এটা প্ৰেছৰো ব্যৱস্থা কৰিছিল।

এই 'আসাম নিউজ'-এ সেই সময়ত চলা বাদানুবাদৰ আভাস দিছিল। অসমত তেতিয়া কলেজ নাই, গুৱাহাটী স্কুলৰ লগত এফ এ পঢ়িবলৈ যি সুবিধা সিও লোপ পালে— এইবিলাক কাৰণতে মাণিক চন্দ্ৰ বৰুৱাৰ দৰে দুই-চাৰিজন চিন্তাশীল লোকে গুৱাহাটীত কলেজ এখন পাতিবলৈ চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ ধৰিলে। ডিব্ৰুগড়ৰ ৰাধানাথ চাংকাকতি 'টাইমছ অৱ আছাম' কাকতে এওঁলোকক নৈতিক সমৰ্থন আগবঢ়াইছিল। দুই-এখন কাকতত কলেজ লাগে নে নালাগে এই বিষয়ে বিপক্ষেহে যুক্তি দিছিল। এই ধৰণৰ এখন চিঠি ১৮৯৫ৰ ২২ জুলাইত প্ৰকাশ পাইছিল 'টাইমছ অৱ আছাম'ত য'ত অসমত কলেজ নালাগে বুলিহে যুক্তি দিয়া হৈছিল। চিঠিখনৰ সাৰাংশ এনেধৰণৰ— দয়াশীল দূৰদৰ্শী চীফ কমিছনাৰ, অসমত কলেজ পাতিলে হেনো ৰাইজৰ পক্ষে সম্প্ৰতি বেয়াহে হ'ব। তেওঁৰ মতে গুৱাহাটীত পঢ়িবলৈ অহা ল'ৰাৰো খৰচ হেনো ২০ টকাই হ'ব। সেয়ে ২০ টকা বৃত্তি লৈ কলিকতালৈ পঢ়িবলৈ যোৱা বেছি ভাল হ'ব। গুৱাহাটীত চাৰি বছৰ পঢ়ি যি শিকিব, কলিকতাত এবছৰ পঢ়িয়েই শিকিব। ইত্যাদি ইত্যাদি। অৱশ্যে অসমত নাইবা গুৱাহাটীত কলেজ নলগাৰ যুক্তি আগবঢ়োৱাসকলৰ ভিতৰত গংগা গোবিন্দ ফুকন, জগন্নাথ বৰুৱা, আব্দুল মজিদ (পাছত কলিকতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ) আদি গণ্য-মান্য ব্যক্তিও আছিল।

অসমৰ দাবীৰ সাপক্ষে ১৮৯৯ৰ মাৰ্চত মাণিক চন্দ্ৰ ই চীফ কমিছনাৰৰ ওচৰত এখন স্মাৰক পত্ৰ দাখিল কৰে। তাত তেওঁ কৈছিল 'অসমেই এনে প্ৰদেশ, য'ত কলেজ নাই। ক'বলৈ গ'লে ইয়াত উল্লেখযোগ্য উচ্চ শিক্ষানুষ্ঠান একো নাই। ইউৰোপীয়ান অধ্যক্ষ ৰাখি কলেজ এখন গুৱাহাটীত পাতি দিলে ভাল হয়।'

উজনি-নামনি দুয়োফালৰ সংযোগস্থল গুৱাহাটীতে এই কলেজ স্থাপন কৰা যুগুত বুলি কাৰণ দৰ্শায়। দুই-চাৰিয়ে গুৱাহাটী অস্বাস্থ্যকৰ বুলি সমালোচনা কৰিছিল। পিছে অসমৰ হিতাৰ্থে চিন্তা কৰা শাসনকৰ্তা কটনে শেষত কলেজ এখন পতাৰ যুক্তিযুক্ততা মানিবলৈ বাধ্য হৈ ১৮৯৯ৰ ২৯ ছেপ্টেম্বৰত অসম গেজেটত কলেজ পতাৰ সিদ্ধান্ত ঘোষণা কৰিলে। কটন কলেজৰ পুৰণি অংশটো (ডাকঘৰৰ কাষত) য'ত আছে। আগত তাত পি ডব্লিউ ডি বিভাগৰ এটা অফিচ ঘৰ আছিল। সেই ঠাইডোখৰকে উপযুক্ত বুলি দেখুৱাই দিয়া হয় আৰু তাতেই ১৯০১ত কটনৰ নামেৰে ভেটি স্থাপন হয়। কটনৰ নামেৰে কলেজৰো নাম হয়। অৱশ্যে এই প্ৰস্তাৱৰ গুৰিতে আছিল মাণিক চন্দ্ৰ বৰুৱা নিজে। তদুপৰি আগৰ কাৰ্জন হ'ল আৰু বৰ্তমানৰ নবীন চন্দ্ৰ বৰদলৈ হল, আগৰ আৰ্ল আইন মহাবিদ্যালয়, বৰ্তমানৰ বিষ্ণুৰাম মেধি আইন মহাবিদ্যালয় আদি স্থাপনৰ মূল প্ৰেৰণা মাণিক চন্দ্ৰ বৰুৱাহে আছিল। কিন্তু অতি দুখৰ বিষয় যে এইবোৰৰ ক'তো মাণিক চন্দ্ৰৰ নামেৰে নামাকৰণ কৰা নহ'ল। মাথোঁ কটন কলেজৰ প্ৰশাসনিক ভৱনটোহে মাণিক চন্দ্ৰ বৰুৱাৰ নামত নামকৰণ কৰা হ'ল। অৱশ্যে মাণিক চন্দ্ৰৰ নামত প্ৰত্যেক বছৰেই এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ল য'ত সমগ্ৰ দেশৰ ছাত্ৰ-ছাত্ৰীয়ে যদিও যোগদান কৰে, কিন্তু আধাতকৈ বেছি অংশই মাণিক চন্দ্ৰ বৰুৱানো কোন আছিল নাজানে। তেওঁলোকৰ বাবে ই মাথোঁ এক গতানুগতিক প্ৰতিযোগিতা, তেওঁলোকৰ বাবে ই 'এম চি বি ডিবেট' য'ত তেওঁলোকে নিজৰ প্ৰতিভা দেখুৱাবলৈ সক্ষম হয়।

বাৰু যিয়েই নহওক কটন কলেজ এতিয়া বিশ্ববিদ্যালয়লৈ উন্নীত হ'ল। আমি জানিব পাৰিছো নতুন চৰকাৰে অসম ৰত্ন, অসমশ্ৰী আদি বঁটা প্ৰদানৰ প্ৰচেষ্টা চলাইছে। আমি ৰাইজৰ হৈ চৰকাৰক অনুৰোধ জনাইছো যেন এইগৰাকী ব্যক্তিৰ ত্যাগ আৰু অৱদানক স্বীকৃতি দি মৰণোত্তৰভাৱে হ'লেও 'অসম ৰত্ন' বঁটাৰে সন্মানিত কৰা হয়।

*ফোন ঃ ৯৮৬৪০-৪৪৪৫৩*

# ৰৌতাত হেৰ'ইনসহ দুজন আৰক্ষীৰ জালত

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১১ জুন ঃ** কালি দিনৰ ২-১৫ বজাত ৰৌতা থানাৰ আৰক্ষী আৰু লালপুলৰ আৰক্ষীৰ এটা দলে ৰৌতা থানাৰ অন্তৰ্গত আমিনপাৰাৰ সমীপৰতী ফাকিৰালীত এক অভিযান চলায়। অভিযানত আৰক্ষীৰ দলটোৱে ১০ গ্ৰাম হেৰ'ইনসহ দুজন অৰুণাচলৰ লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোক দুজন হ'ল তেন নৰবু (২১) আৰু বিজয় ৰয়। ঘটনা সন্দৰ্ভত ৰৌতা আৰক্ষী থানাত ১২১/২১ নম্বৰত এক গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

# গাঁৱক নিচামুক্ত কৰিবলৈ আঠ বছৰে

*তিনি পৃষ্ঠাৰ পৰা* কাম কৰি গৈছে। গাঁওখনত যতেই নিচাসক্ত ব্যক্তিক পাইছিল ততেই চলিছিল মহিলাৰ লাঠিৰ কোব। প্ৰথমাৱস্থাত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল যদিও গাঁৱৰ একাংশ লোকৰ প্ৰেৰণাই মহিলাসকলক উৎসাহিত কৰিছিল। বিগত আঠটা বছৰে শিমলীতোলাৰ নয়াপাৰা গাঁৱৰ মহিলাসকলে দি অহা পহৰাই যেন ফল দিছে। এটা সময়ত মদ, জুৱাৰ আড্ডাই সামাজিক পৰিৱেশ বিনষ্ট কৰা গাঁওখনত এতিয়া শান্তিৰ পৰিৱেশ নাই। নাই কোনো উৎপাত। মহিলাৰ দলটোক সম্প্ৰতি গাঁওৰক্ষী বাহিনীৰ দায়িত্ব অৰ্পণ কৰাত নিষ্ঠাৰে পালন কৰিছে সেই দায়িত্বও। আৰক্ষী প্ৰশাসনেও যৎপৰোনাস্তি সহযোগ কৰিছে মহিলাসকলক। শেহতীয়াকৈ শিমলীতোলাৰ নয়াপাৰা গাঁৱৰ এই মহিলাসকলৰ এই কামক প্ৰশংসা কৰিছে সকলোৱে।

# পাতিদৰঙৰ পথাৰৰ খালত নিৰুদ্দিষ্ট দুই

*তিনি পৃষ্ঠাৰ পৰা* পাছত পাথৰিঘাট আৰক্ষীয়ে উপস্থিত হৈ মৃতদেহ দুটা উদ্ধাৰ কৰে। মৃতদেহ দুটা যোৱা ছয় জুনৰ পৰা নিখোঁজ হৈ থকা গাঁওখনৰে মহেন্দ্ৰ ডেকাৰ কনিষ্ঠ পুত্ৰ দিজু ৰাজবংশী (৩৫) আৰু ৰামচন্দ্ৰ শৰ্মাৰ কনিষ্ঠ পুত্ৰ হেমন্ত শৰ্মা ওৰফে দ্বীপজ্যোতি শৰ্মা (২৭) বুলি চিনাক্ত কৰা হৈছে। মৃতদেহ উৰলি যোৱা আৰু দুৰ্গন্ধ ওলোৱাক লৈ লক্ষ্য কৰি তিনি-চাৰিদিন পূৰ্বে যুৱক দুজনৰ মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। কি পৰিস্থিতিত যুৱক দুজনৰ মৃত্যু ঘটিল তাকে লৈ ৰহস্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে বিগত কেইদিন হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত খেতিপথাৰ পানীৰে উপচি পৰিছে। কোনো পাৰ নথকাকৈ পথাৰত নতুনকৈ খন্দা খালৰ পানী আৰু পথাৰৰ পানী একে সমান হৈ আছে। একাংশ লোকে সন্দেহ কৰা মতে, যুৱক দুজনে পথাৰলৈ মাছ ধৰিবলৈ গৈ থাকোতে হঠাতে খালত পৰি উঠিব নোৱাৰাৰ ফলতে মৃত্যু হৈছে। যুৱক দুজনৰ এইদৰে মৃতদেহ উদ্ধাৰৰ পাছতে অঞ্চলটোত শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে।

# চাৰিদুৱাৰত ভুৱা চিকিৎসক গ্ৰেপ্তাৰ

*তিনি পৃষ্ঠাৰ পৰা* উৎখাত কৰাৰ লগতে ভুৱা চিকিৎসক জিতেন্দ্ৰ বসুমতাৰীক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে অসম-অৰুণাচল সীমান্তৰ চেঙেলীমৰাৰ শাবাৰীৰ নিজা বাসগৃহতে বসুমতাৰীয়ে এইখন চিকিৎসালয়ৰ লগতে এখন বৃহৎ ফাৰ্মাচী চলাই গৈছিল। সকলো ধৰণৰ চিকিৎসা ইয়াত কৰাৰ লগতে ৰোগীও ৰখা ভুৱা চিকিৎসকজনে নিদানপত্ৰ দিছিল আৰু সেই কথা ইমানদিনে কাৰো চকুত পৰা নাছিল। চাৰিদুৱাৰ আৰু ভালুকপুঙৰ মাজৰ অঞ্চলটোত এনেদৰে চিকিৎসা তথা এখন চিকিৎসালয় অকলেই চলাই থকা বসুমতাৰীক আজি গ্ৰেপ্তাৰৰ পাছত তেওঁ নিজে চিকিৎসা সেৱাৰ প্ৰশিক্ষণ লোৱা তথা ফাৰ্মাচিষ্ট উত্তীৰ্ণ বুলি দাবী কৰিছিল যদিও ইয়াৰ কোনো প্ৰমাণপত্ৰ প্ৰদৰ্শন কৰিব নোৱাৰিলে। পাছত তেওঁৰ পৰা শোণিতপুৰৰ মিছামাৰীৰ ৰিকামাৰীৰ 'ৰুৰেল হেল্থ ছ'চাইটি' নামৰ এক দাতব্য অনুষ্ঠান বুলি দাবী কৰা এক বেচৰকাৰী সংস্থাৰ সদস্য গ্ৰাম্য স্বাস্থ্যকৰ্মী বুলি ২০০৮ত দিয়া এখন প্ৰমাণ উদ্ধাৰ কৰা হয়। এইখন প্ৰমাণপত্ৰ লৈয়েই হাস্পতাল আৰু চৰকাৰী অনুজ্ঞাপত্ৰহীন ফাৰ্মাচী চলাই যোৱা ভুৱা চিকিৎসকজনক গ্ৰেপ্তাৰ কৰাৰ লগতে চিকিৎসালয় আৰু ফাৰ্মাচী ছীল কৰা হৈছে। উল্লেখ্য যে আজি আৰক্ষীৰ অভিযানৰ সময়ত ইয়াত কে'বাজনো ৰোগী ভৰ্তি হৈয়েই আছিল।

# ক'ভিড পৰীক্ষাক লৈ ৰোগীৰ অভিভাৱক

*তিনি পৃষ্ঠাৰ পৰা* আহে। ইপিনে, ফাৰ্মাচীখনৰ গৰাকীয়ে সকলো পৰীক্ষা কৰিলে প্ৰায় সাত হেজাৰ টকা খৰচ পৰিব বুলি উল্লেখ কৰে। এই সন্দৰ্ভত মহিলাগৰাকীয়ে হাতত সিমান পৰিমাণৰ ধন নাই বুলি কয় আৰু পৰীক্ষা পাছত কৰিম বুলি ফাৰ্মাচীখনৰ পৰা সেয়া লৈ পুনৰ চিকিৎসালয়ৰ ফাৰ্মাচী আৰু লেব'ৰেটৰীলৈ আহি উক্ত পৰীক্ষা সম্পৰ্কে জানিব বিচাৰে। তেতিয়া এটাৰ বাহিৰে বাকী সকলো পৰীক্ষা চিকিৎসালয়তে হ'ব বুলি কয় আৰু যাৱতীয় পৰীক্ষা সম্পন্ন কৰে। পিছদিনা উক্ত পৰীক্ষাৰ ৰিপ'ৰ্ট দেখাবলৈ চিকিৎসক ডাঃ চহৰীয়াৰ ওচৰলৈ যায় মহিলাগৰাকীয়ে। মহিলাগৰাকীৰ ভাষ্য অনুসৰি, চিকিৎসকজনে দুটা পৰীক্ষা ভুল হোৱা বুলি কৈ আকৌ কৰিব লাগিব বুলি কয়। ইপিনে, চৰকাৰী চিকিৎসালয়ৰ ৰিপ'ৰ্ট চৰকাৰী চিকিৎসকে ভুল বুলি কোৱাত মহিলাগৰাকীয়ে বিষয়টো চিকিৎসালয়খনৰ অধীক্ষকক জনোৱাত তেওঁ লিখিত অভিযোগ দিবলৈ মহিলাগৰাকীক পৰামৰ্শ দিয়ে। ইপিনে, এই ঘটনাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি চিকিৎসক ডাঃ চহৰীয়াই এয়া সম্পূৰ্ণ ষড়যন্ত্ৰমূলক বুলি সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে। মহিলাগৰাকীয়ে তেওঁক দুৰ্ব্যৱহাৰ কৰিছে বুলি অভিযোগ কৰে। এই ষড়যন্ত্ৰৰ আঁৰত চিকিৎসালয়খনৰ একাংশ লোক জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে আৰু প্ৰয়োজনত নাম প্ৰকাশ কৰিব বুলিও দৃঢ়তাৰে কয় চিকিৎসকজনে।

# কোকৰাঝাৰত নলা-নৰ্দমাত জাবৰৰ দ'ম

*তিনি পৃষ্ঠাৰ পৰা* নে নহয় ইয়াৰ সমগ্ৰ দিশ অধ্যয়ন কৰে। উল্লেখ্য যে কোকৰাঝাৰ চহৰৰ মাজমজিয়াত থকা বহুতো নলা-নৰ্দমা ঘন জংঘল আৰু জাবৰ-জোথৰৰ দ'মৰে বন্ধ হৈ পৰাত এজাক বৰষুণ দিলেই চহৰত কৃত্ৰিম বানপানীৰ সমস্যাত জীয়াতু ভুগিব লগা হয় সাধাৰণ ৰাইজ। ইফালে, কোকৰাঝাৰ চহৰৰ নাৱাবাৰী, কোৰ্টপাৰা আৰু থানাপাৰাৰে বৈ যোৱা নলা-নৰ্দমাৰ ওপৰত একাংশ অসাধু লোকে দখল কৰাৰ লগতে ঘৰ, দোকান সাজি নলা-নৰ্দমাবোৰ সংকুচিত কৰিছে। তদুপৰি জাৱৰ-জোথৰৰ দ'ম পেলাই পানী নিৰ্গৰিত হোৱাত বাধা যোগোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিশেষভাৱে কোকৰাঝাৰ চহৰৰ কোৰ্টপাৰাস্থিত পেঞ্চন ভৱনৰ কাষেৰে বৃহৎ নলা-নৰ্দমাতো দিনকদিনে একাংশ অসাধু লোকে দখল কৰি সংকুচিত কৰাই নহয় কোকৰাঝাৰি হৈ কোৰ্টপাৰা অঞ্চলত কৃত্ৰিম বানৰ সমস্যাই দেখা দিছে। আনহাতে, কোকৰাঝাৰ চহৰৰ থানাপাৰা হৈ নাৱাবাৰীৰে বৈ যোৱা নলা-নৰ্দমাবোৰতো একাংশই জাবৰ-জোঁথৰৰ দ'ম পেলাই এক অস্বাস্থ্যকৰ পৰিৱেশ সৃষ্টি কৰি তোলাই নহয় আন একাংশই নলাৰ ওপৰত পকী দোকান দি দখলস্বত্ব চসেলাৰাৰ অঘোষিত প্ৰতিযোগিতাৰ সৃষ্টি কৰিছে। তেনে ক্ষেত্ৰত কোকৰাঝাৰ চহৰৰ মাজেদি বৈ যোৱা নলা-নৰ্দমাবোৰত একাংশই মাটি দখল দি বন্ধ কৰা আৰু নৰ্দমাৰ ওপৰত বেআইনীভাৱে পকী দোকান ঘৰ নিৰ্মাণ কৰি দখল কৰা সকলৰ বিৰুদ্ধে জিলা প্ৰশাসনে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰিলে কোকৰাঝাৰত কৃত্ৰিম বানপানীৰ সমস্যা সমস্যা হৈ ৰ'ব।

# ৩০ জুনৰ ভিতৰত ১৯ খন বিছনাযুক্ত

*তিনি পৃষ্ঠাৰ পৰা* হাৰ হ্ৰাস, ফ্ৰন্ট লাইনৰ কৰ্মীৰ টিকাকৰণ সম্পূৰ্ণ, চাহ বাগিচা অঞ্চলত ক'ভিড সজাগতা, আনুষংগিক ৰোগ থকা, ক'ভিড ৰোগীক গুৱাহাটীলৈ প্ৰেৰণ, প্ৰতিজন ক'ভিড ৰোগীকে সম্পূৰ্ণ প্ৰণালীবদ্ধভাৱে ৰখা, আৰক্ষী বিভাগে কঠোৰভাৱে ক'ভিড বিধি প্ৰয়োজ্য কৰাকে ধৰি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰে। ইপিনে, জিলাখনৰ দায়িত্বত থকা হেতুকে মন্ত্ৰীজনে কৃষি, উদ্যোগ আৰু বাণিজ্য, বন আৰু পৰিৱেশ, মীন, জলসিঞ্চন, পশু চিকিৎসা, গ্ৰামোন্নয়ন আদিকে ধৰি সকলো বিভাগকে নিৰ্দিষ্ট পৰিকল্পনা প্ৰস্তুত কৰি আগবাঢ়িবলৈ পৰামৰ্শ দিয়ে। মন্ত্ৰীজনে অহা সাতদিনৰ ভিতৰত নিজ নিজ বিভাগৰ সমস্যা আৰু সমস্যাৰ সমাধান সূত্ৰৰ লগতে জিলাখনৰ উত্তৰণৰ বাবে আঁচনি যুগুত কৰি প্ৰতিবেদন দাখিল কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। পৰ্যালোচনা সভাত মন্ত্ৰী পীযুষ হাজৰিকাই বিভাগীয় বিষয়াৰ পৰা মৰিগাঁও জিলাত থকা মথাউৰিসমূহৰ বিস্তৃত খতিয়ান লয়। মেৰামতিৰ প্ৰয়োজন হোৱা মথাউৰিসমূহ অতি সোনকালে মেৰামতি কৰাৰ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি বানপানীৰ বাবে সৃষ্টি হ'ব পৰা যিকোনো পৰিস্থিতিৰ বাবে স্বাস্থ্য, কৃষি আদি বিভাগকো নিৰ্দেশ দিয়ে। এই বৈঠকত লাহৰীঘাটৰ বিধায়ক ডাঃ আছিফ নাজাৰ, জিলা আৰক্ষী অধীক্ষক অৰ্পণা নটৰজানকে ধৰি উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পাছতে মন্ত্ৰীজনে ঝাৰগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত খলনিবিল গাঁৱৰ পথালি পাহাৰ চুবুৰিৰ কণ্টেইনমেণ্ট পৰিদৰ্শন কৰি আবদ্ধ লোকৰ স'তে মত বিনিময় কৰে।

# আঠ মাহ পাছত চিকিৎসালয়ত মুকলি

*তিনি পৃষ্ঠাৰ পৰা* চিকিৎসালয়খনৰ চিকিৎসক ডাঃ পৰেশ কলিতা, ডাঃ অৰূপ কলিতা আৰু ডাঃ মনোজ চৌধুৰীয়ে অস্ত্ৰোপচাৰ কৰিছিল। কিন্তু কি কাৰণত এই দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হয় তাৰ কোনো তাৎক্ষণিক কাৰণ বুজি পোৱা নগ'ল আৰু এই বিষয়ক কেন্দ্ৰ কৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ভুক্তভোগী পৰিয়ালকেইটাই এই ঘটনা সংক্ৰান্তত বৰপেটাৰোড আৰক্ষী থানাত সেই সময়ত গোচৰ ৰুজু কৰিছিল। আনহাতে, এই ঘটনাৰ আলম লৈ চিকিৎসালয়খনৰ অধীক্ষকে চিকিৎসালয়খনৰ প্ৰসূতি অস্ত্ৰোপচাৰ কৰা বন্ধ কৰি ৰাখে। ফলত যোৱা আঠ মাহে অস্ত্ৰোপচাৰ প্ৰক্ৰিয়া বন্ধ হোৱাত সাধাৰণ তথা দুখীয়া প্ৰসূতি হাৰাশাস্তিৰ সন্মুখীন হৈ আহিছিল। চিকিৎসালয়খনৰ পৰা অধিকাংশ ৰোগীকে কেৱল বৰপেটা চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিয়ে এই চিকিৎসালয়খনৰ একাংশ চিকিৎসকে দায়িত্ব সামৰাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। এনে পৰিস্থিতিত সৰভোগ সমষ্টিৰ স্থানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰে শেহতীয়াকৈ চিকিৎসালয়খনত পদাৰ্পণ কৰি এই বিষয়টো আলোচনা কৰিছিল আৰু জিলা প্ৰশাসনৰ দৃষ্টিগোচৰ কৰিছিল। তদুপৰি বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এই বিষয়ত তৎপৰতা দেখুৱাইছিল। এনেবোৰ কাৰকৰ মাজতে আজি বৰপেটাৰোডত উপস্থিত হয়হি বৰপেটা জিলাৰ নৱনিযুক্ত উপায়ুক্ত ভূষাল। তেওঁ চিকিৎসালয়খনৰ অধীক্ষক, চিকিৎসকৰ স'তে আলোচনাত মিলিত হোৱাৰ পাছতে চিকিৎসালয়খনত আঠ মাহে বন্ধ হৈ থকা প্ৰসূতিৰ অস্ত্ৰোপচাৰ প্ৰক্ৰিয়া আজিৰে পৰা পুনৰ মুকলি কৰা হয়। বৃহত্তৰ বৰপেটাৰোড অঞ্চলৰ একমাত্ৰ উন্নত চিকিৎসালয় হিচাপে পৰিচিত বৰপেটাৰোড খণ্ড প্ৰাথমিক চিকিৎসালয়ত প্ৰসূতিৰ অস্ত্ৰোপচাৰ অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰি উপায়ুক্ত তেজপ্ৰসাদ ভূষালে চিকিৎসকসকলক জিলা প্ৰশাসনৰ পৰা সকলো সুবিদা প্ৰদান কৰা হ'ব বুলি আশ্বাসৰ পাছতে চিকিৎসালয়খনত আঠ মাহ পাছত অস্ত্ৰোপচাৰ মুকলি হোৱা বুলি দোহাৰে।

# জিলা কাৰাগাৰৰ ভিতৰতো ড্ৰাগছ

*তিনি পৃষ্ঠাৰ পৰা* এই বেহাত জড়িত কোনো ব্যক্তিৰ বিৰুদ্ধে আদালতে শাস্তি বিধানৰ ব্যৱস্থা ল'ব পৰা নাই। আনহাতে, কাৰাগাৰলৈ নিক্ষেপ কৰা ড্ৰাগছ আসক্তই কাৰাগাৰৰ ভিতৰতো সহজতেই ড্ৰাগছৰ যোগান লাভ কৰি থকাৰ ভয়ংকৰ তথ্যও সদৰী কৰে। ইয়াৰ বিপৰীতে গোলাঘাট জিলা কাৰাগাৰত ড্ৰাগছ আসক্তি দূৰকৰণ কেন্দ্ৰ এটা স্থাপনৰ তেওঁ পৰামৰ্শ আগবঢ়ায়। উক্ত সভাত বিভিন্ন মহিলা সংগঠনৰ প্ৰতিনিধিও ড্ৰাগছৰ বিৰুদ্ধে গোলাঘাটত আৰক্ষীৰ ভূমিকা মুঠেই সন্তোষজনক নহয় বুলি অভিযোগ কৰে। বৈঠকখনত তেওঁক জিলাখনৰ বিভিন্ন সমস্যা বিশেষকৈ গোলাঘাট নগৰত আৱৰ্জনা ব্যৱস্থাপনা, নগৰত ঘৰেঘৰে পাইপ গেছ যোগান, খোৱাপানী যোগান, স্বাস্থ্য খণ্ডৰ সমস্যা, নাৰী সুৰক্ষা, শিশু শ্ৰমিক, খাদ্য সুৰক্ষা আদি বিষয়সমূহৰ লগতে ধনশিৰি মহকুমাৰ বিভিন্ন সমস্যা সন্দৰ্ভত অৱগত কৰা হয়। উক্ত অনুষ্ঠানত গোলাঘাটৰ জ্যেষ্ঠ নাগৰিক, সাংবাদিক দ্বীপেন দত্তই কয় যে গোলাঘাট নগৰত পানী যোগান ব্যৱস্থা উন্নত কৰাৰ লগতে আৱৰ্জনা নিষ্কাসনৰ সুব্যৱস্থা কৰাটো নিতান্তই প্ৰয়োজন। তেওঁ বিনামূলীয়া ডায়েলাইছিছ কেন্দ্ৰ স্থাপন, প্ৰশাসন ব্যৱস্থা অধিক স্বচ্ছ কৰা আদি বিভিন্ন দিশ সম্পৰ্কে উল্লেখ কৰে। উক্ত অনুষ্ঠানত গোলাঘাট প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি তথা গোলাঘাট সন্মিলিত নাগৰিক মঞ্চৰ সাধাৰণ সম্পাদক দিগন্ত কুমাৰ ভূঞা, গোলাঘাট মহিলা সমিতিৰ সভানেত্ৰী জুৰি দাস ৰাজখোৱা, মহেশ্বৰ বসুমতাৰী, অৱসৰপ্ৰাপ্ত অধ্যাপক দীনেশ গগৈ, গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সম্পাদক সঞ্জীৱ সন্দিকৈ, সাংবাদিক দীপেন বৰা, সৰুপথাৰ চেম্বাৰ্ছ অব কমাৰ্চৰ ছবিৰ চৌধুৰী, গোলাঘাট মাৰোৱাৰী সন্মিলনৰ সভাপতি জে কে মালপানী আদিয়ে সভাত বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰে। উপায়ুক্তই সকলোৰে পৰামৰ্শ গ্ৰহণ কৰি বিষয়সমূহ পৰৱৰ্তী সময়ত চিন্তা-চৰ্চা কৰা হ'ব বুলি কয়।

# টিহুত এবিভিপিৰ 'মিছন আৰোগ্য অভিযান'

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১১ জুন ঃ** দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো কৰ'না সংক্ৰমণ বৃদ্ধি পাই থকাৰ সময়তে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ চমুকৈ এবিভিপিৰ টিহু শাখাৰ উদ্যোগত কালিৰ পৰা টিহুত 'মিছন আৰোগ্য অভিযান'ৰ আৰম্ভ হয়। উক্ত অভিযানৰ অংশ হিচাপে এবিভিপিৰ টিহু শাখাৰ এটি সঁজাতী দলে টিহুৰ হাৰিভাঙা অঞ্চলত কৰ'না মহামাৰীৰ বাবে সজাগতা সৃষ্টি কৰাৰ লগতে সম্পূৰ্ণ স্বাস্থ্যসন্মত বিধি ৰক্ষা কৰি গাঁওখনৰ ঘৰে ঘৰে গৈ অক্সিজেনৰ মাত্ৰা পৰীক্ষা, শৰীৰৰ উষ্ণতা জোখাৰ লগতে মাস্ক বিতৰণ কৰি সকলোৰে মাজত সজাগতা সৃষ্টি কৰা পৰিলক্ষিত হয়। সংগঠনটোৰ উদ্যোগত টিহুৰ বিভিন্ন গ্ৰামাঞ্চলত' মিছন আৰোগ্য অভিযান' অব্যাহত থাকিব বুলি সঁজাতী দলটোত উপস্থিত থকা বিষয়ববীয়া আৰু সদস্যসকলে কয়।

# বাঁহজানীৰ যজ্ঞভূমিত কৃতী ছাত্ৰ দীনেশ মিশ্ৰক স্মৰণ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১১ জুন ঃ** নলবাৰী জিলাৰ জানিগোগ (কৰেবাৰীৰ) সন্তান, কলিকতা, বিশ্ববিদ্যালয়ৰ পৰা স্বৰ্ণ পদক প্ৰাপক কৃতী ছাত্ৰ দীনেশ মিশ্ৰক কালি ক'ভিড প্ৰট'কল মানি অনুষ্ঠুপীয়াকৈ স্মৰণ কৰা হয়। উল্লেখ্য যে প্ৰয়াত সাহিত্যিক, চিন্তাবিদ শশী শৰ্মাৰ ঐকান্তিক প্ৰচেষ্টাত ভূমিষ্ঠ হোৱা তথা গোপালথান যজ্ঞভূমি উন্নয়ন সমিতিৰ অন্তৰ্গত দীনেশ মিশ্ৰ কেন্দ্ৰীয় গ্ৰাম্য পুথিভঁৰাল সমিতিৰ উদ্যোগত প্ৰয়াত মিশ্ৰক স্মৰণ কৰাৰ আদিতে পতাকা উত্তোলন কৰে পুথিভঁৰালৰ সভাপতি কনক বাচ্যসে আৰু বন্তি প্ৰজ্বলন কৰে উন্নয়ন সমিতিৰ সভাপতি অশোক কুমাৰ শৰ্মাই। পুথিভঁৰালৰ সম্পাদক সন্তোষ শৰ্মাই আঁত ধৰা অনুষ্ঠানত উন্নয়ন সমিতিৰ উপ-সভাপতি নৰ শৰ্মা, সাধাৰণ সম্পাদক প্ৰশান্ত কুমাৰ চৌধুৰী, কাৰ্যনিৰ্বাহক পংকজ চৌধুৰী, দীপক শৰ্মা, মনোৰাম কলিতা, প্ৰবীৰ চক্ৰৱৰ্তী, আছু নেতা প্ৰণৱ শৰ্মা সহ বহু সংখ্যকে স্মৰণ কৰি প্ৰয়াত কৃতী ছাত্ৰ দীনেশ মিশ্ৰৰ জীৱনৰ আলোকপাত কৰে।

# তেজপুৰত সমাজকৰ্মীৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১১ জুন ঃ** তেজপুৰৰ এগৰাকী ব্যৱসায়ী তথা সমাজকৰ্মী সীতাৰাম পাণ্ডে(৭২)ৰ পৰহি সন্ধিয়া ৫-৪৫ বজাত উচ্চ ৰক্তচাপৰ ফলত মৃত্যু হয়। তেজপুৰৰ নিউ আমোলাপট্টি নিবাসী পাণ্ডে তেজপুৰৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ স'তে জড়িত ইয়াৰ উন্নয়নৰ ক্ষেত্ৰত ব্যক্তিগতভাৱে অৱদান আগবঢ়াইছিল। ঐতিহ্যমণ্ডিত মহাভৈৰৱ মন্দিৰ, গেৰেকীৰ হনুমান মন্দিৰ, ৰামকৃষ্ণ সেৱাশ্ৰম, জাহাজঘাট দুৰ্গা মন্দিৰৰ স'তে জড়িত থকা পাণ্ডেই মহাভৈৰৱ মন্দিৰৰ সৌন্দৰ্য বৰ্ধনৰ ক্ষেত্ৰত ব্যক্তিগত অৰিহণা আগবঢ়াই থৈ গৈছে। তদুপৰি বানৰ সময়ত বহু লোকৰ সহায় কৰা এইজন ব্যক্তিয়ে নীৰৱে একাংশ আৰ্থিকভাৱে দুৰ্বল লোককো নিয়মীয়াকৈ সহায় কৰি গৈছিল। যোৱা কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি আছিল পাণ্ডেই। তিনিজন পুত্ৰ কন্যা আৰু পত্নীক এৰি যোৱা পাণ্ডেৰ বিয়োগত বহু অনুষ্ঠান তথা ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে।

# হোজাইত অধ্যক্ষৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১১ জুন ঃ** হোজাইৰ মোৱাঝাৰৰ বৰপুখুৰীস্থিত মাৰাম একামেডীৰ অধ্যক্ষ তথা যমুনাপৰীয়া শাখা সাহিত্য সভাৰ এগৰাকী একনিষ্ঠ সেৱক শিক্ষক মনোৰঞ্জন নন্দী (৭০)ৰ পৰহি সন্ধিয়া উচ্চ ৰক্তচাপজনিত কাৰণত মৃত্যু হয়। হঠাৎ অসুস্থ হৈ পৰাত চিকিৎসালয়ত নি থকা অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। শেহতীয়া যমুনাপৰীয়া শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত হোজাই জিলা সাহিত্য সভাৰ মাৰাম একাডেমীত অনুষ্ঠিত বানান আৰু আখৰ জোঁটনি কৰ্মশালাৰ অভ্যৰ্থনা সমিতিৰ সভাপতিও আছিল তেওঁ। মৃত্যুৰ সময়ত পত্নী, তিনি পুত্ৰ আৰু তিনিগৰাকী কন্যা এৰি যায়।

# পাগলাদিয়া নৈৰ দলং, উৰণীয়া সেতু, কৃত্ৰিম বান সমস্যা সমাধানৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১১ জুন ঃ** পাগলাদিয়া নৈৰ ওপৰত নিৰ্মীয়মান দলং, হৰি মন্দিৰ ৰেলৰে ক্ৰছিঙত নিৰ্মীয়মান উৰণীয়া সেতু, বৰকুৰা ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী উৰণীয়া সেতুৰ কাম খৰতকীয়াকৈ কৰাৰ লগতে নলবাৰী চহৰৰ কৃত্ৰিম বান, ৰাস্তা-ঘাটৰ সমস্যা আৰু জাবৰ-জোঁথৰ চাফ কৰা তথা সমাধানৰ দাবীত কালি এন টি ৰোড হৰিমন্দিৰৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰে নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাই। নলবাৰী চহৰৰ কৃত্ৰিম বান সমস্যা আজিলৈ সমাধান নহ'ল। তদুপৰি স্থানীয় আৰু আঞ্চলিক সমস্যাসমূহ সমাধানৰ বাবে নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাই প্ৰৱল দাবী উত্থাপন কৰে। সম্পূৰ্ণ ক'ভিড বিধি মানি কৰা বিক্ষোভ কাৰ্যসূচীত উপস্থিত থাকে। আছুৰ শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱা, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মন, সাধাৰণ সম্পাদক, নৱ কুমাৰ ডেকা, উপদেষ্টা হৰিহৰ শৰ্মা, দেৱজিৎ ভট্টাচাৰ্য, অৰ্ণৱজ্যোতি আৰ্য, উপ-সভাপতি বিশাল বিক্ৰম চৌধুৰী, সহকাৰী সাধাৰণ সম্পাদক ভৱেশ ডেকা প্ৰমুখ্যে আছুৰ কে'বাগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

# চাংসাৰিত ৰাষ্ট্ৰীয় ঘাইপথত

*তিনি পৃষ্ঠাৰ পৰা* লওঁতেই গুৱাহাটীৰ পৰা বাইহাটা চাৰিআলি অভিমুখী এ এছ-০১ জে চি-৫৫৪৬ নম্বৰ তীব্ৰ বেগী ট্ৰাক এখনে মহটিয়াই লৈ যায়। ফলত চাইকেল আৰোহী কলিতাৰ থিতাতে মৃত্যু ঘটে।

# খাৰুপেটীয়াত আৰক্ষীৰ জালত

*তিনি পৃষ্ঠাৰ পৰা* ভোটপুখুৰী গাঁৱৰ ৰফিকুল ইছলাম (২২), আলিকাষ গাঁৱৰ শুকুৰ আলী (৩০) আৰু চফিকুল ইছলাম (২৩)। আৰক্ষীয়ে তিনিওৰে বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰি আজি জেললৈ প্ৰেৰণ কৰে।

# বিজয়নগৰৰ উপৰহালীত

*তিনি পৃষ্ঠাৰ পৰা* ওচৰতে থকা উপৰহালী ওজাপাৰাৰ ভাড়াঘৰত অভিযান চলাই নিষিদ্ধ কফ ছিৰাপৰ ৭০ টা বটল লুকাই থোৱা অৱস্থাত উদ্ধাৰ কৰে। দখলা কলনী নিবাসী পংকজ কুমাৰ দাসে উপৰহালী ওজাপাৰাত কনক চন্দ্ৰ তালুকদাৰ নামৰ লোকজনৰ ঘৰত ভাড়াতীয়া হিচাপে থাকি উপৰহালী চ'কত আৰ বি মেডিকেলখন চলাই আছিল। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ফামাচীখনৰ স্বত্বাধিকাৰী পংকজ কুমাৰ দাসক আটক কৰি ভাৰতীয় দণ্ড বিধিৰ অধীনত ৩৮৯/২১ নম্বৰত গোচৰ ৰুজু কৰি আদালতলৈ প্ৰেৰণ কৰে।

# বিটিআৰত আঁচনিৰ পৰ্যালোচনা

*তিনি পৃষ্ঠাৰ পৰা* কোকৰাঝাৰ, বাগ্‌সা আৰু ওদালগুৰি জিলা উপায়ুক্তসকল ক্ৰমে নৰেন্দ্ৰ কুমাৰ কুমাৰ শ্বাহ, আয়ুস গাৰ্গ, ড০ উদয় প্ৰবীন উপস্থিত থাকে। অতিৰিক্ত মুখ্য সচিবে জিলা ভিত্তিক জলজীৱন আঁচনিৰ ৰূপায়ণৰ ক্ষতিয়ান লয়। সভাত আঁচনিসমূহৰ ৰূপায়ণত চৰকাৰী নীতি-নিৰ্দেশনাৰ ওপৰতো আলোচনা কৰে। অতিৰিক্ত মুখ্য সচিবজনে সভাত উপস্থিত থকাসকলক আহ্বান জনাই নিৰ্দিষ্ট সময়ত আঁচনি ৰূপায়ণৰ বাবে যাতে নিৰ্দিষ্ট সময়ত গ্ৰামাঞ্চলৰ জনতাই ঘৰত পানী যোগান লাভ কৰিবলৈ সক্ষম হয়। জল সম্পদ বিভাগৰে হোৱা আন এক সভাতো অংশগ্ৰহণ কৰে অতিৰিক্ত মুখ্য সচিবে। বিটিআৰৰ সাম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত আলোচনা হয়। সাম্ভাব্য বান পৰিস্থিতিৰ মুখামুখী হ'ব পৰাকৈ প্ৰস্তুতি লোৱাৰ আহ্বান জনায় অতিৰিক্ত মুখ্য সচিবজনে। সভাত অতিৰিক্ত উপায়ুক্তসকলৰ লগতে বিটিআৰৰ চাৰিওখন জিলাৰ জনস্বাস্থ্য কাৰিকৰি বিভাগ আৰু জল সম্পদ বিভাগৰ মুৰব্বীসকলো উপস্থিত থাকে।

# ঘগ্ৰাপাৰৰ কে'বাখনো বিদ্যালয়ত দীৰ্ঘদিন ধৰি বিনা বেতনে কৰ্মৰত

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১১ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰত চতুৰ্থশ্ৰেণীৰ কৰ্মচাৰী হিচাপে বিনা বেতনে ১৫ বছৰে কৰ্মৰত হৈ আছে এজন লোক। উল্লেখ্য যে ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্গত কে'বাখনো বিদ্যালয়ত বছৰ বছৰ ধৰি বিনা বেতনে চতুৰ্থশ্ৰেণীৰ কৰ্মচাৰী হিচাপে কৰ্মৰত হৈ থকা পৰিলক্ষিত হৈছে। ইয়াৰে খণ্ডটোৰ অন্তৰ্গত লাটিমাস্থিত বিশ্বনাথ শৰ্মা মজলীয়া বিদ্যালয়ত স্থানীয় যুৱক ৰুবুল শৰ্মাই ২০০৫ৰ পহিলা আগষ্টত কামত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। বাহাৰঘাট মজলীয়া বিদ্যালয়ত ২০০৫ৰ পহিলা এপ্ৰিলত স্থানীয় যুৱক ইজাম আলীয়ে কামত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। ঘোঁহকুছি বিদ্যাপীঠ মধ্য ইংৰাজী বিদ্যালয়ত গকুল দাসে ২০০৭ৰ পহিলা ছেপ্টেম্বৰত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। নানকাৰ ভয়ৰা মজলীয়া বিদ্যালয়ত চম্পক বৰ্মনে ২০০৭ৰ পহিলা মাৰ্চত কামত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। নাহেৰবাৰী মিলন মধ্য ইংৰাজী বিদ্যালয়ত ৰফিকুল ইছলামে আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। বৰাজোল এম ই মাদ্ৰাছাত ফকৰ উদ্দিন আহমেদে ২০১০ৰ পহিলা মাৰ্চত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। একেদৰে আল্লিয়াস্থিত পশ্চিম বনভাগ এম ই মাদ্ৰাছাত ৰফিকুল ইছলামে কামত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। উল্লেখ্য যে বড়িগোগ বনভাগ শিক্ষা খণ্ডটোৰ অন্তৰ্গত লাটিমাস্থিত বিশ্বনাথ শৰ্মা মজলীয়া বিদ্যালয়খন মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ককাদেউতাকৰ নামত উৎসৰ্গিত বিদ্যালয়। উক্ত বিদ্যালয়খনত স্থানীয় যুৱক এজনে এনেদৰে আজি ১৫ বছৰে বিনা বেতনে কৰ্মৰত হৈ থাকিবলগীয়া হোৱাত বিভিন্ন মহলত বিষয়টো চৰ্চিত হৈ পৰিছে। তদুপৰি বিগত বৰ্ষৰ শেষৰ ফালে আৰু চলিত বৰ্ষৰ প্ৰথমভাগত তথা নিৰ্বাচনৰ আগমুহূৰ্তত বিভিন্ন বিভাগৰ বিপৰীতে চলি থকা নিয়োগ ব্যৱস্থাৰ মাজতে বিদ্যালয়সমূহৰ বিপৰীতে কৰ্মৰত হৈ থকা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলক দৰমহাৰ ব্যৱস্থা তথা নিযুক্তি প্ৰদান কৰিব লাগে বুলিও বিভিন্ন মহলে মত ব্যক্ত কৰিছিল। উল্লেখ্য যে এইসকলৰ মাজৰে বিশ্বনাথ শৰ্মা মজলীয়া বিদ্যালয়ত কৰ্মৰত ৰুবুল শৰ্মা আৰু বাহাৰঘাট মজলীয়া বিদ্যালয়ত কৰ্মৰত ইজাম আলীয়ে দুই-তিনিমাহ দৰমহা লাভ কৰিছিল। প্ৰণিধানযোগ্য যে শিক্ষা বিভাগে মাজে-সময়ে কৰ্মৰত এইসকল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পৰা বিভিন্ন নথি-পত্ৰ সংগ্ৰহ কৰি আহিছে। তেওঁলোকৰ চাকৰিকেইটা কাম দিনৰ ভিতৰত হ'ব বুলি আশ্বাস প্ৰদান কৰি ইয়াৰ মাজতে বিগত অক্টোবৰৰ শেষৰ ফালে এইসকল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পৰা পুনৰ নথি-পত্ৰ সংগ্ৰহ কৰাৰ লগতে তেওঁলোকৰ চাকৰিকেইটা নৱেম্বৰৰ শেষৰ ফালে অথবা ডিচেম্বৰৰ আগভাগতে হ'ব বুলিও গুণগুণি চলিছিল। সেই সময়ত কোনো ধৰণৰ সেউজ সংকেত নোপোৱাত শিক্ষা বিভাগে আকৌ আভুৱা ভাঁৰিলে বুলি এইসকল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে খেদ প্ৰকাশ কৰিছে। তদুপৰি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সম্পৰ্কীয় বিষয়টো নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰে অতি আন্তৰিকতাৰে লৈ আজি ইমান বছৰে বিনা বেতনে কৰ্মৰত হৈ থকা এইসকল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক অতি শীঘ্ৰে দৰমহা তথা নিযুক্তি প্ৰদান কৰি দৰিদ্ৰ পৰিয়ালকেইটাৰ দুবেলা দুমুঠি অন্নৰ দিহা কৰাৰ ব্যৱস্থা কৰিবলৈ স্থানীয় সচেতন লোকে মত ব্যক্ত কৰিছে।

# সমাজসেৱক যাত্ৰাভিনেতা মহেন্দ্ৰ দাসৰ মৃত্যু

**ছয়গাঁও, ১১ জুন ঃ** দক্ষিণ কামৰূপৰ যাত্ৰা নাট্যদলৰ এসময়ৰ আগশাৰীৰ অভিনেতা তথা ৰামপুৰ মৌজাৰ হকৰাপাৰা বামুণপাৰাৰ বাসিন্দা, সমাজসেৱক মহেন্দ্ৰ দাসৰ কালি গুৱাহাটীৰ মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালত দেহাৱসান হয়। ক'ভিড-১৯ত আক্ৰান্ত দাসক এসপ্তাহ পূৰ্বে হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। ক'ভিডৰ বিৰুদ্ধে যুঁজ দিয়া দাসৰ শেষ সময়ত নিগেটিভ হৈছিল যদিও হাস্পতালতেই জীৱন নাটৰ সামৰণি পৰে। তেওঁ জন্মভূমি হকৰাপাৰা গাঁৱৰ লগতে ৰামপুৰ মৌজাৰ অনেক শৈক্ষিক, ধৰ্মীয়, সাংস্কৃতিক অনুষ্ঠানৰ স'তে জড়িত হৈ নিস্বাৰ্থভাৱে সেৱা আগবঢ়াইছিল। বিশেষকৈ ভাগৰতীপাৰাস্থিত মাধৱদেৱ হাইস্কুলৰ ২০১৫ত হোৱা সোণালী জয়ন্তীত দেহে-কেহে খাটি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাত যথেষ্ট অৰিহণা যোগাই গৈছে। চাৰিগৰাকী কন্যা আৰু এজন পুত্ৰ সন্তানৰ পিতৃ দাসে অসম চৰকাৰৰ কৃষি বিভাগত চাকৰি কৰি অৱসৰ গ্ৰহণ কৰিছিল। দক্ষিণ কামৰূপৰ ৰামপুৰ, বাটৰহাট, দখলা, উপৰহালী আদি অঞ্চলৰ কে'বাটাও যাত্ৰাদলৰ দক্ষ অভিনেতা হিচাপে মনপৰশা অভিনয়ৰে দৰ্শকৰ মনত গভীৰ সাঁচ বহুৱাই গৈছে। অভিনয় শিল্পীজনৰ বিয়োগত ভাগৰতীপাৰা আঞ্চলিক উন্নয়ন সমাজৰ প্ৰাক্তন সভাপতি ৰমেশ চন্দ্ৰ শৰ্মা, মাধৱদেৱ হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী মীনা কুমাৰী মহন্ত, ৰামপুৰ আঞ্চলিক জনকল্যাণ সমিতিৰ সম্পাদক বিমল শৰ্মা, ভাগৰতীপাৰা শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক প্ৰদীপ কলিতা প্ৰমুখ্যে অনেক দল-সংগঠনৰ প্ৰতিনিধিয়ে গভীৰ শোক প্ৰকাশ কৰে।

# তীৰ্থ নগৰী হাজোত গাঞ্জাসহ পাঁচজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১১ জুন ঃ** ৰাজ্য চৰকাৰৰ তৎপৰতাত অসম আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়তে হাজো আৰক্ষীয়ে যোৱা নজুনৰ নিশা হাজোৰ ভেলামাৰী অঞ্চলৰ পৰা গাঞ্জাসহ পাঁচজনকৈ যুৱকক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, কালি নিশা ৰাইজৰ অভিযোগ আৰু গোপন খবৰৰ ভিত্তিত হাজো আৰক্ষীয়ে ভেলামাৰী অঞ্চলত অভিযান চলাই প্ৰায় চাৰিশ গ্ৰাম গাঞ্জাসহ ক্ৰমে আৰিফুল ইছলাম (২৭), আজিজুল আহমেদ (২৮), মোনোৱাৰ হুছেইন, আৰচাদ হুছেইন (৩০) আৰু মইনুদ্দিন শিকদাৰ (৩১)ক আটক কৰি থানলৈ আনে। কালি আটাইকেইজনকে আদালতত হাজিৰ কৰাই জেল হাজোতলৈ প্ৰেৰণ কৰে। ইফালে, স্থানীয় ৰাইজে হাজো আৰক্ষীক দিয়া অভিযোগ অনুসৰি, আৰিফুল নামৰ যুৱকজনে তেওঁৰ এ এছ ০১/ডি বি/৮৭৭০ নম্বৰৰ মাৰুতিখন ভাড়ালৈ আনি নিচাজাতীয় দ্ৰব্য সৰবৰাহ কৰি অঞ্চলটোৰ নৱপ্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। ইতিমধ্যে আৰক্ষীয়ে উক্ত মাৰুতিখনো জব্দ কৰিছে।

# প্ৰাক্তন মন্ত্ৰী অৰ্ধেন্দু কুমাৰ দেৰ সহধৰ্মিণীৰ বিয়োগত শোক

**অগ্ৰদূত বাৰ্তা**



**হোজাই, ১১ জুন ঃ** প্ৰাক্তন মন্ত্ৰী তথা হোজাই সমষ্টিৰ প্ৰাক্তন বিধায়ক, কিছুদিন আগতে বিজেপিত যোগদান কৰে ডাঃ অৰ্ধেন্দু দেৰ সহধৰ্মিণী মায়া দে (৭৮)ৰ আজি দেহাৱসান ঘটে। হোজাই চহৰৰ ঠাকুৰবাড়ি পথৰ প্ৰাক্তন মন্ত্ৰীজনৰ মালিকানাধীন 'দেজ নাৰ্ছিংহোম'ত পুৱা মৃত্যু হয় মায়া দেৰ। ১৯৪৩ৰ পহিলা মাৰ্চত জন্মগ্ৰহণ কৰা মায়া দেৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে মায়া দে কিছুদিন পূৰ্বে ক'ভিডত আক্ৰান্ত হৈছিল যদিও পাছত নিগেটিভ হয়। তেওঁৰ বাৰ্ধক্যজনিত অন্যান্য ৰোগৰ চিকিৎসা চলি আছিল। সদায় ৰাইজৰ সেৱা কৰি ভাল পোৱা মায়া দেই মৃত্যুৰ পূৰ্বেও তেওঁৰ সোণৰ আ-অলংকাৰবোৰ দুখীয়া ছোৱালীৰ বিবাহত দান হিচাপে আগবঢ়াই দিয়াৰ বাবে অৰ্ধেন্দু দেক কৈ যোৱা বুলি প্ৰাক্তন মন্ত্ৰীজনে শোক প্ৰকাশ কৰে। আজি শান্তিবন শ্মশানত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয় মায়া দেৰ। মায়া দেয়ে মৃত্যুৰ সময়ত স্বামী অৰ্ধেন্দু কুমাৰ দে, পুত্ৰ অনিৰুদ্ধ দেসহ বহু গুণমুগ্ধক এৰি যায়। তেওঁৰ মৃত্যুত হোজাইৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

# গোৱালপাৰাত যৌতুক বিচাৰি পত্নীক শিক্ষক স্বামীৰ নিৰ্যাতন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১১ জুন ঃ** গোৱালপাৰা সদৰ থানাৰ অন্তৰ্গত হাছিলাপাৰাৰ বাসিন্দা তথা চহৰৰ প্ৰাথমিক বিদ্যালয় এখনৰ সহকাৰী শিক্ষক ৰফিকুল ইছলামে যৌতুক বিচাৰি পত্নীক নিৰ্যাতন চলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত ভুক্তভোগী মহিলাগৰাকীয়ে যোৱা ২৯ মে'ত গোৱালপাৰা সদৰ থানাত স্বামী ৰফিকুল ইছলামৰ লগতে দেৱৰ ফজলুল কৰিম আৰু শাহুআই ছালেহা খাতুনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে।

## থানাত এজাহাৰ দাখিল

উক্ত এজাহাৰত উল্লেখ কৰা মতে সামাজিক ৰীতি-নীতি অনুসৰি ১৯৯৪ত ৰফিকুল ইছলামে হুৰকাকুচীৰ মন্নাফ আলীৰ কন্যা মঞ্জুৱা খানমক বিয়া কৰে। বিয়াৰ সময়তো কন্যাৰ পিতৃয়ে অসম টাইপ গৃহ নিৰ্মাণ কৰি দিয়াৰ লগতে যৌতুকো দিছিল। তথাপি বিয়াৰ পাছৰে পৰাই যৌতুক বিচাৰি স্বামী আৰু স্বামীৰ পৰিয়ালৰ লোকে মঞ্জুৱাক শাৰীৰিক-মানসিক অত্যাচাৰ চলায়। ইয়াৰ মাজতে তেওঁলোকৰ সংসাৰত তিনিজনকৈ সন্তান জন্ম হয়। একমাত্ৰ স্বামীৰ সংসাৰ কৰাৰ স্বাৰ্থতে মঞ্জুৱাই নীৰৱে স্বামী পৰিয়ালৰ সকলো অত্যাচাৰ সহ্য কৰিছিল। শেহতীয়াকৈ যোৱা ১৫ এপ্ৰিলত ৰফিকুলে পত্নীৰ পৰা পাঁচলাখ টকা যৌতুক হিচাপে দাবী কৰে। পত্নীয়ে উক্ত দাবী কৰা ধন দিবলৈ অস্বীকাৰ কৰাত মঞ্জুৱাৰ স্বামী, দেৱৰ আৰু শাহুৱে শাৰীৰিক নিৰ্যাতন চলায়। মাতৃক ৰক্ষা কৰাৰ চেষ্টা কৰা বাবেই মঞ্জুৱাৰ পুত্ৰ ময়িদুল ইছলামকো ভাবুকি প্ৰদান কৰে। সম্প্ৰতি মাতৃয়ে পুত্ৰ সন্তানসহ পিতৃৰ ঘৰত আশ্ৰয় লৈ থকা বুলি এজাহাৰত উল্লেখ কৰিছে। আৰক্ষীয়ে গোচৰটো ৩৩৫/২১ নম্বৰত ভাৰতীয় দণ্ডবিধিৰ ৪৯৮/৩২৬/৩২৫/৩৪ ধাৰাৰ লগতে আৰ ডব্লিউ যৌতুক বিৰোধী আইন ১৯৬১ ধাৰাত ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

# হৰিশিঙাৰ কৃতী শিক্ষয়িত্ৰী নীলাঞ্জনা দাস ডেকাৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**টংলা, ১১ জুন ঃ** ওদালগুৰি জিলাৰ হৰিশিঙা থানাৰ অন্তৰ্গত ফাঁচিয়া কোচপাৰা নিৱাসী বানেশ্বৰ ডেকাৰ সহধৰ্মিণী কৃতী শিক্ষয়িত্ৰী নীলাঞ্জনা দাস ডেকাৰ পৰহি নিশা ১১ বজাত উচ্চ ৰক্তচাপজনিত কাৰণত মৃত্যু হয়। ওদালগুৰি জিলা শিক্ষক সন্থাৰ এগৰাকী নিষ্ঠাবান সদস্য, লুপ্তপ্ৰায় বিয়ানামৰ নামতি ধৰ্মপ্ৰাণ মহিলাগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৬৬ বছৰ। মৃত্যুৰ সময়ত স্বামী, পুত্ৰ, তিনিগৰাকী কন্যা এৰি যায়। তেওঁক মৃত্যুত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দিব্যজ্যোতি ডেকা, ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (পশ্চিম)ৰ সভাপতি হেমন্ত বৰা কোচ, সাধাৰণ সম্পাদক মুকুন্দ ডেকা প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# ডবকাত মুমূৰ্ষু অৱস্থাত

*তিনি পৃষ্ঠাৰ পৰা* উল্লেখ্য যে ডবকা আৰক্ষী থানাৰ অন্তৰ্গত ভেলৌগুৰি গাঁৱৰ ৰুহুল আলী নামৰ যুৱকজনৰ স'তে একে গাঁৱৰে এগৰাকী যুৱতীৰ দীৰ্ঘদিন ধৰি প্ৰেম সম্পৰ্ক আছিল। এই প্ৰেমক লৈ যুৱতীগৰাকীৰ পৰিয়ালে কে'বাবাৰো যুৱকজনৰ পৰিয়ালৰ লগত সংঘাতত লিপ্ত হৈছিল। মৃত ৰুহুলৰ পৰিয়ালে কৰা অভিযোগ মতে, যোৱা নিশা ৰুহুলৰ প্ৰেমিকাই লগ পোৱাৰ উদ্দেশ্যৰে ফোনযোগে যুৱকজনক মাতি পঠাইছিল। ইফালে, নিশা বহু পৰলৈকে ঘৰত ৰুহুল আলীক বিচাৰি নোপোৱাত পৰিয়ালে ওচৰে-পাঁজৰে বিচাৰ-খোচাৰ কৰে। পাছত পাহাৰৰ পৰা নামি অহা এটি জুৰিত অচেতন অৱস্থাত তললৈ মুখ কৰি পৰি থকা অৱস্থাত যুৱকজনক উদ্ধাৰ কৰে। উদ্ধাৰ কৰা যুৱকজনৰ শৰীৰৰ বিভিন্ন স্থানত ক্ষত-বিক্ষত হোৱাৰ চিন আছিল। পাছত ততাতৈয়াকৈ যুৱকজনক উদ্ধাৰ কৰি ডবকা ৩০ খন বিছনাযুক্ত চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও সংকটজনক অৱস্থাত উন্নত চিকিৎসাৰ বাবে প্ৰথমে নগাঁও আৰু পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ নিয়া হয়; কিন্তু চিকিৎসাধীন অৱস্থাত আজি যুৱকজনৰ মৃত্যু হয়। উত্থাপিত অভিযোগ মতে, যুৱতীগৰাকীৰ পৰিয়ালৰ লোকে অতি কৌশলগতভাৱে যুৱকজনক প্ৰেমিকাৰ হতুৱাই মাতি নি মাৰপিট কৰি অতি মুমূৰ্ষু অৱস্থাত ওচৰতে থকা পাহাৰৰ পৰা নামি অহা জুৰিটোত পেলাই থৈ যায়। এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি মৃত যুৱকৰ পৰিয়ালে অভিযোগ কৰিছে। ইতিমধ্যে যুৱকজনৰ মাতৃ আচমা বিবিয়ে প্ৰেমিকাৰ ভ্ৰাতৃ আজিবুৰ ৰহমানক মূল অভিযুক্ত সজাই পৰিয়ালটোৰ বিৰুদ্ধে ডবকা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ডবকা আৰক্ষীয়ে এটি গোচৰ পঞ্জীয়ন কৰি আজিবুৰ ৰহমানক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে।

দৈনিক অগ্ৰদূত



## উত্তৰাখণ্ডত 'ব্লেক ফাংগাছ'ৰ আতংক ঃ আক্ৰান্ত ৩৫৬ জন, মৃত্যু ৫৬ ৰোগীৰ



**নিউজ ব্যুৰ', ডেৰাডুন, ১১ জুন ঃ** দেশত কৰ'না ভাইৰাছৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৰ প্ৰকোপ ক্ৰমে হ্ৰাস পাইছে। এফালে, দৈনিক সংক্ৰমণ হ্ৰাস পোৱাৰ লগতে ক'ভিডত দৈনিক মৃত্যুৰ সংখ্যাও পূৰ্বৰ তুলনাত বহুখিনি অৱনমিত হৈছে। কিন্তু ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱাৰ সময়তে দেশৰ বিভিন্ন অঞ্চলত 'ব্লেক ফাংগাছ' অৰ্থাৎ কৃষ্ণ ভেঁকুৰৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। উত্তৰাখণ্ডত ক'ভিড ৰোগীৰ মাজত 'ব্লেক ফাংগাছ'ৰ সংক্ৰমণ বৃদ্ধি পাইছে। বৰ্তমানলৈকে ৰাজ্যখনত ৩৫৬ জন 'ব্লেক ফাংগাছ' আক্ৰান্ত ৰোগী ধৰা পৰিছে। এইসকল ৰোগীৰ ৫৬ জনৰ এই ভেঁকুৰজনিত সংক্ৰমণত ইতিমধ্যে মৃত্যু হৈছে।

## ২০ জুলাইত মহাকাশলৈ উৰা মাৰিব বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি জেফ বেজ'ছে



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১১ জুন ঃ** বিশ্বৰ অন্যতম ধনাঢ্য ব্যক্তি তথা এমেজনৰ মুখ্য কাৰ্যবাহী বিষয়া জেফ বেজ'ছে অচিৰে তেওঁৰ শৈশৱৰ এটি স্বপ্ন পূৰণ কৰিব। অহা ২০ জুলাইত নিজৰ মালিকানাধীন কোম্পানী ব্লু অৰিজিনে নিৰ্মাণ কৰা ৰকেটৰ জৰিয়তে মহাকাশ অভিমুখে যাত্ৰা আৰম্ভ কৰিব এইজন অৰ্বুদপতিয়ে। প্ৰকাশিত বাতৰি অনুসৰি, এই যাত্ৰাৰ সময়ত মাত্ৰ ১১ মিনিট সময় বেজ'ছে মহাকাশত অতিবাহিত কৰিব। বিশ্বৰ সৰ্বাধিক ধনাঢ্য ব্যক্তি বেজ'ছৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৯০ বিলিয়ন ডলাৰ। বেজ'ছে নিজৰ কোম্পানীয়ে তৈয়াৰ কৰা ৰকেটৰ জৰিয়তে মহাকাশলৈ উৰা মাৰিব যদিও এই অভিযান যথেষ্ট বিপজ্জনক। এনে অভিযানত অংশ লোৱা মহাকাশচাৰীৰ জীৱনৰ শংকাও থাকে। স্মৰ্তব্য যে এনে এক অভিযানতে পূৰ্বে ভাৰতীয় মূলৰ মহাকাশচাৰী কল্পনা চাওলাৰ মহাকাশযানৰে যাত্ৰাৰ সময়ত দুৰ্ঘটনাত মৃত্যু হৈছিল। চি এন এনৰ বাতৰি অনুসৰি, বেজ'ছে উৰা মাৰিব লগা মহাকাশযানখনে ভূপৃষ্ঠৰ পৰা ১০০ কিলোমিটাৰ উচ্চতালৈ যাত্ৰা কৰিব।

## নুছৰতৰ যদি বিয়া হোৱা নাছিল, নিমন্ত্ৰণ কেনেকৈ খালে মমতাই ঃ প্ৰশ্ন বিজেপি সভাপতিৰ



**নিউজ ব্যুৰ', কলকাতা, ১১ জুন ঃ** তৃণমূল কংগ্ৰেছৰ সাংসদ তথা অভিনেত্ৰী নুছৰত জাহানৰ বিবাহ বিতৰ্কক লৈ ৰাজনৈতিক প্ৰতিক্ৰিয়া অব্যাহত আছে। এইবাৰ বিষয়টোৰ সন্দৰ্ভত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক সাঙুৰি কটাক্ষ কৰিলে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ ঘোষে। নুছৰত বিতৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ঘোষে কয়, 'বিয়া যদি হোৱা নাছিল, তেন্তে নিমন্ত্ৰণত উপস্থিত থাকি মমতা বেনাৰ্জীয়ে বিয়া খালে কেনেকৈ? ডাঙৰ প্ৰতাৰণা।' উল্লেখ্য যে নুছৰত আৰু নিখিল জৈনৰ তুৰস্কত বিবাহ সম্পন্ন হোৱাৰ পাছত কলকাতাৰ এখন বিলাসী হোটেলত অভ্যৰ্থনাৰ আয়োজন কৰা হৈছিল আৰু উক্ত অভ্যৰ্থনাত মুখ্যমন্ত্ৰী মমতা উপস্থিত আছিল। কিছুদিন পূৰ্বে সাংসদ নুছৰতে দাবী কৰি কৈছিল যে নিখিলৰ স'তে তেওঁৰ বিবাহ হোৱা নাছিল, বৰঞ্চ তেওঁ নিখিলৰে 'লিভ ইন' সম্পৰ্কতহে আছিল।

## ক'ভিড পৰিস্থিতিত দ্বাদশৰ পৰীক্ষা বাতিল উত্তৰাখণ্ডত



**নিউজ ব্যুৰ', ডেৰাডুন, ১১ জুন ঃ** কৰ'নাৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰাখণ্ডৰ শিক্ষা বিভাগে এইবাৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা বাতিল কৰাৰ সিদ্ধান্ত ল'লে। ৰাজ্য চৰকাৰখনে এই কথা ঘোষণা কৰি জনোৱা মতে, এইবেলি সকলো ছাত্ৰ-ছাত্ৰীকে উত্তীৰ্ণ কৰোৱা হ'ব। যিসকল ছাত্ৰ-ছাত্ৰীয়ে কম নম্বৰ লাভৰে উত্তীৰ্ণ হোৱা বুলি অনুভৱ কৰে, তেন্তে ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰিব বুলিও ৰাজ্যখনৰ শিক্ষা বিভাগে জানিবলৈ দিয়ে। উল্লেখ্য যে উত্তৰাখণ্ড ব'ৰ্ডৰ অধীনত দ্বাদশ শ্ৰেণীত এক লাখ ২৩ হেজাৰ পঞ্জীকৃত ছাত্ৰ-ছাত্ৰী আছে।



## পদ্মবিভূষণ নালাগে, ১৩৫ কোটি মানুহৰ মৰমেই যথেষ্ট ঃ ছনু সুদ

**নিউজ ব্যুৰ' মুম্বাই, ১১ জুন ঃ** ২০২০ত দেশত হোৱা প্ৰথম তলাবন্ধৰ সময়ৰ পৰাই সমস্যাগ্ৰস্ত লোকক অহৰহ নানা ধৰণৰে সহায়-সহযোগিতা আগবঢ়াই অহা বলিউডৰ অভিনেতা ছনু সুদে প্ৰায়ে সংবাদ শিৰোনাম দখল কৰি আহিছে। দৰিদ্ৰ লোকক এইদৰে সহায় কৰি বাস্তৱৰ নায়কত পৰিণত হোৱা অভিনেতাজনক পদ্মবিভূষণ প্ৰদান কৰিবলৈ দাবী জনালে তেওঁৰ এজন অনুৰাগীয়ে। টুইটাৰত এইদৰে অনুৰাগীয়ে জনোৱা দাবীৰ প্ৰসংগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি ছনুৱে উত্তৰ দি ক'লে '১৩৫ কোটি মানুহৰ পৰা মৰম লাভ কৰিছো। এয়াই হৈছে মোৰ বাবে সবাতোকৈ ডাঙৰ সন্মান।' এইবাৰৰ তলাবন্ধতো বলিউডৰ এইজন অভিনেতাই সমস্যাগ্ৰস্ত লোকক নানা উপায় আৰু মাধ্যমৰে সহায়-সহযোগিতা আগবঢ়াই আহিছে।



## ক'ভিশ্বিল্ডৰ দুপালিৰ মাজত পুনৰ ব্যৱধান সলনি

**নিউজ ব্যুৰ' নতুন দিল্লী, ১১ জুন ঃ** কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে ক'ভিশ্বিল্ডৰ প্ৰতিষেধক প্ৰদানৰ সময়সূচী সলনি কৰিলে। দ্বিতীয়টো পালি প্ৰদানৰ ব্যৱধান পূৰ্বে দুবাৰ বৃদ্ধি কৰাৰ পাছত এইবাৰ বিদেশ যাত্ৰাৰ ক্ষেত্ৰত যাত্ৰীৰ বাবে সময়ৰ ব্যৱধান হ্ৰাস কৰা হৈছে। অৰ্থাৎ একাংশ শ্ৰেণী লোকৰ ক্ষেত্ৰত প্ৰতিষেধকৰ দুটা পালি গ্ৰহণৰ ক্ষেত্ৰত ৮৪ দিন (১২ৰ পৰা ১৬ সপ্তাহ) অপেক্ষা কৰাৰ প্ৰয়োজন নহ'ব। ২৮ দিন (চাৰিৰ পৰা ছয় সপ্তাহ)ৰ ব্যৱধানৰ পাছতে একাংশ লোকে ক'ভিশ্বিল্ডৰ দ্বিতীয় পালি প্ৰতিষেধক ল'ব পাৰিব। উল্লেখ্য যে ক'ভাক্সিনৰ ক্ষেত্ৰত দুপালিৰ ব্যৱধান পূৰ্বৰ ২৮ দিনতে ৰখা হৈছিল। নতুন নিয়ম অনুসৰি আন্তঃৰাষ্ট্ৰীয় যাত্ৰা কৰিব বিচৰা ব্যক্তিসকলৰ ক্ষেত্ৰত ক'ভিশ্বিল্ডৰ দ্বিতীয়টো পালি গ্ৰহণৰ বাবে ৮৪ দিন অপেক্ষা কৰাৰ প্ৰয়োজন নহ'ব, এইসকল লোকে ২৮ দিন পাছতে দ্বিতীয়টো পালি লাভ কৰিব।

## দেশৰ দৰিদ্ৰ নাগৰিকক নগদ ধনৰ যোগান, ১৫০ দিনৰ কাম প্ৰদানৰ দাবী ন'বেল বঁটাজয়ী বেনাৰ্জীৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১১ জুন ঃ** কৰ'না ভাইৰাছৰ দ্বিতীয়টো সংক্ৰমণৰ ঢৌত পুনৰ দেশৰ লাখ লাখ লোক কৰ্মসংস্থাপনহীন হ'ল। এইসকল লোকে সম্প্ৰতি দুবেলা দুসাঁজ আহাৰৰ বাবে হাহাকাৰ কৰিব লগা হৈছে। ন'বেল বঁটাজয়ী অৰ্থনীতিবিদ অভিজিত বেনাৰ্জীয়ে এটা টেলিভিছন চেনেলৰ সাক্ষাৎকাৰত কৰ'নাৰ প্ৰভাৱৰ পৰা দেশৰ সৰ্বসাধাৰণ নাগৰিকক সকাহ দিবলৈ চৰকাৰক মনৰেগা আঁচনিৰ কৰ্মদিনৰ সীমা ১০০ৰ পৰিৱৰ্তে ১৫০ দিনলৈ বৃদ্ধিৰ পৰামৰ্শ দিলে। সাক্ষাৎকাৰতটোত বেনাৰ্জীয়ে দেশৰ দৰিদ্ৰ নাগৰিকৰ হাতত নগদ ধন সাহায্য হিচাপে আগবঢ়াবলৈ চৰকাৰক পুনৰ আহ্বান জনায়। নিটি আয়োগৰ উপাধ্যক্ষ ৰাজীৱ কুমাৰে অলপতে কৈছিল যে চৰকাৰে দৰিদ্ৰ লোকক নগদ ধন প্ৰদান কৰিলে বজাৰত চাহিদা বৃদ্ধি নাপাব, কিয়নো দৰিদ্ৰই ধন ব্যয় কৰিবলৈ নিবিচাৰে। নিটি আয়োগৰ উপাধ্যক্ষৰ এই মন্তব্যৰ প্ৰসংগত সাক্ষাৎকাৰটোত অৰ্থনীতিবিদ বেনাৰ্জীয়ে কয়, 'দৰিদ্ৰৰ হাতত প্ৰত্যক্ষভাৱে ধন দিয়াটো এক ভাল সিদ্ধান্ত হ'ব পাৰে। চৰকাৰে মনৰেগাৰ জৰিয়তে বৰ্তমানৰ ১০০ দিনৰ পৰিৱৰ্তে ১৫০ দিনৰ কাম দৰিদ্ৰক দিয়াৰ ব্যৱস্থা কৰক। দৰিদ্ৰক নগদ ধন দিলে সেয়া তেওঁলোকে ব্যয় নকৰি সঞ্চয় কৰিব বুলি ভবাটো সঠিক নহ'ব। অৱশ্যে আপুনি যদি দৰিদ্ৰক কয় যে মাত্ৰ ইমানখিনিয়ে সাহায্য দিয়া হ'ব, তেতিয়া তেওঁলোকে লাভ কৰা ধন ৰাহি কৰিব বিচাৰিব। সেয়েহে দৰিদ্ৰৰ মাজত আস্থা আৰু নিৰাপত্তা ভাব বৃদ্ধি কৰিব লাগিব আৰু সেয়েহে মই ১৫০ দিন কৰ্মপ্ৰদানৰ পৰামৰ্শ দিছো।' উল্লেখ্য যে ন'বেলজয়ী অৰ্থনীতিবিদজনে কৰ'নাৰ সংক্ৰমণৰ আৰম্ভণিৰে পৰা চৰকাৰক পৰামৰ্শ দি দৰিদ্ৰৰ হাতত নগদ ধন দিবলৈ আহ্বান জনাই আহিছে। আনকি প্ৰয়োজনত ইয়াৰ বাবে নোট ছপা কৰিবলৈকো বেনাৰ্জীয়ে পৰামৰ্শ দিছিল।



## অনিয়ন্ত্ৰিত টিকাকৰণত ভয়াৱহ হ'ব পাৰে পৰিস্থিতি ঃ মোদীলৈ পত্ৰ এইমছ্‌ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জুন ঃ** অপৰিকল্পিত আৰু অনিয়ন্ত্ৰিত টিকাকৰণৰ ফলত দেশত কৰ'নাৰ সংক্ৰমণ হ্ৰাস পোৱাৰ সলনি নতুন প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণে বিপদ বৃদ্ধি কৰিব পাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ প্ৰেৰণ কৰা এখন পত্ৰত এইদৰে চৰকাৰক টিকাকৰণ সন্দৰ্ভত সতৰ্ক কৰি দিলে নতুন দিল্লীস্থ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ৰ চিকিৎসক আৰু নেচনেল টাস্ক ফ'ৰ্চৰ একাংশ সদস্যই। স্বাস্থ্য বিশেষজ্ঞৰ দলটোৰ মতে, কৰ'নাত আক্ৰান্ত হৈ অলপতে সুস্থ হোৱা লোকক তাৎক্ষণিকভাৱে ক'ভিড প্ৰতিষেধক প্ৰদান কৰাৰ প্ৰয়োজন নাই। ইণ্ডিয়ান পাব্লিক হেল্‌থ এছ'চিয়েচন, ইণ্ডিয়ান এছ'চিয়েচন অব প্ৰিভেনটিভ এণ্ড ছ'চিয়েল মেডিচিন, ইণ্ডিয়ান এছ'চিয়েচন অব এপিডেম'ল'জিষ্টৰ বিশেষজ্ঞই নিজৰ প্ৰতিবেদনত স্পষ্টভাৱে উল্লেখ কৰিছে যে চৰকাৰে ক'ভিডৰ গণ টিকাকৰণৰ পৰিৱৰ্তে যিসকল লোক ক'ভিডত সংক্ৰমিত হোৱাৰ শংকা আছে, তেনে লোককহে টিকাকৰণত অগ্ৰাধিকাৰ দিয়া উচিত। অন্যথা হিতে বিপৰীত হ'ব পাৰে বুলি বিশেষজ্ঞসকলে সকীয়াই দিছে। প্ৰধানমন্ত্ৰীলৈ লিখা পত্ৰত বিশেষজ্ঞই কয় যে সকলোকে টিকাপ্ৰদানৰ সিদ্ধান্ত বুমেৰাং প্ৰমাণিত হ'ব পাৰে। যিসমূহ অঞ্চলত বিশেষ প্ৰজাতিৰ ভাইৰাছৰ প্ৰভাৱ অধিক, সেইসমূহ অঞ্চলত টিকাকৰণত অগ্ৰাধিকাৰ দিয়া জৰুৰী বুলি বিশেষজ্ঞই পত্ৰত উল্লেখ কৰিছে। দেশৰ ১৮ উৰ্ধ্বৰ বয়সৰ সকলো লোকক টিকাকৰণৰ পৰিকল্পনা নীতিগতভাৱে সুন্দৰ হ'লেও ই বাস্তৱসন্মত নহয় বুলিও বিশেষজ্ঞই মত প্ৰকাশ কৰিছে। দেশত ক'ভিডত মৃত্যুৰ হাৰ হ্ৰাস কৰিবলৈ হ'লে প্ৰবীণ নাগৰিকৰ টিকাকৰণত অগ্ৰাধিকাৰ দিয়াৰ লগতে মেদবহুলতা আৰু অন্যান্য ৰোগত আক্ৰান্ত লোকসকলক সৰ্বপ্ৰথমে প্ৰতিষেধক দিয়া উচিত বুলি বিশেষজ্ঞই প্ৰধানমন্ত্ৰীক পৰামৰ্শ দিছে।

## ইউৰোপত তলাবন্ধ প্ৰত্যাহাৰ, পৰ্যটকৰ বাবে খোল খাব ২০ খন দেশৰ দুৱাৰ



**নিউজ ব্যুৰ', পেৰিছ, ১১ জুন ঃ** কৰ'না ভাইৰাছৰ শেহতীয়া সংক্ৰমণৰ ঢৌ দুৰ্বল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আকৌ এবাৰ পৰ্যটকৰ বাবে দুৱাৰ মুকলি কৰিবলৈ সাজু হৈছে ইউৰোপৰ ২০ খন দেশ। ইতিমধ্যে ২১ জুনৰ পৰা ব্ৰিটেইনত তলাবন্ধ প্ৰত্যাহাৰৰ কথা ঘোষণা কৰা হৈছে। ইটালী, স্পেইন আৰু ফ্ৰান্সে হোটেল, ৰেস্তোৰাঁ, পৰ্যটন কেন্দ্ৰ আৰু আন্তৰ্জাতিক বিমানসেৱা চৰ্ত সাপেক্ষে এসপ্তাহৰ ভিতৰত পুনৰ আৰম্ভ কৰিব। টিকাগ্ৰহণ কৰা লোককহে ফ্ৰান্সত প্ৰৱেশৰ অনুমতি দিয়া হ'ব। ইটালীত বিদেশী পৰ্যটকৰ ক্ষেত্ৰত ক'ভিড পৰীক্ষণ আৰু ১০ দিনৰ কোৱাৰেণ্টাইন বাধ্যতামূলক। গ্ৰীচতো প্ৰতিষেধক গ্ৰহণ কৰা আৰু ক'ভিডত আক্ৰান্ত নোহোৱা লোককহে প্ৰৱেশৰ অনুমতি দিয়া হ'ব। স্পেইনত অৱশ্যে বৰ্তমানে ভাৰতীয়ক প্ৰৱেশ কৰিব দিয়া নহ'ব। ব্ৰিটেইনতো ১০ দিনৰ কোৱাৰেণ্টাইন বাধ্যতামূলক ঘোষণা কৰা হৈছে। ইফালে, ইউৰোপীয় সংঘয়ো চৰ্ত সাপেক্ষে তলাবন্ধ শিথিলকৰণৰ যো-জা চলাইছে। জাৰ্মানী, বুলগেৰিয়া, ক্ৰুৱেছিয়া, চেক গণৰাজ্য, ডেনমাৰ্ক, পোলেণ্ড প্ৰভৃতি দেশে পৰ্যটকৰ বাবে পুনৰ দুৱাৰ মুকলি কৰিবলৈ সাজু হৈছে।

## ১৯০১ৰ পাছত দেশত দ্বিতীয় সৰ্বাধিক বৃষ্টিপাত ২০২১ৰ মে'ত

**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জুন ঃ** ২০২১ বৰ্ষৰ মে'ত বিগত ১২০ বছৰৰ পাছত দ্বিতীয় সৰ্বাধিক বৃষ্টিপাত হ'ল। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি, ১৯০১ৰ পাছত ১৯৯০ৰ মে'ত সৰ্বাধিক ১১০.৭ মিলিমিটাৰ বৃষ্টিপাত ভাৰতত হৈছিল। চলিত বৰ্ষৰ যোৱা মাহত দেশত পুনৰ দ্বিতীয় সৰ্বাধিক ১০৭.৯ মিলিমিটাৰ বৃষ্টিপাত হ'ল। বৃষ্টিপাতৰ এই পৰিমাণ আছিল মে'ৰ গড় বৰ্ষণৰ তুলনাত ৭৪ শতাংশ অধিক। বতৰ বিজ্ঞান বিভাগে লগতে প্ৰকাশ কৰা মতে, যোৱা মে'ৰ নিৰিখত চলিত বৰ্ষত দেশৰ গড় তাপমাত্ৰা যথেষ্ট কম আছিল। ১৯০১ বৰ্ষৰ পৰা ২০২১ৰ মে'ত দেশৰ গড় তাপমাত্ৰা আছিল চতুৰ্থ সৰ্বনিম্ন। যোৱা মাহত ভাৰতৰ গড় তাপমাত্ৰা আছিল ৩৪.১৮ ডিগ্ৰী চেলচিয়াছ। ১৯০১ৰ পাছত মে'ত সৰ্বনিম্ন গড় তাপমাত্ৰা আছিল ১৯১৭ বৰ্ষত। উক্ত বৰ্ষত মে'ত গড় তাপমাত্ৰা আছিল ৩২.৬৮ ডিগ্ৰী চেলচিয়াছ। ইফালে, ১৩ বছৰৰ পাছত যোৱা মে'ত দেশৰ ৰাজধানী দিল্লীত সৰ্বাধিক পৰিমাণৰ বৃষ্টিপাত হ'ল। যোৱা মাহত দিল্লীত ১৪৪.৮ মিলিমিটাৰ বৃষ্টিপাত হৈছিল।



## কুলভূষণ প্ৰসংগত আই চি জেৰ ৰায়ত সেও মানিলে পাকিস্তানে



**নিউজ ব্যুৰ', ইছলামাবাদ, ১১ জুন ঃ** পাকিস্তানৰ কাৰাগাৰত বন্দী হৈ থকা ভাৰতীয় নাগৰিক কুলভূষণ যাধৱৰ গোচৰত পাকিস্তানৰ সংসদে ইণ্টাৰনেচনেল ক'ৰ্ট অৱ জাষ্টিচ (আই চি জে)ৰ ৰায়ক সন্মান জনাবলৈ বাধ্য হ'ল। বৃহস্পতিবাৰে দেশখনৰ নেচনেল এছেম্বলীয়ে আই চি জেৰ অধ্যাদেশ ২০২০ক অনুমোদন জনালে। পাক সংসদৰ এই সিদ্ধান্তৰ পাছত যাধৱক পাকিস্তানৰ এখন সামৰিক আদালতে চোৰাংচোৱাগিৰিৰ অভিযোগত দোষী সাব্যস্ত কৰি দিয়া মৃত্যুদণ্ডৰ ৰায়ৰ বিৰুদ্ধে ভাৰতে আবেদন জনোৱাৰ পথ মুকলি হ'ল। উল্লেখ্য যে ভাৰতীয় নৌসেনাৰ প্ৰাক্তন বিষয়াজনক পাকিস্তানী চোৰাংচোৱাই ভুৱা গোচৰত আটক কৰি পাক সেনাক গতাই দিছিল আৰু দীঘলীয়া বিচাৰৰ পাছত ২০১৭ত পাকিস্তানৰ এখন সামৰিক আদালতে যাধৱক চোৰাংচোৱাগিৰিৰ অপৰাধত মৃত্যুদণ্ডৰ ৰায় দিছিল। পাছত ভাৰতে এই ৰায়ৰ বিৰুদ্ধে আই চি জেৰ দ্বাৰস্থ হৈছিল আৰু আন্তৰ্জাতিক ন্যায় আদালতে পাকিস্তানক ৰায়ৰ পুনৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিছিল।



## আমেৰিকাত ভাৰতীয় প্ৰৱাসীৰ মাজত সবাতোকৈ জনপ্ৰিয় বিজেপি ঃ সমীক্ষাৰ তথ্য

**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১১ জুন ঃ** আমেৰিকাত বসবাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ মাজত সবাতোকৈ জনপ্ৰিয় ভাৰতীয় ৰাজনৈতিক দলৰ স্বীকৃতি লাভ কৰিলে বিজেপিয়ে। এক সমীক্ষামূলক অধ্যয়নত এই তথ্য পোহৰলৈ আহিছে। সমীক্ষাটোত অংশ লোৱা অধিকসংখ্যক লোকে ভাৰত চৰকাৰৰ নীতিক সমালোচনা কৰে যদিও একে সময়তে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰৰ প্ৰতি নিজৰ সমৰ্থন ব্যক্ত কৰে। সমীক্ষাটোত অংশ লোৱা ৩২ শতাংশ ভাৰতীয়-মাৰ্কিন নাগৰিকে নিজৰ প্ৰিয় ভাৰতীয় ৰাজনৈতিক দল হিচাপে বিজেপিৰ নাম লয়। আনহাতে, প্ৰৱাসী ভাৰতীয়সকলৰ মাত্ৰ ১২ শতাংশইহে কংগ্ৰেছৰ পক্ষত নিজৰ মত ব্যক্ত কৰে। জনছ হপকিন্স ইউনিভাৰ্চিটী আৰু ইউনিভাৰ্চিটী অব পেন্সিলভেনিয়াৰ সহযোগত কাৰ্ণেগি ইণ্টাৰনেচনেল পীচে এই অধ্যয়নটো চলাইছিল। একেটা সমীক্ষাতে ৪৯ শতাংশ প্ৰৱাসী ভাৰতীয় আমেৰিকাবাসীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাম-কাজত সন্তুষ্টি প্ৰকাশ কৰি তেওঁ উন্নত প্ৰশাসন প্ৰদান কৰা বুলি মন্তব্য কৰে। অৱশ্যে ৩১ শতাংশ অংশগ্ৰহণকাৰীয়ে মোদীৰ কাম-কাজত অসন্তুষ্টি ব্যক্ত কৰে।

## এ টি এমৰ পৰা ধন উলিওৱাৰ মাচুল বৃদ্ধি, নতুন নিয়ম প্ৰৱৰ্তন



**নিউজ ব্যুৰ', নতুন দিল্লী, ১১ জুন ঃ** দেশৰ বাণিজ্যিক বেংকসমূহৰ এ টি এমৰ লেনদেনৰ নিয়ম পৰিৱৰ্তনত অনুমোদন জনালে ভাৰতীয় ৰিজাৰ্ভ বেংকে। কেন্দ্ৰীয় বেংকটোৱে সকলো নগদ আৰু নগদহীন এ টি এম লেনদেনৰ ক্ষেত্ৰত মাচুল বৃদ্ধিৰ ক্ষেত্ৰত সেউজ সংকেত দিলে। ৰিজাৰ্ভ বেংকৰ এই অনুমোদনৰ পাছত ইণ্টাৰচেঞ্জ মাচুলো বৃদ্ধি পাব। এতিয়াৰে পৰা গ্ৰাহকসকলে নিজৰ বেংকৰ এ টি এমৰ পৰা প্ৰতিমাহে পাঁচবাৰকৈ বিনামূল্যে লেনদেন কৰিব পাৰিব। তদুপৰি মেট্ৰ' চহৰত অন্যান্য বেংকৰ এ টি এমৰ পৰা তিনিবাৰ আৰু 'নন মেট্ৰ' চহৰত আন বেংকৰ এ টি এমৰ পৰা মাহত পাঁচবাৰ বিনামূল্যে লেনদেন কৰিব পাৰিব। আন বেংকৰ এ টি এমৰ লেনদেনৰ বাবে এতিয়াৰে পৰা ১৫ টকাৰ পৰিৱৰ্তে ১৭ টকাৰ ইণ্টাৰচেঞ্জ মাচুল আদায় দিব লাগিব। 'নন ফাইনেন্সিয়েল' লেনদেনৰ ক্ষেত্ৰত পাঁচ টকাৰ পৰিৱৰ্তে ছয় টকাৰ মাচুল আদায় দিব লাগিব। শুল্কহীন এ টি এম লেনদেনৰ ক্ষেত্ৰত মাহে পূৰ্বে ২০ টকাৰ মাচুল কৰ্তন কৰা হৈছিল। এতিয়াৰে পৰা এই মাচুল হ'ব ২১ টকা। অহা পহিলা আগষ্টৰ পৰা এই নতুন নিয়ম কাৰ্যকৰী কৰা হ'ব।

## ইউৰোপত কৰ'নাৰ 'ডেল্টা' প্ৰজাতিৰ সংক্ৰমণক লৈ সকীয়নি বিশ্ব স্বাস্থ্য সংস্থাৰ



**নিউজ ব্যুৰ', ব্লেকবৰ্ন, ১১ জুন ঃ** ব্ৰিটেইনত যিসমূহ অঞ্চলত কৰ'নাৰ 'ডেল্টা' প্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিছে, সেইসমূহ অঞ্চলত ইতিমধ্যে যথেষ্টসংখ্যক সেনা নিয়োগ কৰা হৈছে। ব্লেকবৰ্ন আৰু ডাৰ্বেন চহৰত সেনাৰ সহস্ৰাধিক জোৱানে ইতিমধ্যে টিকাকৰণৰ ক্ষেত্ৰত স্বাস্থ্যকৰ্মীসকলক সহায়-সহযোগিতা আগবঢ়াইছে। ব্লেকবৰ্নৰ ৫৫ টা কেন্দ্ৰত কৰ'নাৰ পৰীক্ষণ আৰু টিকাকৰণ অব্যাহত আছে। ইফালে, বিশ্ব স্বাস্থ্য সংস্থা (হু)ই ইউৰোপৰ দেশসমূহক 'ডেল্টা' প্ৰজাতিৰ সংক্ৰমণৰ সন্দৰ্ভত সতৰ্ক হ'বলৈ পৰামৰ্শ দিলে। হুৰ ইউৰোপৰ সঞ্চালক ডাঃ হেন্স ক্লুজে ইউৰোপক গভীৰভাৱে সকীয়নি দি কয় যে ইউৰোপৰ অধিকাংশ অঞ্চল সম্প্ৰতি 'ডেল্টা'ৰ সংক্ৰমণৰ দ্বাৰা প্ৰভাৱিত হৈছে আৰু সেয়েহে প্ৰতিখন দেশে এই দ্ৰুত সংক্ৰমিত কৰ'না প্ৰজাতিৰ প্ৰতিৰোধৰ বাবে সতৰ্ক হোৱা উচিত। এই প্ৰজাতিৰ ভাইৰাছৰ ক্ষেত্ৰত সকলো প্ৰতিষেধক সমানে কাৰ্যকৰী নহয় বুলি জানিবলৈ দি ডাঃ ক্লুজে কয় যে আন্তৰ্জাতিক যাত্ৰাৰ ক্ষেত্ৰতো ইউৰোপবাসীয়ে এই মুহূৰ্তত যথেষ্ট সতৰ্কতা অৱলম্বন কৰাৰ প্ৰয়োজন আছে।

## তলাবন্ধৰ ফলত ধানবাদত অৰ্ধেকাংশ হ্ৰাস পালে বায়ু-জল প্ৰদূষণ

**নিউজ ব্যুৰ', ধানবাদ, ১১ জুন ঃ** তলাবন্ধৰ ফলত দেশৰ বৃহৎ আৰ্থিক ক্ষতিৰ লগতে সৰ্বসাধাৰণ লোকে সকলো দিশতে সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। কিন্তু এই তলাবন্ধই কিছুমান দিশত ইতিবাচক প্ৰভাৱো পেলাইছে। দেশৰ সৰ্বাধিক প্ৰদূষিত ধানবাদ চহৰত বিগত দুমাহত প্ৰদূষণৰ প্ৰকোপ অৰ্ধেকাংশ হ্ৰাস পালে। প্ৰদূষণ বিষয়ক এক অধ্যয়নত গৱেষকে দাবী কৰা মতে, তলাবন্ধৰ সময়ছোৱাত ধানবাদত বায়ু প্ৰদূষণৰ লগতে জল প্ৰদূষণো যথেষ্ট হ্ৰাস পাইছে। ধানবাদ এখন উদ্যোগ আৰু খনিপ্ৰধান চহৰ। ফলত এই চহৰত প্ৰদূষণৰ প্ৰকোপ বিগত সময়ছোৱাত যথেষ্ট বৃদ্ধি পাইছিল। কিন্তু তলাবন্ধত কয়লা খনিসহ বিভিন্ন খনি, উদ্যোগ, কাৰখানা বন্ধ থকাৰ ফলত ঔদ্যোগিক চহৰখনৰ বায়ু আৰু জল প্ৰদূষণ বহুখিনি হ্ৰাস পায়। গৱেষকে চলোৱা অধ্যয়নত লাভ কৰা তথ্য অনুসৰি, বিগত দুমাহৰ তলাবন্ধত ধানবাদত প্ৰদূষণৰ পৰিমাণ অৰ্ধেকাংশ হ্ৰাস পালে।



## তিনি সদস্যৰ সমিতিৰ প্ৰতিবেদন দাখিল ঃ পঞ্জাৱত কংগ্ৰেছৰ নেতৃত্বত কেপ্টেইনে বাহাল থাকিব



**নিউজ ব্যুৰ', চণ্ডীগড়, ১১ জুন ঃ** পঞ্জাৱ কংগ্ৰেছত দেখা দিয়া সংঘাতৰ মাজতে গঠিত তিনিজনীয়া সদস্য সমিতিয়ে দলৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী ছোনিয়া গান্ধীক প্ৰতিবেদন দাখিল কৰিলে। পঞ্জাৱ কংগ্ৰেছৰ এক সূত্ৰই এই কথা প্ৰকাশ কৰি সংবাদ মাধ্যমৰ আগত কয় যে ৰাজ্যখনত কংগ্ৰেছৰ নেতৃত্বৰ সালসলনিৰ কোনো সম্ভাৱনা নাই। পঞ্জাৱ কংগ্ৰেছৰ নেতৃত্বৰ দায়িত্ব মুখ্যমন্ত্ৰী কেপ্টেইন অমৰিন্দৰ সিঙৰ হাততে ৰখাৰ পোষকতা কৰিলে তিনিজনীয়া সমিতিখনে। এই মুহূৰ্তত দলৰ অসন্তুষ্ট নেতা নৱজ্যোৎ সিং সিদ্ধুক কংগ্ৰেছে মুখ্যমন্ত্ৰী অথবা ৰাজ্যিক সভাপতিৰ পদ অৰ্পণ কৰাৰ সম্ভাৱনা নাই বুলি সূত্ৰটোৱে কয়। উল্লেখ্য যে পঞ্জাৱ কংগ্ৰেছত শেহতীয়াভাৱে দেখা দিয়া নেতৃত্বকেন্দ্ৰিক অসন্তুষ্টিৰ সন্দৰ্ভত দলে তিনিজনীয়া সদস্যৰ এখন সমিতি গঠন কৰি সমস্যাৰ সমাধানৰ পৰামৰ্শ বিচাৰিছিল।



# ভোগদৈৰ পানীত মেংগানিজৰ পৰিমাণ বৃদ্ধি

**পৰিশোধন নকৰাকৈ পানী নাখাবলৈ প্ৰশাসনৰ সকীয়নি**



**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১১ জুন ঃ** ভোগদৈ নৈৰ পানীয়ে স্বাভাৱিক বৈশিষ্ট্য হেৰুৱাইছে। বিগত কিছুদিনৰ পৰা এই নৈৰ পানী ভয়াবহভাৱে দুষিত হ'বলৈ ধৰাত নৈপৰীয়া ৰাইজৰ মাজত আতংকৰ সৃষ্টি হৈছে। নৈখনৰ পানী কি কাৰণত প্ৰদুষিত হৈছে সেয়া অদ্যাপি জানিব পৰা হোৱা নাই। ইতিমধ্যে মৰিয়নিৰ কে'বাখনো চাহ বাগিচাই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰীক্ষাগাৰলৈ ভোগদৈৰ পানীৰ নমুনা পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছিল। ইয়াৰ মাজতে মৰিয়নিৰ কঠালগুৰি চাহ বাগিচাই প্ৰেৰণ কৰা নমুনাৰ ফলাফল ইতিমধ্যেই আহি পৰিছে। ফলাফলত ভোগদৈ নৈৰ পানীত মেংগানিজৰ পৰিমাণ বিপদজনকভাৱে বৃদ্ধি হোৱাৰ লগতে পি এইচ ভেল্যু যথেষ্ট কমি যোৱা বুলি উল্লেখ কৰা হৈছে। যোৰহাটৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰীক্ষাগাৰত কৰা পৰীক্ষাৰ অন্তত লাভ কৰা তথ্য অনুযায়ী প্ৰতিলিটাৰ পানীত মেংগানিজৰ পৰিমাণ ০.১ গ্ৰামৰ পৰা ০.৩ গ্ৰামলৈকে থাকিব লাগে যদিও বৰ্তমান ভোগদৈৰ প্ৰতিলিটাৰ পানীত ইয়াৰ পৰিমাণ ১.৪৪ গ্ৰামলৈ বৃদ্ধি পাইছে। আনহাতে, পি এইচ ভেল্যু ৬.৫ৰ পৰা ৮.৫ ভিতৰত থাকিব লাগে যদিও বৰ্তমান কমি গৈ ৩.৮৩ হৈছেগৈ। বিশেষজ্ঞই উল্লেখ কৰা মতে, ইয়াৰ ফলত ভোগদৈৰ এই পানী আঠাজাতীয় হোৱাৰ উপৰি এক অদ্ভুত স্বাদ হৈছে। আনহাতে, এই পানী ব্যৱহাৰ কৰাৰ ফলত চৰ্মৰোগতো ভুগিছে। এই পানী ব্যৱহাৰ কৰাৰ ফলত মানৱ শৰীৰৰ লগতে জীৱ-জন্তুৰ শৰীৰৰ বাবে অত্যন্ত ক্ষতিকাৰক। আজি যোৰহাট জিলা প্ৰশাসনৰ লগতে জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু নগৰ পানী যোগান আৰু পয় প্ৰণালী বিভাগৰ এটা দল মৰিয়নিলৈ আহি ভোগদৈ নৈৰ উপৰি নগৰ পানী যোগান প্ৰকল্পৰ পৰা পানীৰ নমুনা সংগ্ৰহ কৰে। যোৰহাট জিলাৰ অতিৰিক্ত উপায়ুক্ত দামোদৰ বৰ্মনৰ লগতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যোৰহাট সমগুৰুৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰফুল কুমাৰ চৌধুৰী আৰু নগৰ পানী যোগান আৰু পয়-প্ৰণালী বিভাগৰ কাৰ্যবাহী অভিযন্তা কুমুদ দাস আদিয়েও মৰিয়নিলৈ আহি সমগ্ৰ পৰিৱেশ পৰিদৰ্শন কৰাৰ লগতে পানীৰ নমুনা সংগ্ৰহ কৰে। দলটোৱে ভোগদৈৰ নৈৰ লগতে ভোগদৈ নৈৰ কাষতে অৱস্থিত নগৰ পানী যোগান প্ৰকল্পৰ পৰিশোধন পানীৰ নমুনাও সংগ্ৰহ কৰে। অতিৰিক্ত উপায়ুক্ত দামোদৰ বৰ্মনে প্ৰশাসনীয়ভাৱে আজি ভোগদৈ নৈৰ পানীৰ নমুনা সংগ্ৰহ কৰা হৈছে। ভোগদৈৰ পানীৰ উপৰি নগৰ পানী যোগান প্ৰকল্পৰ ফিল্টাৰ কৰা পানীৰো নমুনা আজি সংগ্ৰহ কৰা হৈছে। এই পানীৰ নমুনা যোৰহাটৰ উত্তৰ-পূৰ্ব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (নেইষ্ট)ৰ পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা হ'ব। তেওঁ লগতে কয়, 'এই পানী ব্যৱহাৰ কৰাৰ ফলত মানুহৰ লগতে অন্যান্য জীৱকুলৰ কিবা অনিষ্ঠ হ'ব পাৰে নেকি সেই বিষয়ে পৰীক্ষা কৰা হ'ব। প্ৰয়োজন হ'লে এই পানীৰ নমুনা অন্য ঠাইলৈও পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব।' আনহাতে, অতিৰিক্ত উপায়ুক্তই বৰ্তমানে পৰিশোধন নকৰাকৈ ভোগদৈৰ নৈৰ পানী ব্যৱহাৰ নকৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। তেওঁ লগতে ভোগদৈ নৈৰ পানী বৰ্তমান কোনেও যাতে পৰিশোধন নকৰাকৈ কোনো কামতে ব্যৱহাৰ নকৰে তাৰ বাবে সকলোকে আহ্বান জনায়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যোৰহাট সমগুৰুৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰফুল কুমাৰ চৌধুৰীৰ মতে, চুণ দি পানী পৰিশোধন কৰিলে কিছু পৰিমানে এই সমস্যাৰ পৰা ৰক্ষা পাব পাৰি। মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে এই ক্ষেত্ৰত ক্ষিপ্ৰতাৰে ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰৰ প্ৰতি আহ্বান জনাইছে। আজি প্ৰশাসনৰ দলটোৰ স'তে এক বাৰ্তালাপত মিলিত হৈ শীঘ্ৰেই এই সমস্যা যাতে সমাধান কৰিব পৰা যায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অৱশ্যে কিহৰ বাবে ভোগদৈৰ পানী প্ৰদূষিত হৈছে সেয়া বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। ৰাজ্যিক প্ৰদূষণ ব'ৰ্ডক এই ক্ষেত্ৰত ব্যৱস্থা হাতত ল'বলৈ বিধায়ক কুৰ্মীয়ে অহাবান জনাইছে।

# বিশ্বনাথৰ মাজুলীগড় বাগিচাত চিকিৎসক আক্ৰমণত জড়িতক গ্ৰেপ্তাৰ







**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১১ জুন ঃ** বিশ্বনাথৰ মাজুলীগড় চাহ বাগিচাৰ চিকিৎসক আক্ৰমণ কৰা দুজন অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। দুদিন পূৰ্বে মাজুলীগড় চাহ বাগিচাৰ চিকিৎসক বসন্ত কুমাৰ গোস্বামীক একাংশ দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰা ঘটনা সন্দৰ্ভত বিশ্বনাথ চাৰিআলি আৰক্ষী চকীত ৰুজু হোৱা ভাৰতীয় দণ্ড বিধিৰ ১৪৩/ ৪৪৭/ ৩৫২/ ৩২৫/ ৩০৭ ধাৰাৰ আৰ/এফ ডব্লিউ ৫১(বি) ডি এম ধাৰাৰ অধীনত মাজুলীগড় বাগিচাৰ ১০ নম্বৰ লাইনৰ অজিত তাঁতী (৩৮), সুজিত তাঁতী (২৫) আৰু আজি বিয়লি বিজয় তাঁতী (৩০) নামৰ তিনিজন আক্ৰমণকাৰীক বিশ্বনাথ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইয়াৰে অজিত আৰু সুজিতক আজি আদালতৰ জৰিয়তে বিশ্বনাথ জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে। ইপিনে, আজি বিয়লি বিজয়ক গ্ৰেপ্তাৰ কৰাত কাইলৈ আদালতত হাজিৰ কৰাব। দুদিন পূৰ্বে বিশ্বনাথৰ মাজুলীগড় চাহ বাগিচাত একাংশ দুষ্কৃতিকাৰীয়ে বাগিচাখনৰ চিকিৎসক গোস্বামীক কৰা আক্ৰমণক কেন্দ্ৰ কৰি আজি বিশ্বনাথ জিলাৰ আৰক্ষী অধীক্ষক ৰঞ্জিত দাসে এক সংবাদমেলত সম্বোধন কৰে। এই সংবাদমেলযোগে আৰক্ষী অধীক্ষকজনে কয় যে বিশ্বনাথৰ মাজুলীগড় চাহ বাগিচাৰ জেষ্ঠ চিকিৎসক গোস্বামীক আক্ৰমণৰ দুজন মূল অভিযুক্ত যোৱা নিশা জিলা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ক'ভিডৰ বাবে বাগিচাখনৰ দোকান-পোহাৰ বন্ধ কৰা কাৰ্যত বাগিচা কৰ্তৃপক্ষৰ বিৰুদ্ধে ক্ষুব্ধ হৈ একাংশ লোকে চিকিৎসকজনক প্ৰহাৰ কৰিছিল।

## চামতাত বন্ধন কোন্নাগৰ'ৰ উদ্যোগত কৰ'না প্ৰতিৰোধ সজাগতাৰ কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১১ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ নলবাৰী জিলাৰ পশ্চিম নলবাৰী অঞ্চলটো কৰ'নাত সংক্ৰমিত হৈছে বহুলোক। কৰ'না সংক্ৰমণ প্ৰতিৰোধৰ বাবে গাঁও পঞ্চায়তসমূহে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। এইফালে কৰ'নাৰ ভয়াৱহতাৰ বিষয়ে ৰাইজক সজাগ কৰাৰ বাবে বৃহত্তৰ চামতা অঞ্চলত 'বন্ধন কোন্নাগৰ' নামৰ বেচৰকাৰী সংস্থাটোৰ চামতা শাখাই এক কাৰ্যসূচী ৰূপায়ণ কৰিছে। বন্ধন বেংকৰ সহযোগত সংস্থাটোৱে চামতা, বেলশৰ, বনগাঁও, বৰনৰ্দ্দী, বিহামপুৰ, পানীগাঁও, গন্ধিয়া, আমনি, সাহপুৰ, গামাৰিমুৰী, পশ্চিম চামতা, ৰূপীয়াবাথান আদি অঞ্চলৰ বজাৰ, চ'ক, গাঁও, চুবুৰিয়ে চুবুৰিয়ে মাইকত কৰ'না প্ৰতিৰোধৰ বাবে পালন কৰিব লগা সজাগতাৰ ঘোষণা দিয়ে আৰু প্ৰচাৰ পত্ৰিকা বিতৰণ কৰি ৰাইজক কৰ'নাৰ ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত অৱগত কৰায়।

## এইবাৰ অলপ কষ্ট খালেও

*এক পৃষ্ঠাৰ পৰা* কষ্ট পাব। তাৰ বাবে ৰাইজৰ ওচৰত ক্ষমা খোজাৰ বাবে উপায় নাই।' আজি লাহৰীঘাটত এই মন্তব্য কৰিলে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই। মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ লাহৰীঘাট, ভূৰাগাঁও, বৰালিমাৰী আদিৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি বিভাগীয় মন্ত্ৰীজনে এই সমস্যা সমাধানৰ আশ্বাস দিয়ে যদিও এইবাৰ কিছু কষ্ট ভোগ কৰিব লাগিব বুলি মন্তব্য কৰে। সমষ্টিটোৰ অতিকৈ খহনীয়াগ্ৰস্ত অঞ্চল বৰালিমাৰীৰ সমীপৰ সুঁতিৰপাৰৰ খহনীয়া পৰিদৰ্শন কৰাৰ পাছত এই সমস্যা সমাধানৰ আশ্বাস দিয়ে মন্ত্ৰী হাজৰিকাই লগতে কয়, 'মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিত মথাউৰিৰ সমস্যা নাই। লাহৰীঘাটৰ দুটা মথাউৰিক লৈ মুঠ ১৪ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰিলেই সমস্যা শেষ হ'ব জিলাখনৰ। তাকে কৰিবলৈ ৰাইজৰ সহযোগ লাগিব। কাৰোবাৰ ম্যাদী মাটিৰ ওপৰিদে মথাউৰি যাব পাৰে। অৱশ্যে চৰকাৰে ক্ষতিপূৰণ দিব। কিন্তু ৰাইজৰ এই ক্ষেত্ৰত সহযোগৰ প্ৰয়োজন হ'ব।' ইয়াৰ পাছতে এই সময়ত মথাউৰি নিৰ্মাণ কৰাটো সম্ভৱ নহয় বুলি উল্লেখ কৰি মন্ত্ৰীজনে লগতে কয়, 'অহা বছৰ সাত মিটাৰ বহলকৈ প্ৰথমে ১৪ কিলোমিটাৰ উন্মুক্ত মথাউৰি নিৰ্মাণ হ'ব আৰু তাৰ পাছত পৰ্যায়ক্ৰমে চিন্তা কৰা হ'ব খহনীয়া প্ৰতিৰোধৰ বাবে। বছৰি মৰিগাঁও জিলাত বানত আক্ৰান্তৰ বাবে চৰকাৰৰ এশ কোটিমান টকা খৰচ হয়। কিন্তু ৬০ কোটিমান খৰচ কৰিলে সমস্যাটো সম্পূৰ্ণৰূপে সমাধান হয়। আন্তৰিকতাৰে তাকে কৰিব চৰকাৰে। এনে স্থায়ী সমাধানত মুখ্যমন্ত্ৰীৰো যোগাত্মক সঁহাৰি আছে।' উল্লেখ্য যে মন্ত্ৰীজনে লাহৰীঘাট ভূৰাগাঁৱৰ বৰালিমাৰীৰ জেংপুৰীত ব্ৰহ্মপুত্ৰ নদীৰ বুকুত নাৱৰে যাত্ৰা কৰি ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ বুজ লয়। খহনীয়া ৰোধৰ লগতে লাহৰীঘাটৰ বান নিয়ন্ত্ৰণৰো ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে মন্ত্ৰীজনে। এতিয়া যিহেতু বাৰিষাৰ বতৰত মথাউৰি নিৰ্মাণ সম্ভৱ নহয়, সেয়ে এইবাৰ কেনেকৈ বান প্ৰতিৰোধ কৰিব পাৰি তাৰ চেষ্টা চলোৱা হ'ব বুলিও মন্ত্ৰী হাজৰিকাই আশ্বাস দিয়ে। মন কৰিবলগীয়া যে ১৯৬৯ৰ পৰাই এই অঞ্চলটোত ব্ৰহ্মপুত্ৰৰ খহনীয়া অব্যাহত আছে। বান আৰু খহনীয়াৰ কৱলত পৰি মৈৰাবাৰী, লাহৰীঘাট আৰু ভূৰাগাঁও অঞ্চলত কে'বা হেজাৰ লোকে ঘৰবাৰী হেৰুৱাই মথাউৰিত আশ্ৰয় লৈ আছে। আজি মন্ত্ৰীজনৰ এই পৰিদৰ্শন কালত সংগ দিয়ে লাহৰীঘাটৰ বিধায়ক ডাঃ আছিফ নাজাৰ, মৰিগাঁৱৰ উপায়ুক্ত সীমাৰেখা ভূএঞা, জিলা মুখ্য কাৰ্যবাহী বিষয়া ক্ষীতিশ চন্দ্ৰ পেগু আৰু জিলাখনৰ জলসম্পদ বিভাগৰ বিষয়াসকলে।

# টিহুৰ গোৰৱাদলত কৰ'নাত নিঠৰুৱা হোৱা পৰিয়ালক সাক্ষাৎ নলবাৰী জিলা আছুৰ



**অগ্ৰদূত বাৰ্তা**

**টিহু, ১১ জুন ঃ** দেশ তথা ৰাজ্যত চলি থকা কৰ'না সংক্ৰমণৰ পৰিণতিত অকালতে মৃত্যুবৰণ কৰা বহু লোকৰ পৰিয়াল নিঠৰুৱা, স্বামীহাৰা, পত্নীহাৰা হ'ল। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে নলবাৰী জিলাৰ টিহুতো কৰ'নাত আক্ৰান্ত হৈ কে'বাজনো লোকৰ মৃত্যু হয়। সেইদৰে টিহুৰ গোৰৱাদলৰ ওচৰৰ ষাঠিকুছি গাঁৱৰ একেটা পৰিয়ালৰে কনক বৰ্মন আৰু তেওঁৰ পত্নী সৰস্বতী বৰ্মনৰ মাত্ৰ কেইটামান দিনৰ ব্যৱধানত কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হয়। ব্যক্তিগত গাড়ীচালকৰূপে জীৱন নিৰ্বাহ কৰা কনক বৰ্মন পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী আছিল। বৰ্মনৰ লগতে পত্নীৰো মৃত্যুত পৰিয়ালটোৰ ল'ৰা-ছোৱালীকেইটা নিঠৰুৱা হৈ পৰাৰ উপৰি আৰ্থিক সংকটত জুৰুলা হৈ পৰে। এনে দুৰৱস্থাৰ খবৰ পাই নলবাৰী জিলা ছাত্ৰ সন্থাৰ নেতৃবৃন্দই যোৱা ১০ জুনৰ বিয়লি পৰিয়ালটোৰ ঘৰত উপস্থিত হয়। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক আৰু সহকাৰী সাধাৰণ সম্পাদক নিৰোজউদ্দিন আহমেদৰ নেতৃত্বত যোৱা জিলা ছাত্ৰ সন্থাৰ সঁজাতী দলটোৱে টিহু মহকুমাৰ গোৰৱাদল-ষাঠিকুছি গাঁৱৰ কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱা কনক বৰ্মন আৰু সৰস্বতী বৰ্মনৰ পৰিয়ালত উপস্থিত হৈ তেওঁলোকৰ পুত্ৰ টিহু মহাবিদ্যালয়ৰ স্নাতক প্ৰথম যাণ্মাসিকৰ ছাত্ৰ অলকেশ বৰ্মনক সাক্ষাৎ কৰি পৰিয়ালটোৰ দুৰৱস্থাৰ বুজ লয়। জিলা ছাত্ৰ সন্থাৰ সভাপতি পাঠকে পৰিয়ালটোৰ আৰ্থিক সংকটৰ কথা অনুধাৱন কৰি নলবাৰী জিলা ছাত্ৰ সন্থাৰ তৰফৰ পৰা পৰিয়ালটোৰ একমাত্ৰ পুত্ৰ অলকেশৰ স্নাতক বৰ্ষৰ অধ্যয়নৰ খৰচ বহন কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। লগতে নিঠৰুৱা পৰিয়ালটোৰ কোনো এগৰাকী সদস্যক চৰকাৰীভাৱে সংস্থাপন দিয়াৰ বাবে ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনায়। ছাত্ৰ সন্থাৰ সঁজাতী দলটোত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক চন্দন বেজবৰুৱা, সাংস্কৃতিক সম্পাদক পৰাগ কলিতা, উত্তৰ ধৰ্মপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তন্ময় শৰ্মা, পূব নামবৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক জিণ্টু বৰ্মন উপস্থিত থাকে।

## দৰঙৰ উপায়ুক্তৰ স'তে সাংবাদিক প্ৰতিনিধিৰ মত বিনিময়

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১১ জুন ঃ** দৰং জিলাৰ উপায়ুক্ত প্ৰভাতী থাওচেনে কালি জিলাখনৰ কে'বাটাও সাংবাদিক সংগঠনৰ প্ৰতিনিধিৰ স'তে জিলাখনৰ বিভিন্ন সমস্যা সম্পৰ্কত মত বিনিময় কৰে। জিলা উপায়ুক্তৰ সভাকক্ষত অনুষ্ঠিত এক সভাত দৰং জিলাৰ প্ৰথমগৰাকী মহিলা উপায়ুক্ত থাওচেনক মঙলদৈ প্ৰেছ ক্লাব, পশ্চিম দৰং প্ৰেছ ক্লাব, দেওমৰনৈ প্ৰেছ ক্লাব, কলাইগাঁও প্ৰেছ ক্লাব আৰু দৰং জিলা আপকুৰ তৰফৰ আদৰণি জনায়। উক্ত অনুষ্ঠানত বিভিন্ন সাংবাদিক সংগঠনৰ প্ৰতিনিধি ক্ৰমে সাংবাদিক ভাৰ্গৱ কুমাৰ দাস, ময়ুখ গোস্বামী, মুকুট ৰাজ শৰ্মা, হোমেন কাকতি, মদন চন্দ্ৰ বৰুৱা, শ্বৰন কুমাৰ ঝা, আব্দুল খালেক, দুলাল ডেকা, কন আলি হাজৰিকা, ৰত্নেশ্বৰ চহৰীয়া আদিয়ে জিলাখনৰ স্বাস্থ্য, চিকিৎসা, অনাময় আদিৰ লগতে আন উন্নয়নী বিষয়ত দেখা দিয়া সমস্যা আৰু ঐতিহাসিক পথৰুঘাটৰ কৃষক ছহিদৰ স্মাৰকৰ প্ৰসাৰ সম্পৰ্কত উপায়ুক্ত গৰাকীৰ দৃষ্টিগোচৰ কৰে। ক'ভিড নিয়ম মানি অনুষ্ঠিত হোৱা উক্ত সভাত মঙলদৈ প্ৰেছ ক্লাব, মঙলদৈ মিডিয়া চাৰ্কোল, আপকু দৰং, পশ্চিম দৰং প্ৰেছ ক্লাব, দেওমৰনৈ প্ৰেছ ক্লাব, কলাইগাঁও প্ৰেছ ক্লাব আৰু ছিপাঝাৰ প্ৰেছ গীল্ডৰ প্ৰতিনিধিৰ লগতে দৰঙৰ অতিৰিক্ত উপায়ুক্ত জিলা তথ্য আৰু জনসংযোগ বিষয়া আদি উপস্থিত থাকে। আলোচনাৰ অন্তত নৱনিযুক্ত উপায়ুক্তগৰাকীয়ে জিলাখনৰ বিভিন্ন সমস্যা পোহৰলৈ অনা তথা সমাধান কৰাৰ ক্ষেত্ৰত সাংবাদিকসকলৰ পূৰ্ণ সহযোগিতা কামনা কৰে।

## সমগ্ৰ শিক্ষাৰ উদ্যোগত অনলাইন কুইজ প্ৰতিযোগিতা

**আলোপতি, ১১ জুন ঃ** সমগ্ৰ শিক্ষা কামৰূপৰ উদ্যোগত 'কিৰণ' কাৰ্যসূচীৰ অধীনত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি যোৱা ছয় জুনত চৰকাৰী বিদ্যালয়ৰ উচ্চ প্ৰাথমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এক ব্যতিক্ৰমী প্ৰক্ৰিয়াৰে অনলাইনযোগে এক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাৰ উদ্বোধনী ভাষণত কামৰূপ জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়াই ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰবাৰ লগতে ক'ভিডসৃষ্ট এই পৰিৱেশত ছাত্ৰ-ছাত্ৰীৰ লগত পোনপটীয়া সংযোগেৰে মনোবল বৃদ্ধি কৰাৰ এনে ধৰণৰ অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ লগতে সৃজনীমূলক কাম কৰাৰো অৰিহণা যোগাব বুলি আশা প্ৰকাশ কৰে। সৰ্বশিক্ষা অভিযান কামৰূপৰ জিলা আঁচনি বিষয়া সংগীতা গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা কৰি কয় যে এয়া 'কিৰণ' কাৰ্যসূচীৰ অধীনত এক পৰীক্ষামূলকভাবে পতা অনলাইন কুইজ প্ৰতিযোগিতা য'ত ছাত্ৰ-ছাত্ৰীয়ে লাইভত প্ৰশ্নোত্তৰ শিতানত অংশগ্ৰহণ কৰিব। কুইজ প্ৰতিযোগিতাৰ এই পৰীক্ষামূলক কাৰ্যসূচীত কুইজ মাষ্টাৰৰূপে সঞ্চালনা কৰে কামৰূপ জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰবক্তা ড° শিৰোমণি ভূএগ্ৰাই। অতি সাৱলীলতাৰে আৰু নিয়াৰিকৈ কুইজ প্ৰতিযোগিতাখন চলাই নিয়াত ড° শিৰোমণি ভূএগ্ৰাক সহযোগ কৰে কিৰণ কাৰ্যসূচীৰ সদস্য ক্ৰমে গৌড় চন্দ্ৰ বৰ্মন, কবিতা দাস, অঞ্জনা ডেকা আদি খণ্ড আৰু মণ্ডল সমল কেন্দ্ৰ সমন্বয়কসকলে। পল্লৱী পাঠকে আঁত ধৰা অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়ায় জিলা আঁচনি বিষয়া চুইটি বেজবৰুৱাই। মুঠ ৪৩ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই অনলাইন কুইজ প্ৰতিযোগিতাত সৰ্বোচ্চ নম্বৰেৰে প্ৰথম স্থান অধিকাৰ কৰে ৰাণী শিক্ষা খণ্ডৰ ৰাণী হাইস্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী (বিশেষভাৱে সক্ষম শিশু) গীতা বড়োৱে, দ্বিতীয় স্থান লাভ কৰে কৰৰা শিক্ষা খণ্ডৰ বিধুভূষণ বৈশ্য মধ্য ইংৰাজী বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ মৃণ্ময় ডেকাই আৰু তৃতীয় স্থান লাভ কৰে ছমৰীয়া শিক্ষাখণ্ড আদৰ্শ বিদ্যালয় দোকুছিৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ অশ্বেতা শৰ্মাই। ইপিনে, অনলাইনযোগে অনুষ্ঠিত কবিতা আবৃত্তি প্ৰতিযোগিতাত যুটীয়াভাৱে প্ৰথম স্থান লাভ কৰে হাজো শিক্ষাখণ্ডৰ ৰীয়া দাস আৰু ৰঙিয়াৰ কণিকা দাসে। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ৰামপুৰৰ চিন্টু কুমাৰ আৰু হাজোৰ ভনীতা দাসে।

## উচ্ছেদৰ বিৰোধিতাৰে চিপিআইএমৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১১ জুন ঃ** ৰাজ্যত চলি থকা উচ্ছেদ অভিযানৰ বিৰোধিতাৰে চি পি আই (এম)য়ে কালি ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াৰে অংশ হিচাপে হোজাইৰ মোৰাঝাৰতো চি পি আই(এম) পশ্চিম মোৰাঝাৰ আঞ্চলিক সমিতিয়ে মোৰাঝাৰ বজাৰত বিজেপি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। ক'ভিড নিয়ম মানি চি পি আই (এম)ৰ সদস্যসকলে হাতে হাতে ৰক্ত পতাকা আৰু প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে 'সাম্প্ৰদায়িক উচ্ছেদ অভিযান বন্ধ কৰক, বিজেপি চৰকাৰ হায়, হায়, ন্যায়ালয়ৰ নিৰ্দেশৰ পাছতো বিজেপি চৰকাৰে উচ্ছেদ কিয় কৰিছে জবাব লাগে জবাব দিয়ক' ইত্যাদি শ্ল'গানেৰে উত্তাল পৰিৱেশ সাব্যস্ত কৰে। প্ৰতিবাদীকাৰ্যসূচীত চি পি আই এমৰ মোৰাঝাৰ আঞ্চলিক সমিতিৰ নেতা ফৰিজ উদ্দিন, হোচন আহমেদসহ কে'বাজনো কৰ্মী উপস্থিত থাকে। শেহতীয়াকৈ হোজাইৰ কাকীত চলোৱা উচ্ছেদৰো বিৰোধিতা কৰি এয়া অমানৱীয় বুলি আখ্যা দিয়ে।

## লাহৰীঘাটত বৃদ্ধি পাইছে ড্ৰাগছ আসক্ত যুৱকৰ সংখ্যা

### বহিঃৰাজ্যৰ লোকৰ পৃষ্ঠপোষকতাত চলিছে ড্ৰাগছৰ বেহা

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১১ জুন ঃ** মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলত দ্ৰুতগতিত বৃদ্ধি পাব ধৰিছে ড্ৰাগছ আসক্ত যুৱকৰ সংখ্যা। যুৱ প্ৰজন্মৰ বাবে অভিশাপ স্বৰূপ তথা তিলতিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়া মাৰাত্মক ড্ৰাগছে ছানি ধৰিছে লাহৰীঘাট, মৈৰাবাৰীৰ বিভিন্ন অঞ্চলত। মূল বজাৰৰ পৰা আৰম্ভ কৰি গ্ৰামাঞ্চললৈকে সকলোতে সুলভ হৈ পৰিছে নিষিদ্ধ ড্ৰাগছ। ড্ৰাগছৰ বিৰুদ্ধে ৰাজ্যখনৰ আৰক্ষীয়ে চলোৱা কঠোৰ অভিযানক লৈ ৰাইজৰ মাজত গভীৰ সন্তুষ্টি পৰিলক্ষিত হৈছে যদিও লাহৰীঘাট, মৈৰাবাৰী অঞ্চলত এতিয়াও অতি সন্তৰ্পণে চুকে-কোণে বিয়পি পৰিছে নিষিদ্ধ মাৰাত্মক ড্ৰাগছৰ ৰমৰমীয়া বেহা। হে'ৰইন, ব্ৰাউন ছুগাৰ নিচাজাতীয় দ্ৰব্যৰ এই বৃহৎ চক্ৰটো ইমানেই শক্তিশালী যে আৰক্ষী প্ৰশাসনে আজিলৈকে চক্ৰটোৰ মূল অপৰাধীসকলক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। যাৰ ফলত অঞ্চলসমূহত দ্ৰুতগতিত বৃদ্ধি পাইছে ড্ৰাগছ আসক্ত যুৱকৰ সংখ্যা। অৱশ্যে যোৱা কেইদিনত লাহৰীঘাট, মৈৰাবাৰী, ভেলৌগুৰী আৰু বৰচলা আৰক্ষীয়ে কে'বাটাও ড্ৰাগছৰ ঘাটি উচ্ছেদ কৰাৰ লগতে ড্ৰাগছৰ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ লগে লগেই ড্ৰাগছ ব্যৱসায়ীসকলে পূৰ্বৰ সকলো নীতি-নিয়ম সলনি কৰি নতুন কৌশলেৰে চলাই নিছে এই বেহাটো। এই মাৰাত্মক ড্ৰাগছৰ ৰমৰমীয়া বেহা চলি থকাৰ বাবেই বৰ্তমান লাহৰীঘাট, মৈৰাবাৰী অঞ্চলত বহু ড্ৰাগছ আসক্ত যুৱকে ড্ৰাগছ ক্ৰয়ৰ ধন নাপায় বিভিন্ন চুৰি কাৰ্যত লিপ্ত হোৱাৰ অভিযোগ উঠিছে। বহু ফুলকুমলীয়া কিশোৰ-যুৱকে বিভিন্ন অপৰাধজনিত কাৰ্যত লিপ্ত হোৱাৰ মূল কাৰণটোই হৈছে ড্ৰাগছ সেৱনৰ বাবে ধনৰ অভাৱ। বিশেষ সূত্ৰে জানিব পৰা মতে চুবুৰীয়া ৰাজ্য মণিপুৰ আৰু নগালেণ্ডৰ একাংশ শক্তিশালী লোকৰ পৃষ্ঠপোষকতাত লাহৰীঘাট, মৈৰাবাৰীত গঢ়ি উঠিছে মাৰাত্মক ড্ৰাগছৰ এই বিশাল সাম্ৰাজ্যখন। সেয়ে লাহৰীঘাট, মৈৰাবাৰী আৰক্ষী প্ৰশাসনে এই অসাধু ড্ৰাগছ ব্যৱসায়ীসকলৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি ব্যৱস্থা ল'বলৈ ৰাইজে দাবী জনাইছে।

No. DME/MedicalGas/110/2021/13464

**E-Tender**
**INVITATION FOR E-BID (IFB)**
**NATIONAL COMPETETIVE BIDDING**

e-Tenders are invited online through e-procurement system i.e. through website www.assamtenders.gov.in from the intending Manufacturer/Accredited Dealers for supply of various Medical Gas and empty cylinder for Medical College & Hospitals , of Assam, under the Health & F.W. Department, Govt. of Assam.

The e-Tender is Two-Bid System, to be submitted with affixed Court Fee Stamp Rs. 8.25 (Rupees eight point two five paisa) only (for local bidders) or IPO of Rs. 10/- (Rupees Ten) only (in case of bidders from outside of the State of Assam) in favour of "Director of Medical Education, Assam, Sixmile, Khanapara,Guwahati-781022.

**Important dates of the e- Tender**

| Sl. No. | Scheduled | Start Date | Start Time | End Date | End Time |
|---|---|---|---|---|---|
| 1. | e- Tender Publishing | 14 -06 -2021 | 11.00 AM | - | - |
| 2. | e- Tender Download | 14-06-2021 | 12.00 Noon | 09-07-2021 | 12.00 Noon |
| 3. | Pre-Bid Meeting | 25-06 -2021 | 12.00 Noon | Venue - Room No. 4C, 2nd Floor, Directorate of Medical Education, Assam, Sixmile, Guwahati- 32 | |
| 4. | Bid Submission | 25-06 -2021 | 03.00 PM | 09-07-2021 | 02.00 PM |
| 5. | Bid Opening | 09-07-2021 | 05.00 PM | | |

1. **Brief Schedule**

| Sl. No. | Description (Name of the Items) | Bid Security (E.M.D.) | Delivery/ Installation schedule/ Completion period | Tender fees/ Cost of bid document in Rs. | Eligibility |
|---|---|---|---|---|---|
| 1. | 1. Medical Oxygen Gas in type "A" Cylinder<br>2. Medical Oxygen Gas in type "B" Cylinder<br>3. Medical Oxygen Gas in type "D" Cylinder.<br>4. Nitrous Oxide Gas in type "A" Cylinder<br>5. Nitrous Oxide Gas in type "D" Cylinder<br>6. Co2 gas in type "B" Cylinder<br>7. Co2 gas in type "D" Cylinder. | Rs. 1.00 Lakhs | 7 days | Rs. 5000/- | Manufacturer/ accredited Dealer |

The detailed information of Bidding documents are available online through e-procurement system i.e. through website www.assamtenders.gov.in only. The bidders would be required to register in the website for submission of the bids. The bidders are required to have Digital Signature (DSC) from any of the Certifying Authorities. Aspiring bidders who have not obtained the user ID and password for participating in e- procurement may obtain the same by registering in the www.assamtenders.gov.in. The requirements to register with the e-procurement portal are available on the website indicated above. The tender fees is non refundable and payable in favour of the "Director of Medical Education, Assam, Sixmile, Khanapara, Guwahati-781022, at SBI-Dispur (Guwahati) Branch.

Sd/-
Director of Medical Education,
Assam

Janasanyog/D/1054/21

# ক'ভিডত প্ৰাণ হেৰুৱালে ২৯ জনে

*এক পৃষ্ঠাৰ পৰা* সৰ্বাধিক ৩৪১ জন কামৰূপ মহানগৰ জিলাৰ। আনহাতে, ক'ভিডত আজি পুনৰ প্ৰাণ হেৰুৱায় ২৯ জনে।

### শিৱসাগৰত নতুনকৈ ১০১ জন আক্ৰান্ত

**শিৱসাগৰৰ বিশেষ সংবাদদাতা ঃ** ক'ভিড প্ৰট'কল ভংগ কৰি মুক্ত বিচৰণৰ বাবে পুনৰ ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে শিৱসাগৰ জিলাত। ক'ভিড প্ৰট'কল ভংগকাৰীৰ বাবে আজি পুনৰ জিলাখনত ১০১ লোক আক্ৰান্ত হয় কৰ'নাত। জিলাখনৰ নাজিৰা মহকুমাত ৪২ জনৰ দেহত ক'ভিডৰ অৱস্থিতি ধৰা পৰিছে। আনহাতে, এজন লোকৰ কৰ'নাত মৃত্যু হয়। ইয়াৰ বিপৰীতে ৯৬ জনে কৰ'নাক জয় কৰি নিজ গৃহলৈ উভতি যায়। উল্লেখ্য যে এটা সপ্তাহ আগলৈকে অব্যাহত থকা কঠোৰ নীতি-নিয়ম ৰূপায়ণৰ ক্ষেত্ৰত আৰক্ষী প্ৰশাসনৰ পৰা গ্ৰহণ কৰা স্থিতি সম্প্ৰতি কিছু পৰিমাণে শিথিল হোৱাত শিৱসাগৰত আৰম্ভ হৈছে কৰ'না মহামাৰীৰ পুনৰ সংক্ৰমণ। মাস্ক পৰিধান নকৰাকৈও সামাজিক দূৰত্ব ভংগ কৰি বিয়লিৰ পৰা নিশালৈকে শিৱসাগৰ চহৰৰ দাঁতি কাষৰীয়া অঞ্চলসমূহত একাংশ কাণ্ডজ্ঞানহীন নাগৰিকে মুক্ত বিচৰণ কৰি আছে।

### যোৰহাটৰ কেন্দ্ৰীয় কাৰাগাৰত ৬৭ৰ দেহত ক'ভিড

**যোৰহাটৰ ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** কাৰাগাৰৰ বন্ধ কুঠৰীত গণ সংক্ৰমণ বৃদ্ধি পাইছে ক'ভিডৰ। যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত কালি আৰু আজি সম্পন্ন কৰা ক'ভিড পৰীক্ষাত মহিলা কয়দীসহ পুনৰ ৬৩ জনৰ দেহত ক'ভিডৰ অৱস্থিতি ধৰা পৰিছে। ইয়াৰ পূৰ্বে যোৱা এটা পযেক পূৰ্বে ১২ জন কয়দীৰ শৰীৰত ধৰা পৰিছিল কৰ'নাৰ অৱস্থিতি। তাৰে আঠজন সুস্থ হৈ উঠিলেও বৰ্তমান চাৰিজন আক্ৰান্ত হৈ থকাত এতিয়া কাৰাগাৰত আক্ৰান্তৰ সংখ্যা ৬৭লৈ বৃদ্ধি পাইছে। প্ৰায় পাঁচ শতাধিক কয়দী থকা কাৰাগাৰখনত এই পৰ্যন্ত মাত্ৰ দুশ কয়দীৰহে ক'ভিড পৰীক্ষা কৰা হৈছে। কাৰাগাৰৰ বন্ধ কুঠৰীত এইদৰে ক'ভিডৰ গণ সংক্ৰমণত উৎকণ্ঠিত হোৱা জিলা স্বাস্থ্য বিভাগে কাৰাগাৰৰ ভিতৰতে কোৱাৰেণ্টাইন কক্ষ আৰু ক'ভিড কেয়াৰ চেণ্টাৰ গঢ়ি তুলিছে। এই সন্দৰ্ভত কাৰাগাৰখনৰ কাৰাধ্যক্ষ চম্পাকলি বৰদলৈয়ে সদৰী কৰা মতে, ইতিমধ্যে ৩২ খন বিছনাযুক্ত এটা কোৱাৰেণ্টাইন কক্ষ স্থাপনৰ উপৰি ৪১ খন বিছনাযুক্ত ক'ভিড কেয়াৰ স্থাপন কৰা হৈছে।

### টিহুত ক'ভিড ৰোগীৰ মৃতদেহ সংকাৰক লৈ উত্তেজনা

**টিহুৰ অগ্ৰদূত বাৰ্তা ঃ** টিহুৰ নতুন বণিয়াকুছি গাঁৱৰ শ্মশানত আজি বিয়লি আন এখন গাঁৱৰ পৰা অনা ক'ভিড ৰোগীৰ মৃতদেহ সংকাৰক লৈ তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। টিহুৰ হাৰিভাঙা গাঁৱৰ বৰট্টাৰি চুবুৰিৰ যোগেন বৰ্মন (৪৫) নামৰ লোকজনৰ ক'ভিডত আক্ৰান্ত হৈ নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত মৃত্যু হয়। পাছত প্ৰশাসনৰ উদ্যোগত তেওঁৰ মৃতদেহ নতুন বণিয়াকুছি গাঁৱৰ জনবসতি থকা চুবুৰিৰ কাষতে থকা শ্মশানত প্ৰশাসনে সংকাৰ কৰে। ইয়াকে লৈ অঞ্চলটোৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। পূৰ্বতে কোনো ক'ভিড ৰোগীক সংকাৰ নকৰা শ্মশানখনত ৰাইজক অৱগত নকৰাকৈ শৱদেহ সংকাৰ কৰাত একাংশই উত্তেজিত হৈ বিভিন্ন শ্ল'গানেৰে পৰিস্থিতি উত্তাল কৰি তোলে। উল্লেখ্য যে ক'ভিডত মৃত্যু হোৱা লোকজনে পত্নীসহ দুই পুত্ৰক এৰিলে।

### নগাঁৱত পুনৰ কৰ'না আক্ৰান্তৰ সংখ্যা ১৮৭

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** নগাঁৱত ক্ৰমাৎ কৰ'না সংক্ৰমণৰ হাৰ হ্ৰাস পাইছে যদিও আজি পুনৰ ১৮৭ জন আক্ৰান্ত হয়। আনহাতে, জাজৰিৰ নাথ দুহুৰাতলৰ শৰ্বণ নাথ (৪৬) নামৰ ক'ভিড ৰোগীজনৰ নগাঁও চিকিৎসালয়ত মৃত্যু হয়। আজি জিলাখনত ৫,৭২১ জন লোকৰ পৰীক্ষা সম্পন্ন কৰা হৈছে।

### ওদালগুৰিত ৭১ জন আক্ৰান্ত

**ওদালগুৰিৰ বিশেষ সংবাদদাতা ঃ** ওদালগুৰি জিলাত ক'ভিড আক্ৰান্তৰ সংখ্যা হ্ৰাস পালেও আজি পুনৰ ৭১ জন আক্ৰান্ত হয় ক'ভিডত। আজিৰ দিনটোত ২,৭১৩ জনৰ ক'ভিড পৰীক্ষা কৰা হৈছে। জিলাখনত অৱশ্যে ৪৩ জন লোক আজি ক'ভিডমুক্ত হয়। এই পৰ্যন্ত জিলাখনত ৫০ জনৰ মৃত্যু হৈছে।

### দৰঙত ৭৫ জন আক্ৰান্ত

**মঙলদৈৰ বিশেষ সংবাদদাতা ঃ** দৰং জিলাত আজি পুনৰ ৭৫ জন কৰ'নাত আক্ৰান্ত হৈছে। আজি জিলাখনত ২,৪০৭ জনৰ পৰীক্ষা সম্পন্ন কৰা হৈছে। ইয়াকে লৈ জিলাখনত আক্ৰান্তৰ সংখ্যা ৬,৩০৮ জনলৈ বৃদ্ধি পালে। আনহাতে, এই পৰ্যন্ত সুস্থ হৈ ঘৰলৈ উভতিছে ৫,২৩৯ জন।

### নলবাৰীত আক্ৰান্ত ৮৩ৰ

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰীত কৰ'না আক্ৰান্তৰ সংখ্যা হ্ৰাস পালে। আজি পুনৰ ৮৩ জন কৰ'নাত আক্ৰান্ত হৈছে। ইয়াকে লৈ জিলাখনত আক্ৰান্তৰ সংখ্যা ৫,৮৫২লৈ বৃদ্ধি পালে। অৱশ্যে আজিৰ দিনটোত ৪১ জনে কৰ'নাৰ পৰা মুক্ত হয়।

### বঙাইগাঁৱত মহিলাৰ মৃত্যু

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ' ঃ** বঙাইগাঁও জিলাত আজি নতুনকৈ ৩৩ জনৰ দেহত ক'ভিডৰ অৱস্থিতি ধৰা পৰিছে। ইয়াকে লৈ জিলাখনত আক্ৰান্তৰ সংখ্যা ৩,২৪৬ জনলৈ বৃদ্ধি পালে। আনহাতে, আজি জিলাখনত উত্তৰ শালমাৰাৰ ৰূপজ্যোতি দত্ত (৩৭) নামৰ এগৰাকী ক'ভিড আক্ৰান্ত মহিলাৰ মৃত্যু হয়। ইফালে, আজিৰ দিনটোত জিলাখনৰ ৩০ জন ক'ভিড আক্ৰান্তই আৰোগ্য লাভ কৰে।

### গোৱালপাৰাত ১৫৬ আক্ৰান্ত

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰা জিলাত আজি ৩,৬৪৯ জনৰ কৰ'না পৰীক্ষা কৰাত নতুনকৈ ১৫৬ জনৰ দেহত কৰ'না পজিটিভ ধৰা পৰে। বিপৰীতে আজি ১৭২ জন ক'ভিডমুক্ত হয়। আনহাতে, জিলাখনৰ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম মাটিয়াৰ ইছলামপুৰ নিবাসী কালামিএগ্ৰা শ্বেখ (৮০)ৰ যোৱা সাত জুনত কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

### কোকৰাঝাৰত ৪৬ জন আক্ৰান্ত

**গোসাঁইগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** বিগত ২৪ ঘণ্টাত কোকৰাঝাৰত ৪৬ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। জিলাখনৰ বিভিন্ন স্থানত আজি ২,৬২৪ জনৰ ৰেপিড এণ্টিজেন আৰু ৬০১ জনৰ আৰ টি পি চি পৰীক্ষা কৰা হয়। উল্লেখ্য যে জিলাখনত এই পৰ্যন্ত ৩৯ জনৰ ক'ভিডত মৃত্যু হৈছে।

### আজাৰাত ১৪ জন আক্ৰান্ত

**আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** আজাৰাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৭৮১ জন লোকৰ কৰ'নাৰ পৰীক্ষা কৰাত ১৪ জনৰ দেহত কৰ'নাৰ অৱস্থিতি ধৰা পৰিছে। আক্ৰান্তসকলৰ ১০ জনক বিভিন্ন চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে।

# উচ্ছেদৰ বিৰুদ্ধে সৰৱ এবিএমছু

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১১ জুন ঃ** হোজাইৰ কাকী অঞ্চলৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৰাজ্য চৰকাৰে বেদখলমুক্ত কৰাৰ বাবে যি উচ্ছেদ অভিযান চলাই আহিছে সেই উচ্ছেদ অভিযানক অন্যায় আৰু অমানৱীয় আখ্যা দিছে সদৌ বড়োভূমি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৱে। পৰহি এবিএমছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক টাইছন হুছেইনৰ উপস্থিতিত তামুলপুৰ জিলা এবিএমছুই ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযানৰ বিৰোধিতা কৰি তামুলপুৰ মহকুমাধিপতিৰ হাতত এক স্মাৰকপত্ৰ প্ৰদান কৰে। তামুলপুৰ এবিএমছুৰ সভাপতি বদৰুদ্দিন খান আৰু সাধাৰণ সম্পাদক বুবুল আলীয়ে কৰ'না কালত হোজাইৰ কাকীৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত চলোৱা উচ্ছেদ অভিযানক অন্যায় আৰু অমানৱীয় আখ্যা দি এই উচ্ছেদ অভিযানৰ তীব্ৰ বিৰোধিতা কৰি তামুলপুৰ মহকুমাৰ মহকুমাধিপতিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ কালি এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। যি সময়ত অসম চৰকাৰে অতিমাৰী ক'ভিড-১৯ নিয়ন্ত্ৰণৰ বাবে কঠোৰ আইন প্ৰণয়ন কৰি মানুহক ঘৰৰ ভিতৰতে সোমাই থাকিবলৈ কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে, সেই সময়ত বিভিন্ন ঠাইত জিলা প্ৰশাসনে চলোৱা উচ্ছেদ অভিযানক ন্যায়সংগত নহয় বুলি স্মাৰকপত্ৰত উল্লেখ কৰিছে। ভাৰতীয় সংবিধানৰ ২১ নম্বৰ অনুচ্ছেদ অনুসৰি উচ্ছেদিত লোকসকলে আশ্ৰয় পোৱাতো মৌলিক অধিকাৰৰ ভিতৰত পৰে বুলি স্মাৰকপত্ৰত উল্লেখ কৰি হোজাইৰ কাকীত ৫০ বছৰতকৈ অধিক কাল বসবাস কৰা ৭৪ টা পৰিয়ালক অতিমাৰী কৰ'না উচ্ছেদ চলোৱা কাৰ্যক অতি অমানৱীয় হিচাপে আখ্যা দিয়ে এবিএমছুৱে। কালিৰ এই স্মাৰকপত্ৰৰ জৰিয়তে উচ্ছেদিত নাগৰিকসকলক অনতি পলমে পুনৰ সংস্থাপন দিয়াৰ লগতে সেইসকল নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে অসমৰ মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰযোগে অনুৰোধ জনাইছে এবিএমছুৱে।

# তেজপুৰৰ কেন্দ্ৰীয় কাৰাগাৰত পাংখা দিলে সমাজকৰ্মীয়ে

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১১ জুন ঃ** ৰাজ্যৰ এখন অন্যতম পুৰণা কাৰাগাৰ তেজপুৰ কেন্দ্ৰীয় কাৰাগাৰত যোৱা আঠ জুনত প্ৰয়োজনীয় বৈদ্যুতিক পাংখাৰ ভিতৰৰ পাঁচখন বিকল হৈ থকাত ইয়াত যি সমস্যাৰ উদ্ভৱ হৈছিল সেই সমস্যা পূৰণ কৰিলে তেজপুৰৰ এজন সমাজকৰ্মী দীপক শইকীয়াই। উল্লেখ্য যে কেন্দ্ৰীয় কাৰাগাৰখনৰ অধীক্ষক আৰ কে চৌধুৰীয়ে যোৱা সাত জুনত কাৰাগাৰখনৰ কয়দীসকলৰ কোঠালিসমূহত থকা পাংখা বিকল হৈ থকাত সমস্যাৰ উদ্ভৱ হোৱাৰ বিষয়ে শইকীয়াক জানিবলৈ দিছিল আৰু এই সমস্যা দূৰ কৰিবলৈ পাঁচখন পাংখাৰ প্ৰয়োজন বুলিও প্ৰকাশ কৰিছিল। ইয়াৰ পাছতে আজি দিনৰ প্ৰায় ১২ বজাত শইকীয়াই কাৰাগাৰত উপস্থিত হৈ অধীক্ষকজনক পাঁচখন নতুন পাংখা অৰ্পণ কৰে। শইকীয়াৰ এনে কাৰ্যৰ শলাগ লয় কাৰাগাৰখনৰ অধীক্ষক চৌধুৰীয়ে।

# জবকাৰ্ড শ্ৰমিকৰ নামত অবাধ লুণ্ঠন

## আজাৰাৰ পঞ্চায়তে পঞ্চায়তে অনিয়ম

অগ্ৰদূত বাৰ্তা

**আজাৰা, ১১ জুন ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ পাঁচখন গাঁও পঞ্চায়তৰ ভিতৰত কেইখনমান গাঁও পঞ্চায়তত জবকাৰ্ড শ্ৰমিকৰ নামত বিভিন্ন অনিয়ম সংঘটিত হোৱাৰ প্ৰায়ে অভিযোগ উঠি আহিছে। পঞ্চায়তকেইখনৰ ভিতৰত আজাৰা গাঁও পঞ্চায়ত, গড়ল গাঁও পঞ্চায়ত আৰু মাজিৰগাঁও গাঁও পঞ্চায়তত মহাত্মা গান্ধী এনৰেগাত এশ দিনৰ কাম পোৱা শ্ৰমিকৰ সংখ্যা শূন্যৰ ঘৰত। অথচ জিলা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে আঁচনি ৰূপায়ণৰ নামত সফলতা দাবী কৰি আহিছে। কাৰ্যক্ষেত্ৰত কিন্তু সেয়া হৈ উঠা নাই। তথ্য অনুসৰি আজাৰা গাঁও পঞ্চায়তত মাথো ২৩৭গৰাকী জবকাৰ্ড শ্ৰমিকে কাম বিচাৰি আবেদন কৰিছিল। পৰিতাপৰ বিষয় এই ২৩৭ গৰাকী জবকাৰ্ড শ্ৰমিকৰ এগৰাকী শ্ৰমিককো এশ দিনৰ কাম দিবলৈ সক্ষম নহ'ল। আজাৰা গাঁও পঞ্চায়তত মুঠ জবকাৰ্ডৰ সংখ্যা ১৯২৭খন। এই আটাইবোৰ জবকাৰ্ড শ্ৰমিকে কাম বিচৰা দূৰৈৰ কথা ইয়াৰে মাথো ২৩৭ গৰাকী জবকাৰ্ড শ্ৰমিকে কাম বিচৰাৰ পাছতো কোনো এগৰাকী জবকাৰ্ড শ্ৰমিককে এশ দিনৰ কাম দিব নোৱাৰাটো ৰহস্যজনক। তেনেদৰে মাজিৰগাঁও গাঁও পঞ্চায়তত মুঠ জবকাৰ্ড শ্ৰমিকৰ সংখ্যা ১৫৪৬ গৰাকী। ইয়াৰে মাত্ৰ ৯৮ গৰাকী শ্ৰমিকে কাম বিচৰাৰ পাছতো এগৰাকী শ্ৰমিককো এশদিনৰ কাম দিব নোৱাৰিলে। আকৌ গড়ল গাঁও পঞ্চায়তত মুঠ জবকাৰ্ড শ্ৰমিকৰ সংখ্যা ১২২৬ গৰাকী। ইয়াৰে ১৯৮ গৰাকী শ্ৰমিকে কাম বিচৰাৰ পাছতো কোনো এগৰাকী শ্ৰমিককে এশদিনৰ কাম দিব নোৱাৰাতো আচৰিত কথা।

উল্লেখ্য যে একাংশ গাঁও পঞ্চায়তত শ শ ভুৱা জবকাৰ্ড শ্ৰমিক আছে বুলি প্ৰায়ে অভিযোগ উঠি আহিছে। এই ভুৱা জবকাৰ্ড শ্ৰমিকৰ জৰিয়তে একাংশ বিষয়া আৰু একাংশ প্ৰতিনিধিয়ে এনৰেগাৰ ধনৰ ওপৰত লুণ্ঠন চলাই থকা বুলি ৰাইজৰ মাজত সঘনে উচ্চাৰিত হৈছে। অকল সেয়াই নহয় একাংশ পঞ্চায়তত কোনো দিনাই হাতত দা-কোৰ লৈ নোপোৱা একাংশ লোকৰ নামতো এনৰেগাৰ জবকাৰ্ড আছে বুলি ৰাইজৰ মাজত সমালোচনা হৈছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীজনক আজাৰা ৰাজহ চক্ৰৰ পঞ্চায়তসমূহৰ বিভিন্ন আঁচনিৰ এক তদন্ত কৰিবলৈ সচেতন ৰাইজে আহ্বান জনাইছে।

# নগাঁৱৰ কে'বাটাও স্থানত ক'ভিড প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা জলা প্ৰশাসনৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১১ জুন ঃ** নগাঁও জিলা প্ৰশাসনে জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত জিলাখনত ক'ভিড-১৯ মহামাৰীৰ টিকাকৰণ অভিযান আৰু অধিক তীব্ৰতৰ কৰিছে। এই অনুসৰি জিলাখনত বৰ্তমান চলি থকা গোপীনাথ দেৱগোস্বামী বাণিজ্যিক মহাবিদ্যালয়, নগাঁও মহাবিদ্যালয়, নগাঁও চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰ'টাৰী ক্লাবৰ উপৰি আৰু নতুনকৈ হয়বৰগাঁও আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, নগাঁও চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু খাগৰিজান মহাবিদ্যালয়ত ১০ জুনৰ পুৱা ন বজাৰ পৰা ক'ভিডৰ টিকাকৰণৰ ব্যৱস্থা কৰা হৈছে। এই টিকাকৰণ কেন্দ্ৰসমূহত ১৮ বছৰৰ পৰা ৪৪ বছৰৰলৈকে ব্যক্তিসকলক ক'ভিশ্বিল্ডৰ প্ৰথম পালি প্ৰতিষেধক প্ৰদান কৰা হ'ব। ইয়াৰ বাবে অনলাইন বুকিং ন জুনৰ বিয়লি চাৰি বজাৰ পৰা মুকলি কৰি দিয়া গৈছে বুলি স্বাস্থ্য বিভাগৰ এক সূত্ৰত প্ৰকাশ।

# লক্ষীপুৰত বন্যহস্তীয়ে প্ৰাণ ল'লে এজনৰ

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ১১ জুন ঃ** গোৱালপাৰা লক্ষীপুৰত বন্যহস্তীৰ আক্ৰমণত পুনৰ প্ৰাণ হেৰুৱালে আন এজন লোক। মৃত লোকজন নামনি থৰ্কো গাঁৱৰ সালগেন্দ্ৰ আৰ মাৰাক (৭০)। স্থানীয় লোকে জনোৱা মতে, যোৱা যোৱা ন জুনৰ নিশা দুই বজাত বন্যহস্তীৰ জাকটোৱে খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই আহিছিল। সেই সময়তে বন্যহস্তীৰ জাকটো মাৰাকৰ ঘৰৰ নিচেই আশে-পাশে থকা কঁঠাল গছৰ পৰা কঁঠাল আৰু মাকৈ খেতি খাই তহিলং কৰে। ইয়াৰ উপৰি মাৰাকৰ দুটাকৈ ঘৰ ভাঙি ধান-চাউল খাই নষ্ট কৰে। পাছত শোৱাপাটীৰ পৰা মাৰাকক প্ৰায় ২০ মিটাৰ নিলগলৈ নি নৃশংসভাৱে প্ৰাণ লয়। এই শিহৰণকাৰী ঘটনাৰ খবৰ পাই পুৱাই লক্ষীপুৰ বনকৰ্মী আৰু আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ মাৰাকৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ ব্যৱস্থা লয়। অতিকৈ সহজ-সৰল লোকজনৰ অকাল মৃত্যুই গাঁওখনত এতিয়া শোকৰ ছাঁ পৰিছে।

# বহিঃৰাষ্ট্ৰৰ প্ৰৱঞ্চকৰ জালত বিশ্বনাথৰ যুৱক

## ফেচবুক-হোৱাটছএপেই হ'ল কাল

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১১ জুন ঃ** বহিঃৰাষ্ট্ৰৰ প্ৰৱঞ্চকৰ জালত সৰ্বস্ব হেৰুৱালে বিশ্বনাথৰ যুৱকে। বিশ্বনাথৰ এক নম্বৰ খেৰবাৰীৰ কাৰ্বি গাঁৱৰ জিতেন ৰংপী আজিৰ পৰা প্ৰায় এবছৰ পূৰ্বে বাংগালুৰুত এটা ব্যক্তিগত প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰূপে আছিল। সেই সময়ত ফেচবুকত লণ্ডনৰ হেৰী জেকবৰ লগত চিনাকি হৈছিল। হেৰী জেকবে নিজকে 'ডাক্তৰ' বুলি চিনাকি দিয়ে আৰু দুয়ো নলে-গলে লগা বন্ধ হৈ পৰে ফেচবুক আৰু হোৱাটছএপত। ভিডিঅ' কলিংও কৰে দুয়ো। জিতেনৰ পৰা অতি দুখীয়া বুলি জানিব পাৰি জেকৰে বিগত বৰ্ষত ১০ পাউণ্ড দিয়াৰ কথা জনাই যদিও ব্যক্তিগত কামত ব্যস্ত থকাত সেই ১০ পাউণ্ড গ্ৰহণ কৰিব নোৱাৰিলে। অলপতে বন্ধ জেকবৰ পৰা জিতেনে পুনৰ ফোন, হোৱাটছএপত মেছেজ, ভিডিঅ' কলিং পায় আৰু অতি কম দামত এপল' আই ফোন, এপল' লেপটপ আৰু বহু আকৰ্ষণীয় উপহাৰৰ অফাৰৰ ২০ হেজাৰ টকাৰ বিনিময়ত পাব বুলি উল্লেখ কৰে। জিতেনেও দিল্লীৰ শুল্ক বিভাগত সেই অনুযায়ী প্ৰায় ২০ হেজাৰ টকা পৰিশোধ কৰে কেইদিনমান পূৰ্বে। ইফালে, দিল্লীৰ শুল্ক বিভাগৰ জনৈক কৰ্মচাৰীয়ে উপহাৰৰ পেকেট স্কেনিং কৰোতে বহু পাউণ্ড টকা আছে বুলি জানিব পাৰি সেয়া ল'বলৈ হ'লে প্ৰায় ৮০ হেজাৰ টকা লাগিব বুলি কোৱাত অসহায় হৈ পৰে যুৱকজন। ইফালে, জেকবে জিতেনৰ এপল' আই ফোন, এপল' লেপটপ আৰু বহু আকৰ্ষণীয় উপহাৰৰ দিল্লীত আহি পোৱা বুলি কৈ পুনৰ একলাখ টকা বিচাৰে আৰু দুই এদিনতে জেকবে পঠোৱা ১০ পাইণ্ডো পাবলৈ বুলি বাৰে বাৰে হোৱাটছএপত মেছেজ, ভিডিঅ' কলিং কৰি আছে। জেকবে জিতেনক বিচৰা একলাখ দিব নোৱাৰি পূৰ্বৰ ২০ হেজাৰ টকা নোপোৱাৰ আশংকা কৰি সংবাদদাতাসকলক অৱগত কৰে। জেকবে একলাখ বিচাৰি হাৰাশাস্তি কৰি আহিছে। জিতেনে ওচৰ-চুবুৰীয়া, বন্ধুবৰ্গৰ পৰা এয়া বহিঃৰাষ্ট্ৰৰ প্ৰৱঞ্চকৰ দল বুলি জানিব পাৰি শুল্ক বিভাগক জমা দিয়া ধন ওভতাই পাবলৈ চৰকাৰলৈ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে। জিতেনে এতিয়াও ১০ পাউণ্ড, এপল' আই ফোন, এপল' লেপটপ আৰু বহু আকৰ্ষণীয় উপহাৰৰ আশাত আশাবাদী। উল্লেখ্য যে অসমৰ বহু গাঁৱৰ এনেকুৱা খাটি খোৱা লোক বহিঃৰাষ্ট্ৰৰ প্ৰৱঞ্চকৰ জালত পৰি সৰ্বস্বান্ত হৈ পৰিছে।

# ওদালগুৰি ৰেল বিভাগে আঁতৰালে ৰাষ্ট্ৰীয় পতাকা

## 'দৈনিক অগ্ৰদূত'ৰ বাতৰিৰ প্ৰভাৱ




বিশেষ সংবাদদাতা

**ওদালগুৰি, ১১ জুন ঃ** 'দৈনিক অগ্ৰদূত' কাকতৰ বাতৰিৰ পাছতে গা লৰিল ওদালগুৰি ৰেল বিভাগৰ। অৱশেষত আঁতৰালে ষ্টেছনটোৰ এশফুট উচ্চতা উৰি থকা ছিগা পতাকা। উল্লেখ্য যে যোৱা মাৰ্চত ওদালগুৰি ৰেল ষ্টেছন চৌহদত উত্তোলিত হৈছিল এখন বৃহৎ আকাৰৰ ৰাষ্ট্ৰীয় পতাকা। ৰেল বিভাগৰ এক আঁচনিৰ অধীনত এশফুট উচ্চতাত উত্তোলন কৰা হৈছিল ৰাষ্ট্ৰীয় পতাকাখন। ওদালগুৰি চহৰৰ বহু দূৰৰ পৰাই দেখিবলৈ পোৱা গৈছিল এই সুউচ্চ ৰাষ্ট্ৰীয় পতাকাখন। কিন্তু উত্তোলনৰ তিনিমাহ সম্পূৰ্ণ নহওঁতেই পতাকাখন বিভিন্ন স্থানত ছিঙি যোৱা পৰিলক্ষিত হয়। কিন্তু ইয়াৰ পাছতো প্ৰায় এসপ্তাহ ধৰি ওদালগুৰিত উৰি আছিল পতাকাখন। কিন্তু বিষয়টো ওদালগুৰিৰ একাংশ সচেতন মহল আৰু সাংবাদিকৰ দৃষ্টিগোচৰ হোৱাত এই সন্দৰ্ভত কালি এক বাতৰি প্ৰকাশৰ পাছতে তাৎক্ষণিক প্ৰভাৱ পৰে।

# খাৰুপেটীয়াত আৰক্ষীক আক্ৰমণ উদণ্ড যুৱকৰ

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১১ জুন ঃ** দৰঙত চিকিৎসকৰ পাছত এইবাৰ উদণ্ড যুৱকে কৰ্তব্যৰত আৰক্ষীৰ ওপৰত শিলগুটি আৰু বাঁহেৰে আক্ৰমণ কৰা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। খাৰুপেটীয়া থানাৰ আৰক্ষীৰ অভিযোগ মতে, খাৰুৰেটীয়াৰ বাহাবাৰী গাঁৱত সংঘটিত হয় এই ঘটনা। আবেলি এক বজাত সান্ধ্য আইন ঘোষণা হোৱাৰ পাছতো খাৰুপেটীয়া থানা অঞ্চলৰ একাংশ ব্যৱসায়ীৰ দোকান খুলি বেচা-কিনা কৰি থকাৰ লগতে সামাজিক দূৰত্ব নামানি অযথা ভিৰ কৰি থকা অৱস্থাত যোৱা আঠ জুনত থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অভিজিৎ কাকতিসহ আৰক্ষীৰ দল এটাই বাহাবাৰী গাঁৱত উপস্থিত হয়। তেনে পৰিৱেশ দেখা পাই ভিৰ কৰি থকা লোকসকলক যাবলৈ কোৱাত তাৰ মাজৰ পৰা খাইৰুল ইছলাম নামৰ বাহাবাৰী গাঁৱৰ যুৱক এজনে শিলগুটি আৰু বাঁহেৰে আক্ৰমণ কৰাত মালেক আলী নামৰ গৃহৰক্ষী জোৱান এজন আঘাতপ্ৰাপ্ত হয়। পাছত যুৱকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ২৩৪/২১ নম্বৰত গোচৰ এটা পঞ্জীয়ন কৰি জেললৈ প্ৰেৰণ কৰে।

# চাউল বিতৰণৰ কমিছন অনাদায় চৰকাৰৰ

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ১১ জুন ঃ** চৰকাৰৰ অদূৰদৰ্শিতাৰ বাবেই পানীত হাঁহ নচৰা অৱস্থা হৈছে সুলভ মূল্যৰ দোকানীসকলৰ। সুলভ মূল্যৰ দোকানী তথা সমবায় সমিতিৰ এজেণ্টসকলে মাহৰ পাছত মাহ ধৰি চাউল বিতৰণ কমিছন নোপোৱাৰ ফলতেই দুৰ্ভোগ ভুগিব লগা হৈছে। কামৰূপ জিলাৰ কৰৰা সমবায় সমিতিৰ এজেন্টসকলে এক গোট হৈ ক্ষোভ উজাৰি নৱগঠিত চৰকাৰখনক তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে আহ্বান জনায়। সমবায়খনৰ এজেন্টসকলে উত্থাপন কৰা অভিযোগ মতে, যোৱা ২০১৩ৰ পৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ চাউল ২০১৫ৰ নৱেম্বৰ পৰা চৰকাৰে এই সুলভ মূল্যৰ দোকানীসমূহৰ জৰিয়তে প্ৰতিগৰাকী হিতাধিকাৰীক বিতৰণ কৰি আহিছে। এই চাউল সুলভ মূল্যৰ দোকানীয়ে প্ৰতি কিলোগ্ৰাম চাউল তিনি টকাত কিনি একে দৰতে গ্ৰাহকক দি আহিছে। আনহাতে, ২০১৯ৰ এপ্ৰিলৰ পৰা প্ৰতি কিলো চাউল এক টকাকৈ ৰাইজৰ মাজত বিতৰণ কৰি অহাৰ পাছত ২০২০ৰ এপ্ৰিলৰ পৰা বিনামূলীয়াকৈ বিতৰণ কৰি আহিছে। ইয়াৰ উপৰি ক'ভিডসৃষ্ট পৰিৱেশত প্ৰধানমন্ত্ৰীৰ সাহায্যৰূপে প্ৰতিগৰাকী ব্যক্তিৰ নামত পাঁচ কিলোগ্ৰামকৈ চাউল বিতৰণ কৰে। এই চাউলসমূহ বিতৰণৰ বিনিময়ত চৰকাৰে প্ৰতি কুইন্টল চাউলৰ বাবদ ১৪৩ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু পৰৱৰ্তী সময়ত চৰকাৰে প্ৰতি কুইন্টল চাউল বিতৰণৰ বিনিময়ত এশ টকা ১০ পইচাকৈ দিয়ে যদিও সেই ধনো মাহৰ পাছত মাহে ধৰি অনাদায় হৈ আছে। আনহাতে, সমবায় সমিতিসমূহত বৰ্তমানে কেৱল মাত্ৰ বিনামূলীয়া বিতৰণৰ চাউলহে আহে। সেয়াও এক কুইন্টল চাউল বিতৰণ বিনিময়ত ন্যূনতম মাত্ৰ কমিছন দিয়ে এজেন্টসকলক। ইফালে, এই ন্যূনতম টকাখিনিও বছৰ ধৰি চৰকাৰে মুকলি কৰি নিদিয়ে। ফলত এজেন্টসকলৰ আলাই-আথানি নোহোৱা হৈছে।

# গোসাঁইগাঁৱত ক'ভিড পৰীক্ষা কেন্দ্ৰসমূহত ফল-মূল বিতৰণ সৎসংগীৰ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১১ জুন ঃ** সংসংগৰ আচাৰ্য প্ৰথম পুত্ৰ শ্ৰী অৰ্কদ্যুতি চক্ৰৱৰ্তী ওৰফে পূজ্যপাদ বাবাই দাদাৰ ৫৪ সংখ্যক জন্মদিন যোৱা আঠ জুনত সৎসংগ ধান দেৱঘৰত পালন কৰা হয়। দেশ তথা সমগ্ৰ বিশ্বজুৰি কৰ'নাই ত্ৰাসৰ সৃষ্টি কৰাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো সৎসংগী পৰিয়ালে গুৰুৰ জন্মদিন নি নিজ ঘৰতে পালন কৰে। কালি পুজ্যপাদ শ্ৰীশ্ৰী বাবাই দাদাৰ জন্ম দিৱসৰ প্ৰতি সংগতি ৰাখি গোসাঁইগাঁও সৎসংগ মন্দিৰৰ অধীনস্থ একাংশ সৎসংগী যুৱকে মহকুমা প্ৰশাসনৰ অনুমতি ক্ৰমে কালি অসমবংগ সীমান্তৰ শ্ৰীৰামপুৰত থকা ক'ভিড-১৯ পৰীক্ষা কেন্দ্ৰৰ লগতে গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত যিসমূহ ক'ভিড পৰীক্ষা কেন্দ্ৰ আৰু টিকা প্ৰদান কেন্দ্ৰ আছে সেইসকলত ক'ভিড পৰীক্ষা আৰু টিকা লোৱাৰ বাবে উপস্থিত লোকসকলৰ লগতে চিকিৎসক, চিকিৎসাকৰ্মী, চাফাইকৰ্মী আৰু কৰ্তব্যৰত আৰক্ষীৰ লোকসকলৰ মাজত ফল-মূল বিতৰণৰ লগতে লঘু আহাৰৰ যোগান ধৰে। ইয়াৰ পূৰ্বে সৎসংগী যুৱকসকলে নিজৰ নিজৰ ক'ভিড পৰীক্ষা কৰায়।

# চি আৰ পি এফৰ ১৫২ নম্বৰ বেটেলিয়নৰ গোৰৰ্ধনাত বৃক্ষৰোপণ

**ছয়গাঁও, ১১ জুন ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও ৰাজহ অঞ্চলৰ গোৰৰ্ধনত যোৱা ন জুনত চি আৰ পি এফ কোম্পানীৰ ১৫২ নম্বৰ বেটেলিয়নৰ তৰফৰ পৰা ছয়গাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পিছফালে থকা লুটুমাপাৰা গাঁৱৰ ফুটবল ফিল্ডত সমূহীয়া বৃক্ষৰোপণ কাৰ্যসূচী সম্পন্ন কৰা হয়। কোম্পানীটোৰ সহকাৰী অধিনায়ক প্ৰমোদ কুমাৰে প্ৰথমে এডাল মূল্যবান গছপুলি ৰোপণ কৰে। তাৰ পাছতে চিকিৎসক ডাঃ মাধুৰ্য গোস্বামী, গাঁওবুঢ়া সমুদ্ৰ বড়ো, আৰক্ষী বিষয়া হৰিচন্দ্ৰ কুমাৰ সহিতে অঞ্চলটোৰ বিশিষ্ট লোকসকলে বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ পাছতে প্ৰমোদ কুমাৰে গছ থাকিলে যে মানুহ জীয়াই থাকিব তাক উল্লেখ কৰি সম্প্ৰতি বিশ্বত অক্সিজেনৰ অভাৱৰ কথা বৰ্ণনা কৰে।

# ছিপাঝাৰৰ ৭৭,৪২০ বিঘা মাটিত কৃষি বিপ্লৱৰ সূচনা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১১ জুন ঃ** ছিপাঝাৰৰ গৰুখুঁটি চৰৰ ৭৭ হেজাৰ বিঘা চৰকাৰী ভূমি বেদখলমুক্ত কৰি কৃষি কৰ্মৰ জৰিয়তে উৎপাদনমুখী কামত নীয়োজিত কৰিবলৈ অসম চৰকাৰৰ কেবিনেটে চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ নেতৃত্বত এখন কমিটী গঠন কৰাৰ পাছত আজি জামুগুৰিহাটত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বিধায়কজনে। অসম চৰকাৰৰ সিদ্ধান্তক আদৰণি জনাই চতিয়াৰ বিধায়কজনে কয় যে কৃষি কৰ্মৰ জৰিয়তে ৰাজ্যত সংগঠিত ৰূপত কৰ্ম সংস্থাপনৰ পথ মোকলাবলৈ হ'লে আজিৰ নতুন প্ৰজন্মই কৃষি কৰ্মত মনোনিৱেশ কৰিবই লাগিব। অহা ১৩ জুনত ছিপাঝাৰ চৰাঞ্চলৰ ভূমি পৰিদৰ্শন কৰিব বুলিও উল্লেখ কৰে বিধায়কজনে। অসম যিহেতু কৃষিপ্ৰধান ৰাজ্য গতিকে কৃষি কৰ্মৰ জৰিয়তেই ৰাজ্যৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰি দেশৰ পাঁচখন উন্নত ৰাজ্যত পৰিণত কৰোৱাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব বুলি মত প্ৰকাশ কৰে।

**১৩ জুনত ছিপাঝাৰত উপস্থিত হ'ব বিধায়ক হাজৰিকা**

# চিকিৎসকক অপদস্থ কৰা অভিযুক্ত গ্ৰেপ্তাৰ খাৰুপেটীয়াত

অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১১ জুন ঃ** দৰঙৰ খাৰুপেটীয়া থানাৰ অন্তৰ্গত নিমতলীত এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসকক আক্ৰমণ কৰা মুল অভিযুক্ত ৰাহুল আমিনক যোৱা আঠ জুনৰ নিশা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি যোৱা ন জুনত জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ আহমেদ আলী নামৰ চিকিৎসকজনে যোৱা ছয় জুনত খাৰুপেটীয়াৰ নিমতলীত অৱস্থিত 'আফ্ৰিন হেল্‌থ কেয়াৰ চেণ্টাৰত' চিকিৎসা প্ৰদান কৰাৰ সময়ত এগৰাকী ৰোগীৰ চিকিৎসাৰ বাবে ৰাহুল আমিন আৰু এগৰাকী যুৱতী উপস্থিত হয়। চিকিৎসকজনে পাঁচ মিনিট সময় অপেক্ষা কৰিব কোৱাৰ বাবেই গালি-গালাজ দিয়াৰ লগতে শাৰীৰিকভাৱে অপদস্থ কৰে চিকিৎসকজনক। সেই সময়ত বাধা দিবলৈ আগবাঢ়ি অহা চিকিৎসকৰ পত্নীকো যুৱ নেতা ৰাহুল আৰু যুৱতীগৰাকীয়ে আক্ৰমণ কৰাৰ অভিযোগ তুলিছে ভুক্তভোগীয়ে। পাছত খাৰুপেটীয়া আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বেই পলায়ন কৰে যুৱতীসহ ৰাহুল। ঘটনা সংক্ৰান্তত ৰাহুল আৰু পিংৰি বেগমৰ বিৰুদ্ধে খাৰুপেটীয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰাত ২৩০/২১ নম্বৰত গোচৰ এটা পঞ্জীয়ন কৰিছিল।

# মৰিগাঁও অসামৰিক চিকিৎসালয়ত ফল-মূল বিতৰণ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১১ জুন ঃ** ৰাজ্যত কৰ'না সংক্ৰমণৰ হাৰ কিছু উন্নতি ঘটনা পৰিলক্ষিত হৈছে যদিও মৰিগাঁও জিলাত কৰ'নাৰ সংক্ৰমণৰ হাৰ অপৰিৱৰ্তিত হৈয়েই আছে। জিলাখনত বৰ্তমানলৈকে কৰ'নাত আক্ৰান্ত হোৱা লোকৰ সংখ্যাই সাত সহস্ৰাধিকৰ ঘৰ অতিক্ৰম কৰাৰ লগতে এই পৰ্যন্ত ৩১ জন লোকে মৃত্যুক সাৱটি ল'বলগীয়া হৈছে। জিলাখনত চলি থকা কৰ'নাৰ ভয়াৱহতাৰ মাজতে আৰ্তজনক বিভিন্নজনে সহায়ৰ হাত আগবঢ়াই থকাৰ মাজতে যোৱা আঠ জুনত মৰিগাঁও লায়ন্স ক্লাৱে মৰিগাঁও অসামৰিক চিকিৎসালয়ত থকা ক'ভিড ৰোগী আৰু ক'ভিড যোদ্ধাসকলক সতেজ ফল-মূল বিতৰণ কৰে। মৰিগাঁও লায়ন্স ক্লাবৰ হৈ বাচু ৰঞ্জন পাল, ৰাজু কুণ্ডু, বাদল দে, প্ৰণৱ দাস, সুব্ৰত দাস, নীৰেণ বৰা আদি কৰি এক সঁজাতী দলে মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ নবীন ভূএঞাক সাক্ষাৎ কৰি বতৰৰ সতেজ ফল-মূল অৰ্পণ কৰে।

# বিশিষ্ট শিক্ষাবিদ লীলাকান্ত বৰাৰ বিয়োগত শোক

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ১১ জুন ঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয় (পূৰ্বতে উচ্চ মাধ্যমিক)ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিশিষ্ট শিক্ষাবিদ লীলাকান্ত বৰাৰ বেবেজীয়াৰ সমীপৰ কুৰুৱাবাহী চাৰিআলিৰ নিজা বাসভৱনত পৰহি সন্ধিয়া ঘটা বিয়োগত বৃহত্তৰ হাতীচোং-চকলাঘাট অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। প্ৰশাসক, শংকৰী সাহিত্যৰ অন্যতম সাধকগৰাকীৰ মৃত্যুত চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটে গভীৰ শোক ব্যক্ত কৰিছে। চকলাঘাট আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি ত্ৰৈলোক্য ভট্টাচাৰ্য আৰু সম্পাদক কল্যাণ কুমাৰ বৰা, হাতীচোং পঢ়ুৱৈ চ'ৰাৰ সম্পাদক চন্দনজ্যোতি বৰা, অনুশীলনৰ সভাপতি মোহিনীমোহন ডেকা, অসম যোগ সংস্থাৰ সম্পাদক প্ৰভাত চন্দ্ৰ বৰা, বেবেজীয়া প্ৰেছ ক্লাবৰ সভাপতি সমীৰ হাজৰিকা আৰু সম্পাদক প্ৰাঞ্জল বৰদলৈ, 'সৃষ্টি'ৰ সম্পাদক জ্যোতিপ্ৰসাদ বৰা, 'বৰগছ'ৰ অন্যতম সমন্বয়ক শোণিতৰঞ্জন হাজৰিকা, শ্বাইন'ছ প্লেয়াৰ্ছৰ উপ-সভাপতি দেৱজ্যোতি গোস্বামী, দুই নম্বৰ গেদাৰবড়ি শৰীৰ চৰ্চা কেন্দ্ৰৰ বিষয়ববীয়া তথা সংগীত পৰিচালক দীপাংক শইকীয়া আদিয়েও গভীৰ শোক প্ৰকাশ কৰিছে।

# শালিধানৰ খেতিৰ প্ৰস্তুতি উত্তৰণ ছত্ৰ মহিলা আত্মসহায়ক গোটৰ



অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ১১ জুন ঃ** দৰং জিলাৰ গনেশকুঁৱৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত এক নম্বৰ খানাপাৰাৰ 'উত্তৰণ ছত্ৰ' নামৰ মহিলা আত্মাসহায়ক গোটৰ মহিলাসকলে আৰম্ভ কৰিছে এক ব্যতিক্ৰমী প্ৰয়াস। এইবেলি বাঁহগড়া-গনেশকুঁৱৰীত কৃষি কৰ্মত নামি পৰিছে উত্তৰণ ছত্ৰ আত্মসহায়ক গোটৰ মহিলাসকল। 'পথাৰ আমাৰ আৰু বজাৰ আমাৰ' এই আপ্ত বাক্যশাৰীক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যে এক নম্বৰ খানাপাৰা হীৰা চুবুৰীৰ মহিলাসকলে শালি খেতি কৰাৰ সংকল্পৰে পথাৰত আজি কঠিয়া সিঁচে। তথ্য অনুসৰি মহিলা আত্মসহায়ক গোটটোৱে ২৫ হেজাৰ টকাৰ এককালনী চৰকাৰী সাহায্য লাভ কৰিছিল। সাহায্য লাভৰ পাছতে পাঁচ বিঘা মাটিত শালি খেতি কৰাৰ সংকল্পৰে লীজত লৈছিল পাঁচ বিঘা কৃষিভূমি। সেই কৃষিভূমিত শালিধানৰ খেতি কৰাৰ বাবে কঠিয়া সিঁচিবলৈ আজি মুখত মাস্ক পিন্ধি হাতে হাতে কোদাল লৈ পথাৰলৈ ওলাই আহিল 'উত্তৰণ চত্ৰ' মহিলা আত্মসহায়ক গোটৰ মহিলাসকল। গোটটোৱে শালিধানৰ খেতিৰ বাবে উপযোগী কৰি তুলিবলৈ ইতিমধ্যে পাঁচ বিঘা মাটি ট্ৰেক্টৰেৰে হালবাই ছহ কৰি তুলিছে। এই শালিধান ৰোপণৰ প্ৰথম পদক্ষেপৰূপে যোৱা ন জুনত পথাৰত কঠিয়া সিঁচিলে 'উত্তৰণ ছত্ৰ'ৰ মহিলাসকলে। চৰকাৰী সাহায্য পালে আৰু অধিক ভূমিত খেতি কৰকাৰ মন আছে বুলি উল্লেখ কৰা এইসকল মহিলা ৰাজ্যবাসীৰ বাবে হ'ব পাৰে এক আৰ্হি। এই আৰ্হিয়ে ৰাজ্যত আনিব পাৰে কৃষি বিপ্লৱ।

**পথাৰত সিঁচিলে কঠীয়া**

# মটঙা নৈৰ ওপৰত নহ'ল দলং

## কান্ধত ভাৰ কৰি পাৰ কৰিব লগা হৈছে মটৰ চাইকেল



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১১ জুন ঃ** তামুলপুৰ মহকুমাৰ ভূটান সীমান্তত উন্নয়নৰ এক নগ্ন স্বৰূপ। দেশ স্বাধীন হোৱাৰ ৭৪ বছৰ পাছতো ভূটান সীমান্তৰ কুমাৰীকাটা-কাউলী গড়কাপ্তানী পথৰ মাজেৰে বৈ যোৱা মটঙা নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণ নকৰাত সম্প্ৰতি যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগি আহিছে সীমান্তৰ হেজাৰ হেজাৰ লোকে। বাৰিষা আহিলেই অধিক দুৰ্বিষহ হৈ পৰে অঞ্চলটোৰ যাতায়াত ব্যৱস্থা। ভৰ বাৰিষা নৈৰ পানী বৃদ্ধি পোৱাৰ লগে লগে বন্ধ হৈ পৰে যাতায়াত। সম্প্ৰতি দলং নথকাৰ বাবেই বাৰিষাৰ আৰম্ভণিতে ভূটান পাহাৰৰ পৰা বৈ অহা মটঙা নৈৰ কোবাল সোঁতৰ মাজেদি বিপদসংকুলভাৱে যাতায়াত কৰিব লগা হৈছে স্থানীয় ৰাইজে। মটৰ চাইকেলৰ ওপৰত মানুহ নহয়, মানুহৰ কান্ধত মটৰ চাইকেল উঠাই ভৰা নৈ পাৰ কৰিবলগা হৈছে দুচকীয়া বাহন, চাইকেল আদি। বাৰিষাৰ আগমনৰ লগে লগে তামুলপুৰ মহকুমাৰ ভূটান সীমান্তত সুলভ হৈ পৰে এনে ভয়াৱহ দৃশ্য। আনহাতে, এনে বিপদসংকুল যাতায়াতত অলপ ভুল মানেই হ'ব পাৰে ভয়ংকৰ অঘটন। স্থানীয় ৰাইজৰ অভিযোগ বিগত সময়ছোৱাত ৰাজ্যত বহু চৰকাৰ আহিল আৰু গ'ল। কিন্তু আজিলৈ কোনো এখন চৰকাৰেই মটঙা নৈৰ ওপৰত এখন স্থায়ী পকী দলং নিৰ্মাণৰ ব্যৱস্থা নকৰিলে। কেৱল নিৰ্বাচনৰ সময়ত ৰাইজক মুখ দেখুওৱা জনপ্ৰতিনিধিসকলেও নল'লে কোনো পদক্ষেপ। কুমাৰীকাটা-কাউলী সংযোগী অতি গুৰুত্বপূৰ্ণ পথটোৰ মাজত থকা মটঙা নৈৰ ওপৰত আজিলৈ এখন পকী দলং নিৰ্মাণ নোহোৱাৰ ফলত সীমান্তৰ বৃহত্তৰ অঞ্চলটোৰ ৰাইজে অতি বিপদসংকুলভাৱে অব্যাহত ৰাখিছে যাতায়াত। স্থানীয় ৰাইজে জনোৱা মতে, ইতিমধ্যে ভৰ বাৰিষা মটঙা নৈ পাৰ হ'বলৈ যাওঁতে নৈৰ প্ৰৱল সোঁতে উটুৱাই নিয়াত কে'বাজনো লোকৰ মৃত্যুও হৈছে। আনহাতে, দলং নথকাৰ বাবে বাৰিষা কুমাৰীকাটা-কাউলী পথেৰে যাতায়াত ব্যৱস্থা ব্যাহত হৈ এম্বুলেন্স সেৱা বন্ধ হৈ গৰ্ভৱতী মহিলাৰ লগতে আন আন দুৰাৰোগ্য ৰোগত আক্ৰান্ত লোকৰ উপযুক্ত চিকিৎসাৰ অভাৱত মৃত্যু ঘটিছে বুলি একাংশ লোকে জানিবলৈ দিছে। বিগত সময়ছোৱাত স্থানীয় ৰাইজে ৰাজ্য চৰকাৰ, বিটিচি চৰকাৰ, স্থানীয় বিধায়ক, সাংসদ, কাৰ্যবাহী সদস্য, এমচিএলক বাৰম্বাৰ অনুৰোধ কৰাৰ পাছতো মটঙা নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণ নকৰাত বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচি প্ৰধান প্ৰমোদ বড়োলৈ বিনম্ৰ অনুৰোধ আমাক এখন পকী দলং নিৰ্মাণৰ কৰি যাতায়াত ব্যৱস্থা সুচল কৰি দিয়ক।

## জামুগুৰিহাটৰ চাৰিপুখুৰীত অজগৰ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১১ জুন ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ চাৰিপুখুৰীত কালি এডাল অজগৰ সাপ উদ্ধাৰ কৰা হয়। গাঁওখনৰ গুপ্ত বনিয়াৰ বাসগৃহৰ ভিতৰত সোমোৱা প্ৰায় ২০ কেজি ওজনৰ অজগৰডাল উদ্ধাৰ কৰে অঞ্চলটোৰ প্ৰকৃতিপ্ৰেমী গণেশ মুণ্ডাই। প্ৰায় ১০ ফুট দীঘল অজগৰডাল পাছত ডিপলোঙা বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মীসকলক গতাই দিয়ে। বন বিভাগৰ লোকে অজগৰডাল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনত মুকলি কৰি দিব। উল্লেখ্য যে অজগৰডাল ঘৰখনত সোমাই কে'বাটাও হাঁহ-কুকুৰা ভক্ষণ কৰাৰ পাছত গণেশ মুণ্ডাই ধৰি বন বিভাগক দিয়াত গৃহস্থাই স্বস্তিৰ নিশ্বাস এৰিছে।

## সাপটগ্ৰামত আৰক্ষী জোৱানৰ বিৰুদ্ধে হত্যাৰ চেষ্টা চলোৱাৰ অভিযোগ



অগ্ৰদূত বাৰ্তা

**দোতমা/ফকিৰাগ্ৰাম, ১১ জুন ঃ** কোকৰাঝাৰ জিলাৰ সীমান্তৱৰ্তী সাপটগ্ৰাম আৰক্ষী চকীৰ কদমতলা গাঁৱত এটা দৰিদ্ৰ পৰিয়ালৰ ওপৰত অত্যাচাৰ চলোৱাৰ অভিযোগ উঠিছে। গাঁওখনৰ দৰিদ্ৰ পৰিয়াল উৎপল দাসৰ পৰিয়ালৰ ওপৰত নিশা চলাই অত্যাচাৰ। যোৱা সাত জুনৰ নিশা একেখন গাঁৱৰ অসম আৰক্ষী জোৱান দিলীপ দাস, প্ৰবীণ দাস, জয়ন্ত দাস, ধনঞ্জয় দাস, বিমল দাস আদি কৰি পাঁচজনীয়া এটা দলে নিশা এক বজাত গেট ভাঙি ঘৰত প্ৰৱেশ কৰি দাসক হত্যা কৰাৰ চেষ্টা কৰে যদিও দৈৱক্ৰমে ৰক্ষা পৰে। ইয়াৰ পাছত তেওঁৰ পত্নী বৰ্ণালী ৰায় দাসে উক্ত লোক কেইজনৰ বিৰুদ্ধে ন জুনত সাপটগ্ৰাম আৰক্ষী থানাত এটি গোচৰ দিয়ে। উক্ত গোচৰৰ ভিত্তিত কালি আৰক্ষীয়ে তদন্ত কৰে যদিও পৰিয়ালটোৰ সদস্যসকল আংতকিত হৈছে।

## শাৰীৰিক নিৰ্দেশক তৰুণ চন্দ্ৰ বৰাৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১১ জুন ঃ** দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ শাৰীৰিক নিৰ্দেশক তৰুণ চন্দ্ৰ বৰা (৫৬)ৰ যোৱা নিশা ৰঙামাটিৰ নিজ বাসভৱনত মৃত্যু হোৱাত জিলাখনৰ ক্ৰীড়া মহলত শোকৰ ছাঁ পৰিছে। তেওঁ দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত ভুগি আছিল। ১৯৬৬ৰ পহিলা এপ্ৰিলত জন্মগ্ৰহণ কৰা বৰা মহাৰাষ্ট্ৰৰ অমৰাৱতী শাৰীৰিক শিক্ষা মহাবিদ্যালয়ৰ পৰা শাৰীৰিক শিক্ষাৰ স্নাতক ডিগ্ৰী লাভ কৰি ২০০১ত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অধীনত মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শাৰীৰিক নিৰ্দেশকৰূপে চাকৰিত যোগদান কৰে। পাছত দৰং জিলালৈ বদলি হৈ পকাদলি উঃ মাঃ বিদ্যালয়ত যোগদান কৰিছিল। অবিবাহিত নিষ্ঠাবান শাৰীৰিক নিৰ্দেশক বৰা মৃত্যুৰ সময়লৈকে দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ত কৰ্মৰত আছিল। তেওঁৰ মৃত্যুত দৰং জিলা শাৰীৰিক নিৰ্দেশক সংস্থা, মঙলদৈ মিডিয়া চাৰ্কোল আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

**সোণৰ কণী পৰা হাঁহ সদৃশ খহনীয়াৰ বুজ ল'লে বিটিআৰৰ কাৰ্যবাহী সদস্যই**

## শুক্লাই নদীৰ ভয়াৱহ খহনীয়াত জনজীৱন বিপৰ্যস্ত

অগ্ৰদূত বাৰ্তা

**টংলা, ১১ জুন ঃ** দীৰ্ঘদিন ধৰি সোণৰ কণী পৰা হাঁহ সদৃশ হৈছে শুক্লাই নদীৰ খহনীয়া। দীৰ্ঘদিন ধৰি খহনীয়াৰ সমস্যাৰ আজিকোপতি কোনো মীমাংসা নহ'ল। ভাৰত-ভূটান সীমান্তৱৰ্তী নৈপৰীয়া ৰাইজৰ দীৰ্ঘদিনীয়া সমস্যা হ'ল ভূটান পাহাৰৰ পৰা নামনিলৈকে বৈ অহা শুক্লাই নদীৰ খহনীয়া। মন্ত্ৰী-বিধায়ক, জলসম্পদ বিভাগ, ঠিকাদাৰ তথা মধ্যভোগীৰ বাবে ধন সংগ্ৰহৰ উৎস হৈ পৰা শুক্লাই নদীয়ে জনসাধাৰণৰ জনজীৱন-জীৱিকা বিপৰ্যস্ত কৰিছে। হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিটিচি প্ৰশাসনে ১৭ বছৰ শাসনৰ বাঘজৰী হাতত ল'লে যদিও এই ক্ষেত্ৰত গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উঠিছে। একাংশ দুৰ্নীতিকাৰী ঠিকাদাৰ-দালালে মডেল বিটিচিৰ নাম লৈ বিভিন্ন আঁচনি ৰূপায়ণ কৰিয়ে হওক বা এম জি এনৰেগাৰ আঁচনিৰ জৰিয়তে গৰাখহনীয়া ৰোধ কৰিবলৈ পাৰ্কুপাইন ব্যৱস্থা কৰিছিল যদিও কোনো ধৰণৰ সুফল লাভ কৰা নাই নৈপৰীয়া



ভুক্তভোগী ৰাইজে। আজি বিটিআৰৰ কাৰ্যবাহী সদস্য ডাউবৈছা বড়োৱে শুক্লাই খহনীয়াই বিপৰ্যস্ত কৰা জনজীৱনৰ সমস্যাৰ বুজ লয়। তেওঁ জলসম্পদ বিভাগৰ মন্ত্ৰী, উচ্চ পদস্থ বিষয়া আদিৰ লগতে কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ সুদৃষ্টি আকৰ্ষণ কৰি সোণৰ কণী পৰা হাঁহ সদৃশ শুক্লাই নদীৰ খহনীয়া ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈ জনসাধাৰণক উপকৃত কৰিব বুলি দৃঢ়মত পোষণ কৰে। মথাউৰি নিৰ্মাণ কৰিবলৈ বিভাগৰ উচ্চ পদস্থ বিষয়া নতুবা বাগ্সা জিলাৰ শুক্লাই জলসিঞ্চন প্ৰকল্পৰ বিভাগীয় কৰ্তৃপক্ষক বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ জনায়। দীৰ্ঘদিনীয়া সমস্যাটোৰ আশু সমাধানৰ হকে জলসম্পদ বিভাগ, মন্ত্ৰী, বিধানসভাৰ অধ্যক্ষ তথা ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ নকৰিলে সদায় সোণৰ কণী পৰা হাঁহ হৈ থাকিব বুলি তেওঁ কয়।

## জন্মৰ পাছতেই সন্তানক ত্যাগ কৰিলে বান্দৰী মাতৃয়ে

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১১ জুন ঃ** মানুহৰ দৰেই সকলো জীৱ-জন্তুৰ ক্ষেত্ৰতেই মাতৃ স্নেহৰ অতুলনীয় নিদৰ্শন দেখা যায়। কিন্তু মাজে-সময়ে মানুহৰ ক্ষেত্ৰতো ইয়াৰ যেনে দৰে বিপৰীত দৃশ্য পোহৰলৈ আহে একে ঘটনাই অজ্ঞাত কাৰণত সংঘটিত হয় জীৱ-জন্তুৰ ক্ষেত্ৰতো। যোৱা ১০ জুনৰ সন্ধিয়া তেজপুৰৰ গাৰোৱানপট্টী অঞ্চলত এনে এক দৃশ্য দেখা পোৱা গ'ল এজাক বান্দৰৰ মাজত। উল্লেখ্য যে তেজপুৰ চহৰত দীৰ্ঘসমূহৰ পৰা বান্দৰৰ একাধিক বৃহৎ জাকৰ মুকলি বিচৰণ অব্যাহত আছে। গাৰোৱানপট্টী অঞ্চলত এনে এটা জাকৰ এজনী বান্দৰে অঞ্চলটোৰ বাসু ধৰ নামৰ ব্যক্তিজনৰ বাৰীৰ এজোপা আমগছত এটা পোৱালি জন্ম দিয়ে। ধৰে প্ৰকাশ কৰা মতে, বান্দৰৰ জাকটো ইয়ালৈ প্ৰায়েই আহে। বান্দৰজনীয়ে পোৱালিটো জন্ম দিয়াৰ সময়ত জাকটোৰ আন বান্দৰসমূহ আঁতৰি যায় আৰু এই সমগ্ৰ ঘটনা গোপনে লক্ষ্য কৰি থকা ধৰে কয় যে প্ৰসৱৰ পাছতেই মাতৃ বান্দৰজনীয়েও নৱজাতকটো এৰি আঁতৰি যায়। এনে অৱস্থাত তেওঁ এই বিষয়ে প্ৰকৃতি আৰু বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত সেৱা আগবঢ়াই অহা সৌৰভ বৰকটকীক খবৰ দিয়ে আৰু বৰকটকীয়ে এই বিষয়ে তেজপুৰ সদৰ বনাঞ্চলিক বিষয়া মন্টু বৰাক জনোৱাত বনকৰ্মী সহ ঘটনাস্থলীত উপস্থিত হৈ বৰকটকীৰ সহযোগত মাত্ৰ তিনিঘন্টাৰ পূৰ্বে জন্ম হৈয়েই নিঠৰুৱা হোৱা বান্দৰৰ পোৱালিটো উদ্ধাৰ কৰে। আনহাতে, বন আইন অনুসৰি বান্দৰ যিহেতু পুহিব নোৱাৰি সেয়ে পোৱালিটোৰ স্বাস্থ্য তেজপুৰত পশু চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰা হয় আৰু শোণিতপুৰৰ বন প্ৰধিকাৰী ছফিকুল ৰহমানে কাজিৰঙাৰ বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰৰ স'তে যোগাযোগ কৰে আৰু সেই অনুসৰি পোৱালিটো ইয়ালৈ প্ৰেৰণ কৰা হয়।

## সূৰ্যপাহাৰৰ গোশালাত দিনে নিশাই মৃত্যু হৈছে গৰু-ম'হৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১১ জুন ঃ** গোৱালপাৰা জিলাৰ সূৰ্যপাহাৰ মহাপীঠস্থান সমীপত থকা গোশালাত প্ৰয়োজনীয় খাদ্য, শুশ্ৰূষা আৰু চিকিৎসাৰ অভাৱত হেজাৰ হেজাৰ গৰু-ম'হৰ মৃত্যু হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। স্বেচ্ছাসেৱী সংস্থা ধ্যান ফাউণ্ডেছনৰ অধীনত গোশালাখন পৰিচালিত হৈছে। উল্লেখ্য যে ভাৰত-বাংলা সীমান্তত জব্দ হোৱা চোৰাং গৰুসমূহৰ চোৱাচিতাৰ দায়িত্ব লৈ গোৱালপাৰাৰ সূৰ্যপাহাৰত দুবছৰ পূৰ্বে ধ্যান ফাউণ্ডেছনে গোশালা স্থাপন কৰিছে। কিন্তু আশ্চৰ্যকৰ বিষয় যে প্ৰতিদিনে আঠ-১০টাকৈ গৰু মৰি আছে। ইতিমধ্যে গোশালা স্থাপন হোৱাৰে পৰা এতিয়ালৈকে প্ৰায় চাৰি সহস্ৰাধিক গৰু-ম'হৰ মৃত্যু হোৱা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। ইপিনে, গোশালাৰ নাতি দূৰৈত থকা দহিকটা সংৰক্ষিত বনাঞ্চলৰ গছ-গছনি ধ্বংস কৰি মৃত গৰু-ম'হসমূহ পুতি থোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এইদৰে দিনে-নিশাই গৰু-ম'হৰ মৃত্যু হৈ আছে যদিও গোমাতা ৰক্ষাৰ নামত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা সংগঠন তথা ব্যক্তিসকলে ৰহস্যজনকভাৱে নীৰৱ ভূমিকা পালন কৰা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে গো সুৰক্ষাৰ নামত চৰকাৰে নতুন আইন আনিব বিচৰাৰ সময়তে সূৰ্য পাহাৰৰ গোশালাৰ এই দুৰৱস্থা সম্পৰ্কে চৰকাৰ তথা জিলা প্ৰশাসনে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

## বন্দিহানাত সমবায় সমিতিৰ চোৰাং চাউলৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান



**মানকাচৰ, ১১ জুন ঃ** দক্ষিণ শালমাৰাৰ বন্দিহানাত আৰক্ষীয়ে নদীয়েদি বাংলাদেশলৈ লৈ যোৱাৰ সময়ত এখন চোৰাং চাউল ভৰ্তি নাও জব্দ কৰে। চাউলখিনি নাওৰে নিয়া অৱস্থাত বন্দিহানা আৰক্ষীয়ে বিশেষ খবৰৰ পম খেদি অভিযান চলাইছিল। কিন্তু আৰক্ষীক দেখি দুষ্কৃতিকাৰীৰ দলটো পলায়ন কৰে। পলায়ন কৰাৰ পূৰ্বে দুষ্কৃতিকাৰীৰ দলটোৱে চোৰাং চাউলভৰ্তি নাওখন ফুটা কৰি দিয়ে। ফলত নাওখন ব্ৰহ্মপুত্ৰ নদীৰ মাজত ডুব যায়। অৱশ্যে আৰক্ষীয়ে ৬১১ বস্তা চাউল পানীৰ মাজৰ পৰা উদ্ধাৰ কৰিছে।

**গোসাঁইগাঁও আৰ এন বি চিকিৎসালয় পৰিদৰ্শন কাৰ্যবাহী সদস্যৰ**

## বি টি আৰৰ আশাকৰ্মীৰ পাৰিতোষিক চাৰি হেজাৰলৈ বৃদ্ধি



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ/দোতমা/ফকিৰাগ্ৰাম, ১১ জুন ঃ** বিটিআৰৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে'ই আজি গোসাঁইগাঁও আৰ এন বি অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। কাৰ্যবাহী সদস্যজনে গোসাঁইগাঁৱৰ মহকুমাধিপতি পল্লৱী সৰকাৰক লগত লৈ গোসাঁইগাঁও হাৰুবিলস্থিত আৰ এন বি অসামৰিক চিকিৎসালয়ৰ ইমূৰৰ পৰা সিমূৰলৈ পৰিদৰ্শন কৰে। তেওঁ চিকিৎসালয়ৰ চিকিৎসক, নাৰ্চ, আশাকৰ্মী লগতে কৰ্তব্যৰত সকলো স্বাস্থ্য কৰ্মীৰ স'তে মত বিনিময় কৰি চিকিৎসালয়ত ভৰ্তি হৈ থকা ৰোগীসকলৰ লগতো মত বিনিময় কৰে। কাৰ্যবাহী সদস্যজনে কয় যে বি টি চিৰ প্ৰতিখন চিকিৎসালয় পৰিদৰ্শন কৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা লোৱাটো তেওঁৰ দায়িত্ব। গোসাঁইগাঁও আৰ এন বি অসামৰিক চিকিৎসালয়ত চিকিৎসকৰ অভাৱৰ লগতে বহু সমস্যা হৈ আছে আৰু এই সমস্যাসমূহ কম দিনৰ ভিতৰত সমাধান কৰাৰ ব্যৱস্থা হাতত লোৱা হ'ব বুলি তেওঁ কয়।

উল্লেখ্য যে চিকিৎসালয়খন পৰিদৰ্শন কৰাৰ অন্তত কাৰ্যবাহী সদস্যজনে মহকুমাধিপতি সমন্বিতে মহকুমা চিকিৎসা বিষয়া তথা চিকিৎসকৰ স'তে এক পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। মহকুমাধিপতি পল্লৱী সৰকাৰৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত আদিতে কাৰ্যবাহী সদস্য দে'ই আশা কৰ্মীসকলক অক্সিমিটাৰ আৰু থাৰ্মোস্কেন বিতৰণ কৰে। উক্ত সভাতেই বিটিআৰৰ আশাকৰ্মীসকলক মাহিলি পাৰিতোষিক এহেজাৰ টকা বৃদ্ধি কৰি চাৰি হেজাৰ টকা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। অহা জুলাইৰ পৰা উক্ত নিৰ্দেশ কাৰ্যকৰী হ'ব বুলি তেওঁ কয়। আনহাতে, কাৰ্যবাহী সদস্য জনে মহকুমাধিপতি পল্লৱী সৰকাৰক লগত লৈ শ্ৰীৰামপুৰ আন্তঃৰাজ্যিক তালাচী চকী চৌহদত স্থাপন কৰা ক'ভিড পৰীক্ষা কেন্দ্ৰত উপস্থিত হৈ ইয়াৰ পৰিস্থিতিৰ বুজ লোৱাৰ পাছত তেওঁ তালাচী চকী চৌহদত বৃক্ষ ৰোপণ কৰে। ইয়াৰ পাছত তেওঁ শ্ৰীৰামপুৰত অৰ্ধনিৰ্মিত হৈ থকা ১০ বিছনাযুক্ত চিকিৎসালয়ন ভৱনটো পৰিদৰ্শন কৰে আৰু অহা ছমাহৰ ভিতৰত উক্ত চিকিৎসালয়খনৰ অৱশিষ্ট কাম সম্পূৰ্ণ কৰি ৰাইজৰ সেৱাৰ বাবে উৎসৰ্গ কৰি দিয়া হ'ব বুলি বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্যজনে আশ্বাস প্ৰদান কৰে।

## চতিয়াত নদীত মাছ মাৰিবলৈ গৈ যুৱক সন্ধানহীন

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১১ জুন ঃ** চতিয়া আৰক্ষী থানাৰ অন্তৰ্গত গেৰেকী ভোলাগুৰিৰ এজন যুৱক কাষতে থকা ঘিলাধাৰী নদীত মাছ মাৰিবলৈ গৈ কালিৰে পৰা সন্ধানহীন হৈ আছে। তথ্য মতে গেৰেকী ভোলাগুৰি গাঁৱৰ চুচেলাল চাহানীৰ পুত্ৰ অশোক চাহানী (৩৫)য়ে কালি বিয়লি গাঁৱৰ ওচৰতে থকা ঘিলাধাৰী নদীত মাছ মাৰিবলৈ ওলাই গৈছিল। নদীখনৰ কাষতে থকা প্ৰত্যক্ষদৰ্শীয়ে তেওঁক নদীত জাল মাৰি থকা দেখিছিল; কিন্তু নিশালৈকে মাছ মাৰিবলৈ গৈ অশোক উভতি নহাত পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰে। কিন্তু বিচাৰি নোপোৱাত আজি পুৱা নদীৰ পাৰত অনুসন্ধান কৰাত মাছ মৰা জালখন আৰু খালৈ উদ্ধাৰ কৰে যদিও অশোকৰ সন্ধান নোপোৱাত চতিয়া আৰক্ষীক বিষয়টো অৱগত কৰায়। চতিয়া আৰক্ষীয়ে এন ডি আৰ এফৰ দলক খবৰ দিয়াত দলটোৱে ডুবাৰু নাৱৰে অনুসন্ধান অব্যাহত ৰাখিছে যদিও বাতৰি লিখা সময়লৈকে মৃতদেহৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে দুমাহৰ আগতে সেই ঘিলাধাৰী নদীতে একেদিনাই পাঁচজনকৈ যুৱক-যুৱতীৰ সলিল সমাধি ঘটিছিল।

## পশ্চিম যোৰহাটৰ দৰিদ্ৰ পৰিয়ালৰ যুৱক জি এম চি এইছত চিকিৎসাধীন

### পিতৃয়ে বিচাৰিছে আৰ্থিক সহায়

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১১ জুন ঃ** পশ্চিম যোৰহাটৰ সৰুহুজ গাঁৱৰ এটা দৰিদ্ৰ পৰিয়ালৰ যুৱক প্ৰায় তিনিমাহ ধৰি জিএমচি হাস্পতালত চিকিৎসাধীন হৈ আছে। অজয় দাস (৩০) নামৰ যুৱকজনৰ বাওঁভৰিত হোৱা এটা সামান্য ফোঁহাই পাছলৈ জটিল ৰূপ লয়। সেই ফোঁহাৰ পৰা গুৰুতৰভাৱে আক্ৰান্ত হৈ এতিয়া ভৰিৰ তলৰ অংশৰ মাংস কাটি দিব লগা হয়। দৈনিক হাজিৰা কৰি পিতৃ-মাতৃৰ লগতে পত্নী আৰু এটি কণমানি ল'ৰা সন্তানক লৈ চলাই আছিল পৰিয়ালটো। কিন্তু শেহতীয়াকৈ চিকিৎসাধীন যুৱকজনৰ এই অৱস্থাই চূড়ান্ত আৰ্থিক সমস্যাই দেখা দিছে। সেয়েহে যুৱকজনৰ ৰুগীয়া পিতৃ দিলীপ দাসে অসমৰ ৰাইজৰ পৰা কিছু আৰ্থিক সহায় বিচাৰিছে। তিনিমাহ দিন গুৱাহাটীৰ চিকিৎসালয়ত চিকিৎসাধীন যুৱকজনৰ পত্নী বিপদৰ সন্মুখীন হৈছে। আগ্ৰহী ব্যক্তিয়ে অসম গ্ৰামীণ বিকাশ বেংকৰ খণ্ডীয়া শাখাৰ একাউন্ট নং-৭২০৪০১০০০৪২২৩ত আৰ্থিকভাৱে সহায় কৰিব পাৰে অন্যথা ৯৩৯৪৬৯৩৯৭৯ নম্বৰত যোগাযোগ কৰিব পাৰে।

## বৰপেটা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেণ ভূঞাৰ মৃত্যু

বিশেষ সংবাদদাতা



**বৰপেটা, ১১ জুন ঃ** বৰপেটা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বৰপেটা চহৰৰ গণককুছি নিবাসী বীৰেণ ভূঞা (৯৪)ৰ কালি সন্ধিয়া বাৰ্ধক্যজনিত কাৰণত নিজৰ বাসগৃহত পৰলোক ঘটে। ১৯২৭ৰ ১৫ ছেপ্টেম্বৰত জন্ম গ্ৰহণ কৰা ভূঞাই বৰপেটা সোণাৰী সন্থাৰ প্ৰাক্তন সভাপতি থকাৰ উপৰি বৰপেটাত বিটি কলেজ প্ৰতিষ্ঠা কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। ভূঞাৰ মৃত্যুত বৰপেটা সাহিত্য সভাৰ সভাপতি ডাঃ কমল কৃষ্ণ দাস, সম্পাদক মুনীন্দ্ৰ নাথ দাস আৰু প্ৰাক্তন সম্পাদিকা মাধন ভূঞা শৰ্মা প্ৰমুখ্যে ভালেসংখ্যক গুণমুগ্ধই তেওঁৰ বাসগৃহলৈ গৈ শ্ৰদ্ধা জ্ঞাপন কৰে। অমায়িক স্বভাৱৰ ভূঞাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পাঁচ কন্যাৰ লগতে এজন পুত্ৰক এৰি যায়।

## দুমুনিচকী-কুৰুৱা জৰাজীৰ্ণ গড়কাপ্তানী পথে জ্বলাকলা খুৱাইছে পথচাৰীক



অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ১১ জুন ঃ** দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত দুমুনিচকী-কুৰুৱা গড়কাপ্তানী পথৰ জৰাজীৰ্ণ অৱস্থাই জ্বলাকলা খুৱাইছে পথচাৰীক। পথটোৰ চহৰীয়াপাৰা মন্দিৰৰ সন্মুখৰ অংশ, হেটামতোলা জামে মছজিদৰ সমীপৰ অংশৰ লগতে পথটোৰ বিভিন্ন ঠাইত হোৱা প্ৰকাণ্ড প্ৰকাণ্ড গাঁতসমূহ এজাক বৰষুণ দিলেই পানীৰে পুখুৰী সদৃশ হৈ পৰে। বিগত সময়ত পথছোৱাৰ কোনো মেৰামতি নকৰাৰ ফলত সম্প্ৰতি পথছোৱা অধিক জৰাজীৰ্ণ হৈ যাতায়াতৰ অনুপযোগী হৈ পৰিছে। বাৰিষাৰ আগমনৰ লগে লগে পথছোৱাৰ অৱস্থাৰ অধিক অৱনতি ঘটিছে। ফলত যাতায়াতৰ বাবে অধিক কষ্টৰ সন্মুখীন হৈছে পথচাৰীসকল। উল্লেখ্য যে বিগত বিধানসভাৰ নিৰ্বাচনৰ আগে আগে ফেব্ৰুৱাৰীত ছিপাঝাৰ সমষ্টিৰ তদানীন্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই পথছোৱা নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল যদিও উক্ত ভগ্ন প্ৰায় পথছোৱাৰ আজিলৈ নিৰ্মাণ কাৰ্যৰ কোনো অগ্ৰগতি নহ'ল। এই বাবেই বাঁহগড়া, গণেশ কুঁৱৰী, খলিহৈ, কুৰুৱা শিক্ষাৰ্থী তথা ব্যৱসায়ীসকলক জ্বলাকলা খুৱাইছে। ইফালে, লোকনিৰ্মাণ বিভাগৰ দায়িত্বৱাহী ঠিকাদাৰ লগতে বিভাগীয় বিষয়াসকলৰ সোপাটিলা কামৰ ফলত দুমুনিচকী-কুৰুৱা পথত খলিহৈ মেডিকেল চ'কলৈ ২৩টাতকৈ অধিক গতিৰোধক দিয়াৰ বাবে কে'বাটাও সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈছে। উক্ত জৰাজীৰ্ণ গ্ৰাম্য পথৰ তৎকালীন সুব্যৱস্থা কৰিবলৈ বিভাগীয় মন্ত্ৰী তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে অঞ্চলটোৰ ৰাইজে।



*মূল্যবৃদ্ধিৰ বিৰুদ্ধে যোৰহাটত কংগ্ৰেছৰ প্ৰতিবাদ, শুকুৰবাৰে।*

**সদৌ অসম নাগৰিক মঞ্চৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন**

## গাঁৱে গাঁৱে শিবিৰ অনুষ্ঠিত কৰি প্ৰতিষেধক প্ৰদানৰ দাবী



অগ্ৰদূত বাৰ্তা

**শিঙৰী, ১১ জুন ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ নামবগৰীবাৰী নেহৰু জনজাতি যুৱক সংঘৰ চৌহদত আজি সীমিত কাৰ্যসূচীৰে সদৌ অসম নাগৰিক মঞ্চৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চৰ উদ্যোগত আৰু নেহৰু জনজাতি যুৱক সংঘৰ বিশেষ সহযোগত অনুষ্ঠিত নাগৰিক মঞ্চৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন, গছপুলি ৰোপণ, আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত পুৱা ১০ বজাত সদৌ অসম নাগৰিক মঞ্চৰ সভাপতি গোপাল মিশ্ৰই নাগৰিক মঞ্চৰ পতাকা উত্তোলন কৰে। পুৱা ১০-৩০ বজাত গছপুলি ৰোপণ কাৰ্যসূচী আৰম্ভ কৰে পিৰাকাটা গাঁও পঞ্চায়তৰ সভানেত্ৰী কমলেশ্বৰী ৰাভাই। উক্ত কাৰ্যসূচীত ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চৰ সভাপতি খগেন্দ্ৰনাথ শৰ্মা, কাৰ্যকৰী সভাপতি সুৰেন্দ্ৰ খনাল, শোণিতপুৰ জিলা ৰাভা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৰ্গৰাম ৰাভা, অৱসৰপ্ৰাপ্ত বন বিষয়া প্ৰফুল্ল দাস, শিক্ষক বোধন ৰাভা, নাগৰিক মঞ্চৰ সম্পাদক নাৰায়ণ ফয়েল, যুটীয়া সম্পাদক গোকুল বছনেটৰ লগতে নাগৰিক মঞ্চৰ সদস্যসকলে গছপুলি ৰোপণ কৰে। এই প্ৰতিষ্ঠা দিৱস উপলক্ষে এখন সভাও অনুষ্ঠিত হয়। সদৌ অসন নাগৰিক মঞ্চৰ সভাপতি গোপাল মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চৰ সভাপতি খগেন্দ্ৰনাথ শৰ্মা, কাৰ্যকৰী সভাপতি সুৰেন্দ্ৰ খনালে বক্তব্য আগবঢ়ায়। ক'ভিডৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰ-প্ৰশাসনে বান্ধি দিয়া নিয়মবোৰ মানি চলিবলৈ নাগৰিক মঞ্চৰ বিষয়ববীয়াসকলে ৰাইজক আহ্বান জনায়। লগতে ক'ভিড প্ৰতিষেধক ল'বলৈ ৰাইজক আহ্বান জনায়। উক্ত সভাত জ্ঞান বিজ্ঞান সমিতি অসমৰ প্ৰাক্তন সচিব মোহন কুমাৰ ছেত্ৰী, সমাজকৰ্মী আভিৰাম কেৰকেট্টা, ভৰেন ৰাভা, বুবুল ৰাভা, শিক্ষক বোধন ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সদস্য বিক্ৰম ৰাভা, নেহৰু জনজাতি যুৱক সংঘৰ সভাপতি পুতুল ৰাভা, নাগৰিক মঞ্চৰ সাংগঠনিক সম্পাদক ৰিপেণ ৰাভা, অমিয় ৰাভা আদি উপস্থিত থাকে। ইপিনে, ক'ভিড প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে আৰম্ভ কৰা প্ৰতিষেধক প্ৰদান কাৰ্যসূচীত গাঁৱে গাঁৱে শিবিৰ পাতি ক'ভিড প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সভাই দাবী জনায়। প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞি, ড° লক্ষ্মীনন্দন বৰা, মহকুমা নাগৰিক মঞ্চৰ উপদেষ্টা কিৰণ চন্দ্ৰ বৰাৰ বিয়োগত এই সভাই গভীৰ শোক প্ৰকাশ কৰে। ইপিনে, এই প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি নামবগৰীবাৰী অঞ্চলৰ আৰ্থিকভাৱে দুৰ্বল ২০ টা পৰিয়ালক নাগৰিক মঞ্চই খাদ্য সামগ্ৰী বিতৰণ কৰে।

## কচুৱাত ব্যৱসায়ীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কচুৱা, ১১ জুন ঃ** কচুৱা গেৰজাইপামত এজন লোক বাৰ্ধক্যজনিত কাৰণত আজি পুৱা নিজা বাস গৃহত মৃত্যু হয়। সাতলোংগা-গেৰজাইপামৰ ৰবি ঘোষ (৯২) নামৰ লোকজনে দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত ভুগি আছিল। তেওঁ সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰ স'তে জড়িত আছিল।

**বকোৰ দলগাঁৱত নিশা চোৰৰ সন্দেহত মাৰপিট**

## তিনি যুৱকক আৰক্ষীক গতাই দিয়াক লৈ চেপা উত্তেজনা

**আলোপতি, ১১ জুন ঃ** কিছুদিন ধৰি পশ্চিম কামৰূপৰ নগৰবেৰা আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত ডকাইতৰ এটা বৃহৎ দল প্ৰৱেশ কৰাৰ খবৰে একপ্ৰকাৰ আতংকিত কৰি ৰাখিছে অঞ্চলবাসীক। কামৰূপ জিলা আৰক্ষী অধীক্ষকক একাংশ লোকে এই সন্দৰ্ভত লিখিতভাৱে অৱগত কৰাত আৰক্ষীৰ টহল ব্যৱস্থা কটকটীয়া কৰি তোলাৰ সময়তে যোৱা ন জুনৰ নিশা বকো সমষ্টিৰ মন্দিৰা আৰক্ষী চকীৰ অন্তৰ্গত দলগাঁৱত তিনিজন যুৱকক চোৰ বুলি সন্দেহ কৰি উত্তম-মধ্যম দি আৰক্ষীক গতাই দিয়াক কেন্দ্ৰ কৰি চেপা উত্তেজনাৰ সৃষ্টি হৈছে। স্থানীয় একাংশ লোকে জনোৱা মতে, যুৱক তিনিজনে নিশা এখন মটৰ চাইকেলেৰে তীব্ৰ গতিত আহি থকা অৱস্থাত দলগাঁৱত একাংশ লোকে কৰায়ত্ত কৰে। নিশাই ধৃত যুৱক তিনিজনক উত্তম-মধ্যম দি মন্দিৰা আৰক্ষীক চমজাই দিয়া যুৱক ক্ৰমে কালাম আলীৰ পুত্ৰ লালচান আলী, দুলাল আলীৰ পুত্ৰ ছাইব আলী আৰু আতোৰ আলীৰ পুত্ৰ গাজিমুদ্দিনৰ ঘৰ গোৱালপাৰা জিলাৰ ধূপধৰা আৰক্ষী থানাৰ অন্তৰ্গত শিমলুবাৰী গাঁৱত। ইপিনে, পুৱাই এই ঘটনাই নতুন মোৰ লয়। আৰক্ষীক গতাই দিয়া তিনিওজন যুৱকৰ পৰিয়ালৰ লোকে মন্দিৰা আৰক্ষী চকীত উপস্থিত হৈ বিনা কাৰণত নিৰীহ যুৱক কেইজনক মাৰপিট কৰাৰ অভিযোগ তুলি একাংশ ব্যক্তিৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এই ঘটনাই অঞ্চলটোত চেপা উত্তেজনাৰ সৃষ্টি কৰিছে।






## কৰ'নাই নিঃসংগ কৰি থৈ গ'ল পূব যোৰহাটৰ এগৰাকী ছাত্ৰীক

অগ্ৰদূত বাৰ্তা

**কাকজান, ১১ জুন ঃ** মহামাৰী কৰ'নাই সমগ্ৰ বিশ্বৰ মানৱ জাতিৰ মাজলৈ আনিছে এক ভয়াৱহতা। সেই ভয়াৱহ সংক্ৰমণৰ সমান্তৰালভাৱে এই মহামাৰীৰ পাৰ্শ্বক্ৰিয়াই বহু পৰিয়াললৈ আনিছে ভয়ংকৰ অমানিশা। নিজৰ আপোন মানুহবোৰ হেৰুৱাই দিশহাৰা হৈছে বহুজন, অকালতে নিঠৰুৱা হৈছে বহুজন। পূব যোৰহাটৰ মেলেং এক নম্বৰ ঘৰফলীয়া গাঁৱৰ এটা অতি দৰিদ্ৰ পৰিয়াল। পিতৃ আৰু জীয়ৰীৰ স'তে এখন সৰু সংসাৰ। কিন্তু কৰ'নাই নিঠৰুৱা কৰিলে একমাত্ৰ কন্যাক। উল্লেখ্য যে আজি কিছু বছৰৰ পূৰ্বেই অংকিতা গগৈৰ মাতৃ এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ পৰলোকগামী হয় আৰু তেতিয়াৰ পৰাই পিতৃয়ে জীয়ৰী অংকিতাৰ স'তে অতি কষ্টৰে দিন হাজিৰা কৰি পৰিয়াল চলাই আছিল। পৰিয়ালৰ দুৰ্যোগ আৰু পিতৃৰ বিভিন্ন অসুখৰ বাবেই জীয়ৰী অংকিতায়ো নৱম শ্ৰেণীতে শিক্ষা সামৰিব লগা হ'ল। এতিয়া ক'ভিডৰ সময়, কেউফালে মহামাৰীৰ বিভীষিকা, মৃত্যুৰ কিৰীলিয়ে ভয়াৱহ কৰিছে মানুহৰ জনজীৱন। সেই ভয়াৱহতাৰ মাজতে যোৱা ২২ মে'ত অংকিতাৰ পিতৃৰো মৃত্যু হয় ক'ভিডত। নিঠৰুৱা, নিঃসংগ হৈ পৰিল অংকিতা। চকুত পুনৰ স্কুললৈ যোৱাৰ সপোন থকা কিশোৰী অংকিতা গগৈক চৰকাৰী আঁচনিয়ে ঢুকি পাব নে নাই সেয়া এতিয়া প্ৰশ্নৰ বিষয় হৈ পৰিছে। যি সময়ত ৰাজ্য চৰকাৰে এনেদৰে ক'ভিডত নিঃসংগ হোৱা ল'ৰা-ছোৱালীৰ ভৱিষ্যতে সুবিধা হোৱাকৈ অভিলাষী আঁচনি আনিছে, সেই আঁচনিয়ে অংকিতা গগৈক আঁকোৱালি লওক, সেয়া সকলোৰে কাম্য। জিলা প্ৰশাসন, ৰাজ্য প্ৰশাসন আৰু বিভিন্ন সুহৃদয় ব্যক্তি তথা দল-সংগঠন এই জটিল সময়ত থিয় হওক অংকিতাৰ কাষত সেয়া ৰাইজৰ কামনা। বৰ্তমান খুৰাকৰ পৰিয়ালৰ লগত থকা অংকিতাই ভৱিষ্যৎ দিনত যাতে পুনৰ বিদ্যালয়লৈ যাব পাৰে তাৰ ব্যৱস্থা কৰক সংশ্লিষ্ট বিভাগে।

## বিপজ্জনকভাৱে কৰ্তব্য পালন কৰি আছে স্বাস্থ্যকৰ্মীয়ে

# জহি-খহি গৈছে চকৰ্দো উপ-স্বাস্থ্য কেন্দ্ৰ



অগ্ৰদূত বাৰ্তা

**আজাৰা, ১১ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে আমাৰ আমাৰ দেশ আৰু ৰাজ্যখনত কৰ'না মহামাৰীয়ে জনসাধাৰণক আতংকিত কৰি ৰখৰা সময়তে দিন-ৰাতি একাকাৰ কৰি চিকিৎসক-স্বাস্থ্যকৰ্মীয়ে নিজ দায়িত্ব পালন কৰি আছে; কিন্তু একাংশ উপ-স্বাস্থ্য কেন্দ্ৰৰ জৰাজীৰ্ণ অৱস্থাই স্বাস্থ-কৰ্মীৰ জীৱনলৈ ভাবুকি কঢ়িয়াই অনা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত চকৰ্দো উপ-স্বাস্থ্য কেন্দ্ৰটোৰ অৱস্থা সম্প্ৰতি জৰাজীৰ্ণ হৈ পৰিছে। প্ৰায় তিনি দশক পূৰ্বে নিৰ্মাণ কৰা চকৰ্দো উপ-স্বাস্থ্য কেন্দ্ৰটো সম্প্ৰতি ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। নিৰ্মাণৰ পাছৰ পৰাই মেৰামতিৰ ব্যৱস্থা নকৰাৰ ফলত পকী বেৰবোৰ খহি পৰিছে। মূধছৰ একাংশ টিনপাত মামৰে ধৰি নাইকিয়া কৰি পেলোৱাত বৰষুণ দিলে ভিতৰত ছাতি ল'ব লগা পৰিস্থিতিৰ উদ্ভৱ হয়। তদুপৰি দুৱাৰ-খিৰিকীবোৰৰ অৱস্থাও জৰাজীৰ্ণ হৈ পৰাত উপ-স্বাস্থ্য কেন্দ্ৰৰ সা-সামগ্ৰী চুৰি হোৱাৰ সম্ভাৱনাই দেখা দিছে। ইতিমধ্যে উপ-স্বাস্থ্য কেন্দ্ৰটো মেৰামতি কৰিবলৈ বহু আবেদন-নিবেদন কৰা হৈছে যদিও বিভাগীয় কৰ্তৃপক্ষই বৰ্তমানলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। যাৰবাবে উপ-স্বাস্থ্য কেন্দ্ৰটোত নিয়োজিত স্বাস্থ্যকৰ্মীসকলে অতি বিপজ্জনকভাৱে নিজৰ দায়িত্ব পালন কৰি থাকিবলগীয়া হৈছে।

## কলাগুৰুৰ গৱেষক ড° হেমলতা দেৱী অসুস্থ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১১ জুন ঃ** কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গৱেষক, নিবন্ধকাৰ মঙলদৈৰ ড° হেমলতা দেৱী বৰ্তমান অসুস্থ। উল্লেখ্য যে ড° দেৱীয়ে কলাগুৰুৰ ওপৰত গৱেষণা কৰি লাভ কৰিছে পি এইছ ডি সন্মান। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ আৰু ড° ভৱেন্দ্ৰ নাথ শইকীয়া শিশু পুথিভঁড়ালৰ প্ৰতিষ্ঠাপক তথা বৰ্তমান নৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° দেৱী যোৱা সাত জুনত উচ্চ ৰক্তচাপত গুৰুতৰভাৱে আক্ৰান্ত হোৱাত মঙলদৈত প্ৰাথমিক চিকিৎসা গ্ৰহণৰ পাছত গুৱাহাটীৰ জি এন আৰ চিত ভৰ্তি কৰোৱা হয়। এতিয়াও আই চি ইউতে থকা ড° দেৱী বৰ্তমান বিপদমুক্ত। তেওঁৰ আশু আৰোগ্য কামনা কৰিছে মঙলদৈ মিডিয়া চাৰ্কোল, মঙলদৈৰ শিল্পী সমাজকে ধৰি বিভিন্ন মহলে।

## বৰপেটাৰ মাজৰচৰত বাল্য বিবাহৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান ঃ দৰাসহ গ্ৰেপ্তাৰ দুই



অগ্ৰদূত বাৰ্তা

**আলোপতি, ১১ জুন ঃ** বৰপেটা জিলাৰ আলোপতি চৰ আৰক্ষী থানাৰ অন্তৰ্গত মাজৰচৰ গাঁৱত বাল্য বিবাহৰ বিৰুদ্ধে আজি পুৱতি নিশা আৰক্ষীয়ে অভিযান চলাই এগৰাকী কিশোৰীক উদ্ধাৰ কৰাৰ লগতে দৰাসহ দুজনক আটক কৰি জেললৈ প্ৰেৰণ কৰে। গাঁওখনৰ ৰফিকুল ইছলামৰ ১৬ বছৰীয়া কন্যাক জিলাখনৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত পাঠিমাৰী গাঁৱৰ আলাউদ্দিনৰ পুত্ৰ ইছমাইল হুছেইন (২৬)ৰ স'তে বিবাহ কাৰ্য সম্পন্ন কৰোতেই আৰক্ষীয়ে অভিযান চলাই কিশোৰীগৰাকীক উদ্ধাৰ কৰে। আলোপতি আৰক্ষীয়ে দৰা ইছমাইলৰ লগতে বাল্য বিবাহৰ লগত জড়িত থকাৰ অভিযোগত হাবিজুল ইছলাম নামৰ লোকজনকো আটক কৰে। অৱশ্যে আৰক্ষীয়ে কিশোৰীগৰাকীৰ পৰিয়ালক লোকক আটক কৰা নাই। আটক কৰা দুয়োজনকে আজি জেললৈ প্ৰেৰণ কৰাৰ লগতে কিশোৰীগৰাকীক চি ডব্লিউ চিত হাজিৰ কৰায়।

## সাতদিন ধৰি সন্ধান নাই কাৰ্বি লংপি জলবিদ্যুৎ প্ৰকল্পত নিয়োজিত জোৱানৰ



অগ্ৰদূত বাৰ্তা

**কাকজান/লাহদৈগড়, ১১ জুন ঃ** আৰক্ষীৰ সন্ধান বিচাৰি আৰক্ষীৰ দুৱাৰে দুৱাৰে ঘূৰিব লগা হৈছে আৰক্ষী জোৱানৰ পৰিয়াল। উল্লেখ্য যে টীয়ক মেলেং লহকৰ গাঁৱৰ ১৬ এপিবি এন (আই আৰ)ৰ জোৱানৰ ঋতু বৰা কাৰ্বি আংলং জিলাৰ বৈঠালাংছ' আৰক্ষী থানাত নিয়োজিত হৈ কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত হৈ আছিল। যোৱা চাৰি জুনৰ নিশা কৰ্মৰত অৱস্থাৰ পৰা নিৰুদ্দেশ হৈ আছে আৰক্ষী জোৱানজন। কিন্তু ৰহস্যজনকভাৱে কৰ্তব্যৰত জোৱানজনৰ কৰ্মক্ষেত্ৰত নিৰুদ্দেশ হোৱাৰ খবৰ আজিৰ তাৰিখলৈও প্ৰশাসনে আনুষ্ঠানিকভাৱে জনোৱা নাই পৰিয়ালক। পুত্ৰ হেৰোৱাৰ খবৰ লাভ কৰি বিচাৰি কৰ্মস্থলী কাৰ্বি লাংপিত উপস্থিত হয় দুৰ্ভগীয়া পিতৃ আৰু ভ্ৰাতৃসহিতে বহুকেইজন আত্মীয়। কিন্তু কৰ্মস্থলীতো প্ৰশাসনৰ পৰা কোনো গুৰুত্ব প্ৰদান নকৰাৰ গুৰুতৰ অভিযোগ কৰিছে নিৰুৰ্দ্দিষ্ট বেটেলিয়ন ঋতুৰ পৰিয়ালে। এই সমগ্ৰ ঘটনাটো ৰহস্য গোন্ধ পাইছে পৰিয়ালৰ লোকৰ লগতে স্থানীয় লোকে। প্ৰশাসনে কথাটো পৰিয়ালক আজিও কিয় জনোৱা নাই, সেয়ে সমগ্ৰ ঘটনাটো অৱগত কৰি পৰিয়ালৰ লোকে স্থানীয় লাহদৈগড় আৰক্ষী চকীত এখন এজেহাৰ দাখিল কৰাৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰীজনক আহ্বান জনায়। অতি কম সময়ৰ ভিতৰত নিৰুদ্দিষ্ট বৰাক বিচাৰি উলিওৱাৰ আহ্বান জনাইছে।

## জাগুন-কথাচেমা ঘাটত পকী দলং নিৰ্মাণৰ দাবীত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ১১ জুন ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত জাগুন কথাচেমা ঘাটত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে এখন পকী দলং নিৰ্মাণৰ দাবীত আজি প্ৰতিবাদ সাব্যস্ত কৰে। হাতে হাতে প্লেকাৰ্ড লৈ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সদস্যৰ লগতে গঁওাৰ ৰাইজ ওলাই আহি দীৰ্ঘদিনীয়া দলঙৰ সমস্যা পূৰণৰ দাবীত উত্তাল কৰে কথাচেমা দিহিং নদীৰ ঘাট। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ টিৰাপ জাগুন আঞ্চলিক সমিতিৰ লগতে কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া আৰু কথাচেমা গাঁৱৰ ৰাইজে হাতে হাতে প্লেকাৰ্ড লৈ দিহিং নদীৰ পাৰত প্ৰতিবাদ সাব্যস্ত কৰি 'মিছা প্ৰতিশ্ৰুতি বন্ধ কৰক', 'কথাচেমা ৰাইজৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰক', 'বিজেপি চৰকাৰ হুছিয়াৰ' আদি বিভিন্ন শ্ল'গান দিছে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ৰাহুল ছেত্ৰীয়ে কংগ্ৰেছেই হওক বা বিজেপিয়েই হওক নিৰ্বাচনৰ সময়তহে জাগুন কথাচেমাবাসী ৰাইজলৈ মনত পৰে বুলি ক্ষোভ উজাৰি গড়কাপ্তানী বিভাগৰ মন্ত্ৰীক মাৰ্ঘেৰিটালৈ আহি মাৰ্ঘেৰিটাবাসীক দিয়া প্ৰতিশ্ৰুতিৰ অংশৰূপে জাগুন-কথাচেমা ঘাটৰ দলং নিৰ্মাণ কৰি দিবৰ বাবে দাবী জনায়। জনবসতিপূৰ্ণ কথাচেমা, ৰামনগৰ, বালিবস্তি, চন্দ্ৰপুৰ, কথা আদৰ্শ, কোলাপথাৰ এই গাঁওকেইখনৰ একমাত্ৰ যাতায়াতৰ সমস্যা বুলি উল্লেখ কৰি দলং নিৰ্মাণ হ'লে অৰুণাচল প্ৰদেশৰ স'তে যোগাযোগৰ সুবিধা হোৱাৰ কথাও উল্লেখ কৰে। বাৰিষাত কোনো লোকৰ বেমাৰ হ'লে যাতায়াতৰ অভাৱত মৃত্যু হোৱাৰ লগতে বানপানীৰ দিনত স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিব নোৱাৰে। ছাত্ৰ মুক্তিৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি পাপু দত্তইয়ো দীৰ্ঘদিনীয়া দাবী সমাধান কৰি নিবিদাৰ যোগেদি ঘাট অধিগ্ৰহণ কৰি অত্যাধিক টকা সংগ্ৰহ কৰা বন্ধ কৰিবলৈও দাবী জনাইছে। আনহাতে, অনাগত দিনত স্থানীয় বিধায়ক ভাস্কৰ শৰ্মা আৰু সাংসদ ৰামেশ্বৰ তেলীয়ে দলং নিৰ্মাণৰ কোনো পদক্ষেপ নলয় তেন্তে বাসগৃহ ঘেৰাও কাৰ্যসূচীও হাতত লবলৈ বাধ্য হ'ব বুলি হুংকাৰ দিয়ে।

## চাবুৱাত কভিডসৃষ্ট পৰিস্থিতিক লৈ গীত সৃষ্টি চিকিৎসকৰ

অগ্ৰদূত বাৰ্তা,

**চাবুৱা, ১১ জুন ঃ** চাকৰি জীৱনৰ মাজত সেৱাৰ মনোভাৱেৰে কৰ্মৰ যোগেদি একোজন ব্যক্তিয়ে আচল তৃপ্তি লভিব পাৰে। ঘৰ-সংসাৰ, অন্যান্য দায়িত্ব থকাৰ বাবেহে কাম কৰিব লাগে বুলি কাম কৰা মানসিক হেঁচাই বহুতকে চাকৰি জীৱনটোৰে আমুৱাই পেলোৱা পৰিলক্ষিত হয়। কিন্তু বহু চৰকাৰী বা বেচৰকাৰী কৰ্মচাৰীয়ে দায়িত্ববোধৰ স'তে ব্যতিক্ৰমী সৃষ্টিৰে পৰম তৃপ্তি লাভ কৰা ব্যক্তি সমাজত বিৰল। এনে এজন চৰকাৰী চিকিৎসক তথা চাবুৱা মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত উপ-অধীক্ষকৰূপে কৰ্তব্যৰত ডাঃ তৰুণ কুমাৰ দেউৰী। ডাঃ দেউৰীয়ে বিগত দুটা বছৰে কভিডসৃষ্ট পৰিৱেশৰ বিৰুদ্ধে প্ৰথমশাৰীৰ যোদ্ধা হিচাপে যুঁজ দি অহাৰ সময়তে এটি গীত সৃষ্টি কৰিলে। একেধাৰে কবি, ক্ৰীড়াবিদ, প্ৰকৃতিপ্ৰেমী দেউৰীৰ কথা, সুৰ আৰু কণ্ঠৰে সৃষ্টি কৰা গীতটো বুধবাৰে আদৰ্শ চিকিৎসালয় খনতে উন্মোচন কৰে। চাবুৱা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া টুলুমণি দুৱৰাৰ হাতেৰে কম্পিউটাৰত বুটাম টিপি শব্দ যন্ত্ৰত বজাই তুলি গীতটি উন্মোচন হয় । কে'বাগৰাকী মহিলা কভিড ৰোগী, চিকিৎসালয়খনৰ কৰ্মচাৰী আৰু স্থানীয় সাংবাদিকসকল উপস্থিত থাকে। 'বিশ্ব আজি উপস্থিত, এক জটিল সন্ধিক্ষণত, মাতৃ আজি বিৰাট প্ৰত্যাহ্বানৰ...' শীৰ্ষক গীত শব্দযন্ত্ৰ বাজি উঠাৰ লগে লগে ৰোগী আৰু কৰ্মচাৰী সকলে তালে তালে হাত চাপৰি বজায়। ডাঃ দেউৰীৰ মতে কভিড সজাগতা, ৰোগীসকলক মানসিক শক্তি বৃদ্ধি আৰু স্বাস্থ্যকৰ্মীসকলৰ মনোবলৰ বাবে সৃষ্টি কৰা গীতটিয়ে ৰাইজৰ সমাদৰ লাভ কৰিব বুলি আশা কৰে। লগতে কভিডসৃষ্ট পৰিস্থিতিৰ বিৰুদ্ধে যুঁজ দিয়া আৰক্ষী আৰু সাংবাদিকসকলক কৃতজ্ঞতা প্ৰকাশ কৰে নিজৰ ভাষণ প্ৰসংগত। উল্লেখ্য যে চিকিৎসালয় খনত চিকিৎসাধীন হৈ থকা ৰোগীসকলক মনোবল বৃদ্ধি কৰাৰ প্ৰচেষ্টাৰে চিকিৎস্যালয়তে অসমীয়া চিৰসেউজ গীত শুনাইছিল। তেনে গীতসমূহ শব্দ যন্ত্ৰত নিজেও গাই অলপতে সংবাদ মাধ্যমত চৰ্চা লাভ কৰিছিল।

## ডিমৌত বেচৰকাৰী সংস্থাৰ গছপুলি ৰোপণ



অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১১ জুন ঃ** ডিমৌৰ সমীপৰ বন্দৰমাৰী গাঁৱত আজি হৃদয় প্ৰাণ চুতীয়া নামৰ এটি শিশুৰ জন্মৰ দিনৰ লগত সংগতি ৰাখি 'হৃদয়-এখন সহায়ৰ হাত' নামৰ এক বেচৰকাৰী সংস্থাই প্ৰকৃতি ৰক্ষাৰ বাবে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। লগতে অঞ্চলটোৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকসকলৰ মাজত মাস্ক, ছেনিটাইজাৰ, চেনিটেৰি নেপকিন আদি বিতৰণ কৰে। বেচৰকাৰী সংস্থাটোৰ হৈ মোচুমী তামুলী, বিদিশী পাচনী আৰু প্ৰাৰ্থনা দত্তৰ বিশেষ উদ্যোগত আয়োজিত তথা আৰক্ষী জোৱান পলাশ চুতীয়া আৰু পত্নী পপী চুতীয়াৰ পুত্ৰ প্ৰয়াত হৃদয় প্ৰাণ চুতীয়াৰ নামেৰে নামাকৰণ কৰা সংস্থাটোৰে তেওঁৰ জন্মদিনটোৰ পৰাই এই কাৰ্যসূচী চলাই আহিছে আৰু এনেদৰেই এনেধৰণে জনকল্যাণমূলক কাৰ্যসূচী অব্যাহত ৰাখিব বুলি কয়। উক্ত কাৰ্যসূচীত ডিমৌ ৰাজহ চক্ৰ বিষয়া ফিলিছ ৰাংছাল, নিতাইপুখুৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দুলুমণি তালুকদাৰ, মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যাপক অজয় কুমাৰ গগৈ, ডিমৌৰ জ্যেষ্ঠ সাংবাদিক শেখৰজ্যোতি দুৱৰী, প্ৰকৃতিপ্ৰেমী জীৱন বৰা, শিৱসাগৰ ব্যৱসায়ী প্ৰদীপ পাচনী, সাতঘৰীয়া চুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অঞ্জলি তামুলী, ডিমৌ পৌৰসভাৰ কনিষ্ঠ অভিযন্তা গৌতম কলিতা, সমাজকৰ্মী ৰশ্মিৰেখা দত্ত, নিপুল দত্তকে ধৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তি আৰু ডিমৌৰ সাংবাদিকসকল উপস্থিত থাকে

## মানকাচৰত ২৩০০ গছ পুলি ৰোপণ চি আৰ পি এফৰ

**মানকাচৰ, ১১ জুন ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত বিশ্ব পৰিৱেশ দিৱসৰ দিনাৰ পৰা চি আৰ পি এফে বৃক্ষৰোপণ কৰি আহিছে। আজিও কুচনীমাৰা জোৰডাংগা এম ই মাদ্ৰাছাত শতাধিক গছপুলি ৰোপণ কৰে। উল্লেখ্য যে চি আৰ পি এফৰ ৪৮-এ বেটেলিয়ানে জিলাখনৰ বিভিন্ন ঠাইত মুঠ ২৩০০ গছপুলি ৰোপণ কৰাৰ সংকল্প লৈছে। বিশ্ব পৰিৱেশ দিৱসৰ দিনাৰ পৰা আৰম্ভ হৈছে এই বৃক্ষ ৰোপণৰ কাৰ্যসূচী। প্ৰতিদিনে চি আৰ পি এফে বিভিন্ন অনুষ্ঠানত শতাধিককৈ গছপুলি ৰোপণ কৰি আহিছে। এতিয়ালৈ চি আৰ পি এফে প্ৰায় এক সহস্ৰাধিক বৃক্ষৰোপণ কৰা পৰিলক্ষিত হৈছে। কুচনীমাৰা জোৰডাংগা এম ই মাদ্ৰাছাত চি আৰ পি এফে বৃক্ষৰোপণৰ সমান্তৰালভাৱে স্থানীয় ৰাইজৰ মাজত বিনামূলীয়াকৈ মাস্ক বিতৰণ কৰি সকলো লোক ক'ভিড-১৯ৰ প্ৰতি লক্ষ্য ৰাখি মাস্ক পৰিধান কৰিব লাগে বুলি ৰাইজক আহ্বান জনায় চি আৰ পি এফৰ, ৪৮ এ বেটেলিয়নৰ সহকাৰী কমাণ্ডেণ্ট সঞ্জয় কুমাৰে।

## ৰাজ্যত কেন্দ্ৰীয় আঁচনিৰ পৰা উপকৃত নহ'ল ক্ষুদ্ৰ ব্যৱসায়ী



বিশেষ সংবাদদাতা

**লখিমপুৰ, ১১ জুন ঃ** স্বাভিমানেৰে স্ব-নিৰ্ভৰশীল হৈ জীয়াই থাকিব খোজা ৰাজ্যৰ চাৰি লাখ পদপথৰ ক্ষুদ্ৰ ব্যৱসায়ীৰ এতিয়া হাহাকাৰ অৱস্থা। কৰ'না সংকট কালে তেওঁলোকৰ জীৱনলৈও নমাই আনে দুৰ্দশা। এইসকল দুৰ্দশাগ্ৰস্ত ক্ষুদ্ৰ ব্যৱসায়ীৰ সকাহৰ বাবে প্ৰৱৰ্তন কৰা কেন্দ্ৰীয় আঁচনিৰ পৰাও তেওঁলোকে উপকৃত নহ'ল। পদপথৰ ব্যৱসায়ীয়ে এতিয়া পৰিস্থিতিত পৰি উৱাদিহ হেৰুৱাবলগীয়া হৈছে। চৰকাৰীভাৱে তেওঁলোকৰ বাবে এখন আঁচনি প্ৰৱৰ্তন কৰা হৈছিল যদিও সেয়াও বাস্তৱ ক্ষেত্ৰত অসাৰ হোৱাৰ দৰেহে হ'ল। ক'ভিডৰ প্ৰথমটো লহৰত প্ৰধানমন্ত্ৰীয়ে এইসকল ক্ষুদ্ৰ ব্যৱসায়ীৰ দুৰ্দশাগ্ৰস্ত ৰূপে দেখি প্ৰধানমন্ত্ৰিত্ব নিধি নামেৰে এখন আঁচনি প্ৰৱৰ্তন কৰিছিল। এই আঁচনিত সাত শতাংশ সুতৰ হাৰত ব্যৱসায়ীসকলক দহ হেজাৰ টকাৰ ঋণ দিয়াৰ আঁচনি আছিল। আঁচনিখন ঠিকেই প্ৰৱৰ্তন হ'ল। কিন্তু ব্যৱসায়ীসকলৰ এক ক্ষুদ্ৰ অংশকহে এই আঁচনিয়ে সামৰি ল'লে। উপেক্ষিত হৈ ৰ'ল গৰিষ্ঠ সংখ্যক ব্যৱসায়ী। পদপথৰ ক্ষুদ্ৰ ব্যৱসায়ী সন্থা লখিমপুৰৰ সভাপতি চন্দন চক্ৰৱৰ্তীয়ে জানিবলৈ দিয়া মতে, ৰাজ্যৰ চাৰি লাখ ক্ষুদ্ৰ এনে ব্যৱসায়ীৰ ভিতৰত মাথোঁ ১৩ হেজাৰ ৪৫৩ জনেহে এই ঋণ পাবলৈ সক্ষম হয়। তেওঁৰ লগতে একাংশ ব্যৱসায়ীয়ে অচিৰেই ৰাজ্যৰ সকলো ব্যৱসায়ীক এই আঁচনিৰ ধন দিবলৈ আহ্বান জনোৱাৰ উপৰি সম্প্ৰতি পৰিস্থিতিৰ বাবে যিসকলে ইতিমধ্যে ঋণ পাবলৈ সক্ষম হৈছে তেওঁলোকৰ সুত মাফ কৰিবলৈ আহ্বানে জনাইছে। চৰকাৰে এইসকল থলুৱা স্বাভিমানী উদ্যোগীৰ আহ্বান শুনিবনে! এয়া এতিয়া প্ৰতিজন উদ্যোগীৰ সন্মুখত এক উত্তৰবিহীন প্ৰশ্ন হৈ পৰিছে।

## ভৈৰৱকুণ্ডত এছ এছ বিৰ অভিযানত অৰুণাচলী সুৰাসহ এজন গ্ৰেপ্তাৰ



বিশেষ সংবাদদাতা

**ওদালগুৰি, ১১ জুন ঃ** ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ডৰ সমীপৱৰ্তী আংৰাজুলি গাঁৱত আজি বহু পৰিমাণৰ অৰুণাচলী সুৰা জব্দ কৰে এছ এছ বিয়ে। এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত ২৩ নম্বৰ লালপুল বেটেলিয়নৰ অন্তৰ্গত কচুবিল এছ এছ বি শিবিৰৰ সহযোগত অভিযান চলায়। সহকাৰী কমাণ্ডেণ্ট ৰবি সিঙৰ নেতৃত্বত ১০জনীয়া এছ এছ বিৰ দল এটাই পুৱা প্ৰায় ১০ বজাত চলোৱা অভিযানত আংৰাজুলি গাঁৱৰ পৰা এখন বাহনৰ পৰা অৰুণাচলী সুৰাসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা লোকজন আংৰাজুলি গাঁৱৰ চুমেন নাৰ্জাৰী। জব্দকৃত মাৰুতি ছুজুকী বাহনখনৰ নম্বৰ হৈছে এ এছ ১২ এফ-৫৭৪০। বাহনখনৰ পৰা এছ এছ বিৰ দলটোৱে ১৪৪টা বিভিন্ন বেণ্ডৰ অৰুণাচলী সুৰাৰ বটল জব্দ কৰিছে। এছ এছ বিয়ে দাবী কৰা অনুসৰি ক'ভিডৰ মিনি তলাবন্ধৰ সময়ছোৱাত এনেদৰে জিলাখনৰ বিভিন্ন প্ৰান্তলৈ অৰুণাচলী সুৰাৰ সৰবৰাহ চলি আহিছে। ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি সুৰাখিনি ওদালগুৰি আৱকাৰী বিভাগৰ হাতত গতাই দিয়াৰ লগতে গ্ৰেপ্তাৰ হোৱা লোকজনক এছএছবিয়ে আৰক্ষীৰ হাতত গতাই দিয়ে।

## বাগ্‌সা প্ৰশাসনলৈ অক্সিজেন কনছেনট্ৰেটৰ অক্সিমিটাৰ প্ৰদান



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১১ জুন ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, বাগ্‌সা জিলাৰ প্ৰগ্ৰেম মেনেজমেন্ট ইউনিটৰ বিশেষ আমন্ত্ৰণ মৰ্মে, আজি গুৱাহাটীস্থিত বেচৰকাৰী সংস্থা এন ই এ আই ডিৰ তৰফৰ পৰা এক বিশেষ পদক্ষেপ গ্ৰহণ কৰি জিলা প্ৰশাসনৰ চৰকাৰী স্বাস্থ্য খণ্ডলৈ ক'ভিডৰ বিৰুদ্ধে যুঁজ দিয়াত সহায়ক হিচাপে পাঁচটা অক্সিজেন কনছেনট্ৰেটৰ আৰু এশটা অক্সিমিটাৰ প্ৰদান কৰে। বাগ্‌সাৰ অতিৰিক্ত উপায়ুক্ত পংকজ নাগবংশীৰ হাতত স্বাস্থ্য সেৱাৰ এই সামগ্ৰীবোৰ অৰ্পণ কৰা হয়। সংস্থাটোৱে আন বেচৰকাৰী সংস্থা ঃ 'প্ৰথম' আৰু 'পিৰামল'ৰ সহযোগত ৰাজ্যখনৰ কে'বাখনো জিলালৈ প্ৰয়োজন সাপেক্ষে ক'ভিডৰ বিৰুদ্ধে যুঁজ দিয়াত সহায়ক হিচাপে সৰ্বমুঠ ৭০ টা অক্সিজেন কনছেনট্ৰেটৰ প্ৰদান কৰিছে। ইয়াৰে ৫০ টা অক্সিজেন কনছেনট্ৰেটৰ ইতিমধ্যে কামৰূপ জিলা প্ৰশাসনলৈ আৰু ১০ টা অক্সিজেন কনছেনট্ৰেট মৰিগাঁও জিলা প্ৰশাসনলৈ আগবঢ়াইছে।

## অতি শীঘ্ৰেই পুনৰ নিৰ্মাণৰ দাবী ৰাইজ তথা দল-সংগঠনৰ

# এখন দলঙে দুৰ্ভোগ ভুগাইছে কলাইগাঁওবাসীক



অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ১১ জুন ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত কলাইগাঁও চহৰৰ উপকণ্ঠ অঞ্চলত জৰাজীৰ্ণ হৈ ভাঙি থকা দলংখনৰ বাবে প্ৰায়ে চহৰৰ ঘাইপথত প্ৰচণ্ড যান-জঁটৰ সৃষ্টি হয়। ফলত প্ৰায়ে সৰু-বৰ বহু দুৰ্ঘটনা সংঘটিত হৈ থাকে। উল্লেখ্য যে ২০০৭লৈ চহৰৰ মাজেৰে বৈ যোৱা নোৱা নদীৰ ওপৰত মঙলদৈ ভূটীয়াচাং-কলাইগাঁও দৈনিক বজাৰ সংযোগী পথত এখন কাঠৰ দলং থকাৰ ফলত যাতায়াত ব্যৱস্থা অতি সুচল আছিল। উক্ত দলংখনৰ পূবে কমাৰপাৰা, চিন্তাগাঁও, বতিয়ামাৰী, নিজ কলাইগাও, মাজৰচুবা, বাগিচাচুবা, বৰপুখুৰী, শিংৰীমাৰী, কবিৰালি আৰু পশ্চিমে গেৰুৱা, শান্তিপুৰ, বেলতলী, ভোলাবাৰী, কুলচীপাৰ, গণকপাৰা, নাহৰবাৰী, আমগুৰি, ৰূপাতল, শগুনবাহী, খাম্পাহোলা, ভেহগুৰি, বালিপাৰা আদিকে লৈ প্ৰায় ৫০ খন গাঁৱৰ লোকে অহা-যোৱা কৰিছিল। কিন্তু ২০০৭ত দলংখন লৈয়ে উটুৱাই নিয়াৰ ফলত অঞ্চলবাসী যাতায়াতৰ ক্ষেত্ৰত বহু অসুবিধাৰ সন্মুখীন হৈছে। পৰিত্যক্ত কাঠৰ দলঙৰ ঠাইত এখন পকী দলং এখন নিৰ্মাণ কৰিবলৈ বছৰ বছৰ ধৰি ৰাইজ আৰু বিভিন্ন দল-সংগঠনে জনপ্ৰতিনিধিক আবেদন-নিবেদন কৰিছিল যদিও আজিলৈকে নিৰ্মাণ নহ'ল এখন পকী দলং। আনহাতে, এই দলংখনেৰে বিদ্যালয়, মহাবিদ্যালয়, চিকিৎসালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, বিভিন্ন বেংক, থানা আদি চমুপথ হোৱাৰ বাবে দলংখন অতি গুৰুত্বপূৰ্ণ। উক্ত উপ-পথটো বন্ধ হৈ থকাৰ ফলত ঘাইপথটোৰে সকলোৱে যাতায়াত কৰাত যথেষ্ট যান-জঁটৰ সৃষ্টি হৈছে। বিগত ১৪-১৫ বছৰ ধৰি দলঙৰ অভাৱত পথটো বন্ধ হৈ থকাৰ ফলত পথটোৰ দাঁতিত থকা ক্ষুদ্ৰ ব্যৱসায়ীসকল সংকটৰ গৰাহত পৰিছে। সেয়ে কলাইগাঁওবাসী ৰাইজ আৰু স্থানীয় আছুৱে দলংখন অতি সোনকালে নিৰ্মাণ কৰি দিবলৈ নতুন চৰকাৰ, বিটিআৰৰ ইএম তথা বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

## চোৰাং কাঠসহ গাড়ী জব্দ চামগুৰিত



অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১১ জুন ঃ** নগাঁও জিলাৰ চামগুৰিত যোৱা নিশা শালনা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰীয়ে অভিযান চলাই বুজন পৰিমাণৰ চোৰাং কাঠসহ এখন গাড়ী জব্দ কৰে। চোৰাং কাঠ বেপাৰীৰ বিৰুদ্ধে চলোৱা অভিযানত এ এছ-০২ ই-৫৮৯২ নম্বৰৰ টাটা ম'বাইল গাড়ীসহ চোৰাং মাকৰী শালকাঠৰ ফাণ্টা জব্দ কৰে বন বিভাগৰ দলটোৱে। শালনা বন বিভাগৰ পৰা জনোৱা মতে, কাৰ্বি আংলঙৰ পৰা মাকৰী শালৰ চোৰাং কাঠৰ ফাণ্টাসমূহ কঢ়িয়াই আনিছিল গাড়ীখনত। চোৰাং কাঠ সৰবৰাহ কৰাৰ কথা গম পাই বন বিভাগৰ অভিযানকাৰী দলটো চামগুৰি এ এছ ই বি তিনিআলিত খাপ পিটি থাকোতে চোৰাং কাঠ সৰবৰাহ কৰা গাড়ীখনৰ চালকজনে দেখা পাই গাড়ী ৰখাই চালকজন জঁপিয়াই পলাই যায়। গাড়ীখনত কঢ়িয়াই অনা কাঠখিনিৰ মূল্য ৫০ হেজাৰ টকা হ'ব।



## শ্ৰীলংকাগামী ভাৰতীয় দলত ছজন নৱাগত
# নেতৃত্ব লাভ কৰি আপ্লুত ধৱন



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১১ জুন ঃ** দীৰ্ঘদিনৰ অপেক্ষাৰ অন্তত অৱশেষত ভাৰতীয় ক্ৰিকেট দলৰ নেতৃত্ব লাভ কৰিলে শিখৰ ধৱনে। অহা জুলাইত সীমিত অভাৰৰ শৃংখলাৰ বাবে শ্ৰীলংকা ভ্ৰমণ কৰিবলগীয়া দ্বিতীয় শাৰীৰ ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব বাঁওহতীয়া অপেনাৰজনে। দীৰ্ঘদিনৰ পাছত এই গুৰুদায়িত্ব লাভ কৰি স্বাভাৱিকতে আপ্লুত হৈ পৰিছে অভিজ্ঞ ক্ৰিকেটাৰজন। টুইটাৰত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি ধৱনে লিখিছে, 'দেশক নেতৃত্ব দিব পাৰিম। এই কথা ভাবিয়েই আপ্লুত হৈ পৰিছো। শুভকামনা জনোৱাৰ বাবে সকলোকে ধন্যবাদ।' উল্লেখ্য যে দীৰ্ঘদিন ভাৰতীয় দলৰ হৈ খেলিলেও ধৱনে কেতিয়াও দলক নেতৃত্ব দিয়াৰ সুযোগ পোৱা নাছিল। এটা ভ্ৰমণত তেওঁ ৰোহিত শৰ্মাৰ সহকাৰী আছিল। অহা জুলাইত ভাৰতে শ্ৰীলংকাত তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ আন্তৰ্জাতিক মেচ খেলিব। সেই সময়ত বিৰাট কোহলি নেতৃত্বাধীন ভাৰতীয় দলে ইংলণ্ডত ব্যস্ত থাকিব। তাৰ বাবে ধৱনৰ নেতৃত্বত এটা দ্বিতীয় দল যোৱা নিশা নিৰ্বাচন কৰা কয়। দলত স্থান লাভ কৰিছে কে'বাজনো নৱাগত খেলুৱৈয়ে। তেওঁলোক হৈছে দেৱদত্ত পাল্লিকাল, ৰুতুৰাজ গায়কোৱাড়, নীতিশ ৰাণা, কৃষ্ণাপ্পা গৌতম, বৰুণ চক্ৰৱৰ্তী আৰু চেতন চাকাৰিয়া। উল্লেখ্য যে চক্ৰৱৰ্তীয়ে ইয়াৰ পূৰ্বে দুবাৰকৈ দলত লাভ কৰিও শাৰীৰিক অক্ষমতাৰ বাবে বাদ পৰিছিল।

**ঘোষিত দল**

**শিখৰ ধৱন (অধিনায়ক) ভুৱনেশ্বৰ কুমাৰ (সহ অধিনায়ক), পৃথ্বী শ্ব', দেৱদত্ত পাল্লিকাল, ৰুতুৰাজ গায়কোৱাড়, সূৰ্যকুমাৰ যাদৱ, মনীষ পাণ্ডে, হাৰ্দিক পাণ্ডিয়া, নীতিশ ৰাণা, ঈশান কিষাণ, সঞ্জু ছেমছন, যুজৱেন্দ্ৰ চাহাল, ৰাহুল চাহাৰ, কৃষ্ণাপ্পা গৌতম, কুণাল পাণ্ডিয়া, কুলদীপ যাদৱ, বৰুণ চক্ৰৱৰ্তী, দীপক চাহাৰ, নৱদীপ ছাইনী আৰু চেতন ছাকাৰিয়া।**

# এমবেপে-জিৰাউডৰ প্ৰত্যক্ষ সংঘাত
## ইউৰ' কাপত অৱতীৰ্ণ হোৱাৰ পূৰ্বেই অন্তঃকন্দলত জৰ্জৰিত ফ্ৰান্স দল

**নিউজ ব্যুৰ'**
**পেৰিছ, ১১ জুন ঃ** আজিৰে পৰা আৰম্ভ হোৱা ইউৰ' কাপৰ খিতাপৰ অন্যতম দাবীদাৰৰূপে গণ্য কৰা হৈছে ফ্ৰান্সক। অথচ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ পূৰ্বে অন্তঃকন্দলে জৰ্জৰিত কৰিছে বিশ্ব চেম্পিয়ন দলটোক। দলৰ দুই তাৰকা ষ্ট্ৰাইকাৰ কাইলিয়ান এমবেপে আৰু অলিভিয়েৰ জিৰাউডৰ মাজৰ মুকলি সংঘাতে সম্প্ৰতি দলটোক বাৰুকৈয়ে অস্বস্তিত পেলাইছে। জিৰাউডৰ এক মন্তব্যক লৈ বাৰুকৈয়ে ক্ষুব্ধ হৈছে এমবেপে।

উল্লেখ্য যে ইউৰ' কাপৰ এখন প্ৰস্তুতি মেচত যোৱা মঙলবাৰে ফ্ৰান্সে বুলগেৰিয়াক ৩-০ গ'লত পৰাজিত কৰে। খেলৰ পাছতে সতীৰ্থৰ বিৰুদ্ধে প্ৰশ্ন তোলে জিৰাউডে। অভিজ্ঞ তাৰকাজনে কয় যে বাকীসকলে তেওঁলৈ বল সৰবৰাহ কৰা নাই। ইয়াতে ক্ষুব্ধ হয় এমবেপে। বিশ্বকাপৰ নায়কজনে তেওঁক উদ্দেশ্য কৰিয়ে জিৰাউডে উক্ত মন্তব্য কৰা বুলি ভাবি ইমানেই ক্ষুব্ধ হয় যে সংবাদমেলৰ আয়োজন কৰি তেওঁ জ্যেষ্ঠ সতীৰ্থৰ কথাৰ উত্তৰ দিব বিচাৰিছিল। পাছত যেনিবা দলৰ প্ৰশিক্ষক ডিডিয়েৰ দেছাইলিয়ে দুয়োৰে মাজত মধ্যস্থতা কৰে। তৎসত্ত্বেও দললৈ শান্তি ঘূৰি অহা নাই বুলিয়ে দলৰ এক সূত্ৰই সদৰী কৰিছে। বৃহস্পতিবাৰে এই বিষয়ত জিৰাউডে কথা পাতিব বিচাৰিছিল যদিও এমবেপেই তেওঁৰ স'তে কোনো আলোচনা কৰাৰ পৰা বিৰত থাকে।



## কৰ'নাত মৃত্যু ভাৰতৰ প্ৰাক্তন ফুটবল অধিনায়কৰ

**নিউজ ব্যুৰ'**
**কলকাতা, ১১ জুন ঃ** কৰ'নাত আক্ৰান্ত হৈ প্ৰাণ হেৰুৱালে ভাৰতীয় ফুটবল দলৰ প্ৰাক্তন অধিনায়ক শেখৰ বাংগেৰাই। ৮৪ বছৰীয়া প্ৰাক্তন গ'লকীপাৰজনৰ যোৱানিশা মাংগালুৰুৰ এখন হাস্পতালত মৃত্যু হয়। এসময়ৰ দুৰ্দান্ত গ'লকীপাৰ ৰূপে চিহ্নিত বাংগেৰাই একাধিক খেলত ভাৰতীয় দলক নেতৃত্ব দিছিল। কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত তেওঁ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল।

## ব্ৰাজিলতেই হ'ব কোপা আমেৰিকা
### বন্ধৰ বাবে কৰা দুটাকৈ আবেদন খাৰিজ আদালতৰ

**নিউজ ব্যুৰ'**
**ছাও পাওল', ১১ জুন ঃ** কোপা আমেৰিকা ফুটবলৰ আয়োজনক কেন্দ্ৰ কৰি সকলো অনিশ্চয়তাৰ অৱসান ঘটিল। ব্ৰাজিলত এই প্ৰতিযোগিতাৰ আয়োজন কৰাত কোনো বাধা নাই বুলি স্পষ্ট কৰিলে দেশখনৰ শীৰ্ষ আদালতে। ব্ৰাজিলত কোপা আমেৰিকাৰ আয়োজন বন্ধ কৰাৰ বাবে দুটাকৈ গোচৰ চলিছিল দেশখনৰ উচ্চতম ন্যায়ালয়ত। সেই আবেদন আদালতে আজি খাৰিজ কৰে। ১১জন বিচাৰকৰ প্ৰত্যেকেই সহমত প্ৰকাশ কৰে।



আদালতে লগতে জনাইছে যে সমগ্ৰ প্ৰতিযোগিতাতে কঠোৰ নিৰাপত্তা বিধি মানি চলিব লাগিব। কোনো নিয়ম শিথিল হ'বলৈ দিয়া নহ'ব। আদালতে লগতে স্পষ্ট কৰি দিছে যে ক'ভিড পৰিস্থিতিত যদি ব্ৰাজিলৰ কোনো প্ৰদেশে যদি কোপা আমেৰিকাৰ মেচ আয়োজন কৰিব নিবিচাৰে, তেন্তে তেওঁলোকক বাধ্য কৰোৱা নহ'ব। কিন্তু এখন প্ৰতিযোগিতা এইদৰে বন্ধ ৰাখিব নোৱাৰে বুলি উচ্চতম ন্যায়ালয়ে কয়। উল্লেখ্য যে ক'ভিড পৰিস্থিতিত কোপা আমেৰিকা আয়োজনক কেন্দ্ৰ কৰি দেশৰ একাংশ নাগৰিকৰ মনত ক্ষোভৰ সৃষ্টি হৈছে।

## ইউৰ'ৰ প্ৰাক্‌ক্ষণত বিপদত জাৰ্মানী
# আঘাতৰ তালিকাত গোৰেৎস্কা



**নিউজ ব্যুৰ'**
**লণ্ডন, ১১ জুন ঃ** আজিৰে পৰা আৰম্ভ হোৱা ইউৰ' কাপৰ কঠিন গ্ৰুপত আছে প্ৰাক্তন চেম্পিয়ন জাৰ্মানী। 'এফ' গ্ৰুপত জাৰ্মানীৰ লগতে আছে যোৱাবাৰৰ চেম্পিয়ন পৰ্তুগাল আৰু বিশ্ব চেম্পিয়ন ফ্ৰান্স। শক্তিশালী ফ্ৰান্সৰ বিপক্ষেই এইবাৰৰ অভিযান আৰম্ভ কৰিব জাৰ্মানীয়ে। অথচ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ পূৰ্বেই জাৰ্মান দলটো এক সমস্যাৰ সন্মুখীন হ'ল। আঘাতপ্ৰাপ্ত হৈ প্ৰথম মেচৰ বাবে অনিশ্চিত হৈ পৰিল দলৰ প্ৰধান মিডফিল্ডাৰ লিয়ন গোৰেৎস্কা। ২৬ বছৰীয়া তাৰকাজনে অনুশীলন মেচৰ সময়ত ভৰিত আঘাত পায়। জাৰ্মানীৰ দল সঞ্চালক অলিভাৰ বিয়েৰহফে এই কথা সদৰী কৰি কয়, 'প্ৰথম মেচত গোৰেৎস্কাৰ খেলাৰ কোনো প্ৰশ্নই নাই। তেওঁ আমাৰ দলৰ সম্পদ। মই নিশ্চিত যে সঠিক সময়ত তেওঁ সুস্থ হৈ উঠিব আৰু ইউৰ' কাপত জাৰ্মানীৰ বিজয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।' ইপিনে, জাৰ্মানী অস্বস্তিত পৰিলেও কিছু সকাহ পালে স্পেইনে। কৰ'নাত আক্ৰান্ত হোৱা ডিফেণ্ডাৰ ডিয়েগ' লৰেণ্টেৰ শেহতীয়া পৰীক্ষাৰ ফল নিগেটিভ আহিছে।



*ইউৰ' কাপৰ বাবে অষ্ট্ৰিয়া দলৰ অনুশীলনৰ এটি মুহূৰ্ত।*

## সবল স্থিতিত নিউজিলেণ্ড

**নিউজ ব্যুৰ'**
**বাৰ্মিংহাম, ১১ জুন ঃ** ইংলণ্ডৰ বিপক্ষে দ্বিতীয় টেষ্টত সবল স্থিতিৰ দিশে অগ্ৰসৰ হৈছে নিউজিলেণ্ড। ইংলণ্ডৰ ৩০৩ ৰাণৰ প্ৰত্যুত্তৰত দ্বিতীয় দিনা বাতৰি যুগুতোৱা পৰ্যন্ত ভ্ৰমণকাৰী দলটোৱে দুই উইকেট হেৰুৱাই ১৮২ ৰাণ সংগ্ৰহ কৰিছে। ফলত কিৱি দলৰ অগ্ৰগতিৰ সম্ভাৱনাও উজ্জ্বল হৈছে। প্ৰথম টেষ্টৰ দ্বিশতৰাণকাৰী ডেভন ক'নৱে ৮০ ৰাণত আউট হোৱাৰ পাছত সম্প্ৰতি উইল ইয়ঙে ৬৪ আৰু ৰছ টেইলৰে ২৫ ৰাণ কৰি খেলি আছে। ভাৰপ্ৰাপ্ত অধিনায়ক টম লেথাম (৬) ব্যৰ্থ হ'লেও ক'নৱে আৰু ইয়ঙে দ্বিতীয় উইকেটত ১২২ ৰাণ যোগ দি দলৰ বৃহৎ স্ক'ৰৰ ভেটি স্থাপন কৰে।

ইয়াৰ পূৰ্বে কালিৰ সাত উইকেটত ২৫৮ ৰাণৰ পৰা খেল আৰম্ভ কৰা ঘৰুৱা দল ইংলণ্ডে আজি ৩০৩ ৰাণত প্ৰথম ইনিংছ সামৰে। কালি অপেনাৰ ৰ'ৰী বাৰ্ণছে ৮১ ৰাণ সংগ্ৰহ কৰিছিল। আজি মধ্যক্ৰমৰ বেটছমেন ডেন লৰেন্সে ৮১ ৰাণ কৰি অপৰাজিত হৈ ৰয়। কিৱি ফাষ্টবলাৰ ট্ৰেণ্ট বাউল্টে চাৰিটা আৰু মেট হেনৰীয়ে তিনিটা উইকেট দখল কৰে। উল্লেখ্য যে আঘাতৰ বাবে খেলা নাই কিৱি অধিনায়ক কেন উইলিয়ামছনে।

## ফ্ৰেন্স অপেনৰ মহিলাৰ ফাইনেলত ক্ৰেইচিক'ভা



**নিউজ ব্যুৰ'**
**পেৰিছ, ১১ জুন ঃ** ফ্ৰেন্স অপেনৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিলে চেক গণতন্ত্ৰৰ বাৰ্বৰা ক্ৰেইচিক'ভাই। যোৱানিশাৰ ছেমিফাইনেলত বাছনিহীন খেলুৱৈগৰাকীয়ে গ্ৰীচৰ মাৰিয়া ছাকাৰিক ৭-৫, ৪-৬, ৯-৭ ছেটত পৰাজিত কৰে। উল্লেখ্য যে ছাকাৰিয়ে প্ৰতিযোগিতাৰ সপ্তদশ বাছনি লাভ কৰিছিল। কিন্তু বাছনিহীন খেলুৱৈ ক্ৰেইচিক'ভাই দুৰন্ত প্ৰদৰ্শন আগবঢ়াই ছেমিফাইনেলখনত বিজয় সাব্যস্ত কৰে। তেওঁলোকৰ মাজৰ খেলখনত তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ হৈছিল। ফাইনেলত ক্ৰেইচিক'ভাৰ প্ৰতিদ্বন্দ্বী হ'ব ৰাছিয়াৰ এনাষ্টেছিয়া পাভলিউচেংক'ভা। কালিৰ প্ৰথমখন ছেমিফাইনেলত পাভলিউচেংক'ভাই শ্ল'ভেনিয়াৰ তামাৰা জিদানেকক পৰাজিত কৰিছিল।

# মৰ্যাদা পুনৰুদ্ধাৰৰ সংগ্ৰাম নেদাৰলেণ্ডৰ
## ২০১৪ৰ পাছত কোনো বৃহৎ প্ৰতিযোগিতাত ডাচ্চ বাহিনী



**নিউজ ব্যুৰ'**
**আমষ্টাৰডাম, ১১ জুন ঃ** ইউৰ' কাপৰ জৰিয়তেই হৃৎ মৰ্যাদা পুনৰুদ্ধাৰৰ বাবে সাজু হৈছে নেদাৰলেণ্ড। শিল্পসন্মত ফুটবলৰ বাবে বিখ্যাত ডাচ্চ বাহিনীয়ে বিগত কিছু বছৰত নিজৰ সুখ্যাতিৰে খেলিব পৰা নাছিল। যাৰ বাবে দলটোৱে ২০১৬ৰ ইউৰ' কাপ আৰু ২০১৮ৰ বিশ্বকাপৰ পৰা বঞ্চিত হৈছিল। ২০১৪ৰ বিশ্বকাপত তৃতীয় স্থান লাভ কৰিছিল নেদাৰলেণ্ডে। তাৰ পাছত প্ৰথমবাৰলৈ দলটো কোনো বৃহৎ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব।

একালৰ তাৰকা ফ্ৰেংক ডি ব'য়েৰৰ প্ৰশিক্ষণত শেহতীয়াকৈ ডাচ্চ দলটোৱে সংঘবদ্ধ ক্ৰীড়াশৈলী প্ৰদৰ্শন কৰিছিল। ইউৰ'ৰ গ্ৰুপ মেচত এক সুন্দৰ আৰম্ভণিয়েই দলটোক পুনৰ পৰিচিত ছন্দলৈ ঘূৰাই আনিব পাৰে। উল্লেখ্য যে 'চি' গ্ৰুপত নেদাৰলেণ্ডৰ স'তে আছে ইউক্ৰেইন, অষ্ট্ৰিয়া আৰু নৰ্থ মেচিড'নিয়া। ইউক্ৰেইনৰ বাহিৰে আন দুটা প্ৰতিপক্ষ নেদাৰলেণ্ডৰ বাবে বিশেষ কষ্টকৰ নহ'ব বুলিয়ে ধাৰণা কৰা হৈছে। তাতে গ্ৰুপ মেচসমূহ তেওঁলোকে নিজা চহৰ আমষ্টাৰডামত খেলিব।

# অধিক বিপদত পৰিছে সুশীল কুমাৰ
## হত্যাকাণ্ডত জড়িত আৰু এজনক গ্ৰেপ্তাৰ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১১ জুন ঃ** হত্যাত অভিযুক্ত হৈ গ্ৰেপ্তাৰ হোৱা তাৰকা মল্লযুঁজাৰু সুশীল কুমাৰ অধিক বিপদৰ মাজলৈ সোমাই গৈছে। দিল্লী আৰক্ষীয়ে আজি আৰু এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ইয়াকে ধৰি সাগৰ ৰাণা নামৰ মল্লযুঁজাৰুজনক প্ৰহাৰ কৰি হত্যা কৰা ঘটনাত দিল্লী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা অভিযুক্তৰ সংখ্যা ১০জন হ'লগৈ। আৰক্ষী সূত্ৰই জনোৱা মতে, অনিৰুদ্ধ নামৰ আজি গ্ৰেপ্তাৰ হোৱা অভিযুক্তজনেও দুটাকৈ অলিম্পিক পদক বিজয়ীজনৰ বিৰুদ্ধেই ভাষ্য দিছে। অনিৰুদ্ধই আৰক্ষীক জনাইছে যে সুশীলৰ নিৰ্দেশতে তেওঁ সাগৰক প্ৰহাৰ কৰি হত্যা কৰিছিল। ইফালে, উক্ত ঘটনাই সম্প্ৰতি নতুন মোৰ লৈছে। সাগৰৰ লগতে প্ৰহৃত হোৱা চুনু নামৰ এজন মল্লযুঁজাৰুৱে আৰক্ষীক জনাইছে যে তেওঁলোকে ছত্ৰশাল ষ্টেডিয়ামৰ পৰা একাংশ মল্লযুঁজাৰুক নামী প্ৰশিক্ষক বীৰেন্দ্ৰৰ তত্ত্বাৱধানলৈ নিয়াৰ চেষ্টা কৰিছিল। সেই কথাতে খৰ্গহস্ত হৈ সুশীলে তেওঁলোক দুজনক প্ৰহাৰ কৰিছিল। চুনুৱে লগতে সদৰী কৰে যে যোৱা চাৰি মে'ত ছত্ৰশাল ষ্টেডিয়ামত সংঘটিত ঘটনা পূৰ্ব পৰিকল্পিত আছিল। সুশীলে সাগৰ আৰু চুনুক শিক্ষা দিয়াৰ বাবেই এদল সতীৰ্থৰ স'তে দুয়োকে মাৰপিট কৰিছিল।



## প্ৰাপ্ত সুযোগ গ্ৰহণ কৰিবলৈ সাজু ৰুতুৰাজ



**নিউজ ব্যুৰ'**
**মুম্বাই, ১১ জুন ঃ** জাতীয় দলত প্ৰথমবাৰলৈ আমন্ত্ৰণ লাভ কৰি স্বাভাৱিকতে কিছু আৱেগিক হৈ পৰিছে ৰুতুৰাজ গায়কোৱাড়। অৱশ্যে ২৪ বছৰীয়া অপেনাৰজনে এই সুযোগৰ সদ্ব্যৱহাৰ কৰাৰ পূৰ্ণ প্ৰচেষ্টা চলাব বুলি জানিবলৈ দিছে। উল্লেখ্য যে মহাৰাষ্ট্ৰৰ ক্ৰিকেটাৰজনে শিখৰ ধৱনৰ নেতৃত্বত শ্ৰীলংকা ভ্ৰমণ কৰিবলগীয়া ভাৰতৰ সীমিত অভাৰৰ দলত স্থান লাভ কৰিছে। মহাৰাষ্ট্ৰৰ হৈ ঘৰুৱা ক্ৰিকেটত প্ৰচুৰ ৰাণ কৰা ৰুতুৰাজ ইতিমধ্যে চেন্নাই ছুপাৰ কিংছৰো গুৰুত্বপূৰ্ণ সদস্যত পৰিগণিত হৈছে। জাতীয় দলত স্থান লাভৰ পাছতে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি ৰুতুৰাজে কয়, 'মই যথেষ্ট আনন্দিত। নিৰ্বাচনৰ বিষয়ে অৱগত হোৱাৰে পৰা মই উপলব্ধি কৰিছিলো যে মোৰ আকাংক্ষাৰ যাত্ৰাৰ আৰম্ভণি হ'বলৈ গৈছে। মই এতিয়া সুযোগৰ সদ্ব্যৱহাৰ কৰিব লাগিব। সম্প্ৰতি মই কিছু আবেগাপ্লুত হৈ আছো।'

## নিজৰ মাজতে অনুশীলন মেচ খেলি প্ৰস্তুতি ভাৰতৰ

**নিউজ ব্যুৰ'**
**ছাউদাম্পটন, ১১ জুন ঃ** নিজৰ মাজতে প্ৰতিদ্বন্দ্বিতা আৰম্ভ কৰিলে বিৰাট কোহলি নেতৃত্বাধীন ভাৰতীয় ক্ৰিকেট দলে। আইচিচি টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অৱতীৰ্ণ হোৱাৰ পূৰ্বে ভাৰতীয় দলটোৱে ইতিমধ্যে কোৱাৰেণ্টাইনৰ নিয়মৰ মাজতে অনুশীলন আৰম্ভ কৰিছে। আজি দলটোৱে দুটা ভাগত বিভক্ত হৈ এখন অনুশীলন মেচ খেলে। বিচিচিআইৰ তৰফৰ পৰা এই মেচৰ একাংশ ফটো টুইট কৰিছে। প্ৰথমে ভাৰতৰ শীৰ্ষ বেটছমেনসকলে বেটিং অনুশীলন কৰে। তাৰ পাছতে তেওঁলোকে অনুশীলন মেচত অংশ লয়। অৱশ্যে এই মেচত কোন জয়ী হ'ল বা কোনে কিমান ৰাণ কৰিলে, সেয়া বিবিচিআয়ে সদৰী কৰা নাই। বিচিচিআইৰ সূত্ৰই জনোৱা মতে, আজিৰ প্ৰস্তুতি মেচত প্ৰথম একাদশত থাকিবলগীয়া খেলুৱৈসকলে দুয়োটা দলত বিভক্ত হৈ আছিল।



*ভাৰতৰ অনুশীলন মেচৰ এটি মুহূৰ্ত।*

## ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী আইচিচিৰ শ্ৰেষ্ঠ শৃংখলা

**নিউজ ব্যুৰ'**
**কলকাতা, ১১ জুন ঃ** চলিত বৰ্ষতে অনুষ্ঠিত হোৱা অষ্ট্ৰেলিয়া আৰু ভাৰতৰ মাজৰ ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীকেই টেষ্ট ইতিহাসৰ আইচিচিৰ সৰ্বশ্ৰেষ্ঠ টেষ্ট শৃংখলাৰ আখ্যা দিয়া হ'ল। সমৰ্থকৰ ভোটৰ ভিত্তিত উক্ত শ্বাসৰুদ্ধকাৰী শৃংখলাক আইচিচিয়ে সৰ্বশ্ৰেষ্ঠৰূপে নিৰ্বাচন কৰে। টেষ্ট ইতিহাসৰ বহু ৰোমাঞ্চকৰ শৃংখলাক আওকাণ কৰি ক্ৰিকেটৰ অভিভাৱক সংস্থাৱে সমৰ্থকৰ ভোটৰ ভিত্তিত ২০২০-২১ৰ ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীকেই 'আল্টিমেট' আখ্যা দিয়ে। আজি টুইটত আইচিচিয়ে লিখিছে, '৩৬ অলআউট। ৰাহানেৰ শতৰাণ। ছিডনীত ষ্টিভ স্মিথৰ সংগ্ৰাম তথা ভাৰতৰ মাটি কামুৰি পৰি থকা। গাব্বা ধুমুহা। ২০২০-২১ৰ এই শৃংখলাই সবাতোকৈ শ্ৰেষ্ঠ।' আইচিচিৰ তৰফৰ পৰা লগতে জনোৱা হৈছে যে মুঠ ১৬টা টেষ্ট শৃংখলাৰ মাজৰ পৰা ব'ৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীক শ্ৰেষ্ঠৰূপে নিৰ্বাচন কৰা হৈছে। প্ৰথম টেষ্টত মাত্ৰ ৩৬ ৰাণতে অলআউট হোৱাৰ পাছত অধিনায়ক বিৰাট কোহলিৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন তথা কে'বাজনো জ্যেষ্ঠ খেলুৱৈৰ আঘাতৰ পাছতো ভাৰতে অধিকাংশ অনভিজ্ঞ খেলুৱৈৰে উক্ত শৃংখলাত ২-১ৰ নাটকীয় বিজয় অৰ্জন কৰিছিল। তালিকাত ২০০১ৰ ভাৰত-অষ্ট্ৰেলিয়া আৰু ১৯৯৯ৰ ভাৰত-পাকিস্তান শৃংখলাও আছিল।

## দক্ষিণ আফ্ৰিকাৰ বিপক্ষে ৯৭ ৰাণতে ইনিংছ সামৰিলে ৱেষ্টইণ্ডিজে

**নিউজ ব্যুৰ'**
**গ্ৰ'ছ আইলেট, ১১ জুন ঃ** দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰথম টেষ্টত ঘৰুৱা পৰিৱেশত ৯৭ ৰাণতে ইনিংছ সামৰিলে ৱেষ্টইণ্ডিজে। কালিৰে পৰা আৰম্ভ হোৱা প্ৰথম টেষ্টত দক্ষিণ আফ্ৰিকাৰ পেচবলাৰদ্বয় লুংগি এনগিডি আৰু এনৰিখ ন'ৰ্খেৰ বিধ্বংসী বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি কেৰিবিয়ান দলটোৱে আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিপক্ষে টেষ্টত এয়াই ৱেষ্টইণ্ডিজৰ সৰ্বনিম্ন স্ক'ৰ। দলৰ হৈ সৰ্বাধিক ২০ ৰাণ কৰে প্ৰাক্তন অধিনায়ক জেছন হ'ল্ডাৰে। এনগিডিয়ে পাঁচটা আৰু ন'ৰ্খেই চাৰিটা উইকেট দখল কৰে।

ইফালে, নিজৰ প্ৰথম ইনিংছ আৰম্ভ কৰি দক্ষিণ আফ্ৰিকাই কালি চাৰি উইকেটত ১২৮ ৰাণ সংগ্ৰহ কৰিছিল। অৱশ্যে আজি বাতৰি লিখাৰ পৰালৈকে ভ্ৰমণকাৰী দলটোৱে কিছু উন্নতি ঘটাবলৈ সক্ষম হয়। ৰেছী ভান ডাৰ ডুছেনে ৪৬ ৰাণ কৰি আউট হোৱাৰ পাছত কুইণ্টন ডি ক'কে ৪৪ আৰু উইয়ান মূল্ডাৰে ২১ ৰাণত খেলি আছে। অভিষেককাৰী জেডেন ছিলেছে চাৰিটা উইকেট পায়।



## বিল্যসনন্দন চ'ৰা




# প্ৰথম খোজ, দ্বিতীয় খোজ, তৃতীয় খোজ

**খোজ** বোলা শব্দটো এটা পলিটিকেল শব্দ। খোজ সকলোৱে কাঢ়ে। বজাৰলৈ যাবলৈও খোজ কঢ়া হয়। ল'ৰা-ছোৱালীক স্কুলত থোৱা, স্কুলৰ পৰা অনা—সেইবোৰ কামতো খোজ কঢ়া হয়। এতিয়াতো মানুহৰ অফিচ-কাছাৰী নাই, কাম-ধান্দা নাই। গতিকে সৰ জাগাতে সৰকে আপুনি অনবৰত খোজ কাঢ়ি থকাই দেখা পাব। আগতে মৰ্ণিং ৱাক বা ইভিনিং ৱাকৰ কথা শুনা গৈছিল। আজিকালি সেইবোৰ নাই। টাইম পালেই ৱাক! ৱাক কৰিলে হেলথ্ ভালে থাকিব আৰু হেলথ্ ভালে থাকিলে ভাইৰাছে কামোৰ নিদিব। গতিকে যেতিয়াই তেতিয়াই খোজ কঢ়া চলি আছে।

পিছে এইবোৰ খোজৰ কোনেও পাত্তা নিদিয়ে। আচল খোজ আমাৰ দাদা-ভাইটিহঁতৰ। তেওঁলোকক আপুনি কেতিয়াও খোজ কঢ়া নেদেখে। হয় গাড়ীত যাব, নহ'লে হেলিকপ্টাৰত যাব; কিন্তু তেওঁলোকৰ খোজবোৰক লৈ তামাম চৰ্চা হয়। এতিয়া প্ৰশ্ন হয়— তেওঁলোকৰ খোজ কঢ়া কাৰ্যক কোনেও নেদেখে। অথচ তেওঁলোকৰ খোজবোৰক লৈ ইমান চৰ্চা হয় কিয়? আচল ৰহস্যটো বেলেগ। দাদা-ভাইটিহঁতে খোজ কাঢ়ে ঠিকেই, কিন্তু যি যি পথত খোজ কাঢ়ে সেইবোৰ কোনেও নেদেখে। যেনে ধৰক প্ৰগতিৰ পথত প্ৰথম খোজ। বা সৰ্বাংগীণ বিকাশৰ পথত প্ৰথম খোজ। এই বিকাশৰ পথ বা প্ৰগতিৰ পথবোৰ প্ৰজাগণে কেতিয়াবা দেখিছেনে? সাধাৰণ প্ৰজাই পায়নে যে সেইবোৰ পথ ষ্টেটৰ পকী পথৰ দৰে খলা-বমা নে হেমামালিনীৰ গালৰ দৰে! নাপায় কাৰণ সেইবোৰ পথ,



য'ত আমাৰ ৰজা-মহাৰজাসকলে খোজ কাঢ়ে, সেইবোৰ আমাৰ সাধাৰণ প্ৰজাগণে কেতিয়াও দেখা নাপায়। আচলতে সেইবোৰ পথ সাধাৰণ প্ৰজাৰ পৰা বহু দূৰৈদি পাৰ হৈ যায়। সেইবোৰ পথ হাইলী ৰেষ্ট্ৰিক্টেড! তাত কেৱল ৰজা-মহাৰজাসকলেহে খোজ কাঢ়িব পাৰে। বা সহজ ভাষাত ক'বলৈ গ'লে যিবোৰ পথেদি আমাৰ ৰজা-মহাৰজাসকলে খোজ কাঢ়ে, সেইবোৰকে প্ৰগতিৰ পথ, বিকাশৰ পথ অথবা দীঘলীয়া যাত্ৰাৰ পথ বোলে। আকৌ সাঁথৰ সোধাৰ ষ্টাইলত যদি সোধা হয় যে যিবোৰ পথ আছে, কিন্তু কোনেও কেতিয়াও নেদেখে, তেতিয়াও ক'ব পাৰি—প্ৰগতিৰ পথ, বিকাশৰ পথ ইত্যাদি ইত্যাদি!

ৰজা-মহাৰজাসকলৰ খোজ কঢ়াৰো বেলেগ বেলেগ ষ্টাইল আছে। বেচেৰানন্দয়ো এইবোৰ পথতে খোজ কাঢ়ি আছিল। কিন্তু পথ বিভ্ৰাট হৈ বেলেগ পথেদি গুচি গ'ল আৰু যেতিয়া গম পাই নিজৰ পথটোৰে ঘূৰি আহিল, তেতিয়া দেখিলে যে তেওঁ খোজ কঢ়া পথটোৰে দাদাৰজাই খোজ কাঢ়ি বহু দূৰ আগুৱাই গৈছে। পিছে আমাৰ দিল্লীৰ বাদশ্বাহ বা দাদাৰজাৰ খোজবোৰ অলপ ধৰ্মেন্দ্ৰ বা ছানী দেউলৰ লেখীয়া পালোৱান এক্টৰবোৰৰ নিচিনা। এটা খোজ পেলাব, গিৰিমকৈ প্ৰচণ্ড আৱাজ হ'ব, য'ত যিমান ভিলেইন-চিলেইন আছিল সৰ বহু দূৰলৈ ছিটিকি যাব।

দিল্লীৰ পেলেচত সোমায়ে বাদশ্বাহে একেই ষ্টাইলত এনে এটা খোজ দিলে যে পাঁচশটকীয়া, এহেজাৰটকীয়া সৰ ছিটিকি উৰি গ'ল। আমাৰ দাদাৰজায়ো ৰাজপাটত বহি এই এমাহত এনে এটা খোজ দিছে যেন ষ্টেটৰ সৰ প্ৰব্লেমেই কৰ্পূৰৰ দৰে উৰি নাইকিয়া হৈ গ'ল। এই খোজটো তেওঁৰ প্ৰথম খোজ। দ্বিতীয় খোজত ছাগে আগৰ প্ৰব্লেমবোৰ যে মিউটেন্ট হৈ নতুন নতুন ৰূপত উভতি আহিব। তৃতীয় খোজত সেইবোৰ পুনৰ ছিটিকি যাব আৰু চতুৰ্থ খোজত আকৌ ঘূৰি আহিব। মানে একেখিনি প্ৰব্লেমেই এবাৰ যাব, এবাৰ আহিব। কিন্তু খোজৰ হিচাপটো বাঢ়ি গৈ থাকিব। আৰু যদি এই খোজ কঢ়াৰ ভেল্কিবাজিৰ কথা গম পাই প্ৰজাগণে প্ৰতিবাদ কৰে, তেন্তে এনে এটা খোজ দিব যে সমস্ত প্ৰজাগণেই মহাশূন্যলৈ ছিটিকি নাইকিয়া হৈ যাব।

# অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত ৰাজ্যজুৰি কংগ্ৰেছৰ ধৰ্ণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১১ জুন ঃ** পেট্ৰ'ল-ডিজেলৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিৰ প্ৰতিবাদত আজি ৰাজ্যজুৰি কংগ্ৰেছে প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। ধৰ্ণা কাৰ্যসূচীৰ সময়ত প্ৰতিবাদকাৰীসকলে 'অত্যাৱশ্যকীয় সা-সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰক, মোদী চৰকাৰৰ কাম নাই, মোদী চৰকাৰ নিপাত যাওক, মোদী চৰকাৰ হায় হায়' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। মোদী চৰকাৰৰ কাৰ্যকালত সা-সামগ্ৰীৰ মূল্য বৃদ্ধি পাই আহিছে বুলি অভিযোগ কৰে কংগ্ৰেছে। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দিনতো সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে অভিলেখ ভংগ কৰিছে বুলি অভিযোগ কৰে। ৰাজ্যখনৰ বিশেষকৈ বঙাইগাঁও, যোৰহাট, দুলীয়াজান, নলবাৰী, নগাঁও, কাৰ্বি আংলং, মঙলদৈ, লখিমপুৰ, ধুবুৰী, শিৱসাগৰ, ডিমৌ, ডংকামোকাম, লালুক, কৃষ্ণাই, বৰভাগ, গোলকগঞ্জ, ছয়গাঁও আদিত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। ধৰ্ণা কাৰ্যসূচীত সাংসদ আব্দুল খালেক, প্ৰদ্যুৎ বৰদলৈ, প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, বসন্ত দাস, শিবামণি বৰাকে ধৰি প্ৰদেশ কংগ্ৰেছৰ নেতৃবৃন্দ উপস্থিত থাকে।





# ছ'চিঅ'লিজমৰে বিয়া মমতা বেনাৰ্জীৰ

## তামিলনাডুত চৰ্চিত এখন বিবাহ

অৱশেষত বিবাহপাশত আবদ্ধ হ'ব মমতা বেনাৰ্জী। মমতাই স্বামীবৰণ কৰিব ছ'চিঅ'লিজমক। হয়, অহা ১৩ জুনত তামিলনাডুৰ ছালেমত মমতাৰ স'তে বিবাহ সম্পন্ন হ'ব ছ'চিঅ'লিজমৰ।

■ **নিউজ ব্যুৰ'**

**ছালেম, ১১ জুন ঃ** অৱশেষত বিবাহপাশত আবদ্ধ হ'ব মমতা বেনাৰ্জী। মমতাই স্বামীবৰণ কৰিব ছ'চিঅ'লিজমক। হয়, অহা ১৩ জুনত তামিলনাডুৰ ছালেমত মমতাৰ স'তে বিবাহ সম্পন্ন হ'ব ছ'চিঅ'লিজমৰ। এই বিবাহৰ বাবে ইতিমধ্যে নিমন্ত্ৰিতক ভাৰ্চুৱেল কাৰ্ডৰে বৈবাহিক অনুষ্ঠানত অংশ ল'বলৈ অনুৰোধ জনোৱা হৈছে। ছ'চিঅ'লিজম আৰু মমতাৰ এই বিবাহ অনুষ্ঠানত যোগদান কৰিবলৈ যথেষ্টসংখ্যক লোকে সামাজিক মাধ্যমৰ জৰিয়তে নিজৰ ইচ্ছা ব্যক্ত কৰিছে। অহা দেওবাৰে সম্পন্ন হ'ব লগা এই বিবাহৰ আয়োজনত সম্প্ৰতি ব্যস্ত আছে দৰাৰ পিতৃ লেনিন আৰু জ্যেষ্ঠ ভ্ৰাতৃ কমিউনিজম। বিবাহ অনুষ্ঠানক লৈ স্বাভাৱিকতে দুই পৰিয়ালৰ মাজত আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে। কিন্তু কিয় মমতা বেনাৰ্জী আৰু ছ'চিঅ'লিজমৰ এই বিবাহে দেশজুৰি চৰ্চা লাভ কৰিছে? ইতিমধ্যে ভাইৰেল হ'ল এই বিবাহৰ নিমন্ত্ৰণী পত্ৰ। কিন্তু ক'ত সম্পন্ন হ'ব এইখন বিবাহ?

জানিব পৰা মতে, সঁচাকৈয়ে মমতা আৰু ছ'চিঅ'লিজমৰ চাৰি হাত অচিৰে এক হ'ব। পাত্ৰ ছ'চিঅ'লিজমৰ ঘৰ হৈছে তামিলনাডুৰ ছালেমত। অঞ্চলটোৰ চি পি আই জিলা সমিতিৰ সম্পাদক লেনিন মোহনৰ কনিষ্ঠ পুত্ৰ ছ'চিঅ'লিজম। আনহাতে, পাত্ৰী পি মমতা বেনাৰ্জী হৈছে ছালেমৰ এটি কংগ্ৰেছ পৰিয়ালৰ কন্যা। প্ৰকাশিত বাতৰি অনুসৰি, লেনিন মোহনৰ তিনিজন পুত্ৰ আছে আৰু তেওঁলোকৰ নাম হৈছে কমিউনিজম, লেনিনিজম আৰু ছ'চিঅ'লিজম। কিন্তু কিয় পুত্ৰ সন্তানৰ নাম এইদৰে ৰাখিলে পিতৃয়ে? 'দ্য ইণ্ডিয়ান এক্সপ্ৰেছ'ৰ এক সাক্ষাৎকাৰত লেনিন মোহনে কয়, 'ছ'ভিয়েট ইউনিয়নৰ পতনৰ পাছত সকলোৱে ক'বলৈ আৰম্ভ কৰিছিল যে পৃথিৱীৰ পৰা কমিউনিজমে বিদায় ল'লে। সমগ্ৰ দৰ্শন-মতাদৰ্শ ধ্বংস হ'ল। সেই সময়ত দূৰদৰ্শনত অহৰহ এই বাতৰি প্ৰচাৰ কৰা হৈছিল। তেতিয়া মোৰ পত্নী সন্তানসম্ভৱা আছিল। ডাঙৰ ল'ৰাৰ জন্মৰ পাছত সেয়েহে আমি তাৰ নাম কমিউনিজম ৰখাৰ সিদ্ধান্ত লৈছিলো। আমাৰ বিশ্বাস যে বিশ্বত মানৱ সভ্যতা যেতিয়ালৈকে থাকিব, কমিউনিজমৰ দৰ্শনো তেতিয়ালৈকে থাকিব।' উল্লেখ্য যে লেনিন মোহনৰ কাট্টুৰ গাঁৱৰ সৰহসংখ্যক বাসিন্দাই কমিউনিষ্ট মতাদৰ্শত বিশ্বাসী। সেয়েহে এইখন গাঁৱত অতি সহজে ৰাছিয়া, ম'স্কো, চেক'শ্ল'ভাকিয়া, ৰোমানিয়া, ভিয়েটনাম আদি নামৰ লোকৰ সন্ধান পোৱা যায়।

ছ'চিঅ'লিজমৰ জীৱনসংগী হ'ব মমতা বেনাৰ্জী। কিন্তু মমতা হৈছে কংগ্ৰেছ মতাদৰ্শৰ পৰিয়ালৰ সন্তান। তাৎপৰ্যপূৰ্ণ এই বৈবাহিক সম্পৰ্কৰ সন্দৰ্ভত পাত্ৰৰ পিতৃয়ে কি কয়? লেনিন মোহনে কয়, 'পাত্ৰীৰ ককাক এই অঞ্চলৰ এজন প্ৰভাৱশালী কংগ্ৰেছ নেতা। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ কৰ্মকাণ্ডই তেওঁক অনুপ্ৰাণিত কৰিছিল। সেয়েহে নাতিনীৰ নাম ৰাখিছিল মমতা বেনাৰ্জী। আমি সকলোৱে বিচাৰো আমাৰ পুত্ৰ-কন্যাই ভৱিষ্যতে আমাৰ মতাদৰ্শ বহন কৰক। আমাৰ এটি নাতিৰ নাম ৰাখিছো মাৰ্ক্সিজিম। যদি ভৱিষ্যতে নাতি-নাতিনী হয়, তেন্তে নাম ৰাখিম কিউবা।' মহামাৰীৰ পৰিপ্ৰেক্ষিতত অৱশ্যে ছ'চিঅ'লিজম আৰু মমতাৰ বিবাহ অনুষ্টুপীয়াকৈ অনুষ্ঠিত হ'ব। দুই পৰিয়ালৰ মাজতে ক'ভিড বিধি পালনৰে আবদ্ধ থাকিব বৈবাহিক ৰীতি-নীতি। সেয়েহে বিবাহৰ নিমন্ত্ৰণী পত্ৰ ছপা কৰাৰ পাছতো সেয়া বিতৰণ নকৰি চি পি আইৰ মুখপত্ৰ 'জনশক্তি'ত পুত্ৰৰ বিবাহৰ নিমন্ত্ৰণী বিজ্ঞাপন ছপালে লেনিন মোহনে। এই বিবাহ অনুষ্ঠানক লৈ ইতিমধ্যে সামাজিক মাধ্যমত ব্যাপক চৰ্চা চলিছে। ছ'চিঅ'লিজম আৰু মমতা বেনাৰ্জীৰ বিবাহখন প্ৰত্যক্ষ কৰিবলৈকো যথেষ্টসংখ্যক সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে উৎসুকতা প্ৰকাশ কৰিছে।

## হাৰ্ভাৰ্ডৰ গৱেষকৰ দাবী

# ভৱিষ্যতত মানৱ পৰিণত হ'ব হাইব্ৰিড প্ৰজাতিৰ



হাৰ্ভাৰ্ড ইউনিভাৰচিটীৰ জিনতত্ত্বৰ বিশেষজ্ঞ ডেভিড ছিনক্লিয়াৰে দাবী কৰা অনুসৰি, জিনৰ পুনৰ স্থাপনৰ মাধ্যমৰে মানুহে লাভ কৰিব পাৰিব অমৰত্ব। ২০২৩ বৰ্ষৰ পৰা বিজ্ঞানীজনৰ উদ্যোগত হাৰ্ভাৰ্ডত আৰম্ভ কৰা হ'ব মানৱ দেহত জিন পুনৰ স্থাপনৰ পৰীক্ষামূলক অধ্যয়ন।

■ **নিউজ ব্যুৰ'**

**ৱাশ্বিংটন, ১১ জুন ঃ** হাৰ্ভাৰ্ড ইউনিভাৰচিটীৰ জিনতত্ত্বৰ বিশেষজ্ঞ ডেভিড ছিনক্লিয়াৰে দাবী কৰা অনুসৰি, জিনৰ পুনৰ স্থাপনৰ মাধ্যমৰে মানুহে লাভ কৰিব পাৰিব অমৰত্ব। ২০২৩ বৰ্ষৰ পৰা বিজ্ঞানীজনৰ উদ্যোগত হাৰ্ভাৰ্ডত আৰম্ভ কৰা হ'ব মানৱ দেহত জিন পুনৰ স্থাপনৰ পৰীক্ষামূলক অধ্যয়ন। ইয়াৰ জৰিয়তে মানুহৰ স্বাভাৱিক আয়ুস গড় আয়ুসৰ তুলনাত অধিক বৃদ্ধিত সহায় কৰিব বুলি গৱেষকজনে দাবী কৰিছে। অধ্যাপক ছিনক্লিয়াৰৰ মতে, অদূৰ ভৱিষ্যতে মানৱ প্ৰজাতি এক ধৰণৰ হাইব্ৰিড প্ৰজাতিত পৰিণত হ'ব। এই বিষয়ত ইতিমধ্যে এন্দুৰৰ ওপৰত পৰীক্ষামূলক অধ্যয়ন আৰু গৱেষণা সম্পন্ন কৰা বুলি হাৰ্ভাৰ্ডৰ বিজ্ঞানীজনে জানিবলৈ দিয়ে। মস্তিষ্ক আৰু শৰীৰৰ অন্যান্য অংগ-প্ৰত্যংগত বয়স বৃদ্ধিৰ প্ৰভাৱ সীমিত কৰা সম্ভৱ বুলি দাবী কৰি অধ্যাপক ছিনক্লিয়াৰে কয়, 'মানৱ শৰীৰত এক ধৰণৰ এমব্ৰায়'নিক জিন আছে, এই জিন প্ৰাপ্তবয়স্ক প্ৰাণীৰ শৰীৰত টিচুৰ বয়স নতুনকৈ নিৰ্ধাৰণ কৰিবলৈ পুনৰ স্থাপন কৰা হৈছিল। এই প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ চাৰিৰ পৰা আঠ সপ্তাহ সময়ৰ প্ৰয়োজন হৈছিল। ধৰা হওক, এটা অন্ধ এন্দুৰে বয়সৰ ফলত দৃষ্টিশক্তি হেৰুৱালে, তাৰ নিউৰ'নৰ সংযোগ মস্তিষ্কলৈকে সঠিকভাৱে হোৱা নাই। এই ক্ষেত্ৰত উক্ত নিউৰ'ন পুনৰ স্থাপন কৰিলে এন্দুৰটোৱে আকৌ তাৰ দৃষ্টিশক্তি ঘূৰাই পাব। এইটো কথা সেই সময়ত আমাৰ জ্ঞাত নাছিল যে টিউমাৰ সৃষ্টি নকৰাকৈ বা চকুত ষ্টেমচেল স্থাপন নকৰাকৈ আংশিকভাৱে এন্দুৰৰ বয়সৰ প্ৰভাৱ হ্ৰাস কৰাটো সম্ভৱ নে? ইয়াৰ উত্তৰ হৈছে— সম্ভৱ।

হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষকজনে প্ৰকাশ কৰা মতে, মানৱ দেহৰ বাবে এই ধৰণৰ পৰীক্ষামূলক অধ্যয়ন ২০২৩ৰ পৰা আৰম্ভ কৰা হ'ব। এই পৰীক্ষাই কোষৰ বয়স বৃদ্ধিৰ প্ৰক্ৰিয়াক বিপৰীত দিশত পৰিচালিত কৰিব। বিজ্ঞানীসকলৰ মতে, মানুহৰ আয়ুসৰেখাৰ কোনো নিৰ্ধাৰিত সীমাৰেখা নাই। জিনতত্ত্ব বিশেষজ্ঞৰ দাবী, আজি যি শিশুৰ জন্ম হৈছে সেই শিশুৱে আগন্তুক সময়ত অনায়াসে এশ বছৰ আয়ুস লাভৰ প্ৰত্যাশা ৰাখিব পাৰিব। মানুহৰ 'বায়'ল'জিকেল অৰ্গেনিজম' যে থমকি যাব, এনে ধৰণৰ কোনো নিশ্চিত কথা নাই বুলিও অধ্যাপক ছিনক্লিয়াৰে দাবী কৰিছে। অলপতে আন এটি গৱেষণামূলক অধ্যয়নত গৱেষকে মানুহৰ অমৰত্ব লাভৰ সম্ভাৱনাক নাকচ কৰিলেও এটা কথা স্বীকাৰ কৰিছিল যে আগন্তুক সময়ত মানুহে ১২০-১৫০ বছৰ বয়সলৈকে জীয়াই থকাটো সম্ভৱ হ'ব। শেহতীয়াভাৱে হাৰ্ভাৰ্ড ইউনিভাৰচিটীৰ গৱেষকেও মানুহৰ আয়ুস বৃদ্ধিৰ প্ৰসংগত পুনৰ এক ইতিবাচক বতৰা দিলে।

## উত্তৰ-গুৱাহাটীত গেছ পৰিবাহী ট্ৰাকৰ পৰা ডেৰ কোটি মূল্যৰ ড্ৰাগছ জব্দ ঃ ছিপাঝাৰত ধৃত সৰবৰাহকাৰী

# স্বাস্থ্যকৰ্মীৰ ৰূপত ড্ৰাগছ সৰবৰাহকাৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/উত্তৰ গুৱাহাটী/মঙলদৈ, ১১ জুন ঃ** জ'মেট-ছুইগীৰ হোম ডেলিভাৰী বয়, ট্ৰাক চালকৰ পাছত এইবাৰ স্বাস্থ্যকৰ্মীৰ ৰূপত মহানগৰীত ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ হোৱা ঘটনাই আৰক্ষীৰ বাবে আন এক প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। দিছপুৰ আৰক্ষীয়ে আজি ছয়মাইলত গোপন সূত্ৰৰ ভিত্তিত চলোৱা এক অভিযানত এই কথা পোহৰলৈ আহিছে আৰু এএছ-০১ বিএ-০৭৪৬ নম্বৰৰ এখন বিলাসী বাহনসহ প্ৰায় ডেৰ লাখ টকা মূল্যৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হৈছে।

দিছপুৰ আৰক্ষীৰ সহকাৰী আয়ুক্ত হিমাংশু প্ৰসাদ দাসে সদৰী কৰা অনুসৰি, ধৃত সৰবৰাহকাৰীজন নাম ইনামুল হক আৰু ধৃতই নিজকে স্বাস্থ্যকৰ্মী হিচাপে পৰিচয় দি সান্ধ্য আইনৰ মাজতে মহানগৰীত ড্ৰাগছ সৰবৰাহ অব্যাহত ৰাখিছিল। এই খবৰৰ ভিত্তিত আৰক্ষীয়ে ছয়মাইল আনন্দ নগৰস্থিত ধৃত যুৱকজনৰ ঘৰৰ অভিমুখে গৈ থকা সময়তে যুৱকজনে দলটোক দেখি বিলাসী বাহনৰ পৰা ড্ৰাগছখিনি দলিয়াই দিছিল বুলি বিষয়াজনে সদৰী কৰে। ধৃত যুৱকজনৰ পৰা অভিযানকাৰী দলটোৱে প্ৰায় ২৫ গ্ৰাম ড্ৰাগছ, নগদ ৭৫ হেজাৰ টকা আৰু কিছু আপত্তিজনক নথি-পত্ৰ জব্দ কৰিছে।

ইফালে, কামৰূপ আৰক্ষীয়ে যোৱা নিশা মহানগৰ আৰক্ষীৰ সহযোগত উত্তৰ গুৱাহাটী বটলিং প্লেণ্টৰ পৰা এখন গেছ পৰিবাহী ট্ৰাকৰ পৰা প্ৰায় ডেৰ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। এই ড্ৰাগছ সৰবৰাহত জড়িত থকা ইম্ফলৰ ইমানুৱেল খাছী (২৮) আৰু অজয় মেইটে (২২)ক গ্ৰেপ্তাৰ কৰাৰ লগতে এমএন-০১ এএ ১২৫১২ নম্বৰৰ টেংকাৰখন জব্দ কৰিছে।

ইতিমধ্যে চাংসাৰি আৰক্ষীয়ে এনডিপিএছ এক্টৰ ২২(চি)/২৯ ধাৰাত ২৬৩/২১ নম্বৰত এক গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰখাৰ সমান্তৰালভাৱে ধৃত যুৱকদ্বয়ৰ পৰা ২৫০ গ্ৰাম হেৰ'ইন জব্দ কৰিছে বুলি সদৰী কৰিছে। উল্লেখ্য যে টেংকাৰখনে মণিপুৰৰ পৰা এই ড্ৰাগছ লৈ নগালেণ্ড হৈ অসমত প্ৰৱেশ কৰিছিল। মহানগৰ আৰক্ষীয়ে এই তথ্য লাভ কৰি কামৰূপ আৰক্ষীৰ যৌথ উদ্যোগত উত্তৰ গুৱাহাটী বটলিং প্লেণ্টত প্ৰৱেশ কৰা টেংকসমূহত তালাচী আৰম্ভ কৰে।

আনহাতে, ছিপাঝাৰৰ পৰা ন জুনত গাড়ী এৰি পলায়ন কৰা ড্ৰাগছ সৰবৰাহকাৰীক আজি দৰং আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত সৰবৰাহকাৰীজন হাজোৰ শিংৰীমাৰীৰ বাবু আলী ওৰফে মইনুল আলী বুলি সদৰী কৰিছে। উল্লেখ্য যে উল্লিখিত দিনটোত ধৃত সৰবৰাহকাৰীজনে আৰক্ষীৰ অভিযানৰ উমান পাই এএছ-০১ ইবি-৭৭৬৮ নম্বৰৰ অল্ট' বাহনখন এৰি পলায়ন কৰিছিল আৰু আৰক্ষীয়ে বাহনখনৰ পৰা ৬৫টা ড্ৰাগছভৰ্তি কণ্টেইনাৰ জব্দ কৰিছিল।

ঘটনা সংক্ৰান্তত ছিপাঝাৰ আৰক্ষীয়ে এনডিপিএছ এক্টৰ অধীনত ২২ (ক) ধাৰাত ৩৫৫/২১ নম্বৰত এটা গোচৰ ৰুজু কৰিছিল আৰু আজি গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

## তেজপুৰৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ কৰ'না ৰোগীৰ নিৰুদ্দেশৰ ঘটনা

# কৰ'বাত এটা ব্যৱধান আছে, উপায়ুক্তৰ তদন্তৰ নিৰ্দেশ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১১ জুন ঃ** কৰ'নাত আক্ৰান্ত হৈ তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি হৈ থকা অৱস্থাতে পাঁচ দিন ধৰি নিৰুদ্দেশ হোৱা এগৰাকী মহিলাৰ মৃতদেহ হাস্পতালখনৰে মৰ্গত উদ্ধাৰ হোৱা ঘটনাৰ তদন্তৰ নিৰ্দেশ দিছে শোণিতপুৰ জিলা উপায়ুক্তই। আজি এই সন্দৰ্ভত উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে অতিৰিক্ত উপায়ুক্ত বন্তি তালুকদাৰক তদন্তৰ দায়িত্ব দিছে। উল্লেখ্য যে জিলাখনৰ চাৰিদুৱাৰ ৰাজহ চক্ৰৰ সৰুপাট গাঁৱৰ ধনমনি গোৱালা (৬৫) নামৰ কৰ'না আক্ৰান্ত বৃদ্ধাগৰাকীক যোৱা ২৬ মে'ত টুমকিস্থিত তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। তিনি জুন পৰ্যন্ত ক'ভিড কক্ষত থকা ৰোগীগৰাকী চাৰি জুনৰ পৰা নিৰুদ্দেশ হৈ পৰাত মাতৃক বিচাৰি মহিলাগৰাকীৰ পুত্ৰই হাবাথুৰি খাইছিল। আনকি পুত্ৰ কৰ্মেশ্বৰ গোৱালাক ইয়াৰে একাংশ চিকিৎসক আৰু চিকিৎসা কৰ্মীয়ে সেই নামৰ কোনো ৰোগী চিকিৎসালয়ত নাই বুলি কৈছিল। উপায়হীন হৈ যোৱা ন জুনত পুত্ৰই দাখিল কৰা এজাহাৰৰ পাছতে সেইদিনা বিয়লি হাস্পতালখনৰ মৰ্গত উদ্ধাৰ হৈছিল মহিলাগৰাকীৰ মৃতদেহ। এই বাতৰি আজি সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ লগতে তাৎক্ষণিকভাৱে উপায়ুক্তই সমগ্ৰ ঘটনাৰ তদন্তৰ লগতে ২৪ ঘণ্টাৰ ভিতৰত প্ৰতিবেদন জমা দিবলৈ নিৰ্দেশ দিয়ে। ক'ৰবাত কিবা এটা বৃহৎ ব্যৱধান আছে বুলি প্ৰতিক্ৰিয়া ব্যক্ত কৰি উপায়ুক্তই চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই ঘটনাৰ সন্দৰ্ভত কিয় এনে ধৰণৰ ভূমিকা গ্ৰহণ কৰিছে তাতো সন্দেহ আছে বুলি প্ৰকাশ কৰে। তেওঁ সংবাদ মাধ্যমৰ পৰাহে এই বিষয়ে অৱগত হৈছিল বুলি কয়।

# কিশোৰীক মুৰ্ছিদাবাদত উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১১ জুন ঃ** হোজাইৰ এফ চি আই পথৰ পৰা অপহৃত এগৰাকী কিশোৰীক কালি পশ্চিমবংগৰ মুৰ্ছিদাবাদৰ পৰা উদ্ধাৰ কৰাৰ লগতে অপহৰণকাৰীক আটক কৰে। হোজাই আৰক্ষী থানাৰ উপ-পৰিদৰ্শক বদন বৰাৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে ১৬ বছৰীয়া কিশোৰী গৰাকীক উদ্ধাৰ কৰাৰ লগতে অপহৰণকাৰী ইলিয়াছ শ্বেখক আটক কৰে। আজি দুয়োকে জিলা সদৰ শংকৰদেৱ নগৰৰ ন্যায়িক আদালতত হাজিৰ কৰাত অপহৰণকাৰীক জেললৈ প্ৰেৰণ কৰে।

## কলিয়াবৰত ধৰমশালাতে চলিছে ৯১ বছৰীয়া শিলঘাট আৰক্ষী চকী



# ১৯৩০তেই স্থাপিত চৰাইঘাটৰ 'পুলিচৰ চকী'ৰ পয়ালগা ছবি

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১১ জুন ঃ** মধ্য অসমৰ মধ্যমণি তাহানিৰ ব্ৰিটিছ নগৰী শিলঘাটৰ ৯১ বছৰীয়া ঐতিহাসিক 'পুলিচৰ চকী'ৰ পয়ালগা ছবিখন আজিৰ দিনটোত বাৰুকৈয়ে পৰিলক্ষিত হৈছে। ইংৰাজ আমোলতে তাহানিৰ চৰাইঘাটত এখন চহৰ গঢ়িছিল ব্ৰিটিছ চাহাবে। পাছলৈ ইয়াৰ নাম হৈছিল শিলঘাট। এই শিলঘাটতে তেতিয়াই মিটাৰগজ ৰেল ষ্টেছনটোৰ পৰা খাৰ-বাৰুদৰ ঘৰলৈকে সকলো সুপৰিকল্পিতভাৱে সজাইছিল বগা চাহাবে। এই শিলঘাটৰ বুকুতে ব্ৰহ্মপুত্ৰৰ পাৰত সাজিছিল এটা জাহাজঘাটো। যিটো জাহাজঘাটৰ লগত তেতিয়াই সংযোগ স্থাপন হৈছিল কলকাতাৰ লগতে আন আন স্থানৰো আৰু এই সকলোবোৰৰ আইন-শৃংখলা ব্যৱস্থা সুন্দৰকৈ পৰিচালিত কৰিবলৈ বগা চাহাবে তেতিয়াই স্থাপন কৰিছিল এটা তাহানিৰ 'পুলিচৰ চকী'। ১৯৩৩তে ব্ৰিটিছ শাসকে পৰিকল্পিত ৰাজহ টাউনৰূপে স্বীকৃতি প্ৰদান কৰাৰ পূৰ্বেই ১৯৩০ত অসমৰ মধ্যস্থল কলিয়াবৰৰ শিলঘাটৰ প্ৰয়োজনীয় আন্তঃগাঁথনি গঢ় দি লৈছিল। পৰৱৰ্তী সময়ত জলপথ, স্থলপথ আৰু ৰেলপথেৰে সংযোজিত কলিয়াবৰ মহকুমাৰ অন্তৰ্গত শিলঘাটত ক্ৰমান্বয়ে ডাকঘৰ, চিকিৎসালয়, বিদ্যালয় আদিৰ লগতে শান্তি-শৃংখলা ৰক্ষাৰ বাবে ১৯৩০তেই স্থাপন কৰা আৰক্ষী চকীখনে বৰ্তমানেও এই বৃহত্তৰ অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজক নিৰাপত্তা দিয়াৰ নামত কেৱল সাক্ষী গোপালৰূপে থিয় হৈ থকাটোৱে অতিশয় দুৰ্ভাগ্যজনক বুলি বিবেচিত হৈছে। ক'বলৈ গ'লে আজিৰ ঢাল তৰোৱালবিহীন নিধিৰাম চৰ্দাৰৰ ৰূপত থকা আৰক্ষী চকীখন দীৰ্ঘদিন ধৰি ভাড়াঘৰতেই কাৰ্য সম্পাদন কৰি আহিছিল যদিও পিছলৈ ঘৰৰ ভাড়া দিব নোৱাৰাত বিগত কে'বাবছৰো ধৰি শিলঘাটৰ ধৰমশালাতে চকীখনৰ কাম-কাজ চলাই আছে। বিগত বছৰসমূহত বহুকেইখন চৰকাৰ আহিল আৰু গ'ল, কিমান জন মুখ্যমন্ত্ৰীকে ধৰি নেতা-মন্ত্ৰীয়ে শিলঘাট গৰকি গ'ল তাৰো হিচাপ দীঘলীয়া। কিন্তু ইমানৰ পাছতো ৰাইজে আশা কৰা ধৰণে ফল নাপালে এই ইংৰাজ আমোলতে স্থাপিত 'পুলিচ চকী'খনে। উল্লেখ্য যে চৰকাৰী বিভিন্ন সা-সুবিধাৰ পৰা দীৰ্ঘদিন বঞ্চিত হৈ আহিলেও কিন্তু শিলঘাট আৰক্ষী চকীখনে বৃহত্তৰ অঞ্চলবাসীৰ মাজত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কলিয়াবৰ আৰু সোণাৰিকে ধৰি দুখনকৈ বৃহৎ চাহ বাগিচা আৰু প্ৰায় ১৮ খন বৃহৎ গাঁৱৰ শান্তি-শৃংখলা ৰক্ষাৰ দায়িত্ব পালন কৰি অহা এই আৰক্ষী চকী অঞ্চলৰ অন্তৰ্ভুক্ত অসম সমবায় মৰাপাট কলটোও। আৰক্ষী চকীখনৰ উত্তৰ সীমাত আছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনত অন্তৰ্ভুক্ত হোৱা মহাবাহু ব্ৰহ্মপুত্ৰ। বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে বসবাস কৰা এই অঞ্চলটোত সঘন চুৰি-ডকাইতিৰ ঘটনা ঘটে। লগতে ইতিপূৰ্বে কে'বাটাও হত্যাকাণ্ড সংঘটিত হৈছে। বন্দুক-বাৰুদ, পৰিবহণৰ ব্যৱস্থা অবিহনেই এজন আৰক্ষী উপ-পৰিদৰ্শক, দুজন কনিষ্টবল আৰু দুজন গৃহৰক্ষী জোৱানে চলাবলগীয়া হয় এই আৰক্ষী চকীখন। ৰাইজৰ নিৰাপত্তাত নিয়োজিত বিভাগীয় এইসকল বিষয়া-কৰ্মচাৰীয়ে সময়ে সময়ে নিজেই নিৰাপত্তাহীনতাত ভোগা পৰিলক্ষিত হয়।

যোৱা ৯১ বছৰে চৰকাৰী নিজা গৃহ নোহোৱাকৈ ভাড়াঘৰতেই চৰকাৰী কাম-কাজ চলাই থকাটোৰ সন্দৰ্ভত ২০০৩ৰ ২৪ জুলাইত উত্তৰ পূবথৰীয়া গাঁও পঞ্চায়তৰ সভাত পঞ্চায়তৰ অধীনত থকা দাগ নম্বৰ ৭১ৰ চৰকাৰী এবিঘা ১৫ লেচা জোখৰ মাটি ডোখৰত আৰক্ষী চকীখন স্থানান্তৰ কৰাৰ এটা প্ৰস্তাৱ লোৱা হৈছিল। এই প্ৰস্তাৱ চৰকাৰৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছিল যদিও আজি পৰ্যন্ত তাৰ কোনো ফলাফল পোৱা নহ'ল থানা স্থানান্তৰকৰণৰ ক্ষেত্ৰত। সেই সময়ত গৃহমন্ত্ৰীৰ দায়িত্বত থকা ৰকিবুল হুছেইনে শিলঘাটৰ এখন ৰাজহুৱা সভাত ইয়াক থানালৈ উন্নীতকৰণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পাছতো আজি পৰ্যন্ত এনেদৰেই চৰম অৱহেলাৰ সাক্ষী হৈ থাকিব লগা কথাই প্ৰমাণ কৰে ৰাজ্য চৰকাৰৰ খোদ গৃহ বিভাগৰ বৰমূৰীয়াসকলৰ দায়িত্বৰ নমুনা। সেয়ে আগন্তুক দিন এই নতুন চৰকাৰখনক এই ক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে সজোৰে দাবী তুলিছে। ইয়াৰ লগতে ঐতিহাসিক স্বাক্ষৰ বহনকাৰী তাহানিৰ বগা চাহাবে স্থাপন কৰা এই 'পুলিচৰ চকী'ক এক বিশেষ মাত্ৰা দিবলৈয়ো আহ্বান জনাইছে কলিয়াবৰবাসীয়ে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com